ৰাষ্ট্ৰপতি

কালামৰ সান্নিধ্য

ৰাষ্ট্ৰপতি
কালামৰ সান্নিধ্য

ৰাষ্ট্ৰপতিৰ সঙ্গত কটোৱা বছৰকেইটা

[ড° কালামৰ কেইখনমান দুৰ্লভ ৰঙীণ ফটো আৰু
ফালী এছ. নাৰীম্যানৰ প্ৰাক্কথন সম্বলিত]

পি এম নায়াৰ

অনুবাদ

সুৰেশ শৰ্মা

DIRECTORATE OF ... OF ASSAM

জ্যোতি প্ৰকাশন

জ্যোতি প্ৰকাশন
পাণবজাৰ ঃ গুৱাহাটী ঃ অসম

RASHTRAPATI KALAMAR SANNIDHYA : Assamese translation of PM Nair's KALAM EFFECT : MY DAYS WITH THE PRESIDENT done by Suresh Sharma and published by Shri Nagen Sarmah, **Jyoti Prakashan**, Jaswanta Road, Panbazar, Guwahati 781001, ASOM, INDIA, in arrangement with **HARPERCOLLINS Publishers India Limited,** New Delhi, INDIA.
First published : October, 2008. **Price** : *Rupees One hundred only.*

প্ৰকাশক ঃ
শ্ৰীনগেন শৰ্মা
জ্যোতি প্ৰকাশন
যশোৱন্ত পথ, পাণবজাৰ
গুৱাহাটী ৭৮১ ০০১, অসম

প্ৰথম প্ৰকাশ ঃ অক্টোবৰ, ২০০৮

First published in **Assamese** by **Jyoti Prakashan**
in arrangement with **HARPERCOLLINS Publishers India Limited.**

প্ৰচ্ছদ ঃ মন্‌জিৎ ৰাজখোৱা

মূল্য ঃ ১০০.০০ টকা

ডিটিপি ঃ
ময়ূৰ ডেস্কটপ
ডেনিছ ৰোড, পাণবজাৰ
গুৱাহাটী ৭৮১ ০০১, অসম

মুদ্ৰক ঃ
হৰাইজন প্ৰিণ্টাৰ্ছ
পাটাউদি হাউছ, দৰিয়াগঞ্জ
নিউ দিল্লী

সূচীপত্ৰ

কৃতজ্ঞতা স্বীকাৰ	... ... ৭
ভূমিকা	... ... ৯
প্ৰাক্‌কথন	... ... ১১
অনুবাদকৰ যৎকিঞ্চিৎ অনুভৱ	... ... ১৫
ৰাষ্ট্ৰপতি কালামৰ সান্নিধ্য	... ... ২১
পৰিশিষ্ট-১	... ... ১৩৩
পৰিশিষ্ট-২	... ... ১৪৩

কৃতজ্ঞতা স্বীকাৰ

মোৰ ব্যক্তিগত সচিব শ্ৰীএন ভেংকটেশনে ব্যস্ততাৰ মাজতো মোৰ সহজে পঢ়িব নোৱাৰা হাতৰ আখৰৰ পাণ্ডুলিপিটো অতি কম সময়ৰ ভিতৰতে নিৰ্ভুলভাৱে টাইপ কৰি উলিয়াই দিছে। তেওঁৰ প্ৰতি মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ ব্যক্তিগত সহায়ক সৌম্য শ্ৰীকান্তেও কামটোত হাত উজান দিছে। তেওঁলৈকো ধন্যবাদ যাচিলোঁ।

বিভিন্ন সময়ত মোৰ লগত লাক্ষাদ্বীপ আৰু পণ্ডিচেৰীত কাম কৰা ভাৰতীয় আৰক্ষী সেৱাৰ (IPS) জ্যেষ্ঠ বিষয়া শ্ৰীআৰ সুন্দৰৰাজে এই পাঁচ বছৰৰ বিভিন্ন সময়ত মোক বহু মূল্যবান উপদেশ-পৰামৰ্শ দিয়াৰ উপৰি এই গ্ৰন্থখন লিখি উলিওৱাৰ বাবেও উৎসাহিত আৰু অনুপ্ৰাণিত কৰিছে। তেওঁক কেৱল ধন্যবাদ যাচিলেই পৰ্যাপ্ত নহ'ব।

ৰাষ্ট্ৰপতি ভৱনৰ ফটোগ্ৰাফী বিভাগৰ উপ-সঞ্চালক শ্ৰীটি এছ অশোক আৰু কনিষ্ঠ ফটোগ্ৰাফাৰ শ্ৰীসমৰ মণ্ডলে এই গ্ৰন্থখনৰ মৰ্যাদা বৃদ্ধি পোৱাকৈ ছবিবোৰ যোগান ধৰি মোৰ প্ৰতি যি অকুণ্ঠ সহায় আগবঢ়াইছে তাৰ বাবে তেওঁলোকৰ প্ৰতি কৃতজ্ঞতাৰ শৰাই যাচিবই লাগিব।

মহামান্য ৰাষ্ট্ৰপতিৰ যুটীয়া সচিব শ্ৰীঅশোক কুমাৰ মংগোত্ৰ আৰু 'কন্‌ষ্টিটিউচনেল্ এফেয়াৰ্ছ্'ৰ যুটীয়া সচিব শ্ৰীবৰুণ মিত্ৰ— এই দুয়োজনেই আছিল মোৰ টীমটোৰ জ্যেষ্ঠ সচিব আৰু দুয়োজনেই মোৰ পাণ্ডুলিপিৰ প্ৰতিটো শব্দ পঢ়াৰ কষ্ট কৰিছিল। তদুপৰি উভয়ে মোক বহু সদুপদেশ দিছিল। দুয়োজনলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

মোৰ সহধৰ্মিণী শ্ৰীমতী চন্দ্ৰলেখা, দুই পুত্ৰ ক্ৰমে ৰাজেশ আৰু ৰাকেশৰ লগতে দুই বোৱাৰী পুনম আৰু দিব্যাই মোক মোৰ কাৰ্যকালৰ স্মৰণীয় অভিজ্ঞতাবোৰ লিখিবলৈ অনবৰতে প্ৰোৎসাহিত কৰি আহিছে।

সৰ্বোপৰি, ড° এ পি জে আব্দুল কালামদেৱৰ প্ৰতি মোৰ অন্তৰৰ গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰিবই লাগিব। মহামহিম ৰাষ্ট্ৰপতিৰ পদত অধিস্থিত হোৱাৰ লগে লগেই ড° কালাম চাহাবে মোক তেখেতৰ সচিব হিচাপে বাছনি কৰি ২০০২ চনৰ পৰা ২০০৭ চন পৰ্যন্ত এইকেইটা বৰ্ষ মোক সম্পূৰ্ণ স্বাধীনভাৱে বাচি থাকিবলৈ সমৰ্থ কৰি তুলিছিল। মোক সেই সুযোগ দিয়াৰ বাবে সকলোৰে আগত তেখেতৰ প্ৰতি মোৰ সশ্ৰদ্ধ আন্তৰিক কৃতজ্ঞতা জনাবই লাগিব।

ভূ মি কা

২০০২ৰ পৰা ২০০৭ বৰ্ষ পৰ্যন্ত ড° এ পি জে আব্দুল কালাম ডাঙৰীয়াই ভাৰতবৰ্ষৰ মহামান্য ৰাষ্ট্ৰপতিৰ পদ অলংকৃত কৰিছিল। সেই সময়ছোৱাত মই তেখেতৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলোঁ। THE KALAM EFFECT নামৰ গ্ৰন্থখন মোৰ সেই অবিস্মৰণীয় পাঁচটা বৰ্ষৰ কাহিনী। মোৰ এই গ্ৰন্থখন জীৱনী লেখাৰ প্ৰচেষ্টা নহয় অথবা ড° কালামৰ বৈজ্ঞানিক অনুধাৱনৰ ইতিহাসো নহয়। ৰাষ্ট্ৰপতিৰ সচিব হিচাপে বিগত পাঁচটা বৰ্ষত মই তেখেতক নিবিড়ভাৱে লগ পাইছিলোঁ। অৱশ্যে মই কিছু যথাৰ্থতা বা আৱেগৰহিত বাস্তৱতাও মানি চলিছিলোঁ। সেই সময়ছোৱাত মই তেখেতৰ অগণিত কাৰ্যকলাপ প্ৰত্যক্ষ কৰিছিলোঁ। সি যি কি নহওক লাগিলে, এয়া তেখেতক সূত্ৰিত কৰা অথবা তেখেতৰ ওপৰত দেৱত্ব আৰোপ কৰাৰ প্ৰচেষ্টাও নহয়। কেৱল সেই সময়খিনিত মই যি প্ৰত্যক্ষ কৰিছিলোঁ আৰু যি অভিজ্ঞতা লাভ কৰিছিলোঁ এয়া তাৰেই বৰ্ণনা। এই অভিজ্ঞতাবোৰৰ কথা ক'বলৈ যাওঁতে সামান্যও ত্ৰুটি-বিচ্যুতি অথবা বাহুল্য যাতে নহয় তাৰ প্ৰতি মই বিশেষ সাৱধানতা অৱলম্বন কৰিছোঁ। মই অকপটে আৰু স্পষ্টকৈ, বগাক বগা আৰু ক'লাক ক'লা— বুলি কোৱাৰ প্ৰয়াস কৰিছোঁ। সত্যক ঢাকি মিছাক প্ৰদৰ্শন কৰি মই নিজে *suppressio veri, suggestio falsi** দোষত পতিত হোৱাৰ বিন্দুমাত্ৰও চেষ্টা কৰা নাই।

ড° কালামৰ বল-শক্তি আছে— দুৰ্বলতাও আছে। কাৰণ তেৰোঁ আপোনাৰ-মোৰ দৰে মানুহহে। তাৰ লগত মই মোৰ ফালৰ পৰা যোগ দিব পৰা কথাখিনি হ'ল— তেওঁ এজন সৎ মানৱ জীৱ (a good human being)! এবাৰ আৰ্ক্‌বিছপ্ টুটুৱে নেলছন মেণ্ডেলাৰ বিষয়ে এনেদৰে কৈছিল— 'তেওঁ এজন সৎ মানুহ আছিল আৰু ভাল কাম কৰিছিল।'

কালামৰ ক্ষেত্ৰতো এই কথা কিমান যে সত্য!

হে শুভানুধ্যায়ী পাঠক! মই যিদৰে তেখেতক নিচেই ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছিলোঁ আপোনালোকেও চাওক! তেখেতক ইয়াতেই পাব।

(L) Suppression of truth is suggestion of the false.

প্ৰাক্‌কথন

কোনো মানুহ তেওঁৰ সচিব বা সহায়কৰ বাবে নায়ক নহয়। কিন্তু এনেকুৱা সময়ো নোহোৱা নহয়— যেতিয়া নেকি সচিবজন তেওঁৰ প্ৰভু (boss)ৰ প্ৰতি ইমানেই মোহাচ্ছন্ন বা মোহান্ধ হয় যে তেওঁ সেই প্ৰভুৰ প্ৰশস্তি লিখিবলৈ বাধ্য অনুভৱ কৰে— ঠিক যেনেকৈ বছ্‌ৱেলে ছেমুৱেল জনছনৰ জীৱনী লিখিছিল।

অৱশ্যে এই গ্ৰন্থখন প্ৰশস্তি গ্ৰন্থ নহয়। এয়া হ'ল— শ্ৰীপি এম নায়াৰে ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামৰ সৈতে কটোৱা দিনবোৰৰ বাস্তৱিক মূল্যায়ন যিটো উদাৰতা, নিষ্ঠা আৰু আন্তৰিক শ্ৰদ্ধাৰে সোঁৱৰা হৈছে, য'ত বিন্দুমাত্ৰও চাতুকাৰিতা অথবা হীন তোষামোদৰ ভাব-লেশো নাই। সেইবাবে গ্ৰন্থখন পঠনসাধ্য বা সহজ বোধগম্য হৈছে। ই অতিশয় বাঙ্ময় বা সবাক, আৰু ব্যক্তিগত যদিও উদ্ধত বা অশিষ্ট নহয়। মাত্ৰ দুটা শব্দৰ ভিতৰতে মোক যদি গ্ৰন্থখনৰ সূচীৰ বিষয়ে ক'বলৈ দিয়া হয় তেনেহ'লে মই নিৰ্দ্বিধাই 'অত্যন্ত পঠনীয়' বুলি ক'ম।

চিত্তাকৰ্ষক ৰঙীণ ফটোসম্বলিত ই এখন বৰ্ণনাধৰ্মী গ্ৰন্থ। ৰাষ্ট্ৰপতি কালাম ৰাজনৈতিক লোক নাছিল। কিন্তু তেওঁৰ আছিল ৰাজনৈতিক বিচক্ষণতা। উদাহৰণস্বৰূপে, আফজল খানক ফাঁচী দিয়া উচিত নে অনুচিত সেই ক্ষেত্ৰত তেওঁ হাত প্ৰদৰ্শন নকৰাকৈয়ে তাচৰ পাত বুকুৰ ওচৰত ৰাখি খেলিছিল। চৰকাৰৰ চুপাৰিছ বা অনুমোদন আহিলে তেওঁৰ সিদ্ধান্ত কি হ'ব সেইটো তেওঁক লগ কৰা কাকোৱেই নকৈছিল। অৱশ্যে মৃত্যুদণ্ডৰ প্ৰসংগত তেওঁ কেইবাবাৰো ঘৃণা বা জুগুপ্সাহে প্ৰকট কৰিছিল।

তেওঁ এজন ভাল শ্ৰোতা! আৰু যোগাযোগ বা আদান-প্ৰদান কলাৰ উদ্ভাৱক। তেওঁ নিতৌ নিজৰ ওৱেব্ ছাইটটো চায় আৰু দেশৰ চাৰিও কোণৰ মানুহৰ পৰা অহা প্ৰশ্নবোৰৰ উত্তৰ দি গৌৰৱ অনুভৱ কৰে। আচৰিত হ'বলগীয়া একো নাই যে তেওঁ জনগণৰ ৰাষ্ট্ৰপতি (People's President) হিচাপে সৰ্বজনবিদিত আৰু সকলোৰে সমাদৃত। অন্যান্য ৰষ্ট্ৰপতিসকলৰ নিচিনাকৈ বিভিন্ন প্ৰশ্নৰ সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত তেৱোঁ সমস্যাৰ সন্মুখীন হৈছিল। যেনে

বিহাৰ বিধানসভা ভংগ বিল, দ্য অফিচ অব প্ৰফিট বিল আদি, যিবোৰ গ্ৰন্থকাৰে সবিস্তাৰে অথচ অনঘ বা নিষ্পাপ উদাসীনতাৰে বৰ্ণনা কৰিছে। নায়াৰৰ গ্ৰন্থখন ড° কালামে প্ৰোৎসাহিত কৰা অৰ্পিত কৰ্মভাৰ নহয়। বৰং এয়া মহান ব্যক্তি এজনৰ অধীনত কাম কৰা ব্যক্তি এজনৰ মনৰ স্বাভাৱিক অভিব্যক্তি বা গভীৰ সাঁচ যি তেওঁৰ অধীনত কাম কৰা প্ৰতিটো মুহূৰ্ত উপভোগ কৰিছিল।

আধ্যাত্মিক প্ৰমূল্যসমূহৰ ওপৰত ৰাষ্ট্ৰপতি কালামৰ যি সৃষ্টিশীল আৰু উদ্ভাৱনমূলক প্ৰৱণতা আছিল সি ভাৰতীয় নাগৰিকৰ জীৱনত সূৰ্যৰ কিৰণসদৃশ। অদ্যাপি তেওঁ ভাৰতীয় মানুহৰ, বিশেষকৈ যুৱ প্ৰজন্মৰ বাবে দীৰ্ঘস্থায়ী, অন্তহীন প্ৰেৰণাৰ উৎস বা স্ৰোত। এক সুসংহত ব্যক্তিত্বত তেখেতে বিশিষ্ট বৈজ্ঞানিক কৃতিৰ প্ৰেক্ষাপটৰ সহায়ত এক বিৰল মানৱীয়তাক সংযুক্ত কৰিছিল।

দেখাত হোজা— বহু সময়ত তেখেতক শিশুৰ দৰে লাগে। তথাপি, আপাতদৃষ্টিত মিছা যেন লাগিলেও তেওঁ অতিশয় বিচক্ষণ, দূৰদৰ্শী লোক। ২০০৪ চনৰ ফেব্ৰুৱাৰী মাহত নতুন অধিবেশন আহ্বানক্ৰমে সংসদৰ দুয়ো সদনত পৰম্পৰাগত ভাষণ দিয়াৰ সময়ত মই দেশৰ ৰাষ্ট্ৰপতিজনৰ গাত সুচতুৰ সাংবিধানিক বিচক্ষণতা প্ৰত্যক্ষ কৰিছিলোঁ। আমি আটায়ে জানো যে ভাৰতীয় সংবিধানৰ ব্যৱস্থা অনুসৰি প্ৰত্যেক অধিবেশনৰ প্ৰাৰম্ভতে ৰাষ্ট্ৰপতিজনাই সংসদৰ দুয়ো সদনত ভাষণ দিয়াটো পৰম্পৰা। অভিভাষণ কোনে প্ৰস্তুত কৰিব তাৰ উল্লেখ নাই— পৰম্পৰা অনুযায়ী সেইটো সিদ্ধান্ত কৰা হয়। ৰাষ্ট্ৰপতিজনাই মন্ত্ৰী পৰিষদৰ পৰামৰ্শক্ৰমেহে কাৰ্যনিৰ্বাহ কৰে আৰু তেওঁৰ অভিভাষণখন ক্ষমতাসীন চৰকাৰখনেই প্ৰস্তুত কৰে। কিন্তু ২০০৫ চনৰ ২৫ ফেব্ৰুৱাৰীৰ দিনাখন ৰাতিপুৱাতে কালাম গুচি গ'ল। তেওঁৰ চৰকাৰে প্ৰস্তুত কৰি দিয়া অভিভাষণখনৰ পূৰ্ণপাঠটো তেওঁৰ লগত আছিল। অভিভাষণখন তেওঁ এটি তামিল কবিতাৰে আৰম্ভ কৰিব। সেইটো কিন্তু ক্ষমতাধিষ্ঠিত চৰকাৰে ৰচনা কৰা কবিতা নহয়— আগদিনাখন ৰাতি তেওঁ নিজে লেখা কবিতাহে। তেওঁ কবিতাটোৰ শিৰোনাম দিছিল— **'ক'ত আছোঁ আমি?'**

ক'ত আছোঁ আমি?
প্ৰিয় বন্ধুসকল! আমি এতিয়া ক'ত
ইতিহাস গঢ় দিয়া মহাসভাত
ভাৰতীয় মানুহৰ অন্তৰাত্মাৰ আহ্বান!
মানুহে আমাক সোধে
মানুহে আমাক সোধে!

ভাৰত মাতৃৰ খনিকৰ হে সাংসদসকল!
আমাক পোহৰলৈ লৈ যোৱা
আমাৰ জীৱন ঋদ্ধ কৰা
তোমালোকৰ ন্যায্য শ্ৰমেই
আমাৰ প্ৰেৰণাৰ জ্যোতি!
তোমালোকে কঠোৰ পৰিশ্ৰম কৰিলেহে
আমি আটায়ে উন্নতি কৰিব পাৰিম!
ৰজাৰ ভালেই প্ৰজাৰ ভাল,
উচ্চ চিন্তাৰ আপডাল কৰা
কামত সক্ৰিয় হোৱা!
পুণ্য প্ৰয়াস হওক তোমালোকৰ প্ৰেৰক শক্তি!
সৰ্বশক্তিমান ঈশ্বৰৰ কৃপাত
তোমালোক আটাইৰে
উন্নতি হওক!

এয়া সাংসদসকল আৰু তেওঁলোকৰ সেই সময়ৰ কৰ্মপদ্ধতিৰেই সমালোচনা— দৃঢ় অথচ মৃদু স্পৰ্শৰে কৰা সমালোচনা। এয়া দেশৰ প্ৰতিনিধিসকলক উদ্দেশ্যি জনগণৰ ৰাষ্ট্ৰপতিজনাই কৰা সনিৰ্বন্ধ আহ্বান— তেওঁলোকে যাতে বিধায়িনী কক্ষ ত্যাগ নকৰে, কঠোৰ শ্ৰম কৰে আৰু নিজ নিজ কৰ্ম কৰি যায়। ৰাষ্ট্ৰপতিজনাই যিহেতু সংসদৰ উভয় সদনত দিবলগীয়া ভাষণৰ পাঠাংশৰ সাল-সলনি ঘটাব নোৱাৰে সেইবাবে তেওঁ নিজৰ ক'বলগীয়া কথাখিনি পদ্যৰ মাজেদি কোৱাৰ এক অভিনৱ পন্থা উদ্ভাৱন কৰিলে। আৰু তাক সকলোৱে আদৰিও ল'লে।

কোনো মানুহেই দোষ বা কলংকমুক্ত নহয়। ৰেকৰ্ডাৰ বা লেখৰক্ষক এজন বিশ্বাসযোগ্য হ'বলৈ হ'লে তেওঁ নিজৰ বিষয়টোক এনেদৰে পেইণ্ট কৰিব লাগিব যেনেকৈ অলিভাৰ ক্ৰমৱেলে নিজ অবয়বৰ অনুকৃতি এখন অংকিত কৰোৱাৰ বাবে তেওঁৰ সমসাময়িক মহান পৰ্ট্ৰেইট্ পেইণ্টাৰ ছাৰ পীটাৰ লেলীক এইদৰে নিৰ্দেশ দিছিল—

"...চোৱা, মোৰ ছবিখন সাইলাখ মোৰ নিচিনা কৰাৰ বাবে তুমি তোমাৰ আটাইখিনি দক্ষতা প্ৰয়োগ কৰা। মোক সমূলি তোষামোদ নকৰিবা! মোৰ গাত দেখা ৰুক্ষতা বা অমসৃণতা, শালমইনা-মাহ আদি যি য'ত যেনেকৈ দেখিছা সেই আটাইবোৰ যথাযথভাৱে উল্লেখ কৰিবা। অন্যথা তোমাৰ এই কামটোৰ বাবে মই তোমাক ফুটাকড়ি এটাও নিদিম— মনত ৰাখিবা!"

এই পৃষ্ঠাসমূহত কোনো অসমানতা বা ৰুক্ষতা নাই। কিয়নো ড° কালাম স্বভাৱতে এজন দয়ালু আৰু সমব্যথী। কিন্তু তাতো কিছুমান শালমইনা, মাহ আদি আছে যিবোৰে মানুহজনৰ স্বয়ংসম্পূৰ্ণ ছবি এখন প্ৰদান কৰিছে— যিজন এটা সম্পূৰ্ণ কাৰ্যকালৰ বাবে আছিল আমাৰ মহামহিম ৰাষ্ট্ৰপতি! আৰু মোৰ মতে, আৰু বহুতৰ মতামত অনুসৰিও,— তেখেত আৰু এটা সম্পূৰ্ণ কাৰ্যকাল থাকিব লাগিছিল।

এই গ্ৰন্থখনত এনে কিছুমান বৃত্তান্ত আছে যিবোৰ আন বহুতে নাজানে। তাৰ ভিতৰত এটা বিশেষভাৱে তাৎপৰ্যপূৰ্ণ! মই নায়াৰৰ কথাখিনিকে হুবহু উদ্ধৃত কৰিলোঁ ঃ

> "এবাৰ তেওঁ কিবা এটা কথা আলোচনা কৰাৰ বাবে ভাৰতবৰ্ষৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ— শ্ৰীযুক্ত ন্যায়াধীশ ভেংকটচালাইয়া দেৱক বাংগালোৰৰ পৰা মাতি পঠিয়ালে। তেওঁলোক দুয়োজন অধ্যয়ন কক্ষৰ একেখন ছোফাতে কিছুসময় ওচৰা-উচৰিকৈ বহিছিল। তেওঁলোকৰ আলোচনাৰ শেষত মোক ভিতৰলৈ মাতিলে। মই শ্ৰীযুক্ত ন্যায়াধীশ ভেংকটচালাইয়া মহোদয়ৰ সৈতে তেওঁৰ কোঠালৈ গ'লোঁ। দুয়ো অলপ সময় মনে মনে বহি থকাৰ পিছত তেওঁ ক'লে— 'শ্ৰীযুত নায়াৰ! মোৰ জীৱনৰ এইটো এটা দুৰ্লভ অভিজ্ঞতা! মই ড° কালামৰ নিচেই ওচৰতে বহিছিলোঁ। তেতিয়া মোৰ মনত এনে এটা অনুভৱ হৈছিল— যেন মনেৰে কেৱল উমান কৰিব পৰা অথবা এক বাঙ্ময় দেৱত্ব বা ঈশ্বৰত্বৰ অনুভূতি মোৰ হৃদয়ৰ গভীৰত অনুনাদিত হৈছিল। মই বিহ্বল হৈ পৰিছিলোঁ। —সঁচাই তেওঁ ভগবানৰ নিজৰ মানুহ!"

এজন মহান লোকৰ উদ্দেশ্যে অইন এজন মহান লোকে প্ৰদৰ্শন কৰা অকপট শ্ৰদ্ধা-ভক্তি!

— ফালী এছ. নাৰীম্যান

অনুবাদকৰ যৎকিঞ্চিৎ অনুভৱ

'Vice stings us even in our pleasures, but virture consoles us even in our pains.'

— Colton

'I would like to be remembered as a good human being.' বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ সৈতে অন্তৰংগ আলাপ কৰি থাকোঁতে এদিন কোনো এখন বিদ্যালয়ৰ ছাত্ৰ এজনে ড° এ পি জে আব্দুল কালামক প্ৰশ্ন কৰিলে, 'ভৱিষ্যৎ প্ৰজন্মই আপোনাক কিদৰে মনত ৰখাটো আপুনি বিচাৰে?' প্ৰশ্নটোৰ সন্দৰ্ভত ওপৰৰ ইংৰাজী বাক্যটোৱেই আছিল ড° কালামৰ উত্তৰ। ভাৰতবৰ্ষৰ এশ কোটি মানুহে তেওঁক 'সৎ মানৱ জীৱ' (good human being) হিচাপে মনত ৰাখক— মনে-প্ৰাণে তেওঁ তাকেই কামনা কৰিছিল। এই উত্তৰটোতেই নিহিত আছে কালাম মানুহজনৰ প্ৰকৃত পৰিচয়— তেওঁৰ জীৱন-দৰ্শন, মানুহৰ প্ৰতি গভীৰ মমত্ব আৰু কল্যাণবোধ। দেশৰ তৰুণ প্ৰজন্মৰ ওপৰত তেওঁৰ গভীৰ আস্থা আছে— ডেকাসকলক তেওঁ সততে প্ৰেৰণাৰ মহামন্ত্ৰৰে উদ্বুদ্ধ কৰে। তৰুণ প্ৰজন্মৰ বাবে তেওঁ এক 'প্ৰেৰণা-পুৰুষ' (role model)। তেওঁৰ বিকশিত ভাৰতবৰ্ষ নিৰ্মাণৰ যি 'মিছন' সেই মিছন বুকুৰ মাজত ধাৰণ কৰি মনত সংকল্প লৈ কৰ্মক্ষেত্ৰত জঁপিয়াই পৰাৰ বাবে তেওঁ যি আহ্বান জনাইছে সি দেশৰ সমগ্ৰ যুৱশক্তিক উদ্বুদ্ধ আৰু জাগ্ৰত কৰিছে। দেশৰ কল্যাণকামী লোকৰ বাবে ই আশাৰ বতৰা। মহান স্বপ্নদ্ৰষ্টা, বিজ্ঞানী, প্ৰাক্তন ৰাষ্ট্ৰপতি কালামে দেশৰ যুৱ প্ৰজন্মক সপোন দেখিবলৈ যিদৰে অনুপ্ৰাণিত কৰিছে— আমাৰ জ্ঞান-বিশ্বাস অনুসৰি, ভাৰতৰ আন কোনো ৰাষ্ট্ৰপতি বা ৰাজনীতিকে কস্মিনকালেও দেশৰ মানুহক তেনেদৰে উদ্বুদ্ধ কৰিব পৰা নাছিল। দেশখনৰ সত্তৰ শতাংশ মানুহে কালামক দ্বিতীয় এটা কাৰ্যকালৰ বাবে বিচাৰিছিল। মানুহে কালামক ৰাষ্ট্ৰপতি হিচাপে কিমান ভাল পাইছিল তাৰে পৰাই অনুমান কৰিব পাৰি। কিন্তু অত্যন্ত পৰিতাপৰ কথা এই যে আমাৰ দেশখনৰ কালিকা লগা ৰাজনীতিয়ে দেশৰ মানুহৰ নাড়ীৰ স্পন্দন অনুভৱ কৰিব নোৱাৰিলে।

সহজ-সৰল, নিৰহংকাৰ, কৰ্মযোগী, জ্ঞান তপস্বী, স্বপ্নদ্ৰষ্টা কালামৰ সাক্ষাৎ

লাভ কৰাৰ পিছত ভাৰতবৰ্ষৰ তদানীন্তন মুখ্য ন্যায়াধীশ, মাননীয় শ্ৰীযুক্ত ন্যায়াধীশ ভেংকটচালাইয়াৰ মনত হোৱা প্ৰতিক্ৰিয়া এইখন গ্ৰন্থৰ প্ৰাক্‌কথনত আন্তৰ্জাতিক খ্যাতিসম্পন্ন আইনবিদ ফালী এছ. নাৰীম্যানে উদ্ধৃত কৰিছে ঃ '...this was an experience of a lifetime. I was sitting so close to Dr Kalam and I could feel palpable sensations of godliness and divinity reverberating in me. I was nervous. He is really God's own man.'

A fine tribute to a great man, by another!

ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ লগে লগে, (শপত গ্ৰহণৰ পূৰ্বে), কালামে এক্‌কালৰ সহকৰ্মী— ভাৰতীয় প্ৰশাসনীয় সেৱাৰ জ্যেষ্ঠ আৰু অভিজ্ঞ বিষয়া শ্ৰীপি এম নায়াৰক সচিব হিচাপে নিযুক্তি দিয়ে। দক্ষ বিষয়া নায়াৰে পাঁচটা বছৰ ধৰি ৰাষ্ট্ৰপতি কালামৰ ব্যক্তিগত জীৱন, ৰাজহুৱা জীৱন নিচেই ওচৰৰ পৰা প্ৰত্যক্ষ কৰাৰ সুবিধা পাইছিল। ৰাষ্ট্ৰপতি কালামৰ কাম-কাজৰ ধৰণ, মানুহৰ সৈতে সংস্পৰ্শ, তেওঁৰ জীৱনবোধ, মানুহৰ প্ৰতি থকা মমত্ব, সাধাৰণ মানুহৰ প্ৰতি তেওঁৰ সহমৰ্মিতা, আদি দিশ অনুধাৱন কৰি শ্ৰীনায়াৰে 'KALAM EFFECT : My years with the President' নাম দি সৰ্বাংগসুন্দৰ কিতাপ এখন প্ৰণয়ন কৰি উলিয়াইছে। আমি সাধাৰণ মানুহে কালামৰ বিষয়ে নজনা-নুশুনা বহু কথা সামৰি গ্ৰন্থখন প্ৰণয়ন কৰিছে। সেইবাবে গ্ৰন্থখন সুখপাঠ্য হৈছে। গ্ৰন্থখনৰ ছত্ৰে ছত্ৰে বিবৃত কৰা প্ৰতিটো কথাই প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ নজহা-নপমা কীৰ্তিবোৰক আৰু বেছি জ্যোতিষ্মান কৰি তুলিছে।

অসমীয়া পাঠকেও এনে এখন অবিনশ্বৰ গ্ৰন্থৰ ৰসাস্বাদন কৰিব পৰাকৈ অসমীয়ালৈ ভাঙনি কৰিবলৈ যি কেইজন শুভানুধ্যায়ী বন্ধুৱে মোক পৰামৰ্শ দিলে তাৰ ভিতৰত প্ৰথম হ'ল আকাশ বাণী, গুৱাহাটীৰ কাৰ্যবাহী বিষয়া শ্ৰীউৎপল দত্ত। তেওঁলৈ অশেষ ধন্যবাদ। বৰ্তমানে ভাৰতীয় জীৱন বীমা নিগমৰ চেয়াৰমেন ক্লাবৰ সদস্য শ্ৰীপংকজ ডেকা মোৰ অন্যতম শুভাকাংক্ষী বন্ধু। তেওঁ আৰু তেওঁৰ পত্নী শ্ৰীমতী ৰুমী ডেকাৰ উৎসাহ-উদ্‌গণি মোৰ বাবে কোনোদিনে শুজিব নোৱৰা ঋণ। মোক সদায় পুত্ৰস্নেহেৰে বুৰাই ৰখা শ্ৰদ্ধেয়া শ্ৰীযুতা প্ৰভাৱতী ৰয় বাইদেউৰ স্নেহাশিস মোৰ দৰে আকিঞ্চনৰ বাবে পৰম আকাংক্ষিত ধন। ভাতৃপ্ৰতিম শ্ৰীদীপ্‌লুৰঞ্জন শৰ্মা আৰু বন্ধুসম বিনোদ ভূঞাৰ প্ৰতি কৃতজ্ঞতা জনালোঁ। ইংৰাজী কিতাপখন ওলোৱাৰ লগে লগে টাইম্‌লী বুক চেণ্টাৰৰ স্বত্বাধিকাৰ ময়ূৰ জে টান্নাই মোলৈ পঠিয়াই দিয়াৰ উপৰি মূল প্ৰকাশন গোষ্ঠীৰ সৈতে 'কপিৰাইট'ৰ অনুমতি সম্পৰ্কে কথা-বতৰা পাতি মোৰ যি উপকাৰ কৰিছে তাৰ বাবে তেওঁক

নথৈ ধন্যবাদ জনালোঁ। শুভাকাংক্ষী বন্ধু শ্রীলীলা বৰদলৈ, জগদীশ শৰ্মা আৰু শান্তনুকৌশিক বৰুৱালৈ কৃতজ্ঞতা জনালোঁ। জ্যোতি প্ৰকাশনৰ সুশীল শৰ্মা, হেমন্ত শৰ্মা, মণ্টু কলিতা, সত্যেন শৰ্মা, অৰূপ শৰ্মা, ৰিংকু বৈশ্য, গিৰীন ডেকা, ৰবীন কলিতা আটাইৰে প্ৰতি ভালপোৱা থাকিল। ময়ূৰ ডেস্কটপৰ আটাইকেউজনৰ প্ৰতিও থাকিল কৃতজ্ঞতাৰ এফেৰি।

অসমীয়া কিতাপৰ বিক্ৰী এনেয়েও কম। তাতে আকৌ ৰঙীণ ফটোসম্বলিত উচ্চ দামৰ কিতাপ হ'লে আৰু বিপদ। তথাপি, মোৰ আবদাৰ এৰাব নোৱাৰি ষোল্ল পৃষ্ঠাৰ ৰঙীণ ফটোসহ কিতাপখন আটকধুনীয়াকৈ ছপা কৰিবলৈ গাত লৈছে জ্যোতি প্ৰকাশনৰ সুকুমাৰ ৰুচিৰ প্ৰকাশক শ্ৰীযুত নগেন শৰ্মা-দাই। তেখেতৰ প্ৰতি মোৰ কৃতজ্ঞতা প্ৰকাশৰ ভাষা নাই। মাথোঁ ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিব পাৰোঁ— নিতৌ নতুন মননশীল গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ বাবে ভগবানে তেওঁৰ দেহ আৰু মনত অফুৰন্ত উদ্যম আৰু শক্তি দিয়ে যেন!

মই ইতিমধ্যে প্ৰাক্তন ৰাষ্ট্ৰপতি ড' এ পি জে আব্দুল কালামৰ সাতখন গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰিছোঁ (ক্ৰম অনুসৰি— অগ্নিৰ ডেউকা, তেজস্বী মন, ভাৰতবৰ্ষ ২০২০, পথ-প্ৰদৰ্শক আত্মা, মিছন ইণ্ডিয়া, অদম্য শক্তি আৰু আমাৰ সপোন) আৰু আটাইকেইখন গ্ৰন্থ পাঠকে সস্নেহে আদৰি লোৱাটো মোৰ বাবে পৰম সৌভাগ্যৰ কথা। সুজন অসমীয়া পাঠকে এই গ্ৰন্থখনকো মৰমৰ চকুৰে চালে মোৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

১৫ আগষ্ট, ২০০৮
শান্তিপুৰ, গুৱাহাটী ৭৮১ ০০৯

ৰাষ্ট্ৰপতি
কালামৰ সান্নিধ্য

১

'মই আপোনাক লগ ধৰিব খোজোঁ। অকলশৰীয়াকৈ। খুব জৰুৰী।' এয়া আছিল ডি আৰ ডি অ'ৰ বিশিষ্ট বিজ্ঞানী ড° এ এছ্ পিল্লাইৰ টেলিফোন। ২০০২ চনৰ ১৮ জুলাইৰ দিনাখন। সময় দিনৰ চাৰে দহ বজা। সিদিনাখনেই আবেলি মই বাংগালোৰলৈ যোৱাৰ কথা— হিন্দুস্তান এৰোনটিক্ছ্ লিমিটেড পৰিদৰ্শন কৰাৰ উদ্দেশ্যে। তাৰ বাবে যাৱতীয় যা-যোগাৰ কৰি সাজু হ'ব লাগে।

মই পিল্লাইক সুধিলোঁ, 'আপুনি এই মুহূৰ্তেতে আহিব পাৰিবনে?'

'পোন্ধৰ মিনিটৰ ভিতৰতে মই আপোনাৰ সেইখিনি পামগৈ।'— তেওঁ এইবুলি কৈ ফোনটো কাটি দিলে।

কি হ'ব পাৰে? পিল্লাইৰ মাত-কথা কিছু উত্তেজিত যেন লাগিছিল। কথাটোৰ কোনো আঁত ধৰিব নোৱাৰি মই বহি থাকিলোঁ। মাত্ৰ ওঠৰ দিনৰ আগতে মই অপাৰম্পৰিক শক্তি উৎস মন্ত্ৰালয়ৰ পৰা আহি ডিফেন্স্ প্ৰডাকশ্যনৰ ছেক্ৰেটাৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছোঁ। এয়া মোৰ পুৰণা চোং ইয়াৰ আগতে, তাত চাৰি বছৰ ধৰি যুটীয়া সচিবৰ দায়িত্বত আছিলোঁ। ইয়াত মই দ্বিতীয়টো কাৰ্যকাল সম্পূৰ্ণভাৱে উপভোগ কৰা আৰম্ভ কৰিছিলোঁ— পি এছ ইউ আৰু অৰ্ডনান্স ফেক্টৰীৰ পুৰণা সহকৰ্মী বন্ধুসকলক লগ ধৰি সংস্পৰ্শ নবীকৰণ কৰাৰ বাবে আগ্ৰহী হৈছিলোঁ।

এনেতে দুৱাৰত টোকৰ পৰিল। লগে লগে শুনা গ'ল হুৰমুৰাই সোমাই অহা পিল্লাইৰ পদধ্বনি। খটখটীৰে হুৰমুৰাই ওপৰলৈ উঠি আহি তেওঁৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম। তেওঁ চকী এখনত বহি লৈ চাৰিওফালে এবাৰ নজৰ দিলে। কোঠাৰ ভিতৰত গোপনীয়তা ৰক্ষা হ'ব নে নাই তেওঁ তাকে পৰীক্ষা কৰি চাইছিল। তাৰ পিছ মুহূৰ্ততে আগলৈ হাউলি ক'লে, 'মই কালামৰ ওচৰৰ পৰা আহিছোঁ। তেখেতে আপোনাক বিচাৰিছে।' মই শুনি আছিলোঁ। কিন্তু মোৰ মনত একো অনুভূতিৰ সৃষ্টি নহ'ল।

মই ক'লোঁ, 'কি কৈছে আকৌ কওকচোন।'

'ড° কালামে মোক ক'বলৈ দিছে যে তেখেতে আপোনাক বিচাৰে।'— পিল্লাইয়ে কথাটো দোহাৰিলে। 'তেখেতৰ সচিব হিচাপে— অৰ্থাৎ ৰাষ্ট্ৰপতিৰ সচিব হিচাপে।'

কালাম দেশৰ দ্বাদশ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছেহে মাত্ৰ। ১৭ জুলাইৰ দিনাখন নিৰ্বাচনৰ ফলাফল ঘোষিত হৈছে। নিৰ্বাচন প্ৰতিদ্বন্দ্বিতাত তেওঁ জিকিছে। অৱশ্যে সেইটো আছিল আগতে জনা কথা। কিন্তু পিল্লায়ে এই মুহূৰ্তত যিটো কথা ক'লেহি সেইটো আছিল সম্পূৰ্ণ চিন্তাৰ অগোচৰ। মই পাছুলৈ আঁউজি বহিলোঁ। কাৰণ মই কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব নোৱাৰিলোঁ। তাৰ পিছত এই কথাখিনি ওলাই আহিল!

'মই চাগৈ দুখিত— মই নাজানো। মই য'তে আছোঁ তাতেই সুখী— বৰ সুখী।' মই মুখৰ ভিতৰতে ভোৰভোৰালোঁ।

মোৰ কথাত পিল্লাইৰ চকুৱে-মুখে অবিশ্বাসৰ ভাব ফুটি উঠিল। মই সম্বিৎ ঘূৰাই আনিলোঁ আৰু কথাটো বুজাই ক'ব খুজিলোঁ। কিন্তু মই কিবা ক'বলৈ মুখ মেলাৰ আগতে পিল্লায়ে বুকু ডাঠ কৰি ক'লে, 'এদিন আপুনি কেবিনেট ছেক্ৰেটাৰী হ'বগৈ বুলি কালাম চাহাবে জানে। কিন্তু আপুনি যাতে সেই সুবিধা হেৰুৱাব নালাগে তেখেতে সেইটো নিশ্চিত কৰিব।' মোৰ কেবিনেট ছেক্ৰেটাৰী হোৱাৰ সুযোগ তেনেই ক্ষীণ— কিন্তু মই সেইবুলি নক'লোঁ।

'নাই, নাই, নাই ড° পিল্লাই! ড° কালাম চাহাবৰ ডাঙৰ সহায় হ'ব পৰাকৈ মই কেইজনমান অতুলনীয় বিষয়াৰ লিষ্ট এখন দিওঁ।' মই তেওঁক এই প্ৰস্তাৱটো দিলোঁ। মোৰ ওচৰৰ টেবুলখনৰ দেৰাজৰ ভিতৰৰ পৰা চিভিল লিষ্ট এখন টানি উলিয়ালোঁ আৰু ধৈৰ্য ধৰি মই তেওঁক বুজাই দিলোঁ যে তামিলনাডু কেডাৰৰ পি ভি ৰাজাৰমন, পঞ্জাব কেডাৰৰ কে আৰ নায়াৰ আৰু মধ্যপ্ৰদেশ কেডাৰৰ বি এছ বছৱান এওঁলোকহে সেই পদৰ বাবে কেউফালৰ পৰা উপযুক্ত। তেওঁলোক আটাইকেউজনেই মোৰ 'বেচ্ছ' (আই এ এছ, ১৯৬৭)ৰ লোক। নিজৰ দক্ষতা, ন্যায়নিষ্ঠা আৰু সাধুতাৰ বাবে তেওঁলোকক মই সদায় গভীৰ শ্ৰদ্ধা কৰোঁ। পিল্লাইক দেখদেখকৈ ক্লান্ত যেন লাগিল। তেওঁ উঠিল আৰু তেওঁ মোৰ কথাখিনি কালামক জনাব বুলি কৈ গুচি গ'ল।

মই বন্ধ দুৱাৰখনৰ ফালে চালোঁ। নাই বুলি জানো, তথাপি চিগাৰেট এটা বিচাৰি চালোঁ। মূৰটো খজুৱালোঁ। নিজৰ দোধোৰমোধোৰ অৱস্থাৰ বাবে বৰ অসহায় আৰু ব্যথিত অনুভৱ কৰিলোঁ। মই এইটো ঠিক কৰিলোঁ জানো? মই মুৰ্খ নহওঁনে বাৰু? কিন্তু বৰ্তমানৰ কামটোত মই সঁচাই সুখী। মই কিয় যাব লাগে? কিবা এটা কৰিব লাগিব। মই দ্বিতীয় এটা মতামত বিচাৰিব লাগিল। মই কাৰোবাৰ উপদেশ বিচাৰিব লাগিব। কিন্তু কাৰ?

ঘড়ীটোলৈ চালোঁ। দুপৰীয়া হওঁ হওঁ। মই RAX টো আনিলোঁ। কেবিনেট সচিব— শ্ৰীটি আৰ প্ৰসাদ। তেওঁলৈ ফোন কৰিলোঁ। ভাগ্য ভাল, তেওঁ মিটিঙত নাছিল। 'ছাৰ, জৰুৰী কথা এটাৰ বাবে আপোনাক এবাৰ দেখা কৰিব খুজিছিলোঁ। ব্যক্তিগত কথা এটা আছে। মাত্ৰ দুই মিনিটৰ বাবে।' প্ৰসাদৰ উত্তৰৰ বাবে বাট নাচালোঁ। হুৰমুৰকৈ ওলাই চিধা ৰাষ্ট্ৰপতি ভৱনলৈ গাড়ী দৌৰালোঁ। সেয়া কেবিনেট সচিবৰ কাৰ্যালয়লৈ।

ঈশ্বৰৰ কৃপাত প্ৰসাদ মুক্ত হৈ আছিল। মোৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম। সামান্য গৌৰৱসহকাৰে মই তেওঁৰ আগত মাত্ৰ কেইমিনিটমান আগতে পিল্লাইৰ সৈতে হোৱা কথাখিনি বিবৰি ক'লোঁ। মই নিজে নিজে ভাবিছোঁ— মই ভাল নকৰিলোঁ জানো? কেবিনেট সচিবৰ পৰা 'বাঃ বাঃ' শুনিবলৈ মই অপেক্ষা কৰি ৰ'লোঁ। তেওঁ ক'লে, 'তেনে মূৰ্খামি নকৰিবা। ৰাষ্ট্ৰপতিৰ সচিব হ'ব পৰাটো এটা ডাঙৰ সন্মান। তোমাৰ ভাগ্য ভাল যে তেওঁ তোমাক বিচাৰিছে। অলপো সময় নষ্ট নকৰি সন্মতি জনাই দিয়া। এই ফোনটোৰ পৰাই কৈ দিয়া।' মই তেওঁলৈ একেধ্যানে চাই থাকিলোঁ। ভাব হ'ল তেওঁ ঠিকেই কৈছে। লগে লগে মই ছাউথ ব্লকলৈ দৌৰ দিলোঁ।

ভাগ্য ভাল, পিল্লাইক ফোনত পালোঁ। তেওঁ এতিয়াও কালামক একো জনোৱা নাই। মই ক'লোঁ, 'তেখেতক কৈ দিয়ক— মই তেখেতৰ সচিব হোৱাৰ বাবে সাজু। এইটো মোৰ বাবে এটা ডাঙৰ সন্মান।'

কাৰোবাক কথাটো ক'ব লাগিল। কাক কওঁ। মোৰ পত্নী চন্দ্ৰলেখাকে কওঁ নেকি? কিন্তু তেওঁ এতিয়াও স্কুলতে থাকিব। ডাঙৰ ল'ৰাকে ক'ব পাৰোঁ! লণ্ডনত থকা ৰাজেশক ফোন কৰি খবৰটো দিলোঁ। সি ক'লে, 'দেউতা, তুমি এই কামটো কিয় কৰিব বিচাৰিছা? ডিফেন্স প্ৰডাকশ্যনত কাম কৰি তোমাৰ জানো ভাল লগা নাই?'— ল'ৰাৰ কথা সঁচা যেন লাগিল। তাৰ কথাত মই আকৌ চিন্তাত পৰিলোঁ। চকীখনতে বহি পৰিলোঁ।

আকৌ পিল্লাইক ফোন কৰিলোঁ। তেওঁ কালামক একো কোৱা নাছিল।

'সিদ্ধান্ত ল'বলৈ মোক চাৰি দিনৰ সময় দিয়াৰ বাবে তেখেতক কওক! মোক বাংগালোৰৰ পৰা ঘূৰি আহিবলৈ দিয়ক।' পিল্লাই সন্মত হ'ল। মোৰ হোহকা-পিছলা মনোভাৱত তেওঁৰ ক্ষোভ লুকাই নাথাকিল।

ফাইল ৰখিব পাৰে। লাঞ্চ ৰখিব পাৰে। কিবা এটা কৰিব লাগিব। মই শেষ-মেষ ক'ত থাকিব খোজোঁ সেইটো ঠিক কৰিব লাগিব। মোক সহায় লাগে।

শ্ৰীপি জি মুৰলীধৰণ মোতকৈ ন বছৰৰ জ্যেষ্ঠ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া। তেওঁ নিষ্ঠাৱান, চিন্তাত স্বচ্ছ আৰু শুদ্ধ সিদ্ধান্ত ল'ব পৰা বিষয়া। তেওঁ ইতিমধ্যে চাকৰিৰ পৰা অৱসৰ লাভ কৰি কেৰালাৰ পৰা দিল্লীলৈ আহিছে— পুত্ৰৰ সৈতে দিল্লীতে থাকিব। মই ১৯৬৪ চনৰে পৰা তেখেতক জানিছিলোঁ। তেখেতলৈ ফোন কৰিলোঁ।

'তেনেকুৱা মূৰ্খামি নকৰিবা।' মাত্ৰ এঘণ্টাৰ ভিতৰতে দুজনকৈ ব্যক্তিয়ে মোক এনেদৰে কৈছিল যি দুজন ব্যক্তিৰ বিচাৰ-বুদ্ধি প্ৰশ্নাতীত। 'তৎক্ষণাৎ এই সুযোগ গ্ৰহণ কৰা। সিদ্ধান্ত লোৱাৰ বাবে চাৰি দিনৰ সময় নালাগে। আজিয়েই— এই মুহূৰ্ততে গ্ৰহণ কৰা।' তেওঁ আছিল বাস্তৱিক! সদায় অতি সংবেদনশীল! আকৌ পিল্লাই! অৱশেষত মই মনতে সিদ্ধান্ত ল'লোঁ। তেওঁ মোৰ ইতিবাচক উত্তৰটো সন্ধিয়ালৈ কালামক জনাব।

দিনটোৰ ভিতৰত ঘটি যোৱা ঘটনাবোৰকে পাগুলি পাগুলি মই গধূলি যেতিয়া বাংগালোৰলৈ উৰা মাৰিলোঁ তেতিয়া মোৰ মনত পৰিল— একৈছ বছৰৰ আগতে থুম্বাৰ বিক্ৰম সাৰাভাই মহাকাশ কেন্দ্ৰ (ভি এছ এছ)ত কালাম চাহাবক পোনপ্ৰথমবাৰ লগ পোৱাৰ কথা।

২

মই কৰৱাট্টিত আছিলোঁ। ১৯৭৮ চনত মোক লাক্ষাদ্বীপৰ প্ৰশাসক হিচাপে পদস্থাপন কৰিছিল। সেই দ্বীপবোৰ মই বৰ ভাল পাইছিলোঁ। পৰিয়ালসহ তাত থকা সময়খিনি মই বেছ উপভোগ কৰিছিলোঁ। মই তাত থাকোঁতেই দুবছৰৰ ভিতৰত ভাৰতবৰ্ষৰ দুজনকৈ প্ৰধানমন্ত্ৰী— ক্ৰমে মোৰাৰজী দেশাই আৰু শ্ৰীমতী ইন্দিৰা গান্ধীক আদৰণি জনোৱাৰ মোৰ সৌভাগ্য হৈছিল।

তাত মোৰ তৃতীয়টো বৰ্ষ। ১৯৮১ চন। এদিন বাংগালোৰৰ পৰা তলব এটা আহিল। সেয়া আন কোনো নহয়— প্ৰবল প্ৰতাপী শেষাণ—অন্তৰীক্ষ বিভাগৰ তদানীন্তন যুটীয়া সচিব টি এন শেষাণ, যি পিছলৈ ভাৰতবৰ্ষৰ মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে অভিলেখ সৃষ্টি কৰিছিল। তেখেতে মোক থুম্বাস্থিত বিক্ৰম সাৰাভাই মহাকাশ কেন্দ্ৰৰ নিয়ন্ত্ৰক (controller) হিচাপে বিচাৰিছিল। মহাকাশ কেন্দ্ৰৰ পৰা শেষাণে যেতিয়া কিবা এটা ক'ব সেয়া আদেশ। মই ক'লোঁ, 'ঠিক আছে।' সময়, জোৱাৰভাটা আৰু আনকি মহাকাশে তেওঁৰ বাবে বাট নাচাইছিল— তেৰোঁ তাৰ কোনো এটাৰ বাবে বাট নাচাইছিল। সেই তেতিয়াই মই এইটো ভালকৈ গম পাইছিলোঁ। দেশে গম পালে পৰৱৰ্তী সময়ত।

সেইমতে ১৯৮১ চনৰ জুন মাহত মই বিক্ৰম সাৰাভাই মহাকাশ কেন্দ্ৰৰ নিয়ন্ত্ৰক হিচাপে যোগদান কৰিলোঁ। তাত মই সম্পূৰ্ণ নতুন এটা অভিজ্ঞতা লাভ কৰিলোঁ। সেয়া হ'ল— বৈজ্ঞানিক সম্প্ৰদায়ৰ সৈতে মিলি যোৱা। বহু দিশৰ পৰা মোৰ বাবে সেয়া চিত্তাকৰ্ষক আছিল যদিও কিছুমান ক্ষেত্ৰত নিৰুদ্যমো আছিল। আমোলাবিলাক নিশ্চয়কৈ কেন্দ্ৰৰ টোষ্ট্ বা আলাসৰ লাৰু নাছিল। এৰাব নোৱাৰা আপদৰ দৰে তেওঁলোকক কেৱল সহ্য কৰা হৈছিল। সকলোতে অৱজ্ঞা ভৰা বা উন্নাসিক হাঁহি আৰু বিনীত চাৱনিয়ে মোক সম্ভাষণ জনাইছিল। কিন্তু তাৰ মাজতো এক আশাৰ ৰেঙণি দেখা গৈছিল— ড° এছ্ ৰামনাথ আছিল এক উল্লেখযোগ্য ব্যতিক্ৰম।

ড° ৰামনাথে নিয়ন্ত্রক হিচাপে কার্যনির্বাহ কৰিছিল। মই তেওঁৰ পৰাই কার্যভাৰ গ্রহণ কৰিব লাগিব। তেখেত যে ১৯৮৩ চনত পদার্থ বিজ্ঞানৰ বাবে ন'বেল পুৰস্কাৰ বিজেতা বিখ্যাত জ্যোতি-পদার্থ বিজ্ঞানী (astrophysicist) সুব্রমণিয়ম চন্দ্রশেখৰৰ কনিষ্ঠ ভাতৃ সেই কথা মই একেবাৰে নাজানিছিলোঁ। ৰামনাথ এজন সৎ ব্যক্তি আছিল— অসাধাৰণভাৱে সৎ লোক। মই লগ পোৱা তেৱেঁই আছিল প্রথম সঁচা বিজ্ঞানী যিয়ে মোক প্রথমে বিনম্রতাৰে আকৃষ্ট কৰিছিল, তাৰ পিছত আকৃষ্ট কৰিছিল তেখেতৰ বৃত্তিগত পাৰদর্শিতাৰে।

মই অর্থনীতিৰ ছাত্র আছিলোঁ। বিজ্ঞানৰ একোকে নাজানিছিলোঁ। মহাকাশ কেন্দ্রৰ মোৰ সহকর্মীসকলৰ লগত মই সততে এই বুলি ধেমালি কৰিছিলোঁ যে ক্ষেপণাস্ত্র (missiles) আৰু ৰকেট বিজ্ঞান (rocketry)ৰ বানানকেইটাৰ বাদে তাৰ বিজ্ঞানৰ বিষয়ে মই একোকে নাজানো। এজন আমোলা হিচাপে মই প্রশাসনৰ বিষয়ে জানিব লাগিব। জানিছিলোঁ নে নাই নাজানো— কিন্তু তেওঁলোকক জানিছিলোঁ বুলি কৈছিলোঁ।

সেই মহাকাশ কেন্দ্রতেই মই কালামক লগ পাইছিলোঁ। বিয়া-বাৰু নোহোৱা এজন জ্যেষ্ঠ বিজ্ঞানী। মই তেওঁক প্রথম লগ পাওঁ সঞ্চালকৰ শুকুৰবাৰে অনুষ্ঠিত হোৱা মিটিঙত— যি মিটিঙত আটাইবোৰ জ্যেষ্ঠ বিজ্ঞানী আৰু নিয়ন্ত্রকে বিজ্ঞান আৰু অইন বিষয়ৰ ওপৰত আলোচনা কৰিছিল যদিও একো সিদ্ধান্ত ল'ব নোৱাৰিলে। কালামৰ বাদেও মিটিঙত ড° এছ চি গুপ্তা, এম আৰ কুৰুপ, আৰ আৰৱমুদান আদি সকলো উপস্থিত আছিল। কেন্দ্রৰ সঞ্চালক ড° ভি আৰ গোৱাৰিকাৰে সভাবোৰত সভাপতিত্ব কৰিছিল। সেই দলটোৰ ভিতৰত নিজৰ ভদ্রতা, আকর্ষণীয় ব্যক্তিত্ব আৰু কৌতূহলী মনোভাবৰ গুণত কালাম জাকতজিলিকা আছিল। বৈজ্ঞানিক অনুধাৱন মোৰ তাৰ পৰা সম্পূর্ণ অন্তর্হিত হৈছিল। তেওঁৰ গাত যিহকে দেখিছিলোঁ তাৰ বাবেই তেওঁক ভাল পাইছিলোঁ। সেই ভালপোৱাৰ গভীৰতা আজিও জুখি চোৱা নাই।

বিক্রম সাৰাভাই মহাকাশ কেন্দ্রত থকা দিনবোৰত মই কালামৰ সৈতে খুব ঘনিষ্ঠভাৱে চলা-ফুৰা কৰিছিলোঁ বুলি দাবী কৰিব নোৱাৰোঁ। কেইবাবাৰো তেখেতৰ সৈতে মোৰ খুন্দিয়াখুন্দি লাগিছে যদিও তেখেতে মোক সদায় হেল্ল' বুলি মিচিকিয়া হাঁহিৰে সম্ভাষণ জনাইছিল। তেখেতৰ সেই সম্ভাষণ আৰু হাঁহি দুয়োটাই উষ্ম আছিল আৰু আন বহুতৰ হাঁহি-সম্ভাষণতকৈ বেছি সময় ধৰি বর্তি থকা আছিল। মই তেখেতক এগৰাকী আবিয়ৈ বিজ্ঞানী

হিচাপে জানিব পাৰিলোঁ— যি কেৱল বৈজ্ঞানিক অনুধাৱনক লৈয়েই ব্যস্ত আছিল। তেওঁ এনে এজন ব্যক্তি যি দিন আৰু ৰাতিৰ পাৰ্থক্য নুবুজিছিল। তেওঁৰ কামৰ দিনটো বহু ৰাতিলৈকে, বৰং পুৱা-ৰাতিলৈকো সম্প্ৰসাৰিত হৈছিল, আৰু দিনটো আকৌ সূৰ্যোদয় হোৱাৰ বহু আগতেই আৰম্ভ হৈছিল। তেওঁ ৪,০০০ বিশাল কৰ্মবাহিনীৰ প্ৰিয় লোক আছিল। ভাৰতবৰ্ষৰ উপগ্ৰহ উৎক্ষেপণ যান এছ্ এল ভি-৩ প্ৰথম কক্ষপথত স্থাপিত কৰাৰ দিনাখন আৰু তেওঁ পদ্মভূষণ লাভ কৰাৰ দিনাখন এই কৰ্মবাহিনীয়ে তেওঁক কান্ধত তুলি ঘূৰাই লৈ ফুৰিছিল। মই এইটোও জানিছিলোঁ যে তেওঁৰ সমকক্ষ লোকসকলৰ আটাইবিলাকে নহ'লেও নিশ্চয় বেছিসংখ্যক লোক সেই দল বা শ্ৰেণীত নপৰিছিল। মই এইটোও জানিছিলোঁ যে এছ্ এল ভি-৩ৰ প্ৰথম উৰণটো সমুদ্ৰৰ বুকুত পতিত হওঁতে তেওঁলোকৰ কিছুমানে মিঠাই ভগাইছিল। ভদ্ৰতাৰ খাতিৰত সেইবোৰ কথা কোৱাৰ পৰা বিৰত থাকিলোঁ।

উৰাজাহাজৰ পৰিচাৰিকাই ঘোষণা কৰিলে যে অলপ সময়ৰ পিছতে আমি বাংগালোৰত অৱতৰণ কৰিমহঁক। মনৰ চিন্তা কাতি কৰি থৈ নমাৰ বাবে সাজু হ'লোঁ।

৩

২০০২ চনৰ ২২ জুলাই। মই এইমাত্ৰ দিল্লীলৈ ঘূৰি আহিছোঁ। মোৰ মনত এটা ক্ষীণ আশা জন্মিছিল যে মোৰ উৎসাহী বন্ধুৰ দল এটাই বিমানকোঠত মোক আদৰণি জনাবহি। কিয়নো মই ভাৰতবৰ্ষৰ মহামহিম ৰাষ্ট্ৰপতিৰ সচিব হ'বলৈ ওলাইছোঁ। কিন্তু কি আচৰিত! বাস্তৱত কোনো এজনো নাহিল। MNESৰ প্ৰটোকল বিষয়াজনে যথাৰীতি মোক অভিবাদন জনালেহি। সেই উৎসাহবোৰ কেনি গ'ল? ভিতৰি মই অলপ ত্ৰস্ত হৈ উঠিলোঁ। তেনেহ'লে কালাম চাহাবে অন্য কিবা চিন্তা কৰিলে নেকি?

মই চিধা ঘৰলৈ দৌৰিলোঁ। ঘৰ পায়েই 'নেট'ত বহি whispersin-thecorridors.com চালোঁ। নাই— কোনো গুণগুণনিয়েই নাই। মোৰ অন্তৰখন অৱসাদে বুৰাই পেলালে। লগে লগে মই ছাউথ ব্লকলৈ গৈ পিল্লাইক ফোনত যোগাযোগ কৰিলোঁ।

পিল্লায়ে মোৰ মনটোক পুনৰুজ্জীৱিত কৰি তুলিলে। কালামে মোক লগ পাব বিচাৰিছে। সেই দিনাই— সন্ধিয়া। সম্ভৱ অলপ দেৰিকৈ। পিল্লাইয়ে পৰীক্ষা কৰি মোক জনাব।

সেইদিনাখনেই ৰাতি ৮-৩০ বজাত পিল্লাই আৰু মোক দেখা গ'ল দক্ষিণ দিল্লীৰ এছিয়াড ভিলেজত। ১৯৮২ চনত এছিয়ান গেইম্‌ছ এথলিট্‌ছ্ পতাৰ বাবে এই গাঁও নিৰ্মিত কৰা হৈছিল। নিৰাপত্তা বেছ পাৰ হৈ কালামৰ সৰু, ব্যৱহাৰিক আবাসলৈ যোৱাটো এটা ডাঙৰ কাম। অৱশেষত যেনিবা আমি দুয়ো অপেক্ষা কক্ষটো পাবলৈ সক্ষম হ'লোঁ। আমি তাতেই অপেক্ষা কৰিলোঁ। সেই কোঠাৰ বাহিৰে-ভিতৰে আন বহু লোক ৰৈ আছিল।

কেউফালে কৰ্মতৎপৰতা প্ৰত্যক্ষ কৰা গ'ল। ক্ষন্তেক পিছতে ভাবী ৰাষ্ট্ৰপতি কালাম চাহাব সোমাই আহিল। আহিয়েই তেখেতে সচিবদ্বয় এইচ শ্বেৰিদন আৰু আৰ কে প্ৰসাদ আৰু পিল্লাইৰ ফালে চাই এটা ইংগিত দিলে— তেখেতে মোৰ লগত অকলে কথা পাতিব বিচাৰে। তাৰ পিছত কোঠাটোত কেৱল আমি দুজন

থাকিলোঁ। তেখেতৰ চাল-চলন ভাবী ৰাষ্ট্ৰপতিৰ দৰে নালাগিল। সেই একেই শান্ত-সমাহিত মুখাবয়ৱ। অথচ প্ৰচাৰ মাধ্যম আদিৰ মনোযোগ আৰু মূল আকৰ্ষণ আছিল তেৱেঁই। দেখদেখকৈ নীলা চোলা এটা পিন্ধি আছিল। মুখত এক শান্ত পৰিচ্ছন্ন হাঁহি। অবিশ্বাস্য!

তেখেতৰ সৈতে মই বিছু মিনিট থাকিলোঁ। তেখেতে আমাৰ বিক্ৰম সাৰাভাই মহাকাশ কেন্দ্ৰৰ দিনবোৰৰ কথা ৰোমন্থন কৰিলে। তেখেতৰ মুখত ৰে'লৰ ঘটনাটো শুনাৰ লগে লগে মোৰ ভিতৰখন আলোড়িত হ'ল। তেতিয়া মই থুম্বাত আছিলোঁ। এবাৰ কেন্দ্ৰৰ এশখনমান বাছে হঠাতে ধৰ্মঘট কৰি কেন্দ্ৰৰ কাম-কাজ একপ্ৰকাৰ অচল কৰি দিলে। কাৰণ বিক্ৰম সাৰাভাই মহাকাশ কেন্দ্ৰটো আছিল চহৰৰ পৰা প্ৰায় বিছ কিলোমিটাৰ নিলগত অৱস্থিত। মোৰ ভাগ্য ভাল আছিল— কাৰণ টি এন শেষাণ আৰু সেই সময়ত দক্ষিণ ৰেলপথৰ এজন জ্যেষ্ঠ বিষয়া হিচাপে কৰ্মৰত মোৰ খুৰাৰ ল'ৰা কে নীলকান্তনৰ ক্ষিপ্ৰ আৰু অভাৱনীয় সহায়ক্ৰমে প্ৰায় ডেৰমাহ ধৰি ত্ৰিবান্দ্ৰম চেণ্ট্ৰেলৰ পৰা বিক্ৰম সাৰাভাই মহাকাশ কেন্দ্ৰৰ নিকটৱৰ্তী ভেলীলৈকে বিশেষ ৰে'লৰ প্ৰৱৰ্তন কৰা হ'ল। ইয়াৰ ফলত সেই ধৰ্মঘট অৱশেষত ভংগ হ'ল আৰু আমাৰ কেন্দ্ৰলৈ স্বাভাৱিক অৱস্থা ঘূৰি আহিল। কেন্দ্ৰৰ কাম-কাজ স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাত কালাম চাহাব স্পষ্টতঃ খুব সুখী হৈছিল। ধৰ্মঘট ভংগ হোৱাৰ পিছত মোক লগ পাওঁতে তেখেতৰ মুখত উজলি উঠা হাঁহিটোতেই তাৰ আভাস পোৱা গৈছিল। আৰ বি শ্ৰীকুমাৰ বোলা এজন ভাৰতীয় আৰক্ষী সেৱাৰ গুজৰাট কেডাৰৰ বিষয়া সেই সময়ত কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনীৰ কমাণ্ডেণ্ট্ আছিল আৰু তেৱেঁই মহাকাশ কেন্দ্ৰৰ নিৰাপত্তাৰ দায়িত্ব পালন কৰিছিল। সমগ্ৰ অপাৰেশ্যনটোৰ সময়ত একমাত্ৰ তেৱেঁই মোৰ মনোবলৰ প্ৰধান উৎস আছিল। আৰক্ষী সেৱাত নিষ্ঠা, সততা, পাৰদৰ্শিতা আদি গুণৰ বলত এই শ্ৰীকুমাৰে এদিন সুনাম অৰ্জন কৰিছিল। সেই ধৰ্মঘট মই কিদৰে নিয়ন্ত্ৰণ কৰিলোঁ কালামে তাকে দোহাৰিছিল। আৰু সেইটোৱেই যেন মোৰ জীৱনৰ সন্ধিক্ষণ আছিল তেনে এটা ধাৰণা জন্মিল। তেখেতে মোক সচিব হিচাপে বিচাৰিলে। কেবিনেট সচিবৰ আগত মই সেই একেকিটা শব্দকে ক'ব পাৰিম নে নাই সুধিলোঁ। তেওঁ সন্মতি জনালে।

* * *

পিছদিনা ৰাতিপুৱা মই আকৌ কেবিনেট সচিবালয় ওলালোঁগৈ। টি আৰ প্ৰসাদে ভাবী ৰাষ্ট্ৰপতিলৈ ফোন কৰি মই তেওঁক জনোৱা কথাটো সুধি নিশ্চিত কৰিলে। দুই-এদিনতে আদেশটো ওলাব।

এইটো চূড়ান্ত হ'ল। মই ৰক্ষামন্ত্ৰী (Defence minister) জৰ্জ ফাৰ্ণাণ্ডেজক দেখা কৰি কথাটো জনালোঁ। সদায় জনোৱাৰ দৰে তেওঁ মোক সিদিনাও শুভেচ্ছা জনালে। তাৰ লগে লগে মই মোৰ বন্ধু-বান্ধৱ, সহকৰ্মী আৰু আত্মীয়স্বজন সকলোকে এই খবৰটো দিলোঁ। মোৰ নতুন ইনিংছটো কেনেকৈ আৰম্ভ হয় তাৰ প্ৰতীক্ষাত থাকিলোঁ।

২৪ জুলাইৰ দিনাখন আদেশটো ওলাল।

৪

২০০২ চনৰ ২৫ জুলাই। সেইদিনাখনেই ভাৰতবৰ্ষৰ দ্বাদশ ৰাষ্ট্ৰপতিজনাই সংসদৰ গাম্ভীৰ্যপূৰ্ণ ঐতিহাসিক চেণ্ট্ৰেল হলত শপত গ্ৰহণ কৰিব। অনুষ্ঠানলৈ যোৱাৰ বাবে মই প্ৰৱেশ-পত্ৰ পোৱা নাছিলোঁ যদিও কিবা প্ৰকাৰে এখন যোগাৰ কৰি ভিতৰত প্ৰবেশ কৰিলোঁ।

সেয়া আছিল এক চমকপ্ৰদ অনুষ্ঠান। পোনপ্ৰথমবাৰৰ বাবে বিশেষ অভ্যাগত হিচাপে শতাধিক শিশুক অনা হৈছিল। ভাৰতৰ মুখ্য ন্যায়াধীশ, শ্ৰীযুক্ত ন্যায়াধীশ বি এন কিৰপালে শপত বাক্য পাঠ কৰাইছিল। শপত লোৱাৰ পিছতে কালামে দিয়া ভাষণটো কেৱল আনুষ্ঠানিকতা নাছিল অন্তৰৰ পৰা অতি স্পষ্ট ভাষাত তেখেতে ভাষণ দিছিল আৰু তেখেতে বক্তৃতাত ৰাষ্ট্ৰৰ আগত কৰ্মসূচীও দাঙি ধৰিছিল। কৰ্মসূচীও আছিল উন্নত ৰাষ্ট্ৰৰ— 'ইণ্ডিয়া ভিজন ২০২০'। সেই কৰ্মসূচীৰ গুৰুত্ব বুজাবলৈ তেখেতে কবীৰৰ কথা আওৰাইছিল— 'কাল কৰে সো আজ কৰ, আজ কৰে সো অব' (কাইলৈ যি কৰিবা সেইটো আজিয়েই কৰা, আজি যি কৰিবা তাক ততালিকে— এই মুহূৰ্ততে কৰা)।'

উৎসৱৰ আনুষ্ঠানিকতাবোৰ চলিবলৈ ধৰিলে যেনে, গাৰ্ড অব্ অনাৰ, প্ৰাক্তন ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণনক বিদায় সম্ভাষণ আদি। আগতে কালামক সোধা হৈছিল— তেখেতে মাংগলিক বুলি বিবেচনা কৰা কোনো বিশেষ সময়ত শপত গ্ৰহণ কৰিব বিচাৰে নেকি? তেখেতে উত্তৰ দিছিল— 'সকলো মুহূৰ্তই মাংগলিক মুহূৰ্ত।'

কালাম চাহাব ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি হোৱাৰ বিছ মিনিট পিছতে মই তেখেতৰ সচিব হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ। চমছেৰ শ্বৰীফে মোক মোৰ কাৰ্যালয়লৈ আদৰি নিলে। ৰাষ্ট্ৰপতি ভৱনৰ উত্তৰ কোণত অৱস্থিত সেইটো এটা দীঘলীয়া, মাৰ্জিত আৰু সুবিন্যস্ত কোঠালি। যোৱা দুবছৰ ধৰি কোঠালিটো অধিকাৰীবিহীনভাৱে পৰি আছিল। ২০০০ চনত গোপালকৃষ্ণ যোৱাৰ পিছত কোনো সচিব নাছিল। যুটীয়া সচিব চমছেৰ শ্বৰীফে সকলোখিনি চোৱাচিতা কৰিছিল।

আবেলি তিনি বজাত মোক অধ্যয়ন কক্ষ (ষ্টাডী) লৈ মাতি পঠিয়ালে। ৰাষ্ট্ৰপতি বহা কোঠাটোকে অধ্যয়ন কক্ষ বোলা হয়। সাংবিধানিক পৰিক্ৰমা বিভাগৰ সঞ্চালক বৰুণ মিত্ৰ ১৯৮৭ চনৰ চামৰ আই এ এছ বিষয়া আছিল। তেওঁ কেইখনমান কাগজ মোৰ হাতত দিলে। তাৰ ভিতৰত জনৈক ৰাজ্যপালে স্বাস্থ্যজনিত কাৰণত কেইদিনমানৰ বাবে দিল্লীলৈ অহাৰ অনুমতি বিচৰা কাগজ এখনো আছিল। অধ্যয়ন কক্ষৰ পৰা আভূমি বিস্তৃত (দুৱাৰৰ দৰে) খিৰিকীৰে মোগল গাৰ্ডেনখন চাই থাকিব পাৰি— য'ত এটা ফোৱাৰাৰ পৰা নিঃশব্দে পানী ওলাই আছিল। সেই অধ্যয়ন কক্ষৰ এটা চুকত ডেস্কত বহি থকা ৰাষ্ট্ৰপতিজনাক মই সেই কথাটো অৱগত কৰিলোঁ। তেখেতে মূৰ তুলি চাই ক'লে, 'এৰা, মই ঠিক বুজি পাওঁ যে তেওঁবিলাকৰ কোনোবা নহয় কোনোবা এজন স্বাস্থ্যজনিত কাৰণতেই দিল্লীলৈ আহিব বিচাৰিব। ঠিক আছে, মই সন্মতি জনাইছোঁ।' শেষৰিদন, প্ৰসাদ আৰু মই পৰস্পৰে পৰস্পৰৰ মুখলৈ চালোঁ— নীৰৱে। সেই নীৰৱতায়ো যেন বহু কথা কৈছিল।

৫

তাৰ পিছদিনাখন। ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ত প্ৰথম এটা সম্পূৰ্ণ দিন। মোক অধ্যয়ন কক্ষলৈ মাতি পঠিয়ালে। তাত মই কালামক দেখিলোঁ— আজি নীলা চোলাটো পিন্ধা নাই। কিন্তু সেই একেই আকৰ্ণ বিস্তৃত হাঁহি— দীঘল আৰু কপালৰ ওপৰলৈ বৈ পৰা সুবিন্যস্ত চুলি। মই আসনত বহাৰ পিছত তেখেতে কথা আৰম্ভ কৰিলে, 'মিষ্টাৰ নায়াৰ! (কি কাৰণে নাজানো— কালামে মোক সদায় মিঃ নায়াৰ বুলি মাতিছিল), আমাৰ হাতত পাঁচটা বছৰ আছে। মোৰ এটা মিছন আছে— আৰু আমি সেই লক্ষ্য সাধন কৰিব লাগিব। মোক আপোনাৰ সহায় আৰু সমৰ্থন লাগে!'

মই ক'লোঁ, 'ছাৰ! আপোনাক বিভিন্ন উপদেশ দিয়া হৈছিল যদিও তাৰ বিপৰীতে আৰু বহুবোৰ নাম দিয়া হৈছিল। তথাপি যদিও তাৰ মাজৰ পৰা আপুনি মোক সচিব হিচাপে বাছি লৈছে। এইটো মোৰ বাবে এক ডাঙৰ সন্মান, ছাৰ! মই যদি আপোনাক সহায় বা সমৰ্থন কৰিব লাগে তেন্তে মোক নিজস্ব দল এটা বাছি উলিয়াবলৈ দিয়ক!'

তেখেতে ক'লে, 'বঢ়িয়া কথা! আপুনি তাকে কৰক!'

সেইমতে মই দল এটা বাছনি কৰি ল'লোঁ। ৰাষ্ট্ৰপতিৰ যুটীয়া সচিবৰ পৰা আৰম্ভ কৰি সামৰিক সচিব আৰু এ ডি চি পৰ্যায়ৰ বিষয়ালৈকে আটাইবোৰকে মই বাছি-বিচাৰি ল'লোঁ। তাৰ আগতে, তেওঁলোকৰ উপৰি আন যিসকলক মতা হৈছিল আটাইৰে সাক্ষাৎকাৰ লৈহে বাছনি কৰিছিলোঁ। কালামে কামটোত সমূলি হস্তক্ষেপ কৰা নাছিল। তেখেতৰ মোৰ ওপৰত সেই ধৰণৰ বিশ্বাস বা আস্থা আছিল। পাঁচ বছৰ ধৰি যিবোৰ ঘটনা তড়িৎ গতিৰে ঘটি গ'ল সেইবোৰে সেই বিশ্বাস প্ৰতিপাদন কৰিছিল। দলটোৰ জন্ম হ'ল। কালামৰ কাৰ্যকাল অন্ত পৰাৰ আগে আগে মই মোৰ দলটোৰ সদস্যসকললৈ লিখা মোৰ চিঠিখনে সেই সকলো কথা কৈ দিছে। মোৰ চিঠিখন এই গ্ৰন্থৰ শেষত সন্নিবিষ্ট কৰা হৈছে।

৬

'ছাৰ! আজি ৰাতিপুৱাৰ মিটিং (morning meeting) আবেলি হ'ব'— মোৰ জ্যেষ্ঠ ব্যক্তিগত সচিব ভেংকটেশনে ঘোষণা কৰিলে। বিমোৰত পৰি মই তেওঁক সুধিলোঁ— 'কেতিয়া হ'ব!' 'শ্বেৰিদনে কৈছে ৩-৩০ বজা মানত হ'বগৈ।' মই আশা কৰিলোঁ— ৰাতিপুৱা ৩-৩০ত নহয়গৈ যাতে। সেয়ে হ'লেও, সেইটোও ৰাতিপুৱাৰ সময় যেতিয়া ৰাতিপুৱাৰ মিটিঙৰ বাবে উপযুক্ত হ'লহেঁতেন। মোৰ গ্ৰহবিলাকক ধন্যবাদ জনালোঁ— কিয়নো কালামৰ বাবে সম্পূৰ্ণ কামৰ দিন এটাই ৰাতিটোকো সাঙুৰি লয়। শ্বেৰিদন তেখেতৰ অন্যতম জ্যেষ্ঠ ব্যক্তিগত সচিব। তেওঁ আছিল অস্বাভাৱিক ধৰণৰ পাৰদৰ্শিতা আৰু আনুগত্য থকা লোক। তেওঁ অন্যতম জ্যেষ্ঠ ব্যক্তিগত সচিব প্ৰসাদৰ সৈতে একনিষ্ঠভাৱে অথবা দৃঢ়চিত্তে কালামৰ কাষে-পাঁজৰে আছিল। তেৰোঁ একে গুণৰ অধিকাৰী আছিল। মই ঘড়ীটোত ৩-৩০ বজালৈ বাট চাই থাকিলোঁ।

'ছাৰ! মৰ্ণিং মিটিং এতিয়া তিনি বাজি পঞ্চল্লিছ মিনিটত হ'ব।'— মোৰ অন্য এজন ব্যক্তিগত সচিব ঊষা সুধীন্দ্ৰই প্ৰায় তিনি বজাত মোক এই খবৰটো দিলেহি। ইতিমধ্যে মই বুজি উঠিছিলোঁ যে তেনেকুৱা পলম আৰু মুলতুবী বা স্থগিতকৰণ মোৰ জীৱনৰ এৰাব নোৱাৰা বিষয় হৈ পৰিব। সেইবাবে মই অলপো আচৰিত নহ'লোঁ।

বিভিন্ন সময়ত ৰাষ্ট্ৰপতিয়ে পোৱা বিভিন্ন ধৰণৰ কাগজ-পত্ৰ, আবেদন-নিবেদন বা দৰখাস্ত অথবা তেখেতৰ অনুমোদন বা চূড়ান্ত সিদ্ধান্তৰ বাবে, তেখেতৰ ওচৰলৈ পঠিওৱা নথি-পত্ৰবোৰৰ ওপৰত আলোচনা কৰিবলৈ 'মৰ্ণিং মিটিং'বোৰ পতা হয়। কালামৰ ৰাতিপুৱাবোৰো আমাৰ নিচিনাকৈ একে সময়তে আৰম্ভ হয়। কিন্তু তেখেতে উন্নীত কৰা 'বায়ো-ডাইভাৰ্ছিটী পাৰ্ক'ত ৰখা বিভিন্ন চৰাই, জন্তু আৰু অন্য প্ৰাণীবোৰৰ সৈতে তেখেতৰ অদ্ভুত মনঃসংযোগে প্ৰাতঃভ্ৰমণৰ সময়ত তেখেতক মাতৃ-প্ৰকৃতিৰ সৈতে ব্যস্ত কৰি ৰাখিছিল। তাৰ পিছতে তেখেতে দৈনিক খবৰ কাগজবোৰ পুংখানুপুংখভাৱে চাই লয়। তাৰ পিছতে ওৱেব্ ছাইটত বহাটো তেওঁৰ চিৰাচৰিত অভ্যাস। এনেকৈ ৰাতিপুৱাৰ

জলপান খাওঁতে খাওঁতে দুপৰীয়া হয়গৈ। তাৰ পিছত নিজ কাৰ্যালয়— আবেলি অনুষ্ঠিত হোৱা মৰ্ণিং মিটিঙেৰে আৰম্ভ হয়।

তেখেতলৈ পঠিওৱা যি কোনো কাগজ-পত্ৰ অথবা ফাইল মৰ্ণিং মিটিঙত আলোচনাৰ বাবে লোৱা হয়। এইবোৰ মিটিঙত সামৰিক সচিবজন আৰু মই আছিলোঁ মূল অংগ। আগৰজনে দিনটোৰ বাবে নিৰ্ধাৰিত অনুষ্ঠানবোৰৰ বিষয়ে আৰু কৰিবলগীয়া, কৰিবনলগীয়া আৰু অৱশ্যে কৰিবলগীয়াবোৰৰ বিষয়ে তেখেতক আগধৰি জনায়। তেওঁ যোৱাৰ পিছত মই কাগজ-পত্ৰ আৰু ফাইলবোৰ সন্দৰ্ভত তেখেতৰ লগত আলোচনা কৰোঁ। কেইমাহমান যোৱাৰ পিছৰ পৰা মই যুটীয়া সচিব অশোক মংগোত্ৰ আৰু সঞ্চালকদ্বয় বৰুণ মিত্ৰ আৰু সতীশ মাথুৰৰ দৰে জ্যেষ্ঠ সহকৰ্মীসকলক কামত প্ৰবৃত্ত কৰাইছিলোঁ যাতে তেওঁলোকে ৰাতিপুৱাবোৰ লেঠা বা সমস্যা নোহোৱাকৈ মসৃণভাৱে পাৰ কৰাত মোক সহায় কৰে।

কালামৰ বাবে একোৱেই অদৰকাৰী নহয়। সকলো কথা বা প্ৰতিখন কাগজ অভ্যন্তৰলৈ যাব লাগিব আৰু তেখেতে পঢ়ি চাব লাগিব। কোনো এখন কাগজ অৱজ্ঞা কৰি কোনোৱে তেখেতক ঠগিব নোৱাৰে। তেখেতৰ স্মৃতিশক্তিও আচৰিত ধৰণে প্ৰখৰ, ফটোগ্ৰাফিক অৰ্থাৎ কোনো কথা তেখেতৰ স্মৃতিৰ পৰা বাদ পৰিব নোৱাৰে— খবৰবোৰ পঞ্জীয়ন কৰি ৰখাৰ বাবে অজস্ৰ ফিল্ম থাকে।

বহু উদাহৰণৰ মাজৰ পৰা এটা দৃষ্টান্ত দিলেই যথেষ্ট হ'ব। এবাৰ দুদিনৰ কাৰ্যসূচী লৈ ৰাষ্ট্ৰপতি চাহাব মফচললৈ গৈছিল। সেই দুটা দিনৰ ভিতৰতে চিঠি আৰু দৰখাস্ত এদ'ম গোট খালে। তেখেতে নিতৌ গড়ে সত্তৰৰ পৰা এশখনলৈ চিঠি-পত্ৰ পায়। সেই আটাইবোৰ চিঠি 'মৰ্ণিং' মিটিঙৰ বাবে' বুলি ছাব মাৰি মোলৈ পঠিয়াই দিয়ে। তেখেত মফচললৈ যোৱাৰ আগতে অহা চিঠিবোৰ ইতিমধ্যে 'মৰ্ণিং মিটিঙৰ বাবে' বুলি ছাব মৰা হৈছিল আৰু তেখেত নথকা সময়ত অহা চিঠিবোৰ ঘূৰি অহাৰ পিছত, দহ বজাৰ আগে-পিছে লাঞ্চ খোৱাৰ পৰত নিজেই চাই-মেলি সূচিত কৰি মোলৈ পঠিয়াই দিয়ে। ব্ৰেক্‌ফাষ্টৰ সময় যদি দুপৰীয়া হয়গৈ তেন্তে লাঞ্চৰ সময় স্বাভাৱিকতে বহু দেৰিকৈ হয়। তেনেকৈ ডিনাৰ হয়গৈ পিছদিনা পুৱাৰাতিকৈ।

এনেকৈ আটাইবোৰ কাগজ মোৰ তালৈ আহিলে মই প্ৰতিখন পঢ়ি চাওঁ আৰু প্ৰায়েই প্ৰতিখনৰ ওপৰত সাংকেতিক টোকা লিখি থওঁ যাতে মই ৰাষ্ট্ৰপতি চাহাবক সময়ত বুদ্ধিদীপ্ত পৰামৰ্শ আগবঢ়াব পাৰোঁ। থান্‌জাবুৰৰ আই টি আইৰ ছাত্ৰসকলৰ পৰা এখন দৰখাস্ত আহিছিল। মই দৰখাস্তখনৰ কথাখিনি

ৰাষ্ট্ৰপতিৰ আগত ব্যাখ্যা কৰি উঠি ক'লোঁ যে মই সেইখন থান্‌জাবুৰৰ কালেক্টৰলৈ পঠিয়াই দি সমস্যাটো সমাধানৰ বাবে তেওঁ কি কৰিব পাৰিব তাৰ ওপৰত এটা প্ৰতিবেদন বিচাৰিম। কালামে মোৰ কথাখিনি মন দি শুনি উঠি ক'লে, 'আৰু এখন আবেদন আহিছে, চাওক!'

মই ক'লোঁ, 'নাই ছাৰ! সেইটো এটা প্ৰতিলিপিহে।'

ৰাষ্ট্ৰপতিয়ে কয়— 'নহয়, আৰু এখন দৰখাস্ত আছে।'

মই কওঁ— 'নাই, সেইটো এটা প্ৰতিলিপিহে।'

ৰাষ্ট্ৰপতিয়ে পুনৰাই ক'লে, 'নহয় মিষ্টাৰ নায়াৰ! অন্য এখন আবেদন থাকিবই লাগিব।' যোৱা তিনি দিনৰ আটাইবোৰ কাগজ মোৰ ওচৰত আছে— আৰু মোৰ নিজৰ স্মৃতিশক্তিৰ ওপৰত পূৰামাত্ৰা আস্থা আছে। সেইবাবে মই প্ৰায় খাটাংকৈ ক'লোঁ, 'নাই ছাৰ! আপুনি মফচললৈ যাওঁতে মই প্ৰতিখন কাগজ পঢ়ি চাইছোঁ। আপুনি যিখনৰ কথা উল্লেখ কৰিছে সেইখন বোধহয় এই দৰখাস্তখনৰ প্ৰতিলিপিহে।' তেতিয়া ৰাষ্ট্ৰপতিয়ে ক'লে, 'ঠিক আছে! এতিয়া তেনেহ'লে অইন কাগজবোৰৰ ওপৰত আলোচনা কৰোঁ আহক!'

কাগজবোৰৰ পিছত ফাইলবোৰো আলোচনা কৰিলোঁ। তাৰ পিছত মই নিজ কক্ষলৈ ঘূৰি আহিলোঁ। মই অলপ অস্বস্তিত ভুগি আছিলোঁ। কিয়নো মোৰ হাতত আৰু এখন কাগজ আছে বুলি কালামে দঢ়াই দঢ়াই পাঁচবাৰ কৈছিল আৰু মই ছয়বাৰ নাই বুলি কৈছিলোঁ। কাগজবোৰ আকৌ এবাৰ পৰীক্ষা কৰি চোৱাৰ সিদ্ধান্ত কৰিলোঁ। লগে লগে মোৰ শৰীৰ চেঁচা পৰি গ'ল। এৰা— থান্‌জাবুৰৰ আই টি আইৰ আন একাংশ ছাত্ৰৰ পৰা অইন এখন কাগজো আহিছে। মই বৰ লজ্জিত হ'লোঁ আৰু নিজকে অযোগ্য যেন বোধ হ'ল। লগে লগে মই দৌৰ দিলোঁ ৰাষ্ট্ৰপতিৰ অধ্যয়ন কক্ষলৈ। তেখেতক ক'লোঁ, 'ছাৰ! মই ক্ষমা বিচাৰিছোঁ। মোৰ তাত অন্য এখন আবেদনো আছিল। আপুনি ঠিকেই কৈছিল। মোৰহে ভুল হৈছে। সেইখন কেনেবাকৈ বৈ গৈছিল। মই বৰ দুঃখিত, ছাৰ! আগলৈ এনেকুৱা নহয়।' কালামে হাঁহি এটা মাৰি ক'লে, 'ঠিক আছে। চিন্তা কৰিব নালাগে। আপুনি সেই আবেদনখনৰ ওপৰতো উচিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি মই জানো।' মই ঘূৰি আহিলোঁ। তেখেতৰ ওচৰত নিজকে বৰ ক্ষুদ্ৰ যেন লাগিল।

কালাম চাহাবৰ মনত ৰখা শক্তি তেওঁৰ ভাষাতেই 'ফেণ্টাছ্টিক্' বুলি ক'ব পাৰি। তেওঁ পৰ্যালোচনাৰ বাবে অজস্ৰ কিতাপ পাইছিল। দয়া কৰি সিবোৰ মোক নিদি মংগোত্ৰলৈ ঠেলি দিছিল। মংগোত্ৰই ৰাতি টোপনি খতি কৰি টোকা

লিখি উলিয়ায় আৰু পিছদিনা মৰ্ণিং মিটিঙত ৰাষ্ট্ৰপতিৰ সৈতে সেইবোৰ আলোচনা কৰে। স্থায়ী আনুষংগিক হিচাপে ময়ো তেতিয়া উপস্থিত থাকোঁ। মংগোত্ৰই কিতাপখনত কি আছে— কিতাপখন ভালনে বেয়া সেইবোৰ ব্যাখ্যা কৰে। হঠাতে ৰাষ্ট্ৰপতিয়ে মাজতে কৈ উঠে, 'মংগোত্ৰজী! ২৪নং পৃষ্ঠাৰ ২নং দফাটো আপুনি পঢ়িছেনে? কি সুন্দৰ ভাবনা! তেনে সৎ চিন্তাৰ বাবে লেখকজনক মোৰ অভিনন্দন জনাব।' তাৰ পিছত মংগোত্ৰৰ হাতৰ পৰা কিতাপখন আনি ২৪ নং পৃষ্ঠাটো খুলি ২নং দফাটো চাই দেখোঁ যে সঁচাকৈয়ে সেইটো এটা অতীব সুন্দৰ দফা! এনে ঘটনা কেইবাবাৰো ঘটিছিল।

মই এজন আমোলা। অফিচ সংক্ৰান্তীয় সকলো বিষয় সন্দেহৰ চকুৰে চোৱাৰ বাবেই আমাৰ দৰে বিষয়াক লালিত-পালিত কৰা হয়। তেনে আমোলাৰ দৃষ্টিৰে মই কালামক এবাৰ পৰীক্ষা কৰি চাব বিচাৰিলোঁ। যেতিয়া অন্য এখন কিতাপ আলোচনা কৰা হ'ল তেখেতে আমাক ৯৬ নং পৃষ্ঠাটো খুলি চাবলৈ ক'লে। তেখেতে ক'লে যে গ্ৰন্থকাৰে স্পষ্টতঃ যি কৈছে সি একেবাৰে সত্য। তেতিয়া মই ক'লোঁ, 'ছাৰ! গ্ৰন্থকাৰে ৯৬ নং পৃষ্ঠাটোত যি কৈছে তেওঁ তাকে বুজোৱা বুলি আপুনি সঁচাকৈ ভাবেনে?'

'নাই মিষ্টাৰ নায়াৰ। ১৫৪ নং পৃষ্ঠাত তেওঁ স্ববিৰোধী কথা কৈছে। ৯৬ নং পৃষ্ঠাত তেওঁ যি কৈছে তাৰ সম্পূৰ্ণ বিপৰীত কথা এটাৰ অৱতাৰণা কৰিছে এই পৃষ্ঠাত।'— এনে এটা উত্তৰ দিলে কালামে।

৭

এ পি জে আব্দুল কালাম আমাৰ মাজৰ যিকোনো এজন লোকৰ নিচিনা ব্যক্তি। হয়, সম্ভৱতঃ সম্পূৰ্ণ নহয়। কিছুমান কথা হয়তো ভাল। কিন্তু তেখেতৰ সৈতে থকা পাঁচটা বছৰৰ ভিতৰত মই তেখেতৰ গাত কিছুমান দোষ আৰু খুঁত বা দুৰ্বলতাও প্ৰত্যক্ষ কৰিছিলোঁ।

সময়নিষ্ঠাৰ বাবে কালাম কোনোদিনে জনাজাত নাছিল। এটা কথা ভাবি মই প্ৰায়েই বিস্মিত হৈছিলোঁ— তেওঁৰ ঘড়ী বোলা বস্তু এটা আছেনে বাৰু? সম্ভৱতঃ লগাতকৈ বেছিয়েই আছে। সেইটোৱেই কাৰণ হ'ব চাগে! আবেলি ২-৩০ বজাত অনুষ্ঠিত হ'বলগীয়া মৰ্ণিং মিটিংখন কোনোদিনে ২-৩০ বজাত আৰম্ভ নহয়। সদায় বিছৰ পৰা ত্ৰিছ মিনিট পলমকৈ। তেওঁৰ ভাৰতৰ ভিতৰত কৰা ভ্ৰমণবোৰৰ উপৰি আনকি বাহিৰলৈ যোৱাৰ সময়বোৰৰো গণ্ডগোল লাগিছিল। মই জানো তেওঁ এজন ক্ৰিকেটপ্ৰেমী লোক! কিন্তু এইটো হ'ল বেলেগ ধৰণৰ খেল!

তেখেতৰ সচিব হিচাপে মই এই ধৰণৰ বিলম্বৰ ন্যায্যতা বিচাৰি নাপাওঁ। আৰু মই জানো, মই তেনেকৈ কোৱা বাবে তেওঁ মোক বেয়া নাপায়। কিয়নো তেখেতে সদায় সত্যৰ মুখামুখি হয়।

তেওঁৰ এই সময়নিষ্ঠা গুণৰ অভাৱৰ বাবে বহুতো সমালোচনাৰ সন্মুখীন হৈছে। সাধাৰণতে, ৰাষ্ট্ৰপতিজন যেতিয়া দেশৰ ভিতৰত বা বাহিৰত ভ্ৰমণলৈ যায়, তেতিয়া বহু আগৰ পৰা আৰক্ষী বাহিনীক মোতায়েন কৰা হয়। তেওঁ যোৱা বা অহাৰ প্ৰায় তিনি ঘণ্টাৰ আগৰে পৰা সেই পথত আৰক্ষীৰ লোকক কৰ্তব্যত মোতায়েন কৰা হয়। আৰু ৰাষ্ট্ৰপতি যোৱাৰ বা অহাৰ দুই বা তিনি ঘণ্টাৰ পিছতহে তেওঁলোক ঘৰাঘৰি যায়গৈ। সচৰাচৰ এইটোত কোনোৱে ক্ষিপ্ত নহয়। কিন্তু জাৰকালি? ধৰক, সময়সূচী অনুসৰি ৰাষ্ট্ৰপতি ৰাতি আঠ বজাত স্থানত্যাগ কৰাৰ কথা। আৰক্ষীৰ কনিষ্টবলসকল আবেলি পাঁচ বজাৰ পৰা কৰ্তব্যৰত হৈ আছে। ৰাষ্ট্ৰপতি ৰাতি ৮-৩০ বজাত ৰাওনা হ'ল। আৰক্ষীৰ লোকবিলাক কৰ্তব্যতে থাকিল। তেওঁ গুচি গ'ল। সেই পথত পহৰাৰত

আৰক্ষীৰ লোকসকলক ৰাতি ৯-৩০ বজাৰ পিছতহে গাড়ীত উঠাই নিজৰ নিজৰ আৰক্ষী থানালৈ লৈ যোৱা হয়। তাৰ পৰা তেওঁলোকে নিজৰ নিজৰ ব্যৱস্থা অনুসৰি ঘৰলৈ যাব। কিছুমানে বহু দূৰৈৰ ঠাইত— প্ৰান্তীয় এলেকাত থাকে। আবেলি পাঁচ বজাৰ পৰা কৰ্তব্য সম্পাদন কৰি তেওঁলোক ঘৰ পায়গৈ মানে পোহৰ হয়। কেনে দুখলগা কথা! সম্ভৱ কালামে তেনে অৱস্থাৰ গুৰুত্বটো নাজানিছিল! মই এই কথাটো তেওঁক কৈছিলোঁ। মই জানো— তেওঁৰ অন্তৰে কান্দি উঠিছিল। তাৰ পিছৰ তিনি-চাৰিটা কাৰ্যসূচী নিৰ্ধাৰিত সময় মতে হৈছিল যেনিবা। তাৰ পিছত আকৌ সেই পুৰণা ৰুটিন!

প্ৰায়বোৰ বিজ্ঞানী খামখেয়ালি স্বভাৱৰ হয় বুলি আমি শুনিছোঁ। যেনিবা আমাৰ দৰে অ-বিজ্ঞানীবোৰ অহৌবলিয়া নহয়হে! কালাম এজন বিজ্ঞানী। আজি তেওঁ ৰাষ্ট্ৰপতি! এইটো ক্ষেত্ৰত মই তেওঁক সমৰ্থন কৰিব নোৱাৰোঁ। আনকি এজন বিজ্ঞানী ৰাষ্ট্ৰপতি হিচাপে তেওঁ এইটো জানিব লাগিছিল যে সময়সূচীৰ প্ৰতি ধ্যান দিয়া মানেই তেওঁ আনৰ সময়ক সন্মান দিয়া। কাৰণ তেওঁলোকৰো জীয়াই থকাৰ বাবে নিজৰ নিজৰ জীৱন আছে আৰু তেওঁলোকেও ব্যক্তিগত দায়-দায়িত্ববোৰ পূৰণ কৰিব লাগে।

এইখিনিতে কালাম অকৃতকাৰ্য— জ্ঞাতসাৰে নহয়, বা ইচ্ছাকৃত ভাৱেও নহয়, নিজৰ দোষতেই।

মই তৃতীয় শ্ৰেণীত পঢ়ি থাকোঁতে শিক্ষক ছেলাম্মাই কোৱা কথা এটা মোৰ মনত পৰিল— 'মানুহ মাত্ৰেই ভুল হয়।' অৱশ্যে তাৰ অৰ্থটো তেতিয়া মই অনুধাৱন কৰিব পৰা নাছিলোঁ। কিন্তু মই ভাবোঁ— ই আনৰ অসফলতাক সহজভাৱে লোৱাত সহায় কৰে।

৮

কালামৰ ৰাষ্ট্ৰপতি ভৱন গমনৰ কিছুমান পাৰ্শ্বজ্যোতি বা সৰু সৰু ঘটনা আছে। সম্ভৱতঃ তেখেত অকৃতদাৰ বাবেই তেনেকুৱা ঘটনাবোৰ ঘটিবলৈ পাইছিল।

মই পাটনাৰ এগৰাকী ভদ্ৰ মহিলাৰ (ভদ্ৰ মহিলাৰ নামটো নকওঁ) পৰা চিঠি এখন পাইছিলোঁ। চিঠিখনৰ পাঠাংশ এনে ধৰণৰ ঃ

বিষয় ঃ ৰাষ্ট্ৰপতি ভৱনৰ চৰকাৰী গৃহকৰ্ত্ৰী (ফাৰ্ষ্ট লেডী)* পদৰ বাবে আবেদন।

পৰম শ্ৰদ্ধেয় ৰাষ্ট্ৰপতি মহোদয় সমীপেষু,

মই ৰাষ্ট্ৰপতি ভৱনৰ চৰকাৰী গৃহকৰ্ত্ৰী হিচাপে নিযুক্তি লাভৰ বাবে এই আবেদন জনালোঁ। মই এগৰাকী পঞ্চাছ বছৰ বয়সীয়া মোহনীয় ব্যক্তিত্বৰ মহিলা। মোৰ প্ৰিয় বিষয় গাৰ্হস্থ্য বিজ্ঞান। মই অতিথি আপ্যায়নত বিশ্বাসী অৰ্থাৎ দৰ্শনাৰ্থীসকলক সমুচিতভাৱে আদৰ-আপ্যায়ন কৰি আৰু তেওঁলোকৰ প্ৰতি যথোচিত মৰম-চেনেহ প্ৰদৰ্শন কৰি ভাল পাওঁ।

ইয়াৰ লগত মোৰ ফটো এখনো পঠিয়ালোঁ। আপুনি পৰীক্ষা কৰি চায় যেন। মোৰ স্বামীদেৱতা অধ্যাপক... এজন স্বাধীনচিতীয়া সমাজপ্ৰিয় লোক। ইতিমধ্যে মই তেওঁৰ পৰা সম্মতি লাভ কৰিছোঁ। বিপদত আতুৰ হোৱা লোকক তেওঁ সদায় সহায় কৰিব বিচাৰে। ঘৰখনত আমি মাথোঁ দুটিয়েই প্ৰাণী।

সেইবাবে আপোনাসকলক সেৱা কৰাৰ বাবে মোক এটি সুযোগ দি বাধিত কৰে যেন।

নিজৰ গিৰীয়েক স্বাধীনচিতীয়া সামাজিক লোক বুলি কৈ তেওঁ কি বুজাব বিচাৰিছে সেয়া মোৰ বোধগম্য নহ'ল।

কালামক 'ফাৰ্ষ্ট লেডী'ৰ প্ৰয়োজন নাই। তেওঁ নিজে এজন অননুকৰণীয় ধৰণৰ শ্ৰেষ্ঠ অতিথিসেৱক। শ শ প্ৰীতিভোজ আৰু মানুহৰ সমাবেশ হৈ গৈছে— কিন্তু ক'তো কোনোৱে 'ফাৰ্ষ্ট লেডী'ৰ অনুপস্থিতি অনুভৱ কৰাৰ দৃষ্টান্ত পাবলৈ নাই। কালামৰ বিষয়ে ইমানকে ক'ব পাৰি।

---

* First Lady : ৰাষ্ট্ৰপতি অথবা (প্ৰদেশত) ৰাজ্যপালৰ পত্নী ঃ প্ৰথমা মহিলা। [the wife of the chief executive of a city, state, or country, esp. of the president of the USA, or any woman chosen by him to carry out official duties as hostess.]

৯

২০০৩ চন। ১৪ আগষ্ট।

জহকালিৰ মাজভাগ। কিন্তু ৰ'দৰ কি প্ৰকোপ! সূৰ্যৰ পৰা জুইৰ আঙনিহে যেন নিৰ্গত হৈছে। মোৰ বুকুৰ ধপধপনিও সামান্য বেছি হৈছে— কাৰণ নিৰ্মল আকাশখন দেখি মই সুখী হৈছোঁ। পিছদিনাখন ৰাষ্ট্ৰপতি মহোদয়ে কিছুমান বিশিষ্ট লোকৰ লগতে সকলো স্তৰৰ লোকৰ উদ্দেশ্যে এক অভ্যৰ্থনাৰ আয়োজন কৰিছে। ৰাষ্ট্ৰপতি ভৱনৰ চেণ্ট্ৰেল লনত ৰাষ্ট্ৰপতিগৰাকীয়ে অভ্যাগতসকলক আপ্যায়িত কৰিব। সেই বছৰ নৱ বৰ্ষৰ পহিলা দিনটোত তেওঁক শুভেচ্ছা জ্ঞাপন কৰিবলৈ অহা লোকৰ সংখ্যালৈ চাই, স্বাধীনতা দিৱসৰ দিনাখন তিনি-চাৰি হাজাৰ লোক আহিব বুলি আশা কৰিব পাৰি। চেণ্ট্ৰেল লনত সিমানসংখ্যক লোকক সহজে বহুৱাব পৰা যাব। মই বিছনালৈ গ'লোঁ। পিছত ভাবিলোঁ— মোৰ ভাল টোপনি হৈছিল।

১৫ তাৰিখৰ দিনা। ৰাতিপুৱা সাৰ পাই উঠি ভাবিলোঁ ৬-৩০ বাজিছে। কিন্তু ঘড়ীলৈ চাই দেখোঁ যে ইতিমধ্যে ৮-২৫ বাজি গ'ল। বাহিৰৰ ফালে এন্ধাৰ— বৰষুণ দি আছে। ক'লা মেঘবোৰে ধাৰাসাৰ বৰষুণ হোৱাৰ ইংগিত দিছে। বাহিৰলৈ চাই মোৰ মনটো মৰি গ'ল। মই জানিছিলোঁ— কিবা এটা কৰিব লাগিব। কিন্তু কি কৰিব লাগিব ভাবি নাপালো।

মই উধাতু খাই অফিচলৈ গৈ সহকৰ্মীসকলক মাতি পঠিয়ালোঁ। দহ বাজি বিছ মিনিট যোৱাত আটাইবোৰ জ্যেষ্ঠ সহকৰ্মী মোৰ কোঠাত গোট খালেহি। মই খিৰিকীৰে বাহিৰলৈ চালোঁ— তেওঁলোকেও চালে। বাহিৰত প্ৰকৃতিৰ ক্ৰিয়া-কাণ্ড দেখি আমাৰ আটাইৰে মুখ মণ্ডলত নিৰাশাৰ প্ৰতিফলন ঘটিল। আৰু বৰষুণ আহিব।

কি কৰা যায়— সহকৰ্মীসকলক সুধিলো। ৰাষ্ট্ৰপতি মহোদয়ৰ অভ্যৰ্থনা আৰম্ভ হ'ব ৫-৩০ বজাত। অভ্যৰ্থনা অনুষ্ঠানটো ভিতৰতো পাতিব নোৱাৰি, কিয়নো অভ্যাগতৰ সংখ্যা সহস্ৰাধিক হ'ব। মই সতীশ মাথুৰক ক'ৰবাৰ পৰা দুহাজাৰমান ছাতি যোগাৰ কৰিবলৈ ক'লোঁ। তেওঁ এজন সুদক্ষ বিষয়া।

অবিলম্বে তেওঁ সামৰিক আৰু আৰক্ষী বিভাগৰ সৈতে যোগাযোগ কৰিলে আৰু বিছু মিনিটৰ ভিতৰতে ঘূৰি আহি ক'লে, 'ছাৰ! কামটো কৰা হ'ল।'

ৰাষ্ট্ৰপতি ওপৰ মহলাৰ শোৱনি কোঠাত আছিল। মই তেখেতক লগ কৰিব বিচাৰি খবৰ পঠিয়ালোঁ। তেখেতে মোক ১২-১০ বজাত যাবলৈ ক'লে। সময় মতে মই তেখেতৰ কোঠালৈ সোমাই যাওঁতে তেখেতে ক'লে, 'অ' মিষ্টাৰ নায়াৰ! চোৱা! কি সুন্দৰ দিন! বৰ ঠাণ্ডা পৰিছে!' ইফালে মোৰ অলপো ঠাণ্ডা লগা নাই। মই ক'লোঁ, 'ছাৰ! আজি আপুনি হাজাৰ-বাৰশ মানুহৰ বাবে এটা অভ্যৰ্থনাৰ আয়োজন কৰিছে। এনে বতৰত আমি এতিয়া কি কৰোঁ?'

'অ' সেই লৈ চিন্তা নকৰিবা! আমি ঘৰৰ ভিতৰতে পাতিম।'— তেখেতে ক'লে।

মই উত্তেজিতভাৱে ক'লোঁ, 'নহ'ব ছাৰ! আমি খুব বেছি ছ'শ বা সাত শ মানুহকহে ভিতৰত বহুৱাব পাৰিম। কিন্তু আমি আশা কৰা মতে দুই তিনি হাজাৰ মানুহ আহিব! অৱশ্যে আমি দুহাজাৰ ছাতিৰ ব্যৱস্থা কৰিছোঁ। কিন্তু সেইখিনিও পৰ্যাপ্ত নহ'বগৈ পাৰে!'

ৰাষ্ট্ৰপতিয়ে এবাৰ মোৰ ফালে আৰু এবাৰ ওপৰৰ চিলিঙখনলৈ চালে। তাৰ পিছত তেখেতে কপালক ধিয়াই ক'লে, 'ঠিক আছে! এনেকুৱা পৰিস্থিতি হ'লে আমি কি কৰিব পাৰোঁ? বৰষুণ দিলে আমি তিতিব লাগিব। সেয়াই হ'ব।'

তেখেতৰ কথাই মোৰ মনত শান্তি দিব নোৱাৰিলে। ময়ো জানো— বৰষুণ দিলে আমি তিতিব লাগিব। যি মানসিক অৱস্থা লৈ তেখেতৰ কোঠালৈ সোমাই গৈছিলোঁ তেনে মন লৈয়ে দীঘলীয়া কোঠাটো অতিক্ৰমি ওলাই আহিব ধৰোঁতেই কালামে মাত দিলে, 'মিষ্টাৰ নায়াৰ! এইফালে আহক! আপোনাৰ মুখখন কিয় এনেকুৱা হৈছে?'

মই নিশ্চল হৈ থিয় দি সুধিলোঁ, 'কি কৈছে ছাৰ?'

তেখেতে ক'লে, 'মিষ্টাৰ নায়াৰ! একো চিন্তা নকৰিব।' হাত এখন আকাশৰ ফালে উঠাই তেখেতে আকৌ ক'লে, 'মই তাত কথা পাতিছোঁ। চিন্তা নকৰিব।'

তেখেতৰ কথাটোকে ভাবি ভাবি মই ঘূৰি আহিলোঁ। আচৰিত! তেখেতে আকাশত কাৰ লগত কি কথা পাতিছে! তেতিয়া বাৰ বাজি আঠত্ৰিছ মিনিট গৈছিল।

সি যি কি নহওক লাগিলে, তাৰ পিছত যি ঘটিল তাক বিস্ময়কৰ নুবুলি উপায় নাই। দুই বজাৰ আগে পিছে বৰষুণ বন্ধ হ'ল। বেলিটো ওলাই চোকা

ৰ'দ দিলে। মোৰ দলৰ মানুহবোৰে লনতেই অভ্যৰ্থনা অনুষ্ঠান পতাৰ যো-জা কৰাত লাগি গ'ল। সময় গৈ থাকিল আৰু বেলিটোৱেও ঢালি-বাকি ৰ'দ দিলে।

৫-৩০ বাজিল। ৰাষ্ট্ৰপতি মহোদয় সমদল যাত্ৰা কৰি উপস্থিত হ'ল, অভিবাদন গ্ৰহণ কৰিলে, অভ্যাগতসকলৰ মাজত সোমাই কথা পাতিলে আৰু প্ৰায় আটাইবিলাকৰ সৈতে ফটোও উঠিল। অভ্যাগতসকলে চাহ-মিঠাই খালে— আৰু ভাগ্যৱানবিলাকে ৰাষ্ট্ৰপতিৰ সৈতে কথাও পাতিলে।

৬-১৫ বজা। অনুষ্ঠানৰ সামৰণি পৰ্ব। ৰাষ্ট্ৰপতি চাহাব থিয় হ'ল; ৰাষ্ট্ৰীয় সংগীত বাজি উঠিল আৰু তেখেতে আনুষ্ঠানিক শোভাযাত্ৰা কৰি গুচি গ'ল। আগত দুজন এ ডি চি, পাছে পাছে সামৰিক সচিব আৰু উপসচিব। তেওঁ বিল্ডিং গৈ পাইছেহে মাত্ৰ, এনেতে আকৌ বৰষুণ আৰম্ভ হ'ল। কিন্তু অভ্যৰ্থনা অনুষ্ঠানটো সুন্দৰকৈ হৈ গ'ল।

২০০৩ৰ ৩১ আগষ্ট সংখ্যা 'দ্য উইক'ত এই ঘটনাটো যিদৰে বিবৃত কৰিছিল মই তেনেকৈয়ে উদ্ধৃত কৰিলোঁ ঃ

ভাবুক প্ৰকৃতি

ভাৰতৰ স্বাধীনতা দিৱসৰ প্ৰতি প্ৰকৃতিদেৱীৰ অলপ সশ্ৰদ্ধ মনোভাব থকা যেন লাগে। ইতিহাসে কয় যে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা আবেলি ইণ্ডিয়া গে'টত ত্ৰিৰংগ পতাকা উত্তোলন কৰাৰ লগে লগে আকাশত ৰামধেনুৱে দেখা দিছিল।

এই বছৰ, ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালাম চাহাবৰ অভ্যৰ্থনা অনুষ্ঠানটোও বাৰিষাৰ মেঘে সসম্ভ্ৰমে এৰি দিলে। ১৫ তাৰিখে ৰাতিপুৱাৰ পৰা ধাৰাসাৰ বৃষ্টি হৈ আছিল। কিন্তু আচৰিত কথা, ৰাষ্ট্ৰপতি চাহাব মোগল গাৰ্ডেনলৈ অহাৰ এঘণ্টা আগতে বৰষুণ এৰিলে। আনহাতে, তেখেতে সেই স্থান ত্যাগ কৰাৰ লগে লগেই বৰষুণে কিনকিনাবলৈ ধৰিলে। ফলত কিছুমান অভ্যাগত বৰষুণত তিতিব লগা হ'ল।

সেয়ে হ'লেও, ৰাষ্ট্ৰপতিৰ ষ্টাফৰ মানুহবিলাকে কিন্তু প্ৰকৃতিদেৱীৰ কৃপাদৃষ্টিৰ ওপৰতে নিৰ্ভৰ কৰিব বিচৰা নাছিল। বৰষুণ দিয়া হ'লেও সমস্যা নাছিল। তেওঁলোকে কেইবাশও ছাতি ভাৰালৈ আনি মজুত কৰি ৰাখিছিল।

ঘটনাক্ৰমে বিশিষ্ট অতিথিসকলে সেই স্থান এৰি যোৱাৰ পিছত বেচ কিছুসংখ্যক ছাতি তাৰ পৰা হৰলুকী হ'ল।

১০

থাকোঁতে মোৰ ভগৱানৰ ওপৰত দৃঢ়বিশ্বাস আছে। কিন্তু অসাধাৰণ শক্তি লাভ কৰা বুলি দাবী কৰা তথাকথিত 'ভগৱানৰ লোক'সকলৰ ওপৰত মোৰ যৎসামান্য বিশ্বাসো নাই। অৱশ্যে কিছুমান ঘটনাই স্বাভাৱিক যুক্তিকো নস্যাৎ কৰি আমাৰ বাক্‌শক্তি ৰহিত কৰি দিয়ে। তেনে ক্ষেত্ৰত 'এনেকুৱা ঘটনাও ঘটে' জাতীয় উত্তৰ দিয়াৰ বাদে আন একো নাই। এনে এটা উত্তৰে কিনো বুজাব!

কালাম নিঃসন্দেহে দেশৰ আটাইতকৈ বেছি গতিশীল বা ভ্ৰাম্যমাণ ৰাষ্ট্ৰপতি আছিল। তেখেতে ১৭৫ টাতকৈও অধিক ভ্ৰমণ কৰিছে— প্ৰতি দুই সপ্তাহৰ অন্তৰে অন্তৰে একোটাকৈ। কাৰ্যকাল অন্ত পৰালৈকে তেখেতে লাক্ষাদ্বীপৰ বাদে আন আটাইবোৰ প্ৰদেশ আৰু কেন্দ্ৰশাসিত অঞ্চলসমূহ ভ্ৰমণ কৰিছে। তেখেতে যি ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰে তাৰে চাই ভ্ৰমণ কৰা বুলি ক'লে ভুল কোৱা হ'ব। তেখেতে গ্ৰামাঞ্চলবোৰলৈ যায় আৰু সিবোৰ ঠাইৰ উন্নয়নমূলক কাম-কাজৰ গম-গতি লয়। তেখেতে ২০০৭ চনৰ জুলাই মাহত লাক্ষাদ্বীপলৈকো যাব বিচাৰিছিল। কিন্তু ঘোৰ বাৰিষাৰ বাবে কৰ্তৃপক্ষই তেখেতৰ ভ্ৰমণসূচী প্ৰস্তুত কৰিব নোৱাৰিলে।

২০০৩ চনৰ মে' মাহত ৰাষ্ট্ৰপতি কালাম চাহাব উৰিষ্যা ভ্ৰমণলৈ ওলাল। তেখেতে ঠিক কৰিছিল— 'ফিক্সড্-উইং এয়াৰক্ৰেফ্ট'ত* উঠি ভুৱনেশ্বৰলৈ যাব। তাৰ পিছত বৰিপাড়া, ৰুৰকেল্লা, চন্দীখোল আৰু নিৰাকাৰপুৰলৈ যাব হেলিকপ্টাৰেদি। ভ্ৰমণসূচীত ১৪ আৰু ১৫ মে' তাৰিখ দুটা ঠিক কৰা হৈছিল।

১২ মে', ২০০৩। সচৰাচৰ হোৱাৰ দৰে ৰাতিপুৱাৰ মিটিং আবেলি বহিল। কালাম চাহাবৰ লগত সামৰিক সচিব মেজৰ জেনেৰেল কে এছ্ দোগ্ৰা আৰু মই আছিলোঁ।

দোগ্ৰাই ক'লে, 'ছাৰ! ১৪ তাৰিখে আপুনি উৰিষ্যালৈ যোৱাৰ ঠিক

---

* fixed-wing aircraft : an aircraft in which the wings are attached to the fuselage (উৰাজাহাজৰ দেহাংশ— পাখি আৰু নেজ বাদ দি), as opposed to, e.g. a helicopter with rotating 'wings' or propellers.

কৰিছে। কিন্তু অন্ধ্ৰ উপকূলৰ পৰা এজাক ঘূৰ্ণিবতাহ উৰিষ্যা অভিমুখে গতি কৰা বুলি মই প্ৰতিবেদন পাইছোঁ।'

কালামে প্ৰথমে তেওঁৰ ফালে চালে। তাৰ পিছত মোৰ ফালে চাই ক'লে, 'চাওঁচোন। আমাৰ হাতত আৰু দুটা দিন আছে।' তাৰ পিছত ৰুটিন মতে মৰ্ণিং মিটিং চলি থাকিল। তাত প্ৰাসংগিক-অপ্ৰাসংগিক সকলো কাগজ আৰু নথি-পত্ৰ একে সমান উৎসাহেৰে আলোচিত হ'ল।

১৩ মে', ২০০৩। খবৰ কাগজৰ প্ৰতিবেদন অনুসৰি ঘূৰ্ণিবতাহজাকৰ প্ৰকোপ বেছি হৈছে আৰু উৰিষ্যাৰ ফালে গতি কৰিছে। আকৌ মৰ্ণিং মিটিং। দোগ্ৰাক চিন্তান্বিত দেখা গ'ল। চিন্তান্বিত হোৱাৰ কথাও।

'ছাৰ! মোৰ বোধেৰে এই যাত্ৰা বাতিল কৰাই ভাল হ'ব। কিয়নো এই ঘূৰ্ণিবতাহে কাইলৈ উৰিষ্যাত কোবাব।'

মই কালামৰ ফালে চালোঁ। তেখেতৰ মুখত নিৰাশাৰ কলীয়া ডাৱৰ। তেখেতে টেলিফোনটো উঠালে আৰু নিজে মুখ্য বতৰ বিজ্ঞানীৰ লগত কথা পাতিলে। সিফালৰ পৰা মুখ্য বতৰ বিজ্ঞানীগৰাকীয়ে ক'লে, 'ছাৰ! আপুনি উৰিষ্যালৈ যোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। কাৰণ এই প্ৰবল ঘূৰ্ণিবতাহজাকে কাইলৈ ৰাতিপুৱাতে তাত খুন্দিয়াবগৈ। বতৰৰ আগজাননী স্পষ্ট।' ৰাষ্ট্ৰপতিয়ে ফোনটো নমাই থ'লে। এক লহমাৰ বাবে চিন্তিত হ'ল। তাৰ পিছত দোগ্ৰাৰ ফালে চাই ক'লে, 'আমি এয়াৰ ফ'ৰ্চক সুধি চাওঁ নেকি!'

Ops Wing-ৰ সৈতে সংযোগ স্থাপিত হোৱাৰ লগে লগে ৰাষ্ট্ৰপতি চাহাবে নিজে কথা পাতিলে। তেখেতে যিজন এয়াৰ মাৰ্শ্বালৰ লগত কথা পাতিছিল তেওঁ ক'লে, 'ছাৰ, আমি ফিক্সড্‌-উইং এয়াৰ ক্ৰেফ্‌ট'ৰ সহায়ত আপোনাক ভুবনেশ্বৰলৈ লৈ যাব পাৰিম। কিন্তু বা-মাৰলী ধুমুহাৰ প্ৰকোপৰ বাবে আপুনি যাব খোজা আনবোৰ ঠাইলৈ হেলিকপ্টাৰেদি যোৱাটো কোনোপধ্যে সম্ভৱ নহয়।' আমি দুয়োৰে কথা-বতৰা স্পষ্টকৈ শুনিলোঁ, কাৰণ ফোনটো 'স্পীকাৰ মোড'ত দিয়া আছিল। কালাম চাহাবে ৰিচিভাৰটো থৈ দি অসন্তোষভাৱে আমাৰ ফালে চালে।

এক মুহূৰ্ত সময় ৰৈ মই ক'লোঁ, 'ছাৰ! উৰিষ্যাৰ মুখ্য সচিবজন মোৰ 'বেচ্‌'ৰ বিষয়া। মই তেওঁৰ লগত কথা পাতি আবেলি তিনি বজাত আপোনাৰ ওচৰলৈ আহিম।' তেতিয়া ঘড়ীত এক বাজিছিল। তেখেতে সন্মতি দিলে।

দোগ্ৰা আৰু মই মোৰ কোঠালৈকে গ'লোঁ। মোৰ 'বেচ্‌ মেট' প্ৰতীপ মহান্তিক ফোন কৰি সুধিলোঁ, 'তাৰ অৱস্থা কেনেকুৱা? দেখাত কেনে ধাৰণা হয়? মই বা-মাৰলী ধুমুহাৰ কথা কৈছোঁ?'

প্ৰতীপে ক'লে, 'পি এম! (মোৰ বন্ধুসকলে মোক নামৰ আদ্যাক্ষৰ দুটাৰে সম্বোধন কৰে) এতিয়া সকলো ঠিক আছে। কিন্তু বতৰ বিজ্ঞান বিভাগৰ

মতে এই বা-মাৰলীয়ে কাইলৈ ৰাতিপুৱা ভূৱনেশ্বৰক কোবাব। উদ্ধাৰ অভিযানৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্রহণ কৰা হৈছে।'

দোগ্রাই মোৰ ফালে চাই আছিল— আৰু মই তেওঁৰ ফালে। কিন্তু মোৰ মনটো আছিল বেলেগত। মই ক'লোঁ, 'জেনেৰেল চাহাব! মুখ্য সচিবে কি ক'লে আপুনি শুনিলে নহয়! কাইলৈ ৰাতিপুৱা বা-মাৰলীয়ে তাত খুন্দা মাৰিবগৈ। এতিয়া আমি ৰাষ্ট্রপতি ডাঙৰীয়াৰ ওচৰলৈ যাওঁ ব'লক।'

দুয়ো সোমাই গ'লোঁ। কালাম চাহাবক বেজাৰ মনে বহি থকা দেখিলোঁ। এনেতে কিহৰ বলত নাজানো— মই তেখেতক ক'লোঁ, 'ছাৰ! নির্ধাৰিত সূচী অনুসৰি আপুনি উৰিষ্যালৈ যাওক।'

দোগ্রাক চক খোৱা যেন লাগিল। ৰাষ্ট্রপতিয়ে নিজৰ প্রতিক্রিয়া প্রকাশ কৰিবলৈ পোৱাৰ আগতে দোগ্রাই মোক সুধিলে, 'ছাৰ! এয়া আপুনি কি কৈছে? কাইলৈ বা-মাৰলী আহিব আৰু আপুনি তেখেতক যাবলৈ কৈছে?' মই ক'লোঁ, 'এৰা, যদি বতৰ বেয়া হয় তেনেহ'লে তেখেতে হেলিকপ্টাৰেদি যাব বিচৰা গাঁওবিলাকলৈ যাব নালাগে। কিন্তু 'ফিক্সড্-উইং' যানেদি তেখেতে ভুবনেশ্বৰলৈ যাব পৰাটো খাটাং। আৰু তাতেই কার্যসূচী সামৰি ঘূৰি আহিব। নির্ধাৰিত সূচী অনুসৰি ৰাষ্ট্রপতি চাহাব উৰিষ্যালৈ যাবই।' দোগ্রা হতভম্ব হ'ল। ইফালে কালামে হাঁহি আছে। অযৌক্তিক হ'লেও তেওঁৰ সচিবে আশ্বাস দিছে।

তাৰ পিছত যি ঘটিল সেয়া বিশ্বাস কৰিবলৈকে টান লাগে। ৰাষ্ট্রপতি ভৱনৰ 'ভ্রমণ শাখা'ই পিছদিনা ৰাতিপুৱাই আৰম্ভ হ'বলগীয়া ৰাষ্ট্রপতিৰ উৰিষ্যা ভ্রমণৰ যাৱতীয় কাম-কাজ কৰাত লাগিল। নিজৰ ইচ্ছাৰ বিৰুদ্ধে দোগ্রাই ভ্রমণৰ যাৱতীয় বস্তু-বাহানি বন্ধাত লাগিল। তাৰ পিছত দূৰদর্শনৰ বাতৰিত ঘোষণা শুনা গ'ল যে উৰিষ্যা অভিমুখে গতি কৰা ভয়ংকৰ ঘূর্ণিবতাহজাক নিশ্চল আৰু নিস্তেজ হৈ পৰিছে। ৰাতি পুৱাল। কালামে ভূৱনেশ্বৰলৈ যাত্রা কৰিলে— যাবলৈ ঠিক কৰি থোৱা আটাইবোৰ ঠাই হেলিকপ্টাৰেৰে ভ্রমণ কৰি আকৌ দিল্লীলৈ ঘূৰি আহিল।

ইতিমধ্যে ঘূর্ণিবতাহ নোহোৱা হৈছিল।

বতৰ বিজ্ঞান কেন্দ্রৰ তলৰ প্রতিবেদন আৰু 'হিন্দু'ত প্রকাশিত বাতৰি তাৰ প্রমাণ।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগ

নং— বি অ' বি/০৬/২০০৩ দিনাংক ১৪ মে', ২০০৩

বিষয় ঃ **বংগোপসাগৰত বিধ্বংসী ঘূর্ণিবতাহ।**

প্রসংগ ঃ ১৩ মে', ২০০৩ তাৰিখৰ আই এম ডিৰ নম্বৰবিহীন টোকা।

কালামৰ কেইখনমান দুৰ্লভ ৰঙীণ ছবি

ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালাম আৰু গ্ৰন্থকাৰ পি এম নায়াৰ

শপত গ্ৰহণৰ পিছত ৰাষ্ট্ৰপতি (২৫ জুলাই, ২০০২)

ভাৰতৰ একাদশ ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণনক বিদায় সম্ভাষণ

ৰুগ্ন ময়ূৰ এটাক যত্ন লৈ
সুস্থ কৰি তোলাৰ মুহূৰ্ত

ৰাষ্ট্ৰপতি ভৱনৰ
বায়'-ডাইভাৰছিটী পাৰ্কত ৰাষ্ট্ৰপতি

'শ্ৰদ্ধা' সংগীতগোষ্ঠীৰ সংগীত শিল্পী শিৱমণিৰ সৈতে

দুই ভাৰতৰত্নৰ কৰমৰ্দন। মহান শিল্পী বিছমিল্লা খানৰ অন্তিম অনুষ্ঠান (৪ মাৰ্চ, ২০০৬)

পাকিস্তানৰ ৰাষ্ট্ৰপতি জেনেৰেল পাৰভেজ মুছাৰফৰ সৈতে

আমেৰিকাৰ ৰাষ্ট্ৰপতি জৰ্জ বুশ্ব আৰু তেওঁৰ পত্নী লাৰাৰ সৈতে

নেলছন মেণ্ডেলাক সাক্ষাৎ



ইউৰোপৰ সংসদত বক্তৃতা দিয়া মুহূৰ্তত

ছিয়াচেনত সেনা জোৱানসকলৰ আগত ভাষণ দি থকা অৱস্থাত



SUKHOI FLIGHT-ত উঠিবলৈ যোৱা মুহূৰ্তত

সত্তৰোৰ্দ্ধ কালাম

কালিৰে পৰা মধ্য বংগোপসাগৰৰ ওপৰেদি এজাক প্ৰলয়ংকৰী বা-মাৰলী লাগে লাহে উত্তৰ দিশে গতি কৰিছে। সম্প্ৰতি ই বিশাখাপট্টনমৰ পৰা ৫০০ কি.মি. দক্ষিণ-পূবত কেন্দ্ৰীভূত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত অন্ধ্ৰ প্ৰদেশৰ দক্ষিণ উপকূলৱৰ্তী অঞ্চলক সতৰ্ক কৰি দিয়া হৈছিল যদিও সেয়া উঠাই লোৱা হ'ল। অৱশ্যে বা-মাৰলীৰ আশংকা আৰু সতৰ্কীকৰণ অন্ধ্ৰ প্ৰদেশ আৰু উৰিষ্যাৰ উপকূলৰ ক্ষেত্ৰত বাহাল থাকিব।

কাইলৈ ৰাতিপুৱাৰ ভাগত উত্তৰ অন্ধ্ৰ প্ৰদেশ-উৰিষ্যা উপকূলত শক্তিশালী ধুমুহাৰ সৈতে প্ৰচণ্ড বৃষ্টিপাত হোৱাৰ আশংকা কৰা হৈছে।

শেহতীয়া খবৰ কাইলৈ প্ৰকাশ পাব।

স্বাক্ষৰ ঃ আৰ আৰ কেল্‌কাৰ
সঞ্চালকপ্ৰধান, বতৰ বিজ্ঞান বিভাগ

দ্য হিন্দু, বুধবাৰ, ১৪ মে', ২০০৩

অন্ধ্ৰ প্ৰদেশ আৰু উৰিষ্যাত ঘূৰ্ণিবতাহৰ আশংকা

নিজস্ব সংবাদদাতা ঃ

ভূবনেশ্বৰ, মে' ১৩ ঃ বংগোপসাগৰত উৎপত্তি হোৱা এজাক মাৰাত্মক ঘূৰ্ণিবতাহ উত্তৰ-পশ্চিমু দিশে ধাবমান হৈছে। আজি আবেলি আঢ়ৈ বজা মানত পেৰাদীপৰ পৰা প্ৰায় ৯০০ কি. মি. দক্ষিণ-পশ্চিমত অত্যন্ত প্ৰবল ঘূৰ্ণিবতাহজাক আহি পাইছে।

বতাহজাক উত্তৰ অন্ধ্ৰপ্ৰদেশ উৰিষ্যাৰ উপকূলত উত্তৰ উত্তৰ-পশ্চিম দিশত আৰু প্ৰবলতৰ হোৱাৰ আশংকা কৰা হৈছে। ভূবনেশ্বৰস্থিত বতৰ বিজ্ঞান কেন্দ্ৰই এই সংবাদ দিছে।

অহা আঠচল্লিছ ঘণ্টাৰ ভিতৰত উৰিষ্যাৰ উপকূলীয় জিলাসমূহত প্ৰবল ধুমুহাৰ লগতে প্ৰচণ্ড বৃষ্টিপাত হোৱাৰ সম্ভাৱনা আছে। মাছমৰীয়াসকলক সাগৰত নমাৰ সাহস নকৰিবলৈ সকীয়াই দিয়া হৈছে।

আমাৰ হায়দৰাবাদৰ বিশেষ সংবাদদাতাই লিখিছে ঃ

তামিলনাডুৰ পৰা ফালৰি কটা ধুমুহাজাক মেছিলিপট্টনমৰ ৬০০ কি. মি. দক্ষিণ-পূবত কেন্দ্ৰীভূত হৈছে। ইয়াৰ বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা মতে প্ৰায় দহখন উপকূলৱৰ্তী জিলাত ধুমুহাৰ আশংকা আছে আৰু

কাইলৈ ২০০ কি. মি. বেগী বতাহ-ধুমুহাৰ সৈতে প্ৰবল বৃষ্টিপাত হোৱাৰ সম্ভাৱনা আছে।

দ্য হিন্দু, বৃহস্পতিবাৰ, মে' ১৫, ২০০৩

ঘূৰ্ণিৰ প্ৰকোপ স্তিমিত

আমাৰ নিজস্ব সংবাদদাতা ঃ

ভুবনেশ্বৰ, মে' ১৪ ঃ পশ্চিম মধ্য উপসাগৰত প্ৰবল ঘূৰ্ণিবতাহজাকৰ প্ৰকোপ স্তিমিত হৈছে আৰু পেৰাদীপৰ পৰা ৬০০ কি. মি. দক্ষিণ দক্ষিণ-পশ্চিমে ঘনীভূত হৈছে।

ঘূৰ্ণিজাক উত্তৰ দিশেদি উত্তৰ অন্ধ্ৰপ্ৰদেশ আৰু উৰিষ্যা উপকূলৰ ফালে গতি কৰাৰ সম্ভাৱনা দেখা গৈছে। বতৰ বিজ্ঞান কেন্দ্ৰই জনাইছে যে কাইলৈ ৰাতিপুৱাৰ ভাগত উৰিষ্যাৰ উপকূলৱৰ্তী অঞ্চলত প্ৰবল ধুমুহাৰ সৈতে মূষলধাৰে বৃষ্টিপাত হোৱাৰ আশংকা কৰা হৈছে।

দ্য হিন্দু, শুকুৰবাৰ, মে' ১৬, ২০০৩

প্ৰবল বৃষ্টিপাতৰ আগজাননী

আমাৰ নিজস্ব সংবাদদাতা ঃ

ভুবনেশ্বৰ, মে' ১৫ ঃ বৰ্তমানে প্ৰবল ঘূৰ্ণিবতাহজাক পশ্চিম মধ্য উপসাগৰত স্থিৰ হৈ আছে। ইয়াৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ বতৰ বিজ্ঞানীয়ে আজি সন্ধিয়া জনোৱা মতে, পেৰাদীপৰ পৰা ৬০০ কি. মি. দক্ষিণ দক্ষিণ-পশ্চিম দিশত কেন্দ্ৰীভূত হৈছে।

এই অৱস্থা আৰু তীব্ৰতৰ হ'ব আৰু উত্তৰ দিশেদি উত্তৰ-অন্ধ্ৰপ্ৰদেশ আৰু উৰিষ্যাৰ উপকূলৰ ফালে ধাৱমান হ'ব পাৰে। কাইলৈ ৰাতিপুৱাৰে পৰা প্ৰায় এঘাৰখনমান উপকূলৱৰ্তী জিলাত প্ৰবল ধুমুহা-বৃষ্টিপাত হোৱাৰ সম্ভাৱনা আছে।

দ্য হিন্দু, শনিবাৰ, মে' ১৭, ২০০৩

ঘূৰ্ণিবতাহৰ আশংকা হ্ৰাস

আমাৰ নিজস্ব সংবাদদাতা ঃ

ভুবনেশ্বৰ, মে' ১৬ ঃ উত্তৰ অন্ধ্ৰপ্ৰদেশ আৰু উৰিষ্যাৰ উপকূলত ঘূৰ্ণিবতাহৰ কোব নোহোৱা হৈছে। তাৰ লগে লগে পশ্চিম মধ্য উপসাগৰত ঘূৰ্ণিবতাহজাকৰ শক্তিও কমি গৈছে আৰু আজি গতি সলনি কৰিছে। স্থানীয় বতৰ বিজ্ঞান

কাৰ্যালয়ৰ মতে ধুমুহাজাক স্থিৰ হৈ আছে আৰু পেৰাদীপৰ পৰা ৫৫০ কি.মি. দক্ষিণে কেন্দ্ৰীভূত হৈছে। ই উত্তৰ-পূব দিশেদি গতি কৰাৰ সম্ভাৱনা আছে।

আৰু বহুত উদাহৰণ আছে। মই আৰু এটা মাত্ৰ উদাহৰণ দিওঁ।

জুলাই, ২০০৫। ৰাষ্ট্ৰপতিৰ দাক্ষিণাত্য ভ্ৰমণৰ সূচীত থীৰুৱনন্তপুৰম্, কোচী আৰু আলাপ্পুজাও আছিল। ২৯ জুলাইৰ দিনা তেখেত হেলিকপ্টাৰেদি কোচীৰ পৰা আলাপ্পুজালৈ যোৱাৰ কথা। আমি কোচীৰ নেদুম্বাছেৰী বিমানকোঠত অৱতৰণ কৰাৰ লগে লগে আকাশখন যেন ভাঙিহে পৰিল। মূষলধাৰে হোৱা বৰষুণৰ পানীয়ে কেউফাল জলমগ্ন কৰি পেলালে। হেলিকপ্টাৰৰ পাইলটজন ৰাষ্ট্ৰপতিৰ ওচৰলৈ আহি জনালে যে দৃশ্যমানতা (visibility) নাই বুলিবই পাৰি। তেনেস্থলত আলাপ্পুজালৈ উৰণ সম্ভৱ নহ'ব। নিৰুদ্বেগ কালামে বায়ুসেনাৰ বিষয়াজনক ক'লে, 'ঠিক আছে, আমি ইয়াতে আধা ঘণ্টা সময় বাট চাওঁ। তাৰ পিছত কি হয় দেখা যাব।'

আধা ঘণ্টা উকলি গ'ল। তাৰ পিছত আৰু কেইমিনিটমান পাৰ হ'ল। বৰষুণৰ চোক সামান্য কমিল। দৃশ্যমানতাও উন্নত হ'ল। পাইলটজনক মতাই অনাত কালামে ক'লে, 'যাওঁ ব'লা।'

পাইলটজন নিৰুপায়ত পৰিল। বুকুত সাহস গোটাই সশ্ৰদ্ধভাৱে অনুচ্চ কণ্ঠে ক'লে, 'ছাৰ, নহ'ব ছাৰ! আলাপ্পুজাত দৃশ্যমানতা একেবাৰে শূন্য আৰু আগজাননী অনুসৰি এনে অৱস্থা বেচ কিছু সময় ধৰি অপৰিৱৰ্তিত হৈ থাকিব। আমি তাত অৱতৰণ কৰিব নোৱাৰিম, ছাৰ!'

কালামে কেউফালে চালে। তাৰ পিছত মূৰ তুলি ওপৰলৈ, আকাশলৈ চালে। তাৰ পিছত দৃষ্টি তললৈ নমাই সুধিলে, 'আমি ইয়াৰ পৰা উৰা মাৰিব পাৰিমনে?'

পাইলটজনে ক'লে, 'হয় ছাৰ! পাৰিম! কিন্তু আলাপ্পুজাত অৱতৰণ কৰিব নোৱাৰিম।'

'ঠিক আছে। আমি উৰা মাৰোঁ। আলাপ্পুজাত অৱতৰণ কৰিব নোৱাৰিলে আমি ঘূৰি আহিম।'— শেষ সিদ্ধান্তৰ নিচিনা সুৰত কালামে ঘোষণা কৰিলে। মই তেখেতৰ ওচৰতে আছিলোঁ। অৰ্থপূৰ্ণ হাঁহি এটা মাৰি মোৰ ফালে ঘূৰি কাণে কাণে ফুচফুচাই ক'লে, 'আমি তাত অৱতৰণো কৰিমগৈ চাব।'

সেইমতে আমাৰ হেলিকপ্টাৰে উৰা মাৰিলে। হেলিকপ্টাৰেৰে আলাপ্পুজা মাত্ৰ পোন্ধৰ মিনিটমানৰ বাট। আমি বিমানত উঠোঁতে তাত শূন্য দৃশ্যমানতা থকাৰ বাবে আমি নিশ্চিত হৈছিলোঁ যে কেইমিনিটমানৰ পিছতে আমি কোচীলৈ ঘূৰি আহিম।

কিন্তু কি আচৰিত উৰণৰ দহ মিনিটমানৰ পিছৰে পৰা আকাশখন লাহে লাহে পৰিষ্কাৰ হ'বলৈ ধৰিলে। আমি আলাপ্পুজাৰ ওপৰত। খিৰিকীৰে বাহিৰলৈ চাই হেলিকপ্টাৰত উঠা-নমা কৰা আড্ডাবোৰ মই স্পষ্টকৈ দেখিবলৈ পালোঁ। বৰষুণ এৰিছিল। সূৰ্য ওলাই উজ্জ্বল ৰ'দ দিছিল। তলৰ সমগ্ৰ চহৰখন দেখা পোৱা গ'ল। আমাৰ হেলিকপ্টাৰখন মসৃণভাৱে নামি আহি সুন্দৰভাৱে অৱতৰণ কৰিলে। হেলিকপ্টাৰৰ ঘূৰ্ণিয়মান পাখি বন্ধ হ'ল। দুৱাৰ মেল খালে। সন্মুখৰ আসনতে বহি থকা কালাম থিয় হ'ল, পাছলৈ ঘূৰি তেখেতৰ পাছফালে বহি থকা আমালৈ চাই মিচিকিয়াই হাঁহি দিলে। তাৰ পিছত বুঢ়া আঙুলিৰে জয়ৰ ইংগিত দি বিমানৰ পৰা নামি গ'ল। তেখেতৰ পাছে পাছে আমি। ঘটনাৰ এনে পৰিৱৰ্তন দেখি আমি আটায়ে তবধ মানিলোঁ যদিও বেছি আনন্দিত হ'লোঁ।

নিৰ্ধাৰিত সূচী অনুসৰি কালাম চাহাবে আলাপ্পুজাত আটাইবোৰ কাৰ্যসূচীতে ভাগ লৈ কোচীলৈ ঘূৰি আহিল। আৰু এবাৰ বতৰ দেৱতাই মূৰ দাঙি চালে। যি ঘটি গ'ল তাৰ কাৰণ হ'ব পাৰে একমাত্ৰ মানুহৰ জন্মগত সাধুতা— তাকে ভাবি আমি বিভোৰ হ'লোঁ।

শ্বেক্‌ছপীয়েৰে এইটো বৰ সুন্দৰকৈ উপস্থাপন কৰিছে— 'হোৰাছিঅ'! তোমাৰ দৰ্শনত সপোন দেখাবোৰতকৈও স্বৰ্গ আৰু পৃথিৱীত বহু বেছি বস্তু আছে।'

১১

কালামৰ বাবে একোৱেই অদৰকাৰী নহয়। সকলো দৰকাৰী। আমি এনে কিছুমান চিঠি-পত্ৰ পাওঁ যিবোৰৰ প্ৰকৃতিস্থতা সন্দেহাতীত নহয়। অথচ সেইবোৰ চিঠি-পত্ৰও বিবেচনা বা আলোচনা কৰা হয়। মোৰ মনত আছে— এবাৰ এনে এখন চিঠি আমাৰ হাতত পৰিলহি যিখনৰ লেখকজনে স্বনামাংকিত পত্ৰ (লেটাৰ হে'ড্)ত নিজকে 'World Leader' আৰু 'President of the Globe' বুলি ছপা কৰাই লৈছিল। ভেটিকান আৰু মক্কাৰ জৰিয়তে ৰাছিয়াৰ (তেওঁ USSR বুলি উল্লেখ কৰিছিল।) হাতৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰক ৰক্ষা কৰাৰ বাবে তেওঁ কি কৰিব লাগিব তাকে সুধি কালামলৈ এই পত্ৰখন লিখিছিল আৰু তলত 'Ambassador of God' বুলি স্বাক্ষৰ কৰিছিল। এনে এখন চিঠিও মৰ্ণিং মিটিঙত আলোচনাৰ বাবে লোৱা হৈছিল।

চিঠিখন আলোচনাৰ বাবে নলৈ মোৰ উপায় নাই। মই ক'লোঁ, 'ছাৰ! কোনোবা এজন ব্ৰহ্ম পাগলে এই চিঠিখন লেখি পঠিয়াইছে। সেইখনৰ লগত আমি সময় খৰচ কৰি কি লাভ?' কালামে ক'লে, 'ঠিক আছে, আপুনি তেনেকৈ কৈছে যেতিয়া আমি চিঠিখনৰ ওপৰত একো ব্যৱস্থা নলওঁ।'

এইটো সম্ভৱ তেখেত ৰাষ্ট্ৰপতি হোৱাৰ প্ৰথম কেইসপ্তাহমানৰ পিছতে হৈছিল। আগ্ৰাৰ গাভৰু ছোৱালী এজনীৰ পৰা এখন ই-মেইল আহিছিল। তেওঁ লিখিছিল, 'আংকল! আমাৰ এলেকাত মাত্ৰ এখনেই পাৰ্ক আছে আৰু তাত এখনেই মাত্ৰ ঢেঁকীপাত (see-saw) আছে। তাকো আকৌ দহ দিনমানৰ পৰা বেয়া হৈ আছে। সেইটো লৈ কাৰো অকণো চিন্তা নাই।'

সেই ই-মেইলখন মৰ্ণিং মিটিঙত আলোচনাৰ বাবে আহিল। কালাম চাহাবে চিৰাচৰিত ভংগীৰে মোক সুধিলে, 'এতিয়া আমি কি কৰিম?' মই ক'লোঁ, 'ছাৰ, মই তাৰ কালেক্টৰজনৰ সৈতে কথা পাতিম।' সেইমতে মই কথা পাতিলোঁ আৰু কামটো সম্পন্ন হ'ল। তাৰ পিছত কালামে ছোৱালীজনীৰ পৰা পুনৰ এখন ই-মেইল পালে— 'আংকল, আপোনাক অশেষ ধন্যবাদ। আমাৰ ঢেঁকীপাতখন ভাল হ'ল। বৰ্তমান চলি আছে।' ছোৱালীজনীয়ে এইবুলিও

লিখিছিল, 'কিন্তু আংকল, আপোনাক মই কেতিয়া লগ পাম? আপুনি ইমান ভাল!'

ৰ'ব, এইখিনিতে আৰু এটা উদাহৰণ দিওঁ! ২০০৬ চনৰ ২০ জুলাইৰ দিনা কোনো এগৰাকী ভদ্রমহিলাই ৰাষ্ট্রপতি চাহাবলৈ এখন চিঠি দিলে। তাত তেওঁ এই বুলি অভিযোগ কৰিছিল যে তেওঁৰ পাঁচবছৰীয়া খাহী নকৰা ঘোঁৰাটোৰ 'লেমিনাইটিছ্' বোলা বেমাৰ এটা হৈছে। আনহাতে, ঘোঁৰাছহিছসকলে কেউফালে অপ্রীতিকৰ উৰাবাতৰি প্রচাৰ কৰি ফুৰিছে। তেওঁ ঘোঁৰাটোক ধৰা 'লেমিনাইটিছ' বোলা বেমাৰটোৰ ক্লিনিকেল বিশ্লেষণ কৰাই চাইছে! ঘোঁৰাটোক কি কি খুৱাইছে আৰু সেই বেমাৰটোৰ পৰা ঘোঁৰাটোক আৰোগ্য কৰাৰ বাবে কি কি সাৱধানতা অৱলম্বন কৰিছে তেওঁ সেইবোৰ কথাও লিখিছে। দুই পৃষ্ঠাজোৰা চিঠিখনৰ সামৰণিত ভদ্র মহিলাই ৰাষ্ট্রপতি চাহাবৰ পৰামৰ্শ আৰু উপদেশ বিচাৰিছিল। মর্ণিং মিটিঙত সেই চিঠিখনো আলোচনাৰ বাবে লোৱা হৈছিল। কালামে বিচাৰিব পাৰে বুলিয়েই সেই ভদ্র মহিলাৰ চিঠিখনৰ প্রাপ্তিস্বীকাৰ কৰি আমাৰ ফালৰ পৰা চিঠি এখন দিয়া হ'ল।

মই আগতে উল্লেখ কৰিছোঁ যে আমাৰ হাতলৈ অহা প্রতিখন ই-মেইল আৰু চিঠি আলোচনাক্রমে উত্তৰ দিয়াত কালাম বৰ ব্যগ্র আছিল। এনে ব্যৱহাৰৰ ফলত সমগ্র ৰাষ্ট্রপতি ভৱনত কামৰ হেঁচা অদ্ভুত ধৰণে বাঢ়ি গৈছিল। বৰং সেইটোও ভাল; কিন্তু যিটো কথাই মোক উদ্বিগ্ন কৰিছিল সেইটো হ'ল— ৰাষ্ট্রপতি ভৱনৰ পৰা সংশ্লিষ্ট বিষয়াসকললৈ যোৱা অগণিত প্রসংগৰ সম্ভাৱনীয়তা, যিবোৰৰ লঘু উপস্থাপনেই যথেষ্ট হ'লহেঁতেন। এটা কথা মই স্বীকাৰ কৰিছোঁ যে সমস্যাটোৰ পৰিপ্রেক্ষিতত মই সহকর্মীসকলৰ লগ লাগি এটা সমাধান সূত্র উলিয়ালোঁ। সেই সূত্র অনুসৰি কেৱল অতি দৰকাৰী চিঠিবিলাকহে সংশ্লিষ্ট ৰাজ্য চৰকাৰলৈ পঠিয়াই তাৰ প্রতিবেদন বিচৰা হ'ব। আন কিছুমান কেৱল জনোৱাৰ বাবে পঠিওৱা হ'ব। তাৰ পিছতো বৈ যোৱাবিলাকৰ ক্ষেত্রত 'ৰাষ্ট্রপতি ভৱনে পাইছে' বুলি উত্তৰ দিয়া হ'ব। আনহাতে বিভিন্ন মহাবিদ্যালয়, বৃত্তিগত আৰু অন্যান্য পাঠ্যক্রমত নামভর্তিৰ বাবে অনুমোদন বিচাৰি বৃহৎসংখ্যক চিঠি-পত্র আহে। সিবোৰৰ ক্ষেত্রত নির্ধাৰিত দফা এটা লিখি পঠিয়াই দিয়া হয়— 'আমাৰ ইয়াত পোৱা চিঠিখন অনুমোদন অবিহনে আপোনালোকলৈ পঠিয়াই দিয়া হ'ল। প্রচলিত নীতি-নিয়ম অনুসৰি ব্যৱস্থা গ্রহণ কৰিব।'

কিছুমানে পদ্মশ্ৰীৰ পৰা ভাৰতৰত্নৰ দৰে বঁটা দিয়াৰ বাবে বা ৰাজ্যপাল আৰু ৰাষ্ট্ৰদূতৰ দৰে পদবীত নিযুক্তিৰ বাবে নিজক বা আনকো চুপাৰিছ কৰি দিয়া শ শ চিঠি আমি পাইছিলোঁ। মোৰ এটা কথা ক'বলৈ লাজ লাগিছে। কিছুমান অৱসৰপ্ৰাপ্ত মুখ্য সচিবে নিজৰ প্ৰশংসাৰে ভৰা 'resumés' (জীৱনবৃত্তান্ত) পঠিয়াই তেওঁলোক যে ৰাজ্যপাল হোৱাৰ বাবে উপযুক্ত তাৰ যুক্তি দিয়ে। তেওঁলোক যি এক বিশেষ সেৱাৰ চাকৰিত নিযুক্ত আছিল মই নিজেও তাৰ ভিতৰতে পৰোঁ। সেই সেৱাৰ পদবীবিলাকৰ মানদণ্ড ইমান তললৈ যোৱা বুলি মই নাজানিছিলোঁ। যি কি নহওক লাগিলে, তেওঁলোকক সেইমতে জনাই দিয়াটো মোৰ দায়িত্ব। সেইটো মই কৰিছিলোঁ।

সম্ভৱ কালামে এই কথাটো নাজানিছিল। মই তেখেতক কোৱাও নাছিলোঁ।

'ধৰক, এই মানুহজনে কিবা হাস্যকৰ কাম এটা কৰিছে!' নিজৰ স্বভাৱগত উদ্বিগ্নতাৰে কালাম বিস্মিত হৈছিল। সেইদিনা মৰ্ণিং মিটিঙৰ কথা। কালামৰ মুখেদি তেনে মন্তব্য ওলোৱা চিঠিখন পুণে জিলাৰ মানুহ এজনে তেখেতলৈ লিখিছিল। আৰ্থিক দুৰৱস্থাৰ বাবে তেওঁ আৰু তেওঁৰ পৰিয়ালে কেনে জীয়াতু ভুগিছে, তেওঁ আৰু তেওঁৰ পত্নীয়ে কেনেদৰে বিভিন্ন বেমাৰত ভুগি আছে, নিবনুৱা পুতেকটোৰ বাবে এটা উপযুক্ত সংস্থাপনৰ প্ৰয়োজন, বিবাহযোগ্যা কন্যাৰ বাবে উপযুক্ত পাত্ৰ লাগে— পত্ৰলেখকজনে চিঠিখনত এইবোৰ কথাকে লিখিছিল। তেওঁ আৰু লিখিছে যে তেওঁ ইতিমধ্যে জিলা কৰ্তৃপক্ষ, বিধায়ক, সাংসদ, মন্ত্ৰী আদিৰ দুৱাৰতো টুকুৰিয়াইছে। জৰুৰী সহায় বিচাৰি তেওঁ ভাৰত চৰকাৰলৈকো পত্ৰ পঠিয়াইছে, কিন্তু সকলো অথলে গৈছে। এতিয়া জোৰ পুৰি হাত পোৱাত শেষ অৱলম্বন হিচাপে ৰাষ্ট্ৰপতিৰ ওচৰ চাপিছে। তেৱোঁ যদি সহায় নকৰে তেনেহ'লে পৰিয়ালটোৰ আটায়ে আত্মহত্যা কৰাৰ বাদে অন্য কোনো পথ নাথাকিব।

পত্ৰখন পঢ়ি আমাৰ ৰাষ্ট্ৰপতি চাহাব বিচলিত হ'ল। কি কৰিব পাৰি তেওঁ মোক সুধিলে। মোৰ ভিতৰৰ কঠুৱা আমোলাজনে মোক এই বুলি ক'বলৈ বাধ্য কৰিলে যে তেনেকুৱা অজস্ৰ কেছ আছে— ৰাষ্ট্ৰপতি তেনে সমস্যাবোৰত লাগিবলৈ গ'লে তাৰ আদি-অন্ত নোহোৱা হ'ব। মোৰ কথাত কালাম মুঠেও সন্তুষ্ট নহ'ল। তেখেতে ক'লে যে তেখেতে নিজৰ গাঁঠিৰ পৰা পৰিয়ালটোলৈ কিছু ধন আগবঢ়াবলৈ সাজু যাতে পৰিয়ালটোৱে তেনেকুৱা একো চূড়ান্ত সিদ্ধান্ত নলয়। মই তেখেতক সেইটো নকৰিবলৈ ক'লোঁ। মই ক'লোঁ যে মই

পুণেৰ কালেক্টৰজনলৈ চিঠি এখন দি বিষয়টো অনুসন্ধানক্ৰমে সম্ভৱপৰ যিকোনো সহায় আগবঢ়াবলৈ ক'ম। আৰু চিঠিখনত লিখাৰ দৰে পৰিয়ালটোৱে যাতে আত্মঘাতী কাম কৰিব নোৱাৰে সেইটো নিশ্চিত কৰাৰ বাবে মই সংশ্লিষ্ট আৰক্ষী অধীক্ষকজনলৈকো চিঠি লিখিম বুলি কোৱাত হেহো-নেহোকৈ কালাম যেনিবা সন্মত হ'ল।

মই সেইমতে কামটো কৰিলোঁ। দেখদেখকৈ কালেক্টৰজনে পৰিয়ালটোলৈ কিছু সাহায্য আগবঢ়ালে। সেইখিনি অৰ্থ সাহায্য পৰিয়ালটোৰ বাবে ডাঙৰ উপকাৰ। পুণেৰ সেই গঞাজনৰ পৰা আমি আৰু কোনো চিঠি-পত্ৰ পোৱা নাই। সেই কথাটোৱে দেখদেখকৈ কালামক প্ৰভূত পৰিমাণৰ সন্তুষ্টি প্ৰদান কৰিছিল।

ইফালে এই ঘটনাটোৱে বৰ জঞ্জালৰ সৃষ্টি কৰিলে। এনে এটা কথা প্ৰথম গাঁওখনত, তাৰ পিছত জিলাত, তাৰ পিছত গোটেই প্ৰদেশখনত আৰু শেষত গোটেই দেশখনতে প্ৰচাৰ হ'ল যে আপোনাৰ যদি কিবা সমস্যা আছে ৰাষ্ট্ৰপতি কালামলৈ একলম লিখি দিয়ক— তেখেতে বিষয়টোত হস্তক্ষেপ কৰিবই। আনহাতে দেশৰ সৰ্বত্ৰ বক্তৃতা দি ফুৰোঁতে কালামে প্ৰায়েই দোহাৰে যে যি কোনো লোকে তেওঁৰ ই-মেইল আই-ডিত 'মেছেজ' বা চিঠি দিব পাৰে আৰু দিওঁতাজনে ২৪ৰ পৰা ৪৮ঘণ্টাৰ ভিতৰত উত্তৰ পাবই পাব। ইয়াৰ ফলত অৱস্থা নিয়ন্ত্ৰণ কৰিব নোৱাৰা হ'লগৈ। কালামৰ মেইল-বক্স নধৰা হ'লগৈ। আমিও ইকাটি-সিকাটি কৰিব নোৱাৰা অৱস্থা এটাত পৰিলোঁগৈ।

সেইটোও সহ্য কৰিব পাৰি। কিন্তু এটা কথা মই কোনোপধ্যে সহ্য কৰিব নোৱাৰিছিলোঁ। বহু মানুহে নিতান্ত বেপৰোৱাভাৱে কালামৰ ওচৰ চাপিছিল। দায়-দোষ কৰিলেও মানুহৰ প্ৰতি কালামৰ অন্তৰ অত্যন্ত কোমল আছিল। তেখেতৰ সেই গুণটোৰ বাবে মানুহে তেখেতক নিৰ্দয়ভাৱে শোষণ কৰিছিল। মানুহবিলাকে এটা নতুন কৌশল অৱলম্বন কৰিছিল। তেওঁলোকে সঁচাই হওক মিছাই হওক সমস্যাবোৰ কালামৰ আগত ঢালি-বাকি দি ততালিকে হস্তক্ষেপ কৰাৰ বাবে তেখেতক অনুৰোধ কৰে। তাকে নকৰিলে তেওঁলোক আটায়ে, দৰকাৰ হ'লে ৰাষ্ট্ৰপতি ভৱনৰ সন্মুখতে, আত্মহত্যা কৰিব বুলি ভাবুকি দিয়ে।

কালামে এই ভাবুকিবোৰ গম্ভীৰভাৱে লৈছিল আৰু আমি কিবা এটা কৰাটো বিচাৰিছিল। কোনো কাৰণতে এটা জীৱনৰো হানি হোৱাটো তেওঁ নিবিচাৰে। আমাৰ বাবে সেইটো হ'ল নৰকসদৃশ। মানুহৰ শেষ অৱলম্বন

হ'ল— তেখেতৰ সাক্ষাৎকাৰ বিচাৰি সাক্ষাৎকাৰ নাপালে তেওঁলোকে আত্মহত্যা কৰিব বুলি কৈছিল। এয়া আৱেগিক ব্লেকমেইল বা শোষণৰ বাদে আন একো নহয়। এইবোৰ দেখি-শুনি মোৰ ধৈৰ্যচ্যুতি হোৱাৰ উপক্ৰম হোৱাত এদিন তেনেকুৱা 'মৰ্ণিং মিটিং' এখনতে মই তেখেতক ক'লোঁ যে সিদিনাও মই এনে দুখনমান চিঠি পাইছোঁ যাৰ স্বাক্ষৰকাৰীয়ে আত্মহত্যা কৰিব বুলি শপত খাইছে। মোৰ ব্যংগোক্তিত কালামৰ কুঞ্চিত ভ্ৰূযুগলে বহু কথাকে কৈ দিলে। মই আৰু বেছি কথা নক'লোঁ বা ক'ব নোৱাৰিলোঁ। তাৰ পিছত অন্যান্য কাগজ-পত্ৰবোৰৰ ওপৰত আলোচনা কৰিবলৈ ধৰিলোঁ। সিবোৰ সিমান বেছি অৰ্থহীন বা দলিয়াই পেলাবলগীয়া বিধৰ নাছিল। মোৰ কাম শেষ কৰি তেখেতৰ কোঠাৰ পৰা ওলাই আহিলোঁ। কিন্তু সেই মহীৰূহ ব্যক্তিত্বৰ ওচৰত মোৰ নিজকে অতি ক্ষুদ্ৰ যেন বোধ হ'ল। কেৱল অন্তৰৰ সততাৰ গুণতেই মানুহ ইমান উচ্চতালৈ উঠিব পৰাটো সমগ্ৰ পৃথিৱীত বিৰল ঘটনা। তেখেতে আমাক আটাইকে এটা কথা স্পষ্ট কৰি দিছিল যে তেওঁ য'তে আছিল এতিয়াও তাতেই আছে। আমি য'তে আছোঁ তাত থাকি কেৱল সাধাৰণ মানুহৰ সমস্যা সমাধান কৰিব লাগিব। তাত কোনো বিষয় এৰাই যোৱা বা তাৰ পৰা ফালৰি কটাৰ কথা নাহে। তেখেতে এইটো আৰ্হিসহকাৰে দেখুৱাই দিছিল— অকল ৰাষ্ট্ৰপতি ভৱনত বহি থাকিয়েই নহয়, দেশৰ বিভিন্ন ঠাইত ঘূৰি-পকি ফুৰোঁতেও তেখেতে সেই দৃষ্টান্ত মানিছিল।

গোৱা ভ্ৰমণলৈ যাওঁতে ঘটা ঘটনা এটা মোৰ মনত আছে। ভ্ৰমণ শেষ হোৱাত আমি তাত এটা আপত্তি পালোঁ। ৰাষ্ট্ৰপতিৰ ভ্ৰমণ উপলক্ষে আৰক্ষী বিভাগৰ গাত তৎ নাইকিয়া হৈছিল। বিভিন্ন ঠাই চাফ-চিকুণ কৰিবলৈ যাওঁতে শ শ সৰু-সুৰা বেপাৰী উচ্ছেদ কৰা হৈছিল। সেই বেপাৰীবিলাকে ৰাস্তাৰ কাষত ভিন ভিন বয়-বস্তু বিক্ৰী কৰি জীৱিকা আৰ্জন কৰিছিল। অকল সেইটোৱে নহয়, উচ্ছেদ কৰাৰ সময়ত আৰক্ষীয়ে তেওঁলোকৰ বস্তু-বাহানি আৰু বিক্ৰীৰ বাবে ফুটপাথত মেলি থোৱা লাপি-লুপা বস্তুবোৰো দলিয়াই পেলাইছিল। এই অভিযোগ কিমান দূৰ সঁচা আমি নাজানো। কিন্তু কালাম চাহাবৰ বিশেষ জৰুৰী নিৰ্দেশত মই গোৱাৰ কৰ্তৃপক্ষক টেলিফোনযোগে 'কালামে দুখ প্ৰকাশ কৰা' বুলি জনাই দিলোঁ। লগতে তেনে ঘটনাৰ পুনৰাবৃত্তি হ'লে দায়িত্বত থকাসকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও জনালোঁ। আৰক্ষীৰ ভুলৰ বাবে যিসকল লোক ক্ষতিগ্ৰস্ত হ'ল তেওঁবিলাকক সাহায্য দিয়াৰ ক্ষেত্ৰতো কালামে জোৰ দিছিল। গোৱাৰ

বিষয়াসকলৰ পৰা মই সেই ক্ষেত্ৰত আশ্বাসো পালোঁ। এই সকলো কথা জনোৱাতহে কালামে শান্তি পালে। সঁচাই যিবিলাকৰ সাহায্যৰ প্ৰয়োজন সেইসকলক সহায় কৰাৰ বাবে কালাম সদায় ইচ্ছুক আছিল।

২০০৪ চনত ছুনামি হোৱাৰ সময়ত ডাঙৰ ডাঙৰ লোকসকল (VIP) ক্ষতিগ্ৰস্ত এলেকাবোৰ ভ্ৰমণ কৰাত ব্যস্ত আছিল। তেতিয়া আমি কালামক এই বুলি পৰামৰ্শ দিছিলোঁ যে তেখেতে এতিয়াই সেইবোৰ অঞ্চললৈ যাব নালাগে, কাৰণ তেওঁৰ ভ্ৰমণৰ ফলত যুদ্ধকালীন ক্ষিপ্ৰতাৰে আগবঢ়া পুনৰ সংস্থাপনৰ কামত ব্যাঘাত জন্মিব। আমাৰ কথাত কালাম লগে লগে সন্মত হৈছিল। অতি বিশিষ্ট ব্যক্তি (VVIP) ক নিৰাপত্তা দিবৰ বাবে ৰাজ্যখনৰ মানুহ আৰু দ্ৰব্য সম্পদ আনফালে নিব নোৱাৰি। তেখেতে ৰাষ্ট্ৰপতি ভৱনৰ পৰাই দুৰ্গতিৰ সাহায্য আৰু পুনঃসংস্থাপন ব্যৱস্থাৰ অবিৰাম তত্ত্বাৱধান কৰিছিল। তেখেতৰ সততা আৰু দয়া আছিল অকৃত্ৰিম গুণ—জনগণৰ অনুগ্ৰহ লাভৰ বাবে কৰা কৌশল নহয়।

মই ভাবোঁ— মানুহে এই কথাটো জানিছিল। তেখেতক 'জনগণৰ ৰাষ্ট্ৰপতি' বুলি কোৱাত আচৰিত হ'বলগীয়া একো নাই। ৰাষ্ট্ৰপতি ভৱনত থকা শেষ দিনটোলৈকে তেখেত 'জনগণৰ ৰাষ্ট্ৰপতি' হৈয়েই আছিল।

১২

ৰাষ্ট্ৰপতি হোৱাৰ পিছৰে পৰা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা কালাম চাহাবক বঁটা-বাহন আৰু বিশেষ সন্মান প্ৰদান কৰাৰ মানসেৰে অনুৰোধ কৰা অলেখ চিঠি-পত্ৰ আহিবলৈ ধৰিলে। বহু চৰকাৰী প্ৰতিষ্ঠান আৰু স্থানীয় প্ৰশাসন গোটসমূহেও ৰাস্তা, বিদ্যালয়, হস্পিতাল, পুথিভঁৰাল আৰু অন্যান্য গৃহ আদি তেখেতৰ নামেৰে নামকৰণ কৰাৰ বাবে আবেদন কৰিছিল। কিন্তু কালামৰ দৃষ্টিভংগী আছিল বেলেগ। ব্যক্তি হিচাপে তেখেতৰ প্ৰতি মানুহৰ আন্তৰিক শ্ৰদ্ধা-ভক্তি থাকিলেও তেখেতে সেই অনুৰোধ সততে প্ৰত্যাখ্যান কৰিছিল। সেইমতে মই চিঠিবোৰৰ উত্তৰ দিছিলোঁ।

ৰাষ্ট্ৰপতি কালামৰ মূল্যবোধ আৰু বৃত্তিগত শালীনতা আছিল উচ্চ পৰ্যায়ৰ। আমি আটায়ে এইকথা ভালকৈ জানো যে সাধাৰণতে ক্ষমতা আৰু কৰ্তৃত্বৰ পদ-মৰ্যাদা পালে প্ৰায়বোৰ মানুহৰ নিজৰ ঠাইখনৰ প্ৰতি বেছি মনোযোগ দিয়াৰ প্ৰৱণতা আহে। সেই ঠাইৰ অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়া, বিভিন্ন সা-সুবিধা উপলব্ধ কৰোৱা, বিয়াগোম অট্টালিকা সজোৱা অথবা সঘনে সেই ঠাই ভ্ৰমণ কৰা— এনেবোৰ উপায়ে সেইটো পূৰণ কৰা হ'ব পাৰে।

সেই ক্ষেত্ৰতো কালাম আছিল ব্যতিক্ৰম। তেখেতৰ ঘৰ হ'ল তামিলনাডুৰ ৰামেশ্বৰমত। আৰু ৰাষ্ট্ৰপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা মানুহৰ পৰা পোনপটীয়াভাৱে তেখেতলৈ অথবা তেখেতৰ সচিবালয়ত নিযুক্ত আমাৰ জৰিয়তে অজস্ৰ আবেদন-নিবেদন আহিবলৈ ধৰিলে। নিজ গৃহ-নগৰ দৰ্শন কৰা, ইটো-সিটোৰ আধাৰশিলা স্থাপন, তেখেতৰ কৰ্তৃত্ব খটুৱাই ৰাস্তা-ঘাট আদি মেৰামতি কৰোৱা, নতুন ৰাস্তা-ঘাট উপলব্ধ কৰোৱা আৰু তেনেকুৱা অজস্ৰ কামৰ বাবে সেই আবেদনবিলাকৰ জৰিয়তে তেখেতক অনুৰোধ কৰা হৈছিল। সাধাৰণতে যিবোৰ অৱশ্য কৰণীয় কাম অথবা নেতাবিলাকৰ নিজৰ নিজৰ সমষ্টিক সুখী কৰাৰ বাবে কৰিবলগীয়া সকলো কাম কৰিবই লাগিব। কিন্তু কালামৰ ক্ষেত্ৰত সেয়া প্ৰযোজ্য নহয়। তেখেত সমগ্ৰ ভাৰত ভূখণ্ডৰ ৰাষ্ট্ৰপতি। ৰামেশ্বৰম তেখেতৰ ওপজা ঠাই বুলিয়েই সেই ঠাইখন বিশেষ সা-সুবিধাৰ

হকদাৰ হ'ব নোৱাৰে। মোৰ লগত কথা-বতৰা হওঁতে তেখেতে স্পষ্টকৈ কৈছিল যে তেখেতে অগ্ৰাধিকাৰ ভিত্তিত ৰামেশ্বৰমলৈ নাযায়— স্বাভাৱিক ৰুটিন মতেহে যাব অৰ্থাৎ গুৰুত্ব পাবলগীয়া ঠাইবোৰ ভ্ৰমণ কৰাৰ পিছতহে যাব। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি হোৱাৰ পিছত তেখেতৰ প্ৰথম চৰকাৰী ভ্ৰমণৰ তালিকাত গুজৰাটে স্থান পাইছিল। সেয়া আছিল ২০০২ চনৰ আগষ্ট মাহত। কিয়নো ২০০২ চনৰ প্ৰথম ভাগত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গুজৰাট বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈছিল। আৰু দুবাৰকৈ কৰা ৰামেশ্বৰম ভ্ৰমণৰ প্ৰথমটো তেখেত ৰাষ্ট্ৰপতি হোৱাৰ পূৰা দুবছৰ পিছত কৰিছিল। ইতিমধ্যে তেখেতে পঁচিছখন ৰাজ্য আৰু তিনিখনকৈ কেন্দ্ৰীয় শাসিত অঞ্চল ভ্ৰমণ কৰি উঠিছিল। আচৰিত কথা এই যে তেখেতৰ আগতে আন কোনো 'অতি বিশিষ্ট ব্যক্তি' (VVIP)য়ে উত্তৰ-পূৰ্বাঞ্চল ইমান ঘনকৈ আৰু সামগ্ৰিকভাৱে ভ্ৰমণ কৰা নাছিল।

তেখেতৰ বিদেশ ভ্ৰমণৰ ক্ষেত্ৰতো সেই একে নীতিয়ে চলিছিল। নিজ দেশৰ প্ৰায় সকলো ঠাই ভ্ৰমণ কৰাৰ পিছতহে তেখেতে প্ৰথম বিদেশ ভ্ৰমণ কৰিছিল। এবাৰ মোক কৈছিল যে তেওঁ সমগ্ৰ দেশখন ভ্ৰমণ কৰাৰ পিছতহে বিদেশ ভ্ৰমণলৈ যাব। কিন্তু তাৰ পৰা সামান্যভাৱে হ'লেও ফালৰি কাটিবলগীয়া হ'ল। কাৰণ বিদেশী ভ্ৰমণবোৰ বহু দিনৰ আগতে ঠিক-ঠাক কৰা হয়। মুঠতে বাইছখন ৰাজ্য আৰু তিনিখন কেন্দ্ৰ শাসিত ৰাজ্য ভ্ৰমণ কৰাৰ পিছতহে তেখেতে প্ৰথম বিদেশ ভ্ৰমণ কৰে।

অৱশ্যে ২০০৭ চনৰ জুলাই মাহত ৰাষ্ট্ৰপতিৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ সময়ত তেখেতে এইবুলি খেদ প্ৰকাশ কৰিছিল যে ৰাষ্ট্ৰপতি হৈ থাকোঁতে তেখেত লাক্ষাদ্বীপলৈ যাব নোৱাৰিলে। তেখেতে যে চেষ্টা কৰা নাছিল সেইটো নহয়; যেতিয়া তালৈ যোৱাৰ সিদ্ধান্ত কৰিছিল তেতিয়া প্ৰতিকূল বতৰ নিৰাপত্তাৰ দিশৰ পৰা অন্তৰায় হৈ উঠিছিল।

আব্ৰাহাম লিংকনে কৈছিল, "Honest statesmanship is the wise employment of individual manners for the public good." কালামৰ ক্ষেত্ৰতো সেইটো সঁচা যেন লাগে!

১৩

২০০২ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ পিছত গুজৰাটে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। ৰাষ্ট্ৰপ্ৰধান হিচাপে ৰাষ্ট্ৰপতি কালামে গুজৰাটকে প্ৰথম চৰকাৰীভাৱে ভ্ৰমণ কৰাৰ বাবে নিৰ্বাচিত কৰিছিল। এই কথাটো কেউফালে এটা বাণীৰ দৰে প্ৰচাৰ হ'ল। বাতৰি কাকতত কোৱাৰ দৰে ই ৰাজনৈতিক জগততো এটা জোকাৰণি বা হৈ-চৈৰ সৃষ্টি কৰিলে। মই এইটো নকওঁ যে কথাটো শুনি গুজৰাট চৰকাৰ অথবা কেন্দ্ৰীয় চৰকাৰ বিচলিত হৈছিল। তেওঁলোকে নিশ্চয় বহি থাকি সকলো লক্ষ্য কৰি আছিল। কিন্তু তেখেতে ভ্ৰমণ সামৰি দিল্লীলৈ ঘূৰি অহাৰ পিছত যি ঘটিল সি সঁচাকৈয়ে উল্লেখ্যযোগ্য। সকলোতে, বিশেষকৈ ৰাজনৈতিক আৰু ন্যায়িক মহলত ই এক টৌৰ সৃষ্টি কৰিছিল।

২০০২ চনৰ ১৯ আগষ্টৰ দিনাখন ৰাষ্ট্ৰপতি ভৱনলৈ এটা প্ৰস্তাৱ আহিল। তাৰ তিনি দিনৰ আগতে, অৰ্থাৎ ১৬ আগষ্টৰ দিনা ইউনিয়ন কেবিনেটে অনুমোদন কৰা এখন অধ্যাদেশ জাৰি কৰাৰ বাবে উক্ত প্ৰস্তাৱটোৰ জৰিয়তে মহামহিম ৰাষ্ট্ৰপতি মহোদয়ক অনুৰোধ জনোৱা হৈছিল।

ভাৰতৰ সংবিধানৰ ১২৩ নং ধাৰা অনুসৰি ৰাষ্ট্ৰপতিৰ 'লেজিছ্লেটিভ্ পাৱাৰ' শীৰ্ষক তৃতীয় অধ্যায়ত ৰাষ্ট্ৰপতিক সংসদৰ বিৰতি কালত অধ্যাদেশ জাৰি কৰিব পৰা ক্ষমতা প্ৰদান কৰিছে। উভয় সংসদৰ অধিৱেশন নথকা সময়ত জৰুৰী বিধেয়কৰ অধিনিয়ম এই ধাৰাই বিশেষভাৱে সূচিত কৰে। তেনেদৰে জাৰি কৰা অধ্যাদেশৰ সংসদৰ আইনৰ নিচিনা একে প্ৰভাৱ আৰু প্ৰকোপ থাকে। অৱশ্যে তেনে অধ্যাদেশ এখন সংসদৰ পুনৰ বৈঠকৰ পৰা ছয় সপ্তাহ কাল উকলি যোৱাৰ লগে লগে অকাৰ্যকৰী হ'ব। অৱশ্যে সেইটো হ'ব সেই সময়ৰ অন্ত পৰাৰ আগতে সংসদে নামঞ্জুৰ নকৰিলে।

২০০২ চনৰ আগষ্টত ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰা অধ্যাদেশখন আছিল ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইন (Representation of the People Act, 1951) খনৰ সংশোধনী প্ৰস্তাৱ। ইয়াৰ জৰিয়তে ১৯৬১ চনৰ নিৰ্বাচনৰ

আচৰণ বিধি (Conduct of Election Rules, 1961)ৰ লগত সংলগ্ন ফৰ্ম 2A আৰু 2E ৰ সংশোধন ঘটাব লাগে। ইয়াৰ জৰিয়তে প্ৰাৰ্থীসকলে দিবলগীয়া তথ্যসমূহ যুক্তিযুক্ত বুলি ঘোষণা কৰাৰ বাবে এখন শপতনামা দাখিল কৰিব। নিৰ্বাচিত সদস্যসকলৰ নিজৰ নিজৰ সা-সম্পত্তিৰ হিচাবৰ ঘোষণাই সম্পূৰ্ণ পদ্ধতিটোত এক স্বচ্ছতা অনাৰ উপৰি নিৰ্বাচিত প্ৰতিনিধিসকলৰ বিশ্বাসযোগ্যতাও বৃদ্ধি কৰিব বুলি আশা কৰা হৈছিল। তদুপৰি এই ব্যৱস্থাই ৰাজনীতিৰ অপৰাধীকৰণো লাঘৱ কৰিব বুলি আশা কৰা হৈছিল।

উক্ত অধ্যাদেশখনৰ সমগ্ৰ বিষয়টো উদ্ভৱ হৈছিল ২০০২ চনৰ মে' মাহৰ এক চিভিল আপীল সংক্ৰান্তত মহামান্য উচ্চতম ন্যায়ালয়ে কৰা ৰায়দানৰ ফলত।

ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়ৰ ৰায়ত দিয়া নিৰ্দেশাৱলী প্ৰসংগৰ ওপৰত নিৰ্ভৰ কৰি উক্ত অধ্যাদেশখন পুংখানুপুংখভাৱে বিশ্লেষণ কৰি চালে। ৰাষ্ট্ৰপতিয়ে লক্ষ্য কৰিলে যে উচ্চতম ন্যায়ালয়ৰ কিছুমান নিৰ্দেশ সন্নিৱিষ্ট কৰা প্ৰস্তাৱিত অধ্যাদেশখন কিছুমান বিষয়ত, যেনে— নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ উপৰি তেওঁলোকৰ ঘৈণীয়েক আৰু আশ্ৰিতসকলৰ সা-সম্পত্তিৰ হিচাব, প্ৰাৰ্থীসকলৰ শিক্ষাগত অৰ্হতা আদি ক্ষেত্ৰত নীৰৱ। সেয়ে মহামান্য উচ্চতম ন্যায়ালয়ৰ দ্বাৰা ঘোষিত প্ৰয়োজনীয়তাসমূহৰ সৈতে প্ৰস্তাৱিত অধ্যাদেশখনৰ চৰ্তসমূহৰ মিল নোহোৱা বাবে কালামে প্ৰস্তাৱটো পুনৰ বিবেচনা কৰি পৰামৰ্শ দিয়াৰ বাবে কেবিনেটলৈ ঘূৰাই পঠিয়ালে।

কেবিনেটত বিষয়টো পুনৰ বিবেচনা কৰাৰ পিছত প্ৰস্তাৱটো পুনৰ উপস্থাপন কৰা হ'ল। অৱশ্যে তাত এইটো কোৱা হৈছিল যে প্ৰস্তাৱিত বিধেয়কখনে [Representation of the People (Amendment) Bill, 2002] নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ঘৈণীয়েক বা আশ্ৰিতসকলৰো সা-সম্পত্তিৰ হিচাবৰ ঘোষণা সামৰি ল'ব। ৰাষ্ট্ৰপতিক এইটো আঙুলিয়াই দিয়া হৈছিল যে মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশাৱলীৰ পৰিপ্ৰেক্ষিতত অধ্যাদেশখন নিতান্ত জৰুৰী। ভাৰতৰ নিৰ্বাচন আয়োগৰ ২০০২ চনৰ ২৮ জুনত জাৰি কৰা হুকুমৰ ভিত্তি আছিল সেই নিৰ্দেশ।

এইদৰে কেবিনেটে পুনৰ বিবেচনা আৰু উত্থাপন কৰা প্ৰস্তাৱিত অধ্যাদেশখন প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিৰ ওচৰত পুনৰ পেছ কৰিলে। ২০০২ চনৰ ২৪ আগষ্টৰ দিনা ৰাষ্ট্ৰপতিয়ে অধ্যাদেশখনত সন্মতি দি জাৰি কৰিলে।

সচৰাচৰ, সাধাৰণ মানুহৰ মনত এনে এটা ধাৰণা আছে যে ভাৰতবৰ্ষৰ

কালামৰ কেইখনমান দুৰ্লভ ৰঙীণ ছবি



INS Sindhurakshakত উঠা মুহূৰ্তত
(১৩ ফেব্ৰুবাৰী, ২০০৬)

ফীল্ড্ মাৰ্শ্বাল ছাম মানেকশ্বৰ
সৈতে সৰ্বাধিনায়ক

লেখক-স্তম্ভকাৰ খুশৱন্ত সিঙক সাক্ষাৎ



উত্তৰ-পূৰ্বাঞ্চলৰ সাংসদসকলৰ সৈতে ব্ৰেক্‌ফাষ্ট মিটিং

ছাত্ৰ-ছাত্ৰীৰ সৈতে ড° কালাম

বিদেশ ভ্ৰমণত ভাৰতীয় বংশোদ্ভৱ শিশুসকলৰ সৈতে

ড° কালামক নৱবৰ্ষৰ ওলগ জনাবলৈ অহা মানুহ

পি এম নায়াৰৰ পত্নীক সাক্ষাৎ

নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতি প্ৰতিভা পাটিলৰ সৈতে

প্ৰটকল ভংগ কৰি কালাম মঞ্চত— ৰামনাথ গোৱেংকা সাংবাদিকতা বঁটা প্ৰদান অনুষ্ঠানত

(সৌজন্য ঃ ইণ্ডিয়ান এক্সপ্ৰেছ কাকত)

প্ৰধানমন্ত্ৰী ড° মনমোহন সিং আৰু তেওঁৰ পত্নীৰ সৈতে
২৫ জুলাই, ২০০৭ৰ বিদায়ৰ মুহূৰ্ত



বিদায় ৰাষ্ট্ৰপতি ভৱন

ৰাষ্ট্ৰপতিয়ে নিজৰ দলটোৰ ফটো উঠাইছে

অৱসৰ মুহূৰ্তত ৰূদ্ৰ বীণাৰ তাঁৰত আঙুলি বুলাইছে

ৰাষ্ট্ৰপতিজন কেৱল এটা ৰবৰ ষ্টাম্প আৰু তেখেতৰ অফিচটো কেৱল এক আনুষ্ঠানিকতা মাত্ৰ। তেখেতৰ পূৰ্বৱৰ্তী কেইজনমানে তেনে জনবিশ্বাস আঁতৰোৱাৰ বাবে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও কালামৰ আইন আৰু সত্যৰ আধাৰত বিবেচিত আৰু সুচিন্তিত কাৰ্যই গুণগত বা প্ৰভাৱশালী ফলাফল দিছিল। তেওঁৰ দৰে এজন বিজ্ঞানীয়ে— ৰাষ্ট্ৰপতি হিচাপে সম্পূৰ্ণ ত্ৰিছ দিনৰ কাৰ্যকালো অতিবাহিত নকৰা ব্যক্তি এজনে তেওঁৰ ওপৰত ন্যস্ত সাংবিধানিক ক্ষমতা ইমান সুন্দৰকৈ আৰু নিখুঁতভাৱে কাৰ্যকৰী কৰিব পাৰিব বুলি সম্ভৱতঃ কোনোৱে আশা কৰিব পৰা নাছিল। তেওঁ এইটো স্পষ্ট কৰি দিছিল যে তেওঁৰ ওচৰলৈ অহা যিকোনো প্ৰস্তাৱৰ খুঁতি-নাটি পুংখানুপুংখভাৱে পৰীক্ষা কৰি চাব। তেওঁ কেৱল ডটেদ লাইনৰ ওপৰত চহী কৰিবলৈকে থকা নাই।

তেনেহ'লে, ২০০২ চনৰ ২৪ আগষ্টৰ দিনাখন কালামে কিয় সেই অধ্যাদেশখনত চহী কৰিছিল সেই কথাটো ভাবি আজি মানুহ বিস্মিত হ'ব। উত্তৰটো তেনেই উজু। কালাম সাংবিধানিকভাৱে সঠিক আৰু নিৰ্ভুল হ'ব বিচাৰিছিল। কেবিনেটে দাখিল কৰা প্ৰস্তাৱত অনুমোদন জনোৱাটো ৰাষ্ট্ৰপতিৰ বাবে সংবিধানে বাধ্যতামূলক কৰিছে। এই চৰ্ত ১৯৭৬ চনৰ ভাৰতৰ সংবিধানৰ ৪২তম্ সংশোধন অনুসৰি সংশোধিত হোৱা ৭৪ নং ধাৰাৰ দ্বাৰা আৰোপিত। অৱশ্যে ১৯৭৮ চনত ৪৪তম্ সংশোধনে ৰাষ্ট্ৰপতিগৰাকীক প্ৰস্তাৱ একোটা পুনৰ বিবেচনাৰ বাবে ঘূৰাই পঠিওৱাৰ সুবিধা এটা প্ৰদান কৰিলে। তৎসত্ত্বেও প্ৰস্তাৱটো পুনৰ বিবেচনা কৰি যি অৱস্থাতে পুনৰ দাখিল নকৰক কিয়, তেওঁ সাংবিধানিকভাৱে প্ৰস্তাৱটো গৃহীত বা অনুমোদন কৰিবলৈ বাধ্য।

ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি হিচাপে তেওঁ দেশৰ সংবিধানখনক সংৰক্ষণ কৰা, সুৰক্ষিত কৰা আৰু নিৰাপত্তা প্ৰদান কৰাৰ বাবে শপত গ্ৰহণ কৰিছিল। ড° কালামে সেই নীতি আগত ৰাখি সঠিকভাৱে কাৰ্য সম্পাদন কৰিছিল।

১৪

প্ৰথম অৱস্থাতে মই এটা কথা লক্ষ্য কৰিছিলোঁ যে ৰাষ্ট্ৰপতিত্ব (presidency)ৰ ওপৰত সামান্যতম কলংক বা চেকাৰ প্ৰতিও ড° কালামৰ মাৰাত্মক ভয় আছিল। তেওঁ ৰাষ্ট্ৰপতি ভৱনৰ তিলমানো সমালোচনা থকা বা-বাতৰি বা প্ৰতিবেদনো হজম কৰিব নোৱাৰিছিল। মই ভাবোঁ তেওঁ ৰাষ্ট্ৰপতি ভৱনক নিঃসন্দেহে শীৰ্ষ বিন্দুলৈ লৈ গৈছিল। চীজাৰৰ পত্নীক সন্দেহৰ ঊৰ্দ্ধত ৰাখিব লাগিছিল, কিন্তু মই ভাবোঁ তাৰো এটা সীমা আছিল। সেই সীমা তেওঁ ৰখা নাছিল।

ৰাষ্ট্ৰপতিৰ দেহৰক্ষী (Presidents Bodyguard) এটা অশ্বাৰোহী গোট— সম্ভৱ সেয়াই ভাৰতীয় সৈন্যবাহিনীৰ প্ৰাচীন অৱশেষ। আজিও সিহঁতৰ ছোৱাৰী দুই-এজনে যেতিয়া 'কি তুমিয়েই জানা' সদৃশ ব্যৱহাৰ কৰে তেতিয়াও ঘোঁৰাবিলাকে ঘোঁৰাৰ দৰেই ব্যৱহাৰ কৰে।

ৰাষ্ট্ৰপতিৰ দেহৰক্ষী এজনৰ কপাল বেয়া আছিল। এদিন এটা অকল্পনীয় ঘটনা ঘটিল। পিছদিনাখনৰ খবৰ কাগজবোৰৰ প্ৰথম পৃষ্ঠাত এটা বাতৰি ওলালঃ বুশ্ব আৰু ব্লেয়াৰৰ কথা পাহৰি যাওক। নতুন দিল্লীৰ বুদ্ধ জয়ন্তী উদ্যানখনে খবৰ কাগজৰ শীৰ্ষ স্থান ল'লে। প্ৰেছে হৈ-চৈ লগালে, 'ৰাষ্ট্ৰপতি ভৱনত বলাৎকাৰ' (Rape in Rashtrapati Bhavan)। সাধাৰণতে কালাম খুব শান্ত লোক। কিন্তু সিদিনাখনৰ নিচিনা তেওঁৰ ইমান খং উঠা মই কোনোদিনে দেখা নাছিলোঁ। হাতে ঢুকি পোৱা নিজৰ চুলিবোৰকে ছিঙি ছিঙি তেওঁ মোক ফোন কৰি আছিল। কি হৈছে মোৰ পৰা জানিব বিচাৰিছিল। এবাৰো তেওঁৰ মাত ঠাণ্ডা হোৱা নাছিল। তেওঁ চিঞৰিয়েই আছিল। মই অনুসন্ধান কৰি আহি কি হৈছে তেওঁক জনাম বুলি ক'লোঁ।

সিদিনাখন কৰ্তব্যত নথকা ৰাষ্ট্ৰপতিৰ দেহৰক্ষী (PBG) কনিষ্টবল এজনে বুদ্ধ জয়ন্তী উদ্যানৰ ফালে ফুৰিবলৈ গৈ এজনী ছোৱালীক ধৰ্ষণ কৰিছিল। প্ৰেছৰ মানুহে দোষী কনিষ্টবলজন ৰাইছিনা হিলৰ লোক বুলি

জানিব পাৰিছিল। সেইবাবেই সেই ঘটনাটো পিছদিনাৰ বাতৰিৰ শিৰোনাম হৈ পৰিল। আৰক্ষী আৰু সেনা জোৱানসকলে নিজৰ নিজৰ কাম কৰি আছিল আৰু দোষী কনিষ্টবলজনৰ ওপৰত আইন অনুসৰি ব্যৱস্থা লোৱা হৈছিল। তৎসত্ত্বেও এই ঘটনাটোৰে প্ৰচাৰ মাধ্যমত ইমান হৈ-চৈ লগোৱা দেখি মই হতভম্ব হৈ পৰিছিলোঁ। ৰাষ্ট্ৰপতিক মই জনালোঁ বোলে সেইটো এজন ব্যক্তিৰ বিচ্যুতি, সেই লৈ তেওঁ টোপনি খতি কৰিব নালাগে। কিন্তু মই জানো— তেওঁৰ চকুৰ টোপনি নোহোৱা হ'ব। সেনাপ্ৰধানজনে ৰাষ্ট্ৰপতিৰ দেহৰক্ষী গোটৰ সদস্যজনৰ ঘৃণনীয় কামটো বেকত কৰিছে, সম্পাদকীয় স্তম্ভত ঘটনাটোক নিন্দা কৰা হ'ল— আৰু কি আছে আপোনাৰ! সকলোৰে মূলতে দেহৰক্ষী বিভাগৰ মানুহজন ৰাষ্ট্ৰপতি ভৱনত নিযুক্ত আছিল। কথা সিমানতে শেষ নহ'ল।

এই ঘটনাটোৰ মোকাবিলা কৰিবলৈ যাওঁতে মই বৰ বিপদত পৰিছিলোঁ। শেষ আশ্ৰয়টো পালোঁ এদিনৰ পিছত। মই কাৰ্যালয়ত থাকোঁতে চেন্নাইৰ সাংবাদিক এজনৰ পৰা এটা ফোন পালোঁ— 'মিঃ নায়াৰ! মই চেন্নাইৰ জনপ্ৰিয় পত্ৰিকা ...ক প্ৰতিনিধিত্ব কৰা সাংবাদিক।' মই তেনে এখন পত্ৰিকাৰ নাম শুনাই নাই। হায় মই! তথাপি মোৰ ৰক্তচাপ বাঢ়ি গ'ল— ৰাতিপুৱাতে ঔষধ সেৱন কৰা সত্ত্বেও। 'হয়, কওঁকচোন!' বুলি কৈ তেওঁনো কি ক'ব খুজিছে তাকে শুনিবলৈ কাণ পাতি ৰৈ থাকিলোঁ।

'মই সেই ধৰ্ষণৰ ঘটনাটোৰ কথা কৈছোঁ! এনে এটা ঘটনা আপোনালোকে বন্ধ কৰিব পাৰিলেহেঁতেন বুলি নাভাবেনে?'— তেওঁ কৈছিল। মানুহজন ওচৰে-পাঁজৰে কেনিবাদি থকা হ'লে মই নিশ্চয় মাৰপিট কৰাৰ অভিযোগত দোষী সাব্যস্ত হ'লোঁহেঁতেন! মই আজিও ভাবি নাপাওঁ— কেনেকৈ সিদিনা মোৰ ক্ৰোধ সম্বৰণ কৰি ৰাখিছিলোঁ। মই তেনেই নিৰ্লিপ্তভাৱে ক'লোঁ, 'হয়, পাৰিলোহেঁতেন। যদিহে অৱশ্যে ছোৱালীজনীক ধৰ্ষণ কৰাৰ আগতে তেওঁ মোৰ সন্মতি ল'লেহেঁতেন। তেতিয়া মই তেওঁক সন্মতি নিদিলোঁহেঁতেন! সেইদিনা আবেলিকৈ তেওঁ বুদ্ধ জয়ন্তী পাৰ্কত ছোৱালী এজনীক বলাৎকাৰ কৰিবলৈ যাব বুলি কৈ অৰ্ধদিনৰ আকস্মিক ছুটী বিচৰা হ'লে মই তেওঁৰ ছুটী প্ৰত্যাখান কৰিব পাৰিলোহেঁতেন। দুৰ্ভাগ্যক্ৰমে, তেওঁ সমূলি মোৰ অনুমতি লোৱা নাই।' মই বাক্যটো শেষ কৰিবলৈ নৌপাওঁতেই সেই সাংবাদিকপ্ৰবৰে ফোনটো থৈ দিলে। তেতিয়াৰ পৰা তেওঁ আৰু মোৰ লগত কথা পতা নাই।

কালামৰ উগ্ৰ স্পৰ্শকাতৰতা বৰ বিৰক্তিকৰ। তেওঁ জানে যে তেওঁ আয়নাৰ ঘৰত থাকে আৰু কোনোবাই তেওঁৰ ঘৰলৈ শিলগুটি মাৰিব পাৰে। সেইক্ষেত্ৰত তেওঁ কি কৰিব পাৰিব তাৰো সীমা আছে। মই এইটো ভালকৈ জানো যে বহু মানুহে শিলগুটি লৈ ৰখি আছিল— সেই কথাটো জানিও মই এইটো কৈছোঁ। তথাপি!

১৫

কালাম চাহাবে বে'লটো টিপাৰ লগে লগে চাপ্ৰাচীজন সোমাই আহিল। 'প্লীজ ৰিম'ভ্ দিছ ফে'লো'— এইবুলি তেখেতে নিজৰ আগত থকা খালী গিলাচটো আঙুলিয়াই দিলে। অলপ সময় আগলৈকে ঠাণ্ডা পানী থকা পাত্ৰটোক তেখেতে 'empty fellow'বনাই দিলে।

তেওঁ মোক ক'লে, ' মিঃ নায়াৰ! আপুনি নিশ্চয় জানে যে পশু-পক্ষীৰো আমাৰ দৰে অনুভৱ শক্তি আছে। সেই ময়ূৰটো আপুনি দেখিছে! সি মুখখন মেলিব নোৱাৰে— নকন্দাকৈ কেনেদৰে উচুপি আছিল! আমাৰ ছাৰ্জনজন সঁচাই ডাঙৰ ছাৰ্জন। তেওঁ অবিশ্বাস্য কাম এটা কৰিলে! তাৰ পিছৰে পৰা 'তাই' (কালামে লিংগ লৈ সিমান মূৰ নঘমায়!) কিমান সুখী হৈছিল! কেউফালে কেনেকৈ নাচি-বাগি ফুৰিছিল!'

কালামে মেজৰ (ডাঃ) ওৱাই সুধীৰ কুমাৰৰ কথা কৈছিল। তেৱেঁই ময়ূৰ চৰাইটোৰ মুখত হোৱা ফোঁহাটো (টিউমাৰ) আঁতৰাইছিল যিটো ফোঁহাৰ বাবে চৰাইটোৱে আনকি মুখখনো জপাব নোৱাৰিছিল। যন্ত্ৰণাৰ কোবত সি একো এটা খাব পৰা নাছিল। কিন্তু ডাঃ সুধীৰ কুমাৰে তাৰ বিষ-বেদনা ভাল কৰিলে, টিউমাৰটো কাটি উলিয়াই দিলে। এনে কৰাৰ ফলত চৰাইটো আগৰ দৰে নাচি নাচি জাকৰ মাজলৈ গ'লগৈ।

কালামৰ বাবে সকলো কথাই দৰকাৰী। সি এটা মৌ-মাখিয়েই হওক অথবা এটা জন্তুৱেই হওক— সকলোৱেই যেনিবা মানৱ জীৱ, 'good fellows!' তেখেতে বিচাৰে— সেই আটাইবোৰেই সুন্দৰ মানৱ প্ৰাণী হওক! বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত মানুহ নিযুক্তি দিয়াৰ বাবে যেতিয়াই তেখেতৰ ওচৰত কোনো নথি পেছ কৰা হয় তেতিয়াই তেখেতে সোধে, 'তেওঁ সৎ মানুহ হয়নে?' আমি প্ৰায়েই 'হয়' বুলি ক'বলগীয়া হয়। আমি মিছাকৈ ক'লোঁ যদিও নাজানো। তেখেতে আমাক বিশ্বাস কৰে। সেই বিশ্বাসতে তেখেতে নথিত স্বাক্ষৰ কৰি দিয়ে! তেনেকুৱাবোৰ প্ৰতিষ্ঠানত আমি বৰ বেছিসংখ্যক চাকৰি-বাকৰি দিব নোৱাৰোঁ!

১৬

নিজ ব্যক্তিত্বৰ প্ৰতি কালামৰ এক প্ৰগাঢ় মনোভাব আছে ঠিক যেনেকৈ আন বহু বিজ্ঞানীয়েও তাক প্ৰদৰ্শন কৰে। তেওঁ সততে বজোৱা ৰুদ্ৰ বীণাৰ কথা বাদেই, ৰকেট আৰু মিছাইলৰ সমানে কলা-সংস্কৃতিয়েও তেওঁক বিমোহিত কৰিছিল।

তেওঁৰ উদ্যোগতে ৰাষ্ট্ৰপতি ভৱনত ইন্দ্ৰধনুষ বোলা এলানি সাংস্কৃতিক কাৰ্যসূচী আৰম্ভ কৰা হৈছিল। ৰাষ্ট্ৰপতি ভৱনত আমন্ত্ৰিত দৰ্শকৰ আগত তেৰন্নটাতকৈও অধিক অনুষ্ঠান প্ৰদৰ্শিত হৈছিল। অকল নামী-দামী শিল্পীয়েই নহয়, ভৱিষ্যতে তেওঁলোকৰ শাৰীলৈ উধাব পৰা সকলকো অনুষ্ঠান প্ৰদৰ্শন কৰাৰ বাবে উৎসাহিত কৰা হৈছিল। ওস্তাদ বিছমিল্লা খাঁৰ জীৱনৰ শেষ অনুষ্ঠানটো অনুষ্ঠিত হৈছিল মোগল গাৰ্ডেনত। কালামৰ নেতৃত্বত মোৰ সহকৰ্মী আৰু ইণ্টাৰনেল ফাইনান্সিয়েল এডভাইছাৰ ৰসিকা চৌবে আছিল এই লানি সাংস্কৃতিক কাৰ্যসূচীৰ স্থপতি বা নিৰ্মাতা। অনুষ্ঠান পৰিৱেশন কৰা শিল্পীসকল আছিল ক্লাছিকেল ডেন্সাৰ, কণ্ঠ- শিল্পী, চুফী গায়ক আৰু সংগীতজ্ঞ। ভাৰতীয় উচ্চাংগ সংগীত আৰু নৃত্যৰ পৰিচয়জ্ঞাপক অনুষ্ঠানটো আছিল নিখুঁত আৰু সম্পূৰ্ণ।

২০০৬ চনৰ নৱেম্বৰ মাহত মুকলি আকাশৰ তলত ইন্দ্ৰধনুষৰ ফালৰ পৰা এটা সাংস্কৃতিক সমাৰোহ পতা হৈছিল। তাত শংকৰ মহাদেৱন, ইউ শ্ৰীনিবাস, শিৱমণি আৰু Loy Mendonsaৰ দৰে শিল্পীয়ে যোগদান কৰিছিল। সেই অনুষ্ঠানলৈ বৃহৎসংখ্যক দৰ্শকৰ আগমন ঘটিছিল আৰু প্ৰত্যাশিতভাৱে অনুষ্ঠানটো সফল হৈছিল। কিন্তু চৰম অৱস্থা তেতিয়াও অহা নাই। অনুষ্ঠান শেষ হ'ল, স্মৃতিগ্ৰন্থ বিতৰণ কৰা হ'ল। শলাগ জনাবলৈহে বাকী। এনেতে কালাম উঠি আহক মঞ্চলৈ! তেওঁ ড্ৰামবাদক শিৱমণিৰ সৈতে দুই-এটা কথা পাতিলে। তাৰ পিছত তেওঁ নিজ হাতে ড্ৰাম বজাবলৈ ধৰিলে। দৰ্শকে হৰ্ষ-উল্লাসেৰে সেই বিৰল দৃশ্য উপভোগ কৰিলে। সম্প্ৰতি শিৱমণিয়ে বিভিন্ন বাদ্য-যন্ত্ৰ সংগত কৰে, যেনে—ড্ৰাম, তাল আৰু অন্যান্য বাদ্য-যন্ত্ৰ। তেনেকৈ সজ্জিত ভিন

ভিন বাদ্য-যন্ত্ৰৰ মাজত বহাটোও এটা দুঃসাহসিক কাম। জয়ধ্বনিৰ মাজত কালামে সেই কাম কৰিছিল। মই ভাবোঁ, এজন ন-শিকাৰু হিচাপে তেওঁ সুন্দৰকৈ সেই কামটো কৰিছিল। সম্পূৰ্ণ আকস্মিকভাৱে কৰা তেওঁৰ সেই ড্ৰামবাদন দৰ্শকে নিশ্চয় উপভোগ কৰিছিল।

বিখ্যাত শিল্পীসকলে ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠান পৰিৱেশন কৰিলে কালামে সদায় ডেকা আৰু উঠি অহা শিল্পীসকলকো উৎসাহিত কৰে। অকল সংগীত আৰু নৃত্যৰ ক্ষেত্ৰতে নহয়, তেওঁ পেইণ্টিং আৰু ভাস্কৰ্যৰ ক্ষেত্ৰতো সেইটো কৰিছিল। প্ৰত্যেক ২৬ জানুৱাৰী আৰু ১৫ আগষ্টৰ দিনা প্ৰদৰ্শনী পতা হৈছিল আৰু নবীন শিল্পীসকলৰ সৃষ্টিবিলাক ৰাষ্ট্ৰপতি ভৱনত প্ৰদৰ্শিত কৰা হৈছিল। সেইসকল শিল্পীৰ সৈতে যথেষ্ট সময় অতিবাহিত কৰাটো কালামে নিয়ম কৰি লৈছিল। নক'লেও হ'ব— মুকলিভাৱে কৰা তেওঁৰ সমৰ্থন বা পৃষ্ঠপোষকতাই নতুনকৈ প্ৰস্ফুটিত হোৱা শিল্পীসকলক নিজ নিজ কামত উৎকৰ্ষ সাধন কৰাৰ বাবে সাংঘাতিক উৎসাহ উদ্‌গণি যোগাইছিল।

প্ৰতিভা আৰু সৃষ্টিৰ স্বাক্ষৰ প্ৰত্যক্ষ কৰিলে তাক স্বীকৃতি দিয়া অথবা উৎসাহিত কৰাৰ পৰা কালামক একোৱে বাৰণ কৰিব নোৱাৰিছিল। এবাৰ কইম্বাটোৰ ভ্ৰমণলৈ যাওঁতে তেওঁ বিখ্যাত সংগীত শিল্পী কৃষ্ণমূৰ্তিক লগ পাইছিল। দুৰ্ভাগ্যৱশতঃ কৃষ্ণমূৰ্তি এজন শাৰীৰিকভাৱে বাধাগ্ৰস্ত লোক। তেওঁৰ হাত-ভৰি একোৱেই নাই। কিন্তু জীৱনৰ উজ্জ্বল দিশবোৰ প্ৰত্যক্ষ কৰাত তেনে শাৰীৰিক প্ৰতিবন্ধকতায়ো কৃষ্ণমূৰ্তিক টলাব নোৱাৰিছিল। কৃষ্ণমূৰ্তি মানুহজন আৰু তেওঁৰ ইতিবাচক দৃষ্টিভংগীয়ে কালামক গভীৰভাৱে আকৃষ্ট কৰিলে। তেওঁ ২০০৭ চনৰ ১৮ জুলাইৰ দিনাখন ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠান পৰিৱেশন কৰিবলৈ কৃষ্ণমূৰ্তিক নিমন্ত্ৰণ জনালে। কৃষ্ণমূৰ্তি আৰু তেওঁৰ লগত অহা সহশিল্পীসকলৰ অহা-যোৱাৰ সমস্ত খৰচ যাতে ৰাষ্ট্ৰপতি ভৱনে বহন কৰে সেইটো নিশ্চিত কৰিবলৈকো কালামে পাহৰা নাছিল।

১৭

কালামে সদায় ইটো-সিটো কামত নিজক ব্যস্ত ৰাখে। অৱশ্যে সেই কামবোৰৰ লক্ষ্য হ'ল উন্নয়ন। ২০২০ চনৰ ভিতৰত ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে নিৰ্মাণ কৰিব পৰা পৰিৱেশৰ জন্ম দিয়াটোৱেই তেওঁৰ 'মিছন'। সেইবাবে তেওঁ যেতিয়াই যুৱ সম্প্ৰদায়, কৃষক, বিজ্ঞানী, সাংসদ, ন্যায়পালিকা আদিৰ সন্মুখত ভাষণ দিয়ে তেতিয়া সদায় একোটা বাণী বা মেছেজ দিয়ে। ক'ব লাগে বাবে কিবা এটা কোৱাত আগ্ৰহী নেতা আমি দেখিয়েই আছোঁ। কিন্তু কালাম এনে এজন ব্যক্তি যাৰ সদায় কিবা এটা ক'বলগীয়া থাকে। প্ৰতিবাৰতেই তেওঁ ক'বলগীয়া কথাখিনি কয়।

২০০৫ চনৰ ২১ মাৰ্চৰ দিনা চেণ্ট্ৰেল হলত অনুষ্ঠিত হোৱা বিশিষ্ট সাংসদৰ বঁটা প্ৰদান অনুষ্ঠানত তেওঁ দিয়া ভাষণটো মই মনত পেলাইছোঁ। প্ৰত্যেক বছৰ সংসদৰ প্ৰথম অধিৱেশনৰ আৰম্ভণিতে ৰাষ্ট্ৰপতিয়ে ভাষণ দিয়াটো সাংবিধানিকভাৱে বাধ্যতামূলক। অৱশ্যে ৰাষ্ট্ৰপতিয়ে দিলেও সেই ভাষণটো আচলতে চৰকাৰৰ ভাষণ। এই ভাষণ চৰকাৰৰ কাৰ্য পৰিচালনাৰ খতিয়ান। ৰাষ্ট্ৰপতিজনৰ ব্যক্তিগত মতামত, দৃষ্টিভংগী বা পৰামৰ্শ যিমানেই মহৎ নহওক কিয়, সাধাৰণতে সিবোৰে তেওঁৰ ভাষণত স্থান নাপায়। কাৰণ এনেবোৰ ভাষণৰ খচৰা চৰকাৰে প্ৰস্তুত কৰে আৰু কেবিনেটে অনুমোদিত কৰে। কিন্তু কালামৰ বিভিন্ন চিন্তা-ভাবনা আছিল। ২০০৩ চনৰ সংসদত দিবলগীয়া ভাষণটোত কালামৰ বিশেষ অনুৰোধত কেইটামান দফা সন্নিৱিষ্ট কৰা হৈছিল। এইটো সম্ভৱ হৈছিল একমাত্ৰ তদানীন্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সৈতে থকা তেওঁৰ সমভাবৰ বাবে। সীমিত পৰিমাণে হ'লেও পৰৱৰ্তী বছৰবোৰতো তেনেকুৱা অন্তৰ্ভুক্তি কৰা হৈছিল। মই তেওঁক কৈছিলোঁ যে সেই ভাষণবোৰৰ বাবে তেওঁ মনত অসন্তোষ কৰিব নালাগে, কিয়নো সমগ্ৰ পৃথিৱীয়ে জানে যে সেইটো তেওঁৰ ভাষণ নহয়, চৰকাৰৰহে। মই কিয় তেনেকৈ কৈছিলোঁ কালামে নিশ্চয় বুজি পাইছিল। কিন্তু তেওঁক আশ্বস্ত বা সন্তুষ্ট যেন নেদেখিলোঁ।

বিশিষ্ট সাংসদ বঁটা প্ৰদান কৰিবলৈ তেওঁক নিমন্ত্ৰণ কৰাটো তেওঁৰ বাবে অহা এক সোণালী সুযোগ। মই তেওঁক ক'লোঁ— তেওঁ যাতে সেই সুযোগটো নেহেৰুৱায়। সাংসদসকলৰ আগত তেওঁ নিজৰ মনৰ কথা খোলাখুলিকৈ ক'ব পাৰিব— সম্ভৱ তেওঁৰ বাবে এইটো এটা দুৰ্লভ সুযোগ। মই তেওঁক এই কথাটো মনত পেলাই দিলোঁ যে ভাৰতীয় সংবিধানৰ ৭৯নং ধাৰা অনুসৰি ৰাষ্ট্ৰপতি আৰু দুই সদনক লৈ সংসদ গঠিত হয়। সেইবাবে তেওঁ যি ক'ব খোজে তাকে সদস্যসকলৰ আগত কোৱাৰ তেওঁৰ সম্পূৰ্ণ অধিকাৰ আছে। কাৰণ সেই সদস্যসকলৰ নিচিনা তেৱোঁ সদনৰ এক অবিচ্ছেদ্য অংগ। মোৰ কথাত তেওঁ বৰ সুখী হ'ল।

তেওঁৰ ভাষণত তেওঁ উন্নয়নমূলক ৰাজনীতি আৰু সচৰাচৰ দেখি থকা ৰাজনীতিৰ মাজৰ পাৰ্থক্যবোৰ ফঁহিয়াই ব্যাখ্যা কৰিলে। দলসমূহক সদস্য কিনা-বেচা কৰা আদিৰ দৰে ঘৃণনীয় ৰাজনৈতিক হঠকাৰিতা পৰিহাৰ কৰিবলৈ ক'লে। তেওঁ সাংসদসকলক ঠেক, সংকীৰ্ণ আৰু স্বাৰ্থগন্ধী ভাবধাৰাৰ পৰা মুক্ত ইতিবাচক আৰু গঠনমূলক দৃষ্টিভংগী গ্ৰহণ কৰাৰ বাবে আৰু ৰাষ্ট্ৰৰ সৰ্বতোপ্ৰকাৰ উন্নয়নৰ হকে কাম কৰি যাবলৈ আকুল আহ্বান জনালে।

প্ৰেছত প্ৰকাশ হোৱাত তেওঁৰ ভাষণটো সৰ্বসাধাৰণ মানুহে সৰ্বান্তঃকৰণেৰে গ্ৰহণ কৰিলে। ৰাষ্ট্ৰপতিজনাই মনৰ কথাখিনি সংসদত ব্যক্ত কৰিলে।

ন্যায়পালিকাৰ আগতো তেওঁ বহুত বাৰ ভাষণ দিছিল। ন্যায়পালিকাক সম্বোধি ভাষণ দিওঁতে তেওঁ ন্যায়দানৰ প্ৰক্ৰিয়া খৰতকীয়া কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিছিল। নিষ্পত্তি নোহোৱাকৈ পৰি থকা অসংখ্য মোকৰ্দমাই তেওঁৰ দুশ্চিন্তাৰ কাৰণ। তেওঁ এই কথা বাৰম্বাৰ দোহাৰি থকাত কৰ্তৃপক্ষই যেনিবা নিষ্পত্তি নোহোৱাকৈ থকা মোকৰ্দমাৰ সংখ্যা হ্ৰাস কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল। কিন্তু চৰকাৰী কাম-কাজৰ ক্ষেত্ৰত যিটো হয় সেয়ে হৈছিল— শামুকীয়া গতিয়ে সেই ধাৰাক ব্যাহত নকৰাকৈ নাথাকিল। নিজৰ কাৰ্যকালৰ ভিতৰত উল্লেখযোগ্য একো কৰিব নোৱাৰাৰ বাবে কালামৰ মনত দুখ থাকি গ'ল। সেই ক্ষেত্ৰত তেওঁৰ মনৰ হতাশ ভাব অপ্ৰকাশ হৈ নাথাকিল।

সাংবাদিকতাৰ উৎকৰ্ষৰ বাবে ৰামনাথ গোৱেংকা বঁটা প্ৰদান অনুষ্ঠানত ২০০৭ চনত কালামে দিয়া ভাষণটো আছিল তেওঁৰ অন্যতম শ্ৰেষ্ঠ ভাষণ। তেওঁ সেই ভাষণত সংবাদ মাধ্যমসমূহক ইতিবাচক, নিৰ্ভীক আৰু সক্ৰিয় ভূমিকা পালন কৰিবলৈ আহ্বান জনাইছিল। অকল সঠিক প্ৰেক্ষাপটত বাতৰি-তথ্য পৰিৱেশন কৰাই নহয়, সেইটো কৰোঁতে সামগ্ৰিক বিকাশৰ

বাবে সৃষ্টিশীল কাম-কাজ সম্ভৱপৰ হোৱা পৰিৱেশৰ সৃষ্টি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। কালামৰ মতে, সৰ্বসাধাৰণ ৰাইজে যাতে জ্ঞান আৰু শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে তেওঁলোকৰ উপযোগী সহজ ভাষাত সত্য কথা পৰিৱেশন কৰাটোৱেই সাংবাদিকতা। তেওঁৰ ভাষণৰ পিছত সভ্যমণ্ডলীৰ লগত আলোচনাত ইমানেই নিমগ্ন হৈছিল যে তেওঁ কেতিয়ানো নিৰাপত্তা আৰু প্ৰটকলৰ সকলো বাধা-নিষেধ দলিয়াই পেলাইছিল গমেই নাপালে। পিছদিনা খবৰ কাগজত ওলোৱা ফটোৱেই সেই কথা কৈ দিলে। সেই ফটোখন কিতাপত দিয়া হৈছে।

* * *

তেওঁ কথা কৈ থাকে, পঢ়িও থাকে।

'আপুনি এইখন দেখিছে নে?'— প্ৰায় চাৰিশ পৃষ্ঠাৰ কাগজৰ জাপ এটা দেখুৱাই কালামে মোক এদিন সুধিছিল। সেইটো চাগৈ কোনোবা কমিটিৰ লিখিত প্ৰতিবেদন। 'আপুনি পঢ়ি চাব পাৰে। নিশ্চয় কিবা দৰকাৰী কথা থাকিব।' কালাম আশাবাদী। কিন্তু মই নহওঁ।

যি কোনো বিষয়ৰ ওপৰত কমিটি আৰু আয়োগ গঠনত আমি কিমান ভাল সেই কথা আমি আটায়ে খুব ভালকৈ জানো। বাৰে বাৰে আয়োগৰ কাৰ্যকাল বৃদ্ধিৰ বাবে দাবী কৰি কৰি আয়োগৰ সদস্যসকল নিজে এসময়ত ক্লান্ত হৈ পৰে। তাৰ পিছত কোনো কামত নহা বিধৰ প্ৰতিবেদন একোটাহঁত প্ৰকাশ কৰিব আৰু দাখিল কৰাৰ পিছত কোনোবা ভেঁকুৰে ধৰা চুক এটাত পেলাই থ'ব। কিন্তু আমাৰ দৃষ্টিত বৈচিত্ৰ্যহীন আৰু অপ্ৰাসংগিক হ'লেও তেনেকুৱা প্ৰতিবেদন কালামৰ হাতলৈ আহিলে তেওঁ সেইখন পঢ়াটো বিচাৰে। আমি সেইখন পঢ়িবও লাগিব আৰু তাৰ বিষয়ে তেওঁক ক'বও লাগিব। আমি ফাঁকি দিব নোৱাৰোঁ। কিয়নো তেওঁ সেইখন ওপৰে ওপৰে চালেও তাত কি আছে তেওঁ মনতে ধাৰণা কৰি লয়। কিবা এটা বস্তু তেওঁ এবাৰ চালে বা পঢ়িলেই হ'ল— আমি আৰু তেওঁক ফাঁকি দিয়াৰ চেষ্টা কৰি লাভ নাই।

১৮

২০০৪ চনৰ সাধাৰণ নিৰ্বাচনত এক মিশ্ৰিত ফলাফল হ'ল। নতুন চৰকাৰ গঠনত ৰাষ্ট্ৰপতি হিচাপে কালামে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। প্ৰক্ৰিয়াটো আৰম্ভ হোৱাৰ লগে লগে, যিসকলে মিথ্যা অনুমানকে সত্য হিচাপে প্ৰক্ষেপ কৰিব পাৰে আৰু প্ৰকৃত সত্যৰ লগত সংগতি নোহোৱা বিভিন্ন মুখৰোচক কাহিনী ৰচনা কৰিব পাৰে তেনে বহুতৰে তেওঁ লক্ষ্য হৈ পৰিছিল। শ্বেক্স্‌পীয়েৰে 'কিং লীয়েৰ'ত লিখিছিল— "I am a man more sinned against than sinning.' নিজক পুতৌ কৰিবলগীয়া নহ'লেও কালামেও তেনেকৈ ক'লে একো ভুল নহ'লহেঁতেন।

নিৰ্বাচনৰ ফলাফল ঘোষিত হ'ল, কিন্তু কোনোটো দলেই সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰিলে। কি হয়গৈ দেশে তালৈ বাট চাই থাকিল। বোধকৰোঁ চাৰি দিনৰ পিছত, কালামে মোক মাতি নি তেওঁ সদায় কৰা প্ৰশ্নটোকে সিদিনাও কৰিলে, 'What do we do?'— আমি কি কৰোঁ।

মই ইতিমধ্যে বিষয়টোৰ ওপৰত চিন্তা কৰিছোঁ। বৰুণ মিত্ৰৰ লগতো বহলাই আলোচনা কৰিছোঁ। আই এ এছ হ'লেও বৰুণ মিত্ৰই আইন জানিছিল। উকীল একোজনৰ সমানে তেওঁ সাংবিধানিক আইনৰ খুঁতি-নাটিবোৰ জানিছিল। মই কালামক ক'লোঁ, 'ছাৰ! এটা কথা। কোনো এটা দল বা দলবিলাকৰ জোঁটবন্ধনে আপোনাৰ দৃষ্টিত এখন সুস্থিৰ চৰকাৰ গঠন কৰিব পাৰিব বুলি ভাৰতৰ ৰাষ্ট্ৰপতি হিচাপে আপুনি নিজে সন্তুষ্ট হ'ব লাগিব। তাৰ পিছত সেই দলটোৰ অথবা দলসমূহৰ জোঁট বন্ধনটোৰ নেতাজনক চৰকাৰ গঠন কৰিবলৈ মাতিব লাগিব।'

তেওঁ আকৌ সুধিলে, 'তেনেহ'লে মই কি কৰোঁ? মই অনিৰ্দিষ্ট কাললৈ বাট চাই থাকিব নোৱাৰোঁ।'

'হয় ছাৰ! কিন্তু কথাবিলাক দেখদেখকৈ স্পষ্ট। ব্যক্তিগতভাৱে আপুনি সন্তুষ্ট হ'ব লাগিব যে এখন সুস্থিৰ চৰকাৰ গঠন হোৱাৰ সম্ভাৱনা আছে। এতিয়ালৈকে কোনেও আপোনাৰ ওচৰলৈ আহি চৰকাৰ গঠন কৰাৰ দাবী

উত্থাপন কৰা নাই। তথাপি ছপা আৰু দৃশ্য মাধ্যমৰ প্ৰতিবেদন অনুসৰি, অইন কিছুমান দলৰ সমৰ্থনত কংগ্ৰেছ দলে সুস্থিৰ চৰকাৰ এখন গঠন কৰিব পাৰিব যেন লাগে। একেবোৰ উৎসই ইয়াকো কৈছিল যে শ্ৰীমতী ছোনিয়া গান্ধী নেত্ৰী নিৰ্বাচিত হৈছে। সেইবাবে, মোৰ বিচাৰ মতে, আপোনাক সাক্ষাৎ কৰিবলৈ অনুৰোধ জনাই আপুনি তেওঁলৈ এখন পত্ৰ প্ৰেৰণ কৰিব লাগে।'

মই চিঠিখন লিখিলোঁ আৰু তেওঁ ২০০৪ চনৰ ১৭ মে'ৰ দিনাখন চহী কৰিলে। সেইদিনাখনেই ৰাষ্ট্ৰপতি ভৱনলৈ আহিবলৈ অনুৰোধ জনাই ছোনিয়া গান্ধীলৈ লিখা সেইখন আছিল কেৱল এখন চিঠি।

মই ৰাষ্ট্ৰপতিক আকৌ ক'লোঁ, 'ছাৰ, তেওঁ বিভিন্ন দলৰ পৰা পোৱা সমৰ্থনৰ চিঠিবোৰ লৈ আহিব। আপুনি আটাইবোৰ পঢ়ি থাকিব নালাগে। মাত্ৰ এবাৰ পাত লুটিয়াই চাই উঠি ঘণ্টাটো বজাই দিব। আপুনি চহী কৰিবলগীয়া চিঠিখন সাজু কৰি মই এ ডি চিৰ কোঠাত (ৰাষ্ট্ৰপতিৰ অধ্যয়ন কক্ষৰ লগালগি) থাকিম। সেইখন চিঠিৰেই আপুনি শ্ৰীমতী ছোনিয়া গান্ধীক ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী হিচাপে নিযুক্তি দিব। অনুগ্ৰহ কৰি চিঠিখনত চহী কৰিব, তেওঁৰ সৈতে কৰমৰ্দন কৰি ধন্যবাদ জনাব। তেওঁ কেতিয়াকৈ শপত গ্ৰহণ কৰিব খোজে আপুনি তেওঁক সেইটোও সুধিব লাগিব।'

'অ'কে'— তেওঁ ক'লে।

আলোচনাৰ বাবে ছোনিয়া গান্ধীক মাতি পঠিওৱা চিঠিখন ইতিমধ্যে প্ৰেৰণ কৰা হ'ল।

১৮ মে'ৰ দিনাখন বাৰ বাজি পোন্ধৰ মিনিট যোৱাত ছোনিয়া গান্ধীয়ে ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিবহি বুলি আমাক জনালে। মোৰ কৰিবলগীয়া কাম অলপ আছিল। ৰাষ্ট্ৰপতিয়ে তেওঁক প্ৰধান মন্ত্ৰী হিচাপে নিযুক্তি দিয়া পত্ৰখন মই প্ৰস্তুত কৰি ৰাখিলোঁ।

সেই নিৰ্দিষ্ট সময়টো আহিল। ছোনিয়া গান্ধী ড° মনমোহন সিঙক লগত লৈ উপস্থিত হ'লহি। যিকোনো মুহূৰ্ততে ঘণ্টা বাজি উঠিব পাৰে। তাৰ বাবে কাণ দুখন সজাগ ৰাখি মই এ ডি চিৰ কোঠাত বহি আছোঁ। হাতত ৰাষ্ট্ৰপতিয়ে ভাৰতৰ প্ৰধান মন্ত্ৰীক নিযুক্তি দিয়া চিঠিখন (তেতিয়াও চহী কৰা নাই)। মিনিট-ছেকেণ্ডৰ হিচাবত সময়বোৰ গৈ আছে। এনেতে ঘণ্টাটো বাজি উঠিল। মই কাগজ-পত্ৰখিনি হাতত লৈ হুৰমুৰকৈ ওলাই আহিলোঁ। কিন্তু দেখোঁ— ছোনিয়া গান্ধী আৰু ড° সিং কোঠাৰ পৰা ওলাই গৈছে।

মই একে দৌৰে অধ্যয়ন কক্ষ পালোঁগৈ। তেওঁ তাতেই আছিল। মোক

দেখাৰ লগে লগে তেওঁ ক'লে, 'মিঃ নায়াৰ! আপুনিতো কৈছিল তেওঁ সমৰ্থন লাভৰ চিঠিবোৰ লৈ আহিব বুলি। কিন্তু তেওঁ কেৱল আলোচনা কৰিবলৈহে আহিছিল। দলবিলাকৰ পৰা সমৰ্থনৰ কাগজ-পত্ৰ লৈ কাইলৈ আকৌ আহিব বুলি মোক কৈছিল। মই বোলো কাইলৈ কিয় ৰ'ব লাগিছে? আজি আবেলি বা সন্ধিয়া মই থাকিমেই। কাগজ-পত্ৰখিনি যিমান সোনকালে পাৰে সাজু কৰি লৈ আহক। আপোনাৰ কাগজো মই সাজু কৰি ৰাখিছোঁ।'

মই ক'লোঁ, 'ঠিক আছে ছাৰ! আমি অপেক্ষা কৰিম।'

অপেক্ষা আমি কৰিছিলোঁ। এনেকুৱা এটা খবৰ আহিল যে ছোনিয়া গান্ধীয়ে ১৯ মে'ৰ দিনা আঠ বাজি পোন্ধৰ মিনিটত ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিব। মই আকৌ চিঠি এখন প্ৰস্তুত কৰি ৰাষ্ট্ৰপতিৰ চহীৰ বাবে হাততে ৰাখিলোঁ। ঠিক আঠ বাজি পোন্ধৰ মিনিট যোৱাত ছোনিয়া গান্ধী ড° সিঙৰ লগত গাড়ীৰে আহি নামিল। মই অপেক্ষা কক্ষত থাকিলোঁ। মুহূৰ্তবোৰ পাৰ হৈ গৈ আছিল।

এনেতে বে'লটো বাজি উঠিল। মই ভিতৰত প্ৰৱেশ কৰিলোঁ। ৰাষ্ট্ৰপতিয়ে মোক ক'লে যে ড° সিঙহে দলৰ নেতা হ'ব বুলি তেওঁক জনাইছে। চিঠিখনৰ মতে তেৱেঁই কংগ্ৰেছ সংসদীয় দলৰ নেতা আৰু দলৰ পৰাও প্ৰধান মন্ত্ৰী পদৰ বাবে নিৰ্বাচিত হৈছে। অন্য দলৰ পৰা লাভ কৰা সমৰ্থনৰ চিঠিবোৰো তেওঁলোকে লগত লৈ আহিছে।

এনেকৈ কোৱাত মই নতুন এখন চিঠি প্ৰস্তুত কৰিবলৈ ওলাই গ'লোঁ। এতিয়া ৰাষ্ট্ৰপতিয়ে ড° মনমোহন সিঙক প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিলে। ড° সিং বিনম্ৰভাৱে থিয় হৈ আছিল। তেওঁ ছোনিয়া গান্ধীক ধন্যবাদ দিলে। ৰাষ্ট্ৰপতিয়ে ভাবী প্ৰধান মন্ত্ৰীক অভিনন্দন জনালে আৰু মই, মোৰ কাম হৈ যোৱাত ওলাই আহিলোঁ।

মই ভাবিলোঁ— সিমানতে সকলো শেষ। কিন্তু নহয়, সেয়া কেৱল আৰম্ভণিহে আছিল। ইতিমধ্যে গুজৱ ৰটনা আৰম্ভ হৈ গৈছিল। এইবুলি উৰাবাতৰি প্ৰচাৰ হ'ল যে ৰাষ্ট্ৰপতিয়ে হেনো ছোনিয়া গান্ধীক প্ৰধানমন্ত্ৰী হিচাপে শপত লোৱাটো নিবিচাৰিলে। কিছুমানে এইবুলি ক'লে যে কালামে তেওঁক দাবী উত্থাপন নকৰিবলৈ পৰামৰ্শ দিছিল। কিছুমান সংবাদসেৱীয়ে কালামক নায়ক বনাই এইবুলিও উলিয়ালে বোলে তেওঁক (ছোনিয়া গান্ধী) প্ৰধান মন্ত্ৰী হিচাপে নিযুক্তি দি তেওঁ ৰাষ্ট্ৰৰ গৌৰৱ মোহাৰি পেলাব নুখুজিলে। কিমান যে সম্পাদকীয় আৰু নিজে দেখিলোঁ, শুনিলোঁ বা বুজিলোঁ বুলি কিমান মানুহৰ কলমৰ পৰা যে বিজ্ঞ আৰু বিয়াগোম প্ৰবন্ধ নোলাল। অথচ সিবিলাকৰ

কোনো এজনো ওচৰে-পাঁজৰে নাছিল। অৱশ্যে এটা কথা ঠিক— ছপা আখৰৰ বাবে তেওঁলোকৰ ঠাই আছিল আৰু আছিল চকুৰে চাব পৰা দূৰদৰ্শন! ইফালে আছিল সহজে ভুলাব পৰা, বিমুগ্ধ পাঠক আৰু দৰ্শক ৰাইজ!

ছোনিয়া গান্ধীৰ নাগৰিকত্ব আছিল তেওঁলোকৰ গুজৱৰ বিষয়বস্তু। সৰ্বোচ্চ ন্যায়ালয়ে ইতিমধ্যে বিষয়টো নিৰ্ণয় কৰিছে। তথাপি সেই বিষয়টোকে লৈ ৰাষ্ট্ৰপতিলৈ বহুত আবেদন-নিবেদন আহিয়েই আছিল। ৰাষ্ট্ৰপতি ভৱনত থকা আমাৰ বাবে সেইটো আৰু কোনো বিষয় হৈ থকা নাছিল। উচ্চতম ন্যায়ালয়ৰ ৰায়টো তেনেই স্পষ্ট। আৰু ৰাষ্ট্ৰপতিও সেই বিষয়ে সম্পূৰ্ণ জ্ঞাতসাৰ।

ৰাষ্ট্ৰপতিয়ে মিছা কথা নকয়। প্ৰচাৰ মাধ্যমত যিবোৰ কথা প্ৰকাশ পাইছিল সেইবোৰ দেখি-শুনি তেওঁ হতভম্ব হৈছিল। ৰাষ্ট্ৰপতি ভৱনৰ পৰা এইবুলি এটা প্ৰেছ বিজ্ঞপ্তি দিয়া হ'ল যে খবৰ কাগজৰ প্ৰতিবেদনবিলাকত অস্বীকাৰ কৰা বুলি যি দাবী কৰিছে সেয়া সঁচা নহয়, অমূলক। মই ৰাষ্ট্ৰপতিক ক'লো— 'আমি আৰু এই বিষয়টো লৈ হুলস্থূল নকৰোঁ। উৰাবাতৰি ওলাই থাকক, সকলোৰে ওপৰত সত্যটোহে বৰ্তি থাকিব।'

এই কথাটোৱে মোক এতিয়াও মনোকষ্ট দিয়ে। ইমান বছৰৰ পিছতো সাঁথৰটোৰ ভেদ নাভাঙিল। যিবিলাকে সেইটো সাঁথৰ হৈয়েই থকাটো বিচাৰিছিল তেওঁলোকে প্ৰকৃত ঘটনাটো বেকত কৰাৰ বহুত সুবিধা পাইছিল। কিন্তু কোনেও নকৰিলে। বিষয়টো অসংখ্য বাৰ টানি অনা হৈছিল— বিশেষকৈ যেতিয়া কালামৰ দ্বিতীয় এটা কাৰ্যকালৰ সম্ভাৱনাৰ কথা আলোচিত হৈছিল। বহুতে মোক উদগাই দিছিল— মই কালামক সৈমান কৰাব লাগে যাতে তেওঁ প্ৰকৃততে কিনো ঘটিছিল সেই কথা কৈ দিয়ে। কিন্তু মই তেনে কামৰ পৰা আঁতৰি থাকিলোঁ। কাৰণ প্ৰয়োজন নোহোৱা স্পষ্টীকৰণ দি অপ্ৰাসংগিক বিতৰ্কৰ মাজত সোমোৱাটো কালামৰ মৰ্যাদা অথবা তেওঁৰ ৰাষ্ট্ৰপতিত্বৰ মৰ্যাদাৰ পক্ষে সমিচীন নহ'ব। সেইক্ষেত্ৰত মোৰ একেবাৰে সন্দেহ নাছিল।

সম্ভৱতঃ, বাস্তৱতাৰ নিচিনা ৰাজনীতিৰো আছে সূক্ষ্মদৃষ্টি।

১৯

২০০৫ চন। ২৩ মে'। মস্কো।

গতানুগতিক ঠাণ্ডা। অৰশ্যে কোঠাবিলাক উমাল আছিল। মই হোটেল কেম্পিনস্কীৰ আৰামদায়ক কোঠা এটাত আছিলোঁ। মস্কোৰ সময় অনুসৰি তেতিয়া ৰাতি এঘাৰ বাজি পোন্ধৰ মিনিট গৈছে। হঠাতে দুৱাৰত টোকৰ পৰিল। ৰাষ্ট্ৰপতি মহোদয়ৰ 'ছুইট'লৈকে মাতি পঠিয়াইছে। ইমান ৰাতি ৰাষ্ট্ৰপতিৰ তলব— নিশ্চয় কিবা গম্ভীৰ কথা আলোচনা কৰিবলগীয়া আছে। জৰুৰী অৱস্থাৰ উদ্ভৱ নহ'লে কালামে কেতিয়াও অফিচ ছুটীৰ পিছত অথবা বন্ধৰ দিনত কোনো বিষয়াক দিগদাৰি নকৰে।

মই ৰাষ্ট্ৰপতিৰ ছুইটলৈ গ'লোঁ। গাত নীলা ছাৰ্ট, মুখত মিচিকিয়া হাঁহি। কিন্তু ভ্ৰূযুগল ঈষৎ কুঞ্চিত।

মোৰ ফালে চাই তেওঁ ক'লে, 'প্ৰধানমন্ত্ৰীয়ে মোলৈ ফোন কৰিছিল। বিছ মিনিটমান সময় মোৰ লগত কথা পাতিছে। প্ৰসংগ আছিল বিহাৰ বিধানসভা ভংগ। ব্যাপক হাৰত 'হৰ্ছ-ট্ৰেডিং' (বিধায়ক কিনা-বেচাৰ দৰে অনৈতিক কাম) চলিছে বুলি ৰাজ্যপালে প্ৰতিবেদন দি এইবুলি পৰামৰ্শ আগবঢ়াইছে যে গণতন্ত্ৰৰ সুৰক্ষাৰ বাবে বিহাৰ বিধান সভা ভংগৰ বাদে গত্যন্তৰ নাই। কেবিনেটে ৰাজ্যপালৰ প্ৰতিবেদন বিবেচনা কৰি বিধান সভা ভংগৰ অনুমোদন মোৰ ওচৰলৈ প্ৰেৰণ কৰিছে।

এইখিনিতে অলপ পটভূমিৰ কথা কৈ লওঁ। বিহাৰৰ নতুন বিধানসভা গঠনৰ বাবে ২০০৫ চনৰ ফেব্ৰুৱাৰী মাহত নিৰ্বাচন অনুষ্ঠিত হৈছিল। কিন্তু কোনোটো ৰাজনৈতিক দল বা জোঁটে নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰিলে। চৰকাৰ গঠনৰ বাবে ৰাজ্যপালে সকলো প্ৰকাৰৰ চেষ্টা কৰি চালে। কিন্তু কোনো দল বা জোঁটবন্ধনে চৰকাৰ গঠন কৰিব নোৱাৰিব বুলি আশ্বস্ত হৈ তেওঁ বিধান সভা নিষ্ক্ৰিয় কৰি ৰাখি ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰাৰ বাবে অনুমোদন জনাইছে। ৭ মাৰ্চৰ কেবিনেট বৈঠকে অনুমোদন কৰি ৰাষ্ট্ৰপতিলৈ পঠিয়াইছিল আৰু সিদিনাই ৰাষ্ট্ৰপতি মহোদয়ে

সংবিধানৰ ৩৫৬ নং ধাৰা অনুসৰি সেই সংক্ৰান্তীয় ঘোষণা-পত্ৰত স্বাক্ষৰ কৰিলে। উক্ত ঘোষণা লোকসভা আৰু ৰাজ্যসভাই ক্ৰমে ১৯ মাৰ্চ আৰু ২১ মাৰ্চত অনুমোদন জনাইছিল।

তাৰ পিছত ২০০৫ চনৰ ২১ মে'ৰ দিনা ৰাজ্যপালজনে বিহাৰ বিধান সভা ভংগ কৰাৰ বাবে পৰামৰ্শ আগবঢ়াই ৰাষ্ট্ৰপতিলৈ এটা প্ৰতিবেদন প্ৰেৰণ কৰিলে। বিহাৰত এনেকুৱা এটা পৰিস্থিতিৰ উদ্ভৱ হৈছিল যে সংযুক্ত জনতা দলে লোকজনশক্তি দলৰ বিধায়কসকলক প্ৰলোভন দেখুৱাই আঁতৰাই আনি নিজৰ দলত চামিল কৰি গৰিষ্ঠ দল হিচাপে ৰাজ্যত চৰকাৰ বনোৱাৰ দাবী উত্থাপন কৰাৰ কৌশল অৱলম্বন কৰিছিল। ৰাজ্যপালৰ বিবেচনাত বিধায়কসকলক তেনেকৈ অনৈতিকভাৱে প্ৰভাৱিত কৰা কাৰ্যই জনতাৰ ৰায়দানক বিভ্ৰান্ত কৰিব; গতিকে নিষ্ক্ৰিয় কৰি ৰখা সদন ভংগ কৰি দিব লাগে যাতে মানুহে নিজৰ ৰায় সাব্যস্ত কৰাৰ বাবে নতুন এটা সুযোগ লাভ কৰে।

২২ মে'ত অনুষ্ঠিত কেবিনেটৰ বৈঠকে ৰাজ্যপালৰ প্ৰতিবেদনখন গ্ৰহণ কৰি অনুমোদন জনাই সংবিধানৰ ১৭৪ (২) (b) ধাৰা অনুসৰি বিহাৰ বিধানসভা ভংগ কৰাৰ আদেশ জাৰি কৰিবলৈ ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰিলে।

তেওঁ মোক সুধিলে, 'আমি এতিয়া কি কৰিম?'

মই ক'লোঁ, 'ছাৰ, আগতে কাগজ-পত্ৰবোৰ আহক— আমি পৰীক্ষা কৰি চাওঁ।' আমি মনে মনে অপেক্ষা কৰি থাকিলোঁ। বেছি সময় ৰ'বলগীয়া নহ'ল। কেইমিনিটমানৰ ভিতৰতে দিল্লীৰ পৰা ফেক্স্‌যোগে পঠিওৱা কাগজ-পত্ৰবোৰ আহি পালে। কালামৰ ব্যক্তিগত সচিবজনে তেওঁৰ সন্মুখতে কাগজ-পত্ৰবোৰ মোৰ হাতত দিলেহি। মই উল্লেখ কৰা পইণ্টবোৰকে আগবঢ়োৱা হৈছে। ইউনিয়ন কেবিনেটে সেইবোৰ বিবেচনা কৰি ৰাজ্যপালৰ বিধানসভা ভংগৰ প্ৰস্তাৱ সমৰ্থন কৰিছে। এতিয়া ৰাষ্ট্ৰপতিৰ সন্মতি লাগে।

মই আটাইখিনি কাগজ পঢ়ি চালোঁ। মন্ত্ৰী পৰিষদৰ পৰামৰ্শ অনুযায়ী ৰাষ্ট্ৰপতিয়ে কাম কৰিব লাগিব। আমাৰ হাতত আছে ৰাজ্যপালৰ প্ৰতিবেদন আৰু মন্ত্ৰী পৰিষদৰ অনুমোদন। আনহাতে সেই সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়েও ৰাষ্ট্ৰপতিৰ সৈতে বিছ মিনিট ধৰি কথা পাতিছে। ৰাষ্ট্ৰপতিৰ হাতত পৰা বস্তুখিনিও অনতিক্ৰম্য। এঘণ্টাৰো অধিক সময় ধৰি আমি বিষয়টোৰ খুঁতি-নাটি খৰচি মাৰি আলোচনা কৰিলোঁ।

তাৰ পিছত মই তেওঁক ক'লোঁ, 'ছাৰ, আপুনি স্বাক্ষৰ কৰক।' তেওঁ চহী কৰিলে। সেই লৈ মোৰ কোনো অনুশোচনা নাই। তেওঁৰো থাকিব নালাগে।

তেহেলৈ আইনৰ জ্ঞান থকা বুলি ভবাসকলে অথবা আইন জানে অথচ কিছুমানে নিজৰ অনুকূলে, কিছুমানে অন্য ধৰণে পাহৰি যোৱা যেন লগা লোকসকলে যিমানেই সমালোচনা নকৰক লাগিলে।

* * *

মই উচ্চতম ন্যায়ালয়ত বিজ্ঞতাৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰাৰ লায়ক নহওঁ। ই সৰ্বোচ্চ। বিজ্ঞ ন্যায়াধীশসকলে যি ৰায়দান কৰিব তাৰ সমৰ্থনত তেওঁলোকৰ নিজস্ব বৈধ যুক্তি থাকিবই। বিহাৰ বিধানসভা ভংগৰ সিদ্ধান্তটো উচ্চতম ন্যায়ালয়ে অসাংবিধানিক বুলি ঘোষণা কৰিলে।

লগে লগে কেউফালে হাহাকাৰ লাগিল। ৰাষ্ট্ৰপতিৰ নাম অথবা ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ৰ বিৰুদ্ধে ন্যায়ালয়ে একো মন্তব্য দিয়া নাই। মাত্ৰ ৰাষ্ট্ৰপতিয়ে জাৰি কৰা আদেশটো অসাংবিধানিক বুলি নিৰ্ণয় কৰিছিল। সংবাদ জগতৰ 'মোগল'সকলক [আন উপযুক্ত শব্দ মই বিচাৰি নাপালোঁ] আৰু নাম-ডাক নোহোৱা উকীলবিলাকক আৰু কি লাগিছে! হুলস্থূল লগোৱাৰ বাবে সেয়েই যথেষ্ট। 'মোগল'বিলাকে বিচাৰিলে— কালামে ইস্তফা দিব লাগে! তেওঁৰ ন্যায়িক আৰু ৰাজনৈতিক বিচক্ষণতা বা দূৰদৰ্শিতাৰ অভাৱ বুলি উকীলবিলাকে হায় হায় লগালে! তেওঁলোক যেনিবা এই সমস্ত গুণৰ অধিকাৰী! 'Constitution' শব্দটোৰ বানানটোও নজনা বহুতে তাৰ ওপৰত দীঘল দীঘল প্ৰবন্ধও লিখিলে। বেচেৰা কালাম! ৰামেশ্বৰমৰ পৰা আহি কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসাৰ গুণত যিজনে নিজক এই অৱস্থালৈ উৎক্ষেপিত কৰিছিল তেওঁ আজি একেকোবে তললৈ— জাবৰ-জোঁথৰৰ দ'মলৈ সৰি পৰিল।

তাৰ পিছৰ দিনবোৰ বৰ বেয়া আছিল। ৰাষ্ট্ৰপতি ভৱনৰ পৰিৱেশ নিৰানন্দময় হৈ পৰিছিল। বাগ্মীবৰ, কথাচহকী কালামৰ মুখৰ মাত হৰিল-- তেওঁ সম্পূৰ্ণ নীৰৱ হৈ পৰিল। মনে মনে তেওঁনো কি ভাবি আছে মই ভালকৈ অনুমান কৰিব পাৰিছিলোঁ।

দুটামান দিন তেনেকৈয়ে ব্যতীত হ'ল। এদিন কালামে মোক তেওঁৰ কোঠালৈ মাতি পঠিয়ালে। তেওঁৰ কোঠালৈ গৈ দেখোঁ সদায় তেওঁৰ মুখত দেখা হাঁহিটো নাই। মই বহাৰ লগে লগে তেওঁ পোনে পোনে মোৰ চকুলৈ চাই ক'লে, 'মিষ্টাৰ নায়াৰ! মই এটা সিদ্ধান্ত লৈছোঁ।' তেওঁ কি সিদ্ধান্ত লৈছে মই জানিছিলোঁ— জেপৰ পৰা নিয়া হাতখনেই সেইটো কৈ দিছিল। অলপ আগলৈ হাউলি গৈ মই ক'লোঁ, 'ছাৰ! ...' কিবা ক'বলৈ পোৱাৰ আগতে তেওঁ হস্তক্ষেপ

কৰিলে, 'নো, মিষ্টাৰ নায়াৰ! আপুনি একো নক'ব। মোৰ বিবেক অনুসৰিয়েই মই এই সিদ্ধান্ত লৈছোঁ।' মই আহত হ'লোঁ। সঁচা কথা ক'বলৈ গ'লে, ক্রোধান্বিত হৈ, মই বহি পৰিলোঁ। তাত বিৰাজ কৰিছিল এক অস্বাভাৱিক থমথমীয়া পৰিৱেশ। তাৰ পিছত তেওঁ আন একো কোৱা নাই— ময়ো কোৱা নাই, মোক ক'বলৈ মানাও কৰিছিল। মই জানিছিলোঁ— সংবাদজগতৰ 'মোগল'বিলাকে বিচৰা কাগজখনেই আছিল তেওঁৰ জেপত।

দুটা দিন বাগৰি গ'ল। ভাৰতবৰ্ষত এটা ডাঙৰ কথা আছে। আমাৰ ইয়াত উপদেশ দিওঁতাৰ অভাৱ নাই। কোনো ছুপাৰিছ বা অনুমোদন অবিহনে অধিকাৰ কৰি থাকিব পৰা ভাৰত চৰকাৰৰ অধীনত কিবা যদি এটা পদ আছে সেইটো হ'ল উপদেষ্টাৰ পদ। গভীৰ চিন্তা-ভাবনাৰ আৱশ্যকতা নাই, চিন্তা নকৰাকৈয়ে উপদেশ-পৰামৰ্শ দিব পাৰি। এজন এড্‌ভাইছাৰ (উপদেষ্টা)সহ কালামো সদায় তেনে ধৰণৰ এক বৃহৎসংখ্যক লোকৰ দ্বাৰা পৰিৱেষ্টিত হৈ আছিল।

সেইদৰে কেইবাদিনো পাৰ হ'ল। সংবাদ জগতত নতুন নতুন বিশেষজ্ঞৰ আৱিৰ্ভাৱ ঘটিল। তাৰে কিছুমান নিৰ্ভেজাল। আন বহুতৰে বুদ্ধি-বৃত্তি আছিল তেনেই নিম্নমানৰ।

তেওঁ মোক আকৌ মাতি পঠিয়ালে। 'মিষ্টাৰ নায়াৰ! আই ওৱাণ্ট্‌ টু দিছকাছ বিহাৰ!' এইবাৰ মই তেওঁক বাধা দিলোঁ, যথেষ্ট সম্ভ্ৰমসহকাৰে! মই জানিছিলোঁ— এয়া মই ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ সন্মুখত। মই ক'লোঁ, 'ছাৰ! সেইদিনা মই যেতিয়া আপোনাক কিবা এটা ক'ব খুজিছিলোঁ, আপুনি 'no' বুলি কৈছিল। মই মুখ জপাবলৈ বাধ্য হৈছিলোঁ। ছাৰ! আজি এনে কি নতুন ঘটনা ঘটিল?' তেওঁ এনেয়ে মোৰ ফালে মূৰ তুলি চালে। আৰু মই? তেওঁৰ যি দুৰ্যোগ আহিছে তালৈ চাই— মই অনভিপ্ৰেত হ'লেও নিজৰ অসহিষ্ণুতাৰ বাবে নিজকে শাওপাত দিলোঁ।

তেওঁ ক'লে, 'মিষ্টাৰ নায়াৰ! মই দুটা কাম কৰিব পাৰিলোহেঁতেন! প্ৰথমতঃ মই প্ৰস্তাৱটো পুনৰ বিবেচনাৰ বাবে কেবিনেটলৈ ঘূৰাই পঠিয়াব পাৰিলোহেঁতেন। আৰু অন্ততঃ পিছদিনা ৰাতিপুৱালৈকে মই বাট চাব পাৰিলোঁহেঁতেন।'

ইতিমধ্যে মোৰ ধৈৰ্যৰ বান্ধ সুলকি পৰিছিল! মই জানো— এনে এটা কথা কোৱাৰ বাবে মৃত্যুদণ্ডৰে দণ্ডিত কাৰাবন্দীৰ বাবে থকা ৰাষ্ট্ৰপতিৰ ক্ষমাদানো মই নাপাম। কিন্তু মই তেতিয়াও মৰ্যাদা অটুট ৰাখিছিলোঁ। সম্ভৱ সদায় একেলগে নোযোৱা দুটা গুণ!

মই ক'লোঁ, 'ছাৰ! মই এজন বিজ্ঞানীৰ সৈতে কথা পাতি আছোঁ। তেওঁ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি— ৰাজনীতিজ্ঞ ৰাষ্ট্ৰপতি নহয়। বিজ্ঞানীয়ে সদায় যুক্তি-তৰ্কৰ মাজেদি বিচাৰ কৰে। এই সংক্ৰান্তত মই আপোনাক দুটামান প্ৰশ্ন সুধিম— আৰু আপুনি এজন বিজ্ঞানী ৰাষ্ট্ৰপতি হিচাপে তাৰ উত্তৰ দিব।' মোৰ দৰে এজন আমোলা বিষয়াৰ পৰা তেওঁ সেইটো আশা কৰা নাছিল নিশ্চয়— কিন্তু তেওঁৰ অভ্যন্তৰৰ বিজ্ঞানীজনে মোৰ কথাত সঁহাৰি দিলে। কেইবাদিনৰ পিছত তেওঁৰ মুখেদি এটা হাঁহি বাগৰি যোৱা মই দেখিবলৈ পালোঁ। তেওঁ ক'লে, 'ঠিক আছে।'

'ছাৰ! আমি আছিলোঁ মস্কোত। আপোনাৰ আগত কি আছিল? ৰাজ্যপালৰ তিনিটা প্ৰতিবেদন (যিয়েই নিলিখক কিয়— সেইকেইটা অলংঘনীয় আৰু যুক্তিসিদ্ধ)— মন্ত্ৰী পৰিষদৰ অনুমোদন, পৰামৰ্শ আৰু আপোনাৰ সৈতে টেলিফোনত হোৱা প্ৰধানমন্ত্ৰীৰ বাৰ্তালাপ। তাৰ বিপৰীতে, সেই প্ৰস্তাৱটো ঘূৰাই পঠিয়াবলৈ আপোনাৰ হাতত এনে কি অখণ্ডনীয় তথ্য মজুত আছিল? মোৰ অনুমান অনুসৰি, আপুনি দিল্লীত থকা হ'লে আপোনাৰ জনা-শুনা নেতা বা অইন যি কোনো লোকে আপোনাৰ সৈতে ব্যক্তিগতভাৱে অথবা টেলিফোনত কথা পাতিব পাৰিলেহেঁতেন! তাত, মস্কোত কোনোবাই আপোনাৰ সৈতে কথা পাতিছিল নে? আপোনাৰ মুখৰ আগত থকাকেইটাৰ বাদে আপোনাৰ হাতত অইন কিবা তথ্য আছিল জানো? কিহৰ ভিত্তিত আপুনি সেইটো ঘূৰাই পঠিয়ালে হয়— বা ঘূৰাই পঠিয়াব পাৰিলেহেঁতেননে?'

এক লহমাৰ বাবে তেওঁ কিবা এটা ভাবিলে। 'নহলে, মই পিছদিনা ৰাতিপুৱালৈকে বাট চাব পাৰিলোঁহেঁতেন!'— তেওঁ ক'লে।

মই সুধিলোঁ, 'কিয় ছাৰ? ৰাষ্ট্ৰপতি ভৱনলৈ অহা সকলো প্ৰস্তাৱৰ ক্ষেত্ৰত ক্ষিপ্ৰ ব্যৱস্থা হাতত ল'ব লাগে— আৰু সিবোৰ নিষ্পত্তি কৰাৰ ক্ষেত্ৰত অকণো বিলম্ব কৰিব নালাগে বুলি আপুনিয়েই জানো আমাক সদায় সকীয়াই নাথাকে? তেনে ক্ষেত্ৰত, সেই প্ৰস্তাৱটো পিছদিনালৈকে কাৰ্যকৰী নকৰাকৈ পেলাই থোৱাৰ কি যুক্তি দিব আপুনি?' তেওঁ ক্ষন্তেক পৰ তলকা মাৰিলে। তাৰ পিছত মোলৈ চাই ক'লে, 'মিষ্টাৰ নায়াৰ! উচ্চতম ন্যায়ালয়ত আপুনি মোক প্ৰতিনিধিত্ব কৰা হ'লে!'

তেতিয়া মোৰ কে'ছটোক জিৰণি দিলোহেঁতেন!

২০

জেনেৰেল পাৰভেজ্ মুছাৰফ ভাৰত ভ্ৰমণলৈ আহিছিল। পাকিস্তানৰ ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণ এটা গুৰুত্বপূৰ্ণ ঘটনা। সেই লৈ কূটনৈতিক মহল আৰু সংবাদ মাধ্যমত এক স্বাভাৱিক হৈ-চৈ লাগি পৰিছিল। তেওঁৰ নিৰ্ধাৰিত কাৰ্যসূচীৰ ভিতৰত ৰাষ্ট্ৰপতি কালামক সাক্ষাৎ কৰাটো অন্যতম আছিল।

সাক্ষাতৰ দিনটোৰ আগদিনাখন মই কালামৰ ওচৰলৈ গ'লোঁ। মই তেখেতক ক'লোঁ, 'ছাৰ, কাইলৈ জেনেৰেল মুছাৰফে আপোনাক দেখা কৰাৰ কথা।'

'এৰা, মই জানো', বুলি উত্তৰ দি উঠি, মই আৰু কি ক'ব খুজিছোঁ তাকে জানিবলৈ উদগ্ৰীৱ হৈ ৰৈ থাকিল।

'ছাৰ, তেওঁ নিশ্চয় আপোনাৰ আগত কাশ্মীৰৰ প্ৰসংগটোকে উলিয়াব। তাৰ বাবে আপুনি সাজু হ'ব লাগিব।'— এইবুলি মই মোৰ বিচাৰ ব্যক্ত কৰিলোঁ।

কালাম এক মুহূৰ্ত নীৰৱে ৰ'ল। তাৰ পিছত মোৰ ফালে চাই মিচিক কৰে হাঁহি এটা মাৰি ক'লে, 'আপুনি উদ্বিগ্ন নহ'ব। বিষয়টো মই চম্ভালি ল'ম।' তেখেতৰ আত্মপ্ৰত্যয় নিঃসন্দেহ— সেইটো ঠিক। তথাপি, যিটো প্ৰসংগই ডাঙৰ ডাঙৰ কূটনৈতিক নেতাবিলাকক ক্ষুব্ধ কৰিব পাৰে, আৰু যি প্ৰসংগত আগ্ৰাত অনুষ্ঠিত বিখ্যাত শীৰ্ষ সন্মিলনখন বিচ্যুত হৈছিল তেনে জটিল প্ৰসংগ এটা তেওঁ কিদৰে চম্ভালিব তাকে ভাবি ভাবি মই তেখেতৰ কোঠাৰ পৰা ওলাই আহিলোঁ। ইফালে সেই দেশখনৰ লগত বিবাদৰ আদি-অন্ত নাই।

পাকিস্তানী আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজত অনুষ্ঠিত এখন ক্ৰিকেট খেলৰ হাইলাইট আছিল। সঁচাকৈয়ে এটা ঘটনাবহুল দিন। তাৰ পিছত সন্ধিয়া হ'ল। তাৰকা বেট্ছমেন ধোনীৰ চুলি সম্পৰ্কে সেনাধ্যক্ষজনে দিয়া মন্তব্যই বাতৰিৰ প্ৰতিবেদনবোৰৰ ৰং-ৰূপ বৃদ্ধি কৰিছিল।

সন্ধিয়া সাত বাজি ত্ৰিছ মিনিট যোৱাত জেনেৰেল মুছাৰফৰ গাড়ীৰ

বিশাল কনভয় উপস্থিত হোৱাৰ লগে লগে তেওঁক ৰাষ্ট্ৰপতি ভৱনৰ প্ৰথম মহলাৰ নৰ্থ ড্ৰয়িং ৰুমলৈ লৈ যোৱা হ'ল। কালামে সম্পূৰ্ণ ৰাজকীয় মৰ্যাদাৰে তেওঁক আগবঢ়াই নিলে। সন্মানসহকাৰে নিজৰ আসনখনত বহিবলৈ দিলে আৰু নিজে তেওঁৰ কাষত বহিল। আগতে নিৰ্ধাৰিত কৰি ৰখা নিজৰ নিজৰ ঠাইত পাকিস্তানী আৰু ভাৰতীয় বিষয়াসকল বহি ল'লে। ত্ৰিছ মিনিট ধাৰ্য কৰা আলাপ আৰম্ভ হ'ল।

উভয়ে উভয়ক হাঁহিৰে সম্ভাষণ জনালে। দুয়োপক্ষৰ মাজত কুশল-মংগল বাৰ্তাৰ বিনিময় হ'ল। তাৰ পিছত কালামে আৰম্ভ কৰিলে, 'ৰাষ্ট্ৰপতি চাহাব! ভাৰতৰ নিচিনা আপোনালোকৰ তাতো বহুত গ্ৰামাঞ্চল আছে। অগ্ৰাধিকাৰ ভিত্তিত আমি উভয়ে সেইবোৰ অঞ্চলৰ যিমানদূৰ পাৰি উন্নতি সাধন কৰাৰ কথা ভাবিব নোৱাৰোঁনে?'

'ঠিকেই'— বুলি কোৱাৰ বাদে জেনেৰেল মুছাৰফে আন একোকে ক'ব নোৱাৰিলে।

তাৰ পিছতহে কালামে আচল কথা আৰম্ভ কৰিলে, 'চাওক ৰাষ্ট্ৰপতি ডাঙৰীয়া! মই আজি আপোনাক খুব সংক্ষেপে 'পূৰা' (PURA)ৰ বিষয়ে কওঁ। 'পূৰা' (PURA) মানে হ'ল গ্ৰামাঞ্চলত নগৰীয়া সা-সুবিধা প্ৰদান বা উপলব্ধকৰণ— 'Providing Urban Facilities in Rural Areas।' তাৰ পিছত প্লাজমা স্ক্ৰীণখন সক্ৰিয় হৈ উঠিল আৰু 'পূৰা' (PURA) কি আৰু ই কি উদ্দেশ্য সাধন কৰিব পাৰে সেইবোৰৰ সংক্ষিপ্ত বিৱৰণ পৰ্দাত ভাঁহি আহি থাকিল। সেইটো চাৰিছ মিনিট ধৰি চলিল। জেনেৰেল মুছাৰফৰো বিষয়টোৰ ওপৰত আগ্ৰহ জন্মিল। শেষ হোৱাত তেওঁ মিচিকিয়াই হাঁহি ক'লে, 'ধন্যবাদ ৰাষ্ট্ৰপতি ডাঙৰীয়া! ভাগ্যৰ বলতহে ভাৰতবৰ্ষই আপোনাৰ নিচিনা এজন বিজ্ঞানী ৰাষ্ট্ৰপতি লাভ কৰিছে।' তাৰ পিছত দুয়োজন ৰাষ্ট্ৰপতিয়ে কৰমৰ্দন কৰি বিদায় ল'লে।

বিজ্ঞানীসকলো কূটনৈতিক ব্যক্তি হ'ব পাৰে!

২১

২০০৬ চনৰ ফেব্ৰুৱাৰীৰ মাজ ভাগ। সমগ্ৰ ভাৰতবৰ্ষ জ্বৰত আক্ৰান্ত। চিকুনগুণীয়া, ডেংগু অথবা অন্য কোনো জ্বৰ নহয়। এইটো হ'ল 'বুশ্ব' জ্বৰ। আমেৰিকাৰ ৰাষ্ট্ৰপতি জৰ্জ বুশ্ব ভাৰত ভ্ৰমণলৈ আহিব— সেই লৈ কেউফালে হৈ-চৈ লাগি পৰিছে।

কেউফালে উত্তেজনাপূৰ্ণ কাম-কাজ। ফ্ৰান্সৰ ৰাষ্ট্ৰপতিজনৰ ভাৰত ভ্ৰমণ সৌ সিদিনা মসৃণভাৱে শেষ হৈছেহে মাথোন। এতিয়া সকলোৰে মনোযোগৰ কেন্দ্ৰবিন্দু হৈছে বুশ্ব। তেওঁৰ বাবে বুলনী দলিচা বা ৰঙা কাৰ্পেট পৰা কামত সকলো ব্যস্ত। আমেৰিকান ৰাষ্ট্ৰপতিৰ ভ্ৰমণ কদাচিৎহে হয়। ইমান ব্যস্ত হোৱাৰ সম্ভৱতঃ সেইটো এটা কাৰণ। নহ'লে সেই দেশৰ সৈতে হোৱা চুক্তিবোৰৰ আমূল পৰিৱৰ্তন ঘটিব।

চৰকাৰৰ অতিকে গুৰুত্বপূৰ্ণ দপ্তৰ এটাৰ পৰা মোলৈ এটা ফোন আহিল। ফোনটো আহিছিল দপ্তৰটোৰ এজন জ্যেষ্ঠ বিষয়াৰ পৰা। মাৰ্জিত আৰু আমোলাতান্ত্ৰিক ভংগীৰে তেওঁ মোক কৈছিল যে সম্ভৱ এইবেলি ৰাষ্ট্ৰপতি ভৱনৰ বাৰাণ্ডাৰ কাৰ্পেট সলনি হ'ব পাৰে। সমানে সংযত মাতেৰে মই কিয় বুলি সুধিলোঁ। তেওঁ তেতিয়া উত্তৰ দিলে, 'বুশ্ব আহি আছে।' মই উচ্চ ৰক্তচাপত ভোগা মানুহ— মনৰ উদ্বিগ্নতা বাঢ়িলে মোৰ ধৈৰ্যচ্যুতি ঘটে। মোক ফোন কৰা বিষয়াজনক মই শ্ৰদ্ধা-ভক্তি কৰোঁ। সেইবাবে মই নম্ৰভাৱে ক'লোঁ, 'নাই, একেবাৰে নহয়। অন্য ৰাষ্ট্ৰপতি বা ৰাষ্ট্ৰৰ মুৰব্বীৰ বাবে আমাৰ ৰাষ্ট্ৰপতি ভৱনত যিটো উৎকৃষ্ট সি আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ বাবেও উৎকৃষ্ট হোৱা উচিত।' তেওঁ ফোনটো কাটি দিলে।

মই তেনেকুৱা আৰু এটা ফোন পালোঁ বহিঃপৰিক্ৰমা মন্ত্ৰালয়ৰ আন এজন জ্যেষ্ঠ কাৰ্যবাহীৰ পৰা। তেওঁ ক'লে, 'মিঃ পি এম, আপোনাৰ সময়-সুবিধা অনুসৰি আমি একেলগে ৰাষ্ট্ৰপতি ভৱনৰ সা-সুবিধাবোৰ পৰিদৰ্শন কৰিব লাগে। কাৰণ, আপুনিতো জানে ৰাষ্ট্ৰপতি বুশ্ব আহি আছে।'

মই ক'লোঁ, 'হয়, মই জানো। পৰিদৰ্শন কৰিবলগীয়া একো নাই। ৰাষ্ট্ৰপ্ৰধান এজন আমাৰ দেশলৈ আহিব— সেয়াতো প্ৰথম বা নতুন কথা নহয়। যোৱা সপ্তাহত আমাৰ দেশ ভ্ৰমণলৈ অহা ৰাষ্ট্ৰপ্ৰধানজনৰ বাবে যিখিনি ভাল আছিল সেইখিনি অহা সপ্তাহত আহিবলগীয়াজনৰ বাবেও ভাল হ'ব।' এই জ্যেষ্ঠ বিষয়াজনৰ লগত মোৰ বিশেষ বুজাবুজি আছিল। কিন্তু তেওঁ তাৰ পিছত এটা শব্দও উচ্চাৰণ নকৰিলে।

এইটো বিষয় লৈ আৰু কোনো ফোন নাহিল।

ইতিমধ্যে মই এটা কথা শুনিছিলোঁ। আগতে আমেৰিকান ৰাষ্ট্ৰপতিজনা আমাৰ দেশলৈ আহিলে তেওঁলোকৰ গুপ্তচৰ সংস্থা আৰু আৰক্ষীয়ে আমাৰ ৰাষ্ট্ৰপতি ভৱনৰ নিৰাপত্তাও নিজৰ হাতলৈ নিছিল। তেনে ক্ষেত্ৰত ৰাষ্ট্ৰপতি ভৱনৰ বিষয়াসকলে তেওঁলোকৰ নজৰ আৰু নিৰাপত্তাৰ বশ বা অধীন হ'বলগীয়াত পৰিছিল। তেওঁলোকৰ ৰাষ্ট্ৰপতি বাহিৰলৈ গ'লে কি অসাধাৰণ ব্যৱস্থা গ্ৰহণ কৰা হয় সেইবোৰ কথা সংবাদ মাধ্যমৰ জৰিয়তে বহু বেছি প্ৰচাৰ কৰে। একপ্ৰকাৰ ভীতি সঞ্চাৰ! সি যি কি নহওক লাগিলে, ৰাষ্ট্ৰপতি ভৱন আৰু তাৰ নিৰাপত্তাৰ সংক্ৰান্তত তেনে এটা কথা মই মুঠেও মানি ল'ব পৰা নাছিলোঁ। আৰু পিছদিনাখনেই ৰাষ্ট্ৰপতিৰ ওচৰত মই মোৰ মতামত ব্যক্ত কৰিলোঁ। তেওঁ সন্মতিৰে মৃদুহাস্য কৰিলে। মই যি ব্যৱস্থা গ্ৰহণ কৰাৰ কথা কৈছোঁ সেই সংক্ৰান্তত তেওঁ সেই হাঁহিটোৰেই নিজৰ প্ৰত্যয় আৰু বিশ্বাসৰ সঁহাৰি দিছিল। মই জানো তেখেতে মোৰ কাৰ্যপন্থা সমৰ্থন বা পছন্দ কৰে। মোৰ বাবে সেয়াই যথেষ্ট।

মই গুপ্তচৰ সংস্থাক এটা কথা স্পষ্টকৈ জনাই দিলোঁ যে ৰাষ্ট্ৰপতি ভৱনৰ নিৰাপত্তাৰ সম্পূৰ্ণ দায়িত্ব ভাৰতৰ আৰক্ষী আৰু নিৰাপত্তা সংস্থাসমূহে গ্ৰহণ কৰিব। অইন দেশৰ কাকোৱেই তাৰ তদাৰক কৰিবলৈ দিয়া নহ'ব। অৱশ্যে তেওঁলোকক এটা বিশেষ ৰেহাই দিয়া হ'ব। ভৱনটোৰ শীৰ্ষভাগত এজন 'স্নাইপাৰ' বা বন্দুকধাৰী লোক ৰাখিব পাৰিব— তাকো আনে নেদেখাকৈ লুকাই থাকিব লাগিব। এইটো এবাৰেই হৈছিল। এনেধৰণৰ তাগিদা বা অনুৰোধ আগতে কোনোদিন কাৰোপৰা অহা নাছিল।

ৰাষ্ট্ৰপতি বুশ্বৰ আগমন ঘটিল। সংবাদ মাধ্যম, নিৰাপত্তাৰক্ষী আৰু আনবিলাকে যি হৈ-চৈ লগাইছিল তাৰ তুলনাত তেওঁৰ উপস্থিতি কিমান সতেজ, কিমান উষ্ম আৰু কিমান যে বন্ধুত্বপূৰ্ণ! ৰাষ্ট্ৰপতিৰ অংগৰক্ষকসকলৰ

আকৰ্ষণীয় উপস্থিতিত আনুষ্ঠানিক স্বাগত সম্ভাষণ চলি আছিল।

সম্ভ্ৰান্ত ব্যক্তিৰ সন্মানাৰ্থে আয়োজিত ভোজমেল এক ডাঙৰ ঘটনা। দ্বিতীয়বাৰৰ বাবে তেনেকুৱা ভোজমেল মোগল গাৰ্ডেনৰ লনত পতা হৈছিল। দিল্লী সমাজৰ উচ্চস্তৰৰ লোকসকলকে ধৰি গণ্য-মান্যসকলে সেই ভোজমেললৈ নিমন্ত্ৰণ পোৱাৰ বাবে কিমান ভিৰ কৰিছিলহি সেইটো ক'ব নোখোজোঁ। বৰ লাজ লগা বুলি ক'লেও কমকৈ কোৱা হ'ব।

ভোজমেলৰ আগতে আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে কালামক আনুষ্ঠানিক সাক্ষাৎ কৰিলে। প্লাজ্মা স্ক্ৰীণখনে আকৌ এবাৰ প্ৰাণ পাই উঠিল। তাকে দেখি বুশ্ব আৰু তেওঁৰ পত্নী লাৰাই বৰ আমোদ পোৱাৰ লগতে বিস্মিতও হ'ল।

ভোজমেলো সুকলমে পাৰ হ'ল। ভোজমেল শেষ হোৱাত বুশ্ব বেণ্ডপাৰ্টীৰ ওচৰলৈ গ'ল আৰু তেওঁলোকে পৰিৱেশন কৰা কুচকাৱাজৰ বাবে অভিনন্দন জনালে।

ভাৰতত লাভ কৰা উষ্ম আদৰ-আপ্যায়নৰ বাবে বুশ্বে নিজ হাতেৰে ৰাষ্ট্ৰপতি কালামলৈ প্ৰশংসা-পত্ৰ এখন লিখি প্ৰেৰণ কৰিছিল। চিঠিখন পৰিশিষ্টত দিয়া হৈছে।

আমাৰ দেশত লাভ কৰা আতিথ্যত মুগ্ধ হৈ শ্ৰীমতী লাৰা বুশ্বেও ৰাষ্ট্ৰপতিলৈ ধন্যবাদসূচক চিঠি এখন দিছিল। আমাৰ ফালৰ পৰা আমিও এহাল অতিকে মোহনীয় দম্পতীৰ সাক্ষাৎ লাভ কৰিলোঁ।

ত্ৰিৰংগা পতাকাখন ৰাষ্ট্ৰপতি ভৱনৰ শীৰ্ষত সগৌৰৱে উৰি আছিল।

২২

'মই নাথাকোঁতে মোৰ পেন্সিলডাল কোনে নিলে?'— খঙত জ্বলি-পকি উঠা এয়া মোৰ দেউতা। আমি কেৰালাৰ থোৰুপুঝাত আছিলোঁ— তাত তেওঁ জিলা মুন্সিফ আছিল। ঘৰত অফিচৰ কাম-কাজ কৰা তেওঁৰ এখন মেজ আছিল। কেছৰ ফাইলৰ কাম-কাজ কৰাৰ বাবে লগা দৰকাৰী খুচুৰা বস্তুবোৰ তাত থাকে। ঘটনাক্ৰমে আমাৰ ঘৰত আন কোনো মেজ বা খুচুৰা বস্তুও নাছিল।

মই তেতিয়া পঞ্চম মান শ্ৰেণীত পঢ়ি আছোঁ। মোক ঘৰত কৰিবলৈ দিয়া কামবোৰত ঠায়ে ঠায়ে তলত আঁচ পাৰিব লাগিছিল। তেতিয়া কামটো কৰাৰ বাবে দেউতাৰ অফিচৰ পেন্সিলডাল হেলাৰঙে ব্যৱহাৰ কৰিছিলোঁ। কামটো কৰাৰ পিছত পেন্সিলডাল য'তে থাকিব লাগে বুলি ভাবিছিলোঁ ত'তেই থৈ দিওঁগৈ। কিন্তু মোৰ ভুল হৈছিল আৰু দেউতাই সেইটো গম ধৰিছিল।

আমাৰ ঘৰৰ কোনো এটি প্ৰাণীয়ে তেওঁৰ আগত মিছা কোৱাটো দূৰৰ কথা— 'নাই' বুলি কোৱাৰ সাহসো কৰা নাছিল। সেইবাবে মই আগবাঢ়ি আহি ক'লোঁ, 'মই... মই তলত আঁচ পৰাৰ বাবে পেন্সিলডাল আনিছিলোঁ, দেউতা!' দুখীত বুলি কোৱাৰ সাহসকণো মই গোটাব পৰা নাছিলোঁ।

'অফিচৰ বস্তু অকল অফিচৰ কামৰ বাবে— কাৰো ব্যক্তিগত ব্যৱহাৰৰ বাবে নহয় বুলি তুমি নাজানা নেকি?' লগে লগে সাৰৌপ সাৰৌপকৈ তিনিটা বেতৰ কোব (বেত এডাল তেওঁ সদায় হাতে পোৱাতে ৰাখিছিল) মোৰ গাত পৰিছিল। মই এটা শিক্ষা পালোঁ— এটা সমুচিত শিক্ষা, যি শিক্ষাই মোক গোটেই জীৱনজুৰি প্ৰভাৱিত কৰিছিল।

ন্যায়পৰায়ণতা বা সাধুতাৰ পৰাকাষ্ঠা দেখা পোৱা বুলি ভাবিছিলোঁ। কিন্তু

সেইটো মোৰ ভুল। স্বৰ্গগত পিতৃদেৱতালৈ ভক্তি জনাই কওঁ যে আৰু বহু বেছি শিকিবলগীয়া আছিল বুলি মই বুজিছিলোঁ।

২০০৬ চন। মে' মাহ। 'শুনক মিঃ নায়াৰ! মোৰ আত্মীয়স্বজন কেইজনমান এসপ্তাহ-দহ দিনৰ বাবে ইয়ালৈ আহিব। এই কথাটো নিতান্ত ব্যক্তিগত। মনত ৰাখিব— এইটো যাতে কোনো ক্ষেত্ৰত চৰকাৰী বুলি গণ্য কৰা নহয়।'এয়া আন কোনো নহয়। কালামে মোক কৈছিল যে তেওঁৰ অঙহী-বঙহী বাবন্নজন তেওঁৰ ওচৰলৈ আহিব। তাৰ ভিতৰত আছে তেওঁৰ নিজৰ নবৈ বছৰীয়া ককায়েকৰ পৰা আৰম্ভ কৰি ডেৰ বছৰীয়া পৰি-নাতিলৈকে। মই জানিছিলোঁ— কালামে উচ্চাৰণ কৰা প্ৰতিটো শব্দ অতি স্পষ্টকৈ কৈছিল।

তেওঁলোক আহিল আৰু আঠ দিন থাকিল। তেওঁলোক আজমীৰ শ্বৰীফলৈ গৈছিল। কমবয়সীয়াবিলাকে দিল্লীত অলপ-অচৰপ বজাৰ-সমাৰো কৰিছিল। তাৰ পিছত আটায়ে গুচি গ'লগৈ।

এইটো এটা অসাধাৰণ ঘটনা। কালামৰ আত্মীয়সকলৰ বাবে এবাৰলৈ— মাত্ৰ এবাৰলৈকো, চৰকাৰী গাড়ী এখন ব্যৱহাৰ কৰা নহ'ল। বিশেষকৈ বহুসংখ্যক মানুহ থকাৰ পিছতো। ৰাষ্ট্ৰপতি ভৱনৰ যিকেইটা কোঠাত আত্মীয়সকল আছিল সেইকেইটা কোঠাৰ বাবে কালামে ভাৰা আদায় দিছিল। তেওঁ আনকি আলহীয়ে খোৱা প্ৰতি কাপ চাহৰ দাম আদায় দিছিল। সৰ্বমুঠ বিল হৈছিল ৩.৫২ লাখ টকাৰ। সেই টকা কালামে নিজৰ জেপৰ পৰা আদায় দিছিল। তেওঁ এই কথাটো কাৰো আগত সদৰী কৰা নাছিল। আজি মই উল্লেখ কৰিলোঁ। মই ভাবোঁ— মানুহে কথাটো জানক। কথাটো সদৰী কৰা বাবে তেওঁ বেয়া পাব বুলি মোৰ মনে নধৰে। তাহানি দেউতাৰ আগত থিয় দিব নোৱাৰা থোৰুপুঝাৰ ঘটনাটোৰ পিছত আজি ইয়াত মই এই ব্যক্তিজনৰ প্ৰতি শ্ৰদ্ধা জনাই চেলাম দিছোঁ। আৰু তেওঁ তেওঁৰ স্বভাৱসুলভ নম্ৰতাৰে মোক কি যে নেদেখুৱালে!

এনেকুৱা আৰু কেইবাটাও উদাহৰণ আছে। সম্ভৱতঃ ইয়াতকৈও ভাল উদাহৰণ আছে। এই মুহূৰ্তত মোৰ মনত পৰা এটা উদাহৰণ উনুকিয়াওঁ। ২০০২ চনৰ নৱেম্বৰ মাহ। ৰমজানৰ সময়। উপবাস উৎসৱমুখৰ ইফ্‌টাৰ ভোজনেৰে শেষ হয়।

কালাম এজন নৈষ্ঠিক ধৰ্মপ্ৰাণ ব্যক্তি। তেওঁ মোক সুধিলে, 'মিঃ

নায়াৰ! আমি এই ইফ্‌টাৰ ভোজন কিয় কৰিব লাগে? চাওক, এনেকুৱা ভোজনলৈ নিমন্ত্ৰণ কৰা লোকসকল ভালকৈ খোৱা-বোৱা কৰা লোক হয়। তেনেহ'লে আমি ধনৰ অপচয় কৰোঁ কিয়? আপুনি এই কামটোত কিমান ধন খৰচ কৰিব কওকচোন।' মই তেওঁক ক'লোঁ যে সেয়া মই প্ৰথমবাৰৰ বাবে ইফ্‌টাৰ ভোজৰ আয়োজন কৰিছোঁ— হিচাবটো মই তেওঁৰ হাতত দি দিম।

মই কম্প্‌ট্ৰলাৰ বা নিয়ামকজনক মাতি বিতং হিচাব বিচাৰিলোঁ। তেওঁ সেই ভোজনৰ বাবে ২.৫ লাখ টকাৰ ওচৰা-উচৰি খৰচ হ'ব বুলি ক'লে। সেইকথা মই ৰাষ্ট্ৰপতি চাহাবক জনালোঁ। তেওঁ কেইমুহূৰ্তমান কিবা এটা চিন্তা কৰিলে। 'আমি এই টকাখিনি এটা অনাথ আশ্ৰমত দিব নোৱাৰোঁ নে? আপুনি কি ভাবে?'

মই উত্তৰ দিলোঁ, 'খুব ভাল কথা হ'ব, ছাৰ! ভগৱান আপোনাৰ প্ৰতি কৃতজ্ঞ হ'ব।'

তেওঁ ক'লে, 'আপুনি অনাথ আশ্ৰম এখন বাছি উলিয়াওক।' আকৌ ক'লে, 'চাব যাতে পইচাখিনিৰ অপচয় নহয়।'

তেওঁৰ চকুহাল তিৰবিৰাই উঠিল। তেওঁৰ মনৰ ভাব মই বুজিব পাৰিছিলোঁ। বস্তু-বাহানিবোৰ যে প্ৰয়োজন অনুসৰি অনাথ আশ্ৰমত বিতৰণ কৰা হৈছে আৰু ধৰ্ম বা সম্প্ৰদায়ভিত্তিক বাছনি নকৰাকৈ সিবোৰৰ যে সঠিক ব্যৱহাৰ হৈছে মই সেইটো নিশ্চিত কৰিব লাগিব।

মই দলকেইটামান সংগঠিত কৰিলোঁ। টকা-পইচা দিব নালাগে। চাউল, আটা-ময়দা, দাইল, কম্বল আৰু ছুৱেটাৰ আদি কিনা হ'ল। তাৰ পিছত সেই দলবোৰ আঠাইশখন অনাথ অশ্ৰমলৈ গৈ বস্তুবোৰ বিতৰণ কৰিলে। অনাথ আশ্ৰমৰ ল'ৰা-ছোৱালীবোৰ বৰ সুখী হ'ল। আচল কথাবোৰ মই কালামক জনালোঁ।

কিন্তু আৰু এটা আচৰিত ঘটনা ঘটিল।

তেওঁ মোক আকৌ মাতি পঠিয়ালে। গ'লোঁ। কোঠাৰ ভিতৰত তেতিয়া তেওঁ আৰু মই অকলে। চাৰিওফালে এবাৰ চাই লৈ তেওঁ ক'লে, 'চাওক নায়াৰ! আপুনি চৰকাৰী ধন খৰচ কৰি সেই বস্তুবোৰ অনাথ আশ্ৰমত দিলে। ইফ্‌টাৰৰ বাবে মই নিজৰ হাতৰ পৰা ধন দিব খুজিছিলোঁ। মোৰ নিজৰ একাউণ্টৰ পৰা আপোনাক এক লাখ টকাৰ চেক এখন দিলোঁ। চৰকাৰী

ধনখিনি আপুনি যি ধৰণে খৰচ কৰিলে তেনেকৈয়ে এই টকাখিনিও তেনেকুৱা কামত খটুৱাওক। কিন্তু এটা কথা— এই টকাখিনি মই দিয়া বুলি কাকো নক'ব।'

চৰকাৰী ধনখিনি মই যি ধৰণে খৰচ কৰিছিলোঁ ঠিক একে ধৰণে তেওঁ দিয়া টকাখিনিও সৎভাৱে খৰচ কৰিলোঁ।

সি যি কি নহওক লাগিলে, আজি মই স্বীকাৰ কৰোঁ যে তেওঁ নিজৰ একাউণ্টৰ পৰা এনেকৈ ধন দান কৰাৰ কথা মই অইন মানুহক কৈছিলোঁ।

২৩

ৰাষ্ট্ৰপতিৰ বিদেশ ভ্ৰমণ। সকলো সা-সুবিধা উপভোগ কৰিব পৰাকৈ সজ্জিত ৰাষ্ট্ৰপতিৰ প্লেন AI-1এয়াৰ ইণ্ডিয়াৰ স্পেচিয়েল ফ্লাইটখন ভৰ্তি হ'ব। নিৰ্বাচিত কেইজনমান লোকৰ সৈতে কালাম তেওঁৰ বিশেষ কেবিনত বহিব। তেওঁ বিচাৰক বা নিবিচাৰক— বেছিভাগ ক্ষেত্ৰত নিবিচৰাকৈয়ে, সেইসকল লোক তেওঁৰ চৌপাশে থাকিবই। এটা কথা মোৰ মনত পৰিছে। কালামৰ এটা বিদেশ ভ্ৰমণৰ অন্তত বৈদেশিক সেৱাৰ এজন চতুৰ বিষয়াই মোক কৈছিল, 'মিঃ পি এম, তোমালোকে ৰাষ্ট্ৰপতি ভৱনৰ চৌহদটো কীট-পতংগনাশক ঔষধ, পোক মৰা দৰৱ দি চাফা কৰাইছা। কিন্তু মই দেখিছোঁ— জোকবোৰ এতিয়াও আছে।' এই কথাটো তেতিয়া মোৰ মূৰত সোমোৱা নাছিল। তেওঁ কি ইংগিত দিলে তাক এতিয়াহে বুজি পালোঁ! কিমান যে সত্য!

প্লেনখনে 'টেক্-অফ্' বা উৰা মৰাৰ পিছতে প্লেনত থকা ষ্টাফৰ সদস্য আটাইকেউজন ওলাই আহি যাত্ৰীসকলৰ আৰাম-স্বাচ্ছন্দ্যৰ প্ৰতি চকু দিছিল।

এটা ভাল লগা বিৰতি। তাৰ পিছতে অৱশ্যম্ভাৱীভাৱে আহিব পানীয়— আনুষংগিক আটাইবোৰ থাকিবই। ব্লাডী মেৰী, প্লেইন ভদকা, স্কচ্ছ্ আৰু চ'ডা অথবা পাতল পানীয়, ফলৰ ৰস অথবা শীতল পানী সকলো থাকে।

অনৰ্গল কথা-বতৰাৰে চাঞ্চল্য বাঢ়ি গ'ল। আনকি প্ৰেছৰ সাংবাদিকসকলেও হাঁহি-খিকিন্দালিত ভাগ ল'লে। যি কোনো সময়তে ৰাষ্ট্ৰপতি আবিৰ্ভাৱ হোৱাৰ ভয় এটা সকলোৰে মনত খেলাই থাকে। সেইবাবে ৰাষ্ট্ৰপতি চাহাব সোমাই আহিলে হাতৰ পানীয়ৰ গিলাচটো যাতে তৎক্ষণাত নিৰাপদ ঠাই এডোখৰত লুকুৱাই পেলাব পাৰে তাৰ বাবে প্ৰথম শ্ৰেণীৰ যাত্ৰীসকল সাজু হৈ থাকে।

'হেল্লো? কি খবৰ আপোনালোকৰ?' এনে এক উষ্ম সম্ভাষণ আহিব বুলি আটায়ে জানে। তথাপি সকলোৰে যাত্ৰা যাতে শুভ হয় আৰু গিলাচৰ বিদেশী সুৰাপানো চলি থাকে সেইটো আটায়ে কামনা কৰে। সংবাদ মাধ্যমৰ লোকসকলকে ধৰি সকলোৰে লগত দুই-এটা কথা পতাটো কালামৰ ধৰা-বন্ধা নিয়ম। তাৰ পিছত যাত্ৰীসকলক খাদ্য আৰু সুৰা উপভোগ কৰাৰ বাবে সুবিধা

দি তেওঁ যায়গৈ। দুজনমান ব্যক্তিগত সচিব আৰু সহায়ক লগত লৈ নিজৰ কেবিনলৈ যায় আৰু নির্দিষ্ট ঠাইত উপস্থিত হৈ দিবলগীয়া ভাষণটো শেষবাৰলৈ চাই-চিতি লয়। মোৰ বোধেৰে ৰাষ্ট্রপতিৰ সৈতে বিদেশ যাত্রাত যোৱাৰ কোনো কাৰণ নাই, অথচ একমাত্র ৰাষ্ট্রপতিৰ সৌজন্যতা বা ভদ্রতাৰ খাতিৰতে লগত লোৱা দলটোৰ কিছুমানে ঠিক সেইখিনি সময়তে আন কিছুমানৰ বিৰুদ্ধে কিবাকিবি কথা লগাই তেওঁৰ মনটো কলুষ কৰিব খোজে। কিন্তু বাৰম্বাৰ কৰা তেনে প্রচেষ্টা ফলদায়ক নহয়। কাৰণ তেনেবোৰ কথাৰ মর্মার্থ আছে নে নাই সেইটো বিচাৰ কৰাৰ বিচক্ষণতা কালামৰ আছে। সেইদৰে মানুহক বিচাৰ কৰাৰো তেওঁৰ সংবেদী মন এটা আছে। তেওঁ বিচাৰ নকৰাকৈ সকলো কথা মানি লোৱা লোক নহয়।

এনেবোৰ আমোদজনক কথা-কাণ্ডৰ মাজেৰে সূচী অনুসৰি ইখনৰ পিছত সিখন ঠাই উৰণ-অৱতৰণ চলি থাকে। কিন্তু দেশলৈ প্রত্যাৱর্তন কৰা যাত্রাৰ বেলিকা আন সকলো কথা অতিক্রমি তেওঁৰ অভ্যন্তৰৰ শিক্ষকজনৰ আবির্ভাৱ ঘটে। তেতিয়া তেওঁ ভ্রমণটোত কাৰ কি অনুভৱ বা অভিজ্ঞতা হ'ল সেই বিষয়ে এটা বা দুটা পৃষ্ঠাত লিখি দিবলৈ প্রত্যেককে কয়। আনকি তেওঁৰ লগত যোৱা মন্ত্রী-সাংসদ কোনো বাদ নপৰে। অৱশ্যে তেওঁৰ কথাত কোনোৱে একো আপত্তি বা প্রতিবাদ নকৰে। নিজৰ কথাত আনক পতিয়ন নিয়াব পৰা বা সকলোৰে অন্তৰত প্রত্যয় জন্মাব পৰা আৰু দলৰ আটাইকে এক সামূহিক উদ্দেশ্যত সংগঠিত কৰাৰ ক্ষেত্রত কালামৰ পাৰদর্শিতা অপৰিসীম।

২৪

মৰিছাছ ভ্ৰমণ ৰাষ্ট্ৰপতি কালামৰ অন্যতম স্মৰণীয় বিদেশ ভ্ৰমণ। তাৰ আগে আগে তেওঁ ম্যানমাৰলৈ গৈছিল। তেওঁৰ সেই ভ্ৰমণটোও গুৰুত্বপূৰ্ণ আছিল। কিয়নো বহু বছৰ ধৰি এই প্ৰতিবেশী দেশখনৰ সৈতে যোগাযোগ নোহোৱাৰ দৰে হৈছিল।

২০০৬ চনৰ ১১ মাৰ্চ। সেইদিনা আবেলি চাৰি বজাত আমি প'ৰ্ট লুইছত অৱতৰণ কৰিলোঁ। তাত আমাক উষ্ম আদৰ-অভ্যৰ্থনা জনোৱা হ'ল। তাৰ পিছত আহিল গতানুগতিক কাৰ্যসূচীসমূহ।

এটা বিশেষ কাৰণত মই এই ভ্ৰমণটোৰ বাবে অপেক্ষা কৰি আছিলোঁ। সচৰাচৰ ৰাষ্ট্ৰপতিৰ ভ্ৰমণত গতানুগতিক আলাপ-আলোচনা, বিভিন্ন ঠাই দৰ্শন আৰু ভোজমেল অনুষ্ঠিত হয়। কালামক স্বাগতম জনাবলৈ মৰিছাছৰ মানুহৰ উপৰি ভাৰতীয় মানুহবিলাকে ৰাস্তাৰ দুয়ো পাৰে ভিৰ কৰিছিল। মই ছুঙক দেখা পাওঁ নেকি চাই আছিলোঁ। তেওঁৰ কেৱল ডাক নামটোহে মোৰ মনত আছিল। পূৰা নামটো পাহৰি গৈছিলোঁ। ছুঙক মই লগ পাইছিলোঁ ১৯৭৮ চনৰ জুন মাহত। তেতিয়া তেওঁ মৰিছাছৰ পৰা পাঠ্যক্ৰম এটা পঢ়াৰ বাবে মান্‌চেষ্টাৰ বিশ্ববিদ্যালয়লৈ গৈছিল। একেটা পাঠ্যক্ৰমৰ বাবে ময়ো তালৈ যাওঁতে তেওঁৰ লগত বন্ধুত্ব গঢ়ি উঠিছিল। কেউফালে তেওঁক বিচাৰি চালোঁ যদিও নাপালোঁ।

১৩ মাৰ্চৰ দিনা ভ্ৰমণৰ মুখ্য কাৰ্যসূচীবোৰ অনুষ্ঠিত হৈছিল। সেইদিনা আমাক আপ্যায়ন কৰাৰ বাবে মৰিছাছৰ উপ-প্ৰধানমন্ত্ৰী ড° আহমেদ ৰছিদ বীবীজানে এটা ভোজমেলৰ আয়োজন কৰিছিল। ভোজমেলৰ মাজতে আয়োজকজন থিয় হৈ মেজত চপৰিয়াই নীৰৱতা অৱলম্বন কৰাৰ বাবে অনুৰোধ জনালে। অনিৰ্ধাৰিতভাৱে বা কাৰ্যসূচীত নথকাকৈ তেওঁ এটা চমু ভাষণ দিব বিচাৰিলে। তেওঁ ভাষণ দিবলৈ গৈ মৰিছাছ আৰু ভাৰতবৰ্ষৰ মাজত থকা পুৰণি সম্পৰ্কৰ কথা উনুকিয়ালে। দুয়োখন দেশৰ সংস্কৃতি,

পৰম্পৰা, মূল্যবোধ, দৃষ্টিভংগী আৰু অন্যান্য দিশত থকা সমিলমিলৰ কথা দোহাৰি উঠি কালামৰ ফালে চাই ক'লে, 'মহামহিম ৰাষ্ট্ৰপতি ড° আব্দুল কালাম ডাঙৰীয়া, আপুনি আভুল পকীৰ জয়নালাবদীনৰ পুত্ৰ, আভুল পকীৰ জয়নালাবদীন মুথু মাৰাচেয়াৰৰ ভ্ৰাতৃ! আপুনি ভাৰতবৰ্ষৰ দৰে বিশাল দেশ এখনৰ ৰাষ্ট্ৰপতি। আমি জানো— আপুনি ভাৰতমাতৃৰ সুযোগ্য সন্তান! কিন্তু, আজি এই মুহূৰ্তৰে পৰা আপুনি মৰিছাছৰো সন্তান হ'ল!' এক মুহূৰ্তৰ নীৰৱতা! তাৰ পিছতে কেবামিনিট ধৰি চলা জাউৰি জাউৰি হাত চাপৰিত চৌদিশ ৰজনজনাই গ'ল। সেইটো বৰ আবেগিক মুহূৰ্ত আছিল। প্ৰায়বোৰ মানুহৰ চকু সেমেকি উঠিছিল। মোৰো চকুহাল আৰ্দ্ৰ হৈছিল। কালাম থিয় হ'ল— আৰু হাতযোৰ কৰি প্ৰণাম জনাই তেওঁলোকৰ স্বীকৃতিৰ বাবে মৌনভাৱে সমৰ্থন জনালে।

তেনেকুৱা আৰু এটা ঘটনা ঘটিছিল। কালাম চাহাব মৰিছাছ বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা সভা এখনলৈ গৈছিল। বিশ্ববিদ্যালয়ৰ আচাৰ্যসকলক লগ কৰাৰ পিছত কালামে ছাত্ৰসকলক উদ্দেশ্যি ভাষণ দিলে। ভাষণৰ পিছত ছাত্ৰ-ছাত্ৰীৰ সৈতে আলাপ— যিটো তেওঁ সততে কৰি আহিছে।

হলটোত মুঠ তিনিশজনমান ছাত্ৰ-ছাত্ৰী আছিল। কালামে নিজৰ ভাষণ শেষ কৰি উঠি ছাত্ৰ-ছাত্ৰীসকলক প্ৰশ্ন সুধিবলৈ ক'লে। সভাঘৰ নিটাল-নিস্তব্ধ। এনেতে এজন ছাত্ৰ থিয় হৈ সুধিলে, 'শ্ৰীযুত ৰাষ্ট্ৰপতি ডাঙৰীয়া! আপুনি আইনষ্টাইনৰ দুঃসহ শৈশৱৰ কথা ক'লে। শৈশৱৰ দুৰৱস্থায়ো তেওঁক মহানতা আৰু যশস্যাৰ পথত আগুৱাই যাওঁতে হেঙাৰ বা বাধাৰ সৃষ্টি কৰিব পৰা নাছিল বুলি কৈছে। আপোনাৰ শৈশৱকালটো কেনেকুৱা আছিল?'

মিচিকিয়াই হাঁহি এটা মাৰি কালামে ক'লে, 'জানানে, মোৰো বাল্যকালটো বৰ কষ্টকৰ আছিল! ৰাতিপুৱা খুব সোনকালে— পাঁচমান বজাতে বিছনা এৰি তিনিখন বিদ্যালয়লৈ যাব লাগে, মানে তিনিখন মাদ্ৰাছা বিদ্যালয়লৈ। তাৰ পৰা ঘূৰি আহি নিজৰ বিদ্যালয়ৰ কামখিনি লৰালৰিকৈ কৰোঁ। স্কুললৈ যোৱাৰ আগতে চাইকেলেৰে খবৰ কাগজখিনি বিলাই দিওঁগৈ। তাৰ পিছতে স্কুল। ভাটিবেলা স্কুলৰ পৰা ঘূৰি আহি চাইকেলখন লৈ ৰাতিপুৱা ঘৰে ঘৰে দি থৈ অহা খবৰ কাগজৰ পইচা উঠাওঁ। সেই দিনত আমাৰ ঠাইত বিজুলী যোগান নাছিল। মই সন্ধিয়াৰ ভিতৰতে পঢ়া-শুনা কৰি উঠিব লাগে। মোৰ মায়ে মোক বৰ মৰম কৰিছিল। তেওঁ আনকেইজনক দিয়াতকৈ মোক

সামান্য বেছিকৈ কেৰাচিন তেল দিছিল (সেই বেছিখিনিৰ জোখটো তেওঁ হাতৰ বুঢ়া আঙুলি আৰু তৰ্জনী আঙুলিৰে দেখুৱাই দিছিল— সেই জোখটো আছিল ডেৰ ইঞ্চিমানৰ জোখ) আৰু মই সেই তেলেৰে ৰাতি দেৰিলৈকে পঢ়া-শুনা কৰোঁ। দেৰিকৈ শুবলৈ গ'লেও ব্ৰহ্মমুহূৰ্ততে উঠি দৌৰ মাৰিব লাগিব— সেইটো মনত থাকে। ঠিক আছে?'

সকলো হতভম্ব। নীৰৱ-নিস্তব্ধ। মই কেউফালে চকু ফুৰালোঁ।

সকলো ছাত্ৰ-ছাত্ৰী বিচলিত হৈছিল। বৰ আৱেগিক মুহূৰ্ত। বেছি ভাগৰে কান্দো কান্দো অৱস্থা। আনহাতে মুখত মিচিকিয়া হাঁহি লৈ কালামে পৰৱৰ্তী প্ৰশ্নৰ বাবে অপেক্ষা কৰি আছিল।

২৫

২০০৬ চনৰ অক্টোবৰ মাহত ইউৰোপীয়ান সংসদৰ সংসদীয় প্ৰতিনিধিৰ দল এটাই ৰাষ্ট্ৰপতি কালামক সাক্ষাৎ কৰিছিল। প্ৰতিনিধি দলটোক নেতৃত্ব দিছিল ৰাষ্ট্ৰপতি জোছেফ বৰেল ফন্‌টেল্‌ছ্‌য়ে। কালামৰ সৈতে কথা-বতৰা শেষ হোৱাৰ পিছত ৰাষ্ট্ৰপতি বৰেলে কালামক ইউৰোপীয় সংসদত ভাষণ দিয়াৰ বাবে নিমন্ত্ৰণ জনালে।

কালামে নিমন্ত্ৰণ গ্ৰহণ কৰিলে। তেওঁলোকে কালামক ২০০৭ চনৰ জানুৱাৰী মাহত যাবলৈ অনুৰোধ কৰিছিল। কিন্তু কালামৰ সুৰুঙা নোহোৱা কাৰ্যসূচীৰ বাবে সেইটো সম্ভৱ নহ'ল। আনহাতে, পালপাতি ৰাষ্ট্ৰপতি হোৱা নিয়ম অনুসৰি জোছেফ বৰেলে সেই বছৰ শেহৰ ফালে ৰাষ্ট্ৰপতি পদ ত্যাগ কৰিব লাগিব। কিন্তু তেওঁ এই খবৰটো তেওঁৰ উত্তৰাধিকাৰী হান্স্‌-গাৰ্ট পটাৰিঙক দি দিছিল। নিমন্ত্ৰণটো বাহাল থাকিল।

সাতাইছখন ৰাষ্ট্ৰৰে গঠিত ইউৰোপীয় সংসদত কালামে দিবলগীয়া ভাষণৰ তাৰিখ ধাৰ্য কৰা হৈছিল ২০০৭ চনৰ ২৫ এপ্ৰিলৰ দিনা। তেওঁৰ ভাষণৰ বাবে পঁচিছ মিনিট ধাৰ্য কৰা হৈছিল।

পোনপ্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিয়ে ইউৰোপীয় সংসদত ভাষণ দিব। এইটো এটা অতিশয় গুৰুত্বপুৰ্ণ কথা। সেয়ে ভাষণৰ বাবে ধাৰ্য কৰি ৰখা সময়তকৈ অধিক সময় লৈ আমি তেনে এটা সুযোগ নষ্ট কৰিব নুখুজিলোঁ। নিন্দনীয় হোৱাৰ শংকা মনত থাকিলেও মই প্ৰায় সদায় তেওঁক এইবুলি সকীয়াই থাকিলোঁ যে তেওঁ তেওঁৰ ভাষণটো পঁচিছ মিনিটৰ ভিতৰতে সীমিত কৰি ৰাখে যেন। নিৰ্ধাৰিত সময়সীমা অতিক্ৰমি চাব্বিছ মিনিটলৈ যোৱাটোৱে তেওঁৰ বাবে অথবা ৰাষ্ট্ৰৰ বাবে যশস্যা কঢ়িয়াই লৈ নাহে। বৈদেশিক সচিব শিৱ শংকৰ মেননেও সেই কথাটোকে কৈছিল। বহিঃ পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব (ৰেষ্ট) নলীন সুৰীয়েও তেওঁক তেনেকুৱা পৰামৰ্শ দিছিল। কালামে নীৰৱে সকলোৰে কথা শুনি থ'লে।

বিদেশ ভ্রমণলৈ ওলোৱাৰ দুদিন আগত। ইউৰোপীয় সংসদত তেওঁ দিবলগীয়া ভাষণটোৰ খচৰাটো মোৰ হাতলৈ আহিল। মুঠ উনত্ৰিছ পৃষ্ঠাজোৰা ভাষণ! মই জঠৰ হৈ গ'লোঁ। হে হৰি! পঁচিছ মিনিট সময়ৰ ভিতৰতে উনত্ৰিছ পৃষ্ঠাৰ ভাষণ এটা তেওঁ পঢ়িব কেনেকৈ? মই তেওঁৰ ওচৰলৈ গ'লোঁ। সময়-সীমাৰ কথাটো সোঁৱৰাই দি তেওঁৰ ভাষণটো যে সেই সময়-সীমাৰ উপযোগী নহ'ব তাকো ক'লোঁ। তেওঁ ক'লে, 'অ'কে, অ'কে (ঠিক আছে)! আপোনালোকে চিন্তা নকৰিব। মই শেষ কৰি দিম চাব! মই সময়-সীমা অতিক্ৰম নকৰোঁ।' এইদৰে তেওঁ আশ্বাস দিলে যদিও মই নিশ্চিত হ'ব নোৱাৰিলোঁ। ঘূৰি আহিলোঁ, চিন্তিত মন এটা লৈ।

তেওঁৰ ভাষণ দিয়াৰ দিনটো আহি পৰিল। ইউৰোপীয় সংসদ হলঘৰটো ফ্রান্সৰ ষ্ট্ৰেছ্‌বাৰ্গত। আমাৰ নিজৰ চেণ্ট্ৰেল হলটোতকৈ বহুগুণে ডাঙৰ। হলঘৰ ভৰ্তি মানুহ। তেওঁৰ ভাষণটো লাইভ্ টেলিকাষ্ট্ কৰাৰ উদ্দেশ্যে দূৰদৰ্শনৰ লোকে শেষবাৰৰ বাবে সা-সঁজুলিবোৰ ঠিক-ঠাক কৰি ল'লে। NDTV-য়েও তেওঁলোকৰ সংযোগবোৰ পৰীক্ষা কৰি লৈছিল। মই আৰু মোৰ সহকৰ্মীবৃন্দ— আমি আটায়ে দৰ্শকৰ গেলাৰীত আসন গ্ৰহণ কৰিছিলোঁ। চাৰিওফালে বিৰাজ কৰিছিল এক প্ৰত্যাশাৰ ভাব।

নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি ৰাষ্ট্ৰপতি কালামে পটাৰিঙক সাক্ষাৎ কৰি প্ৰায় দহ মিনিট সময় ধৰি তেওঁৰ লগত প্ৰাথমিক বাৰ্তালাপ কৰিলে। তাৰ পিছত তেওঁলোকে হলঘৰত প্ৰৱেশ কৰিলে। ডেৰ মিনিট ধৰি চিনাকি পৰ্ব চলাৰ পিছত আমাৰ ৰাষ্ট্ৰপতিৰ ভাষণ আৰম্ভ। সময় গৈ আছে। ভাষণৰ মাজতে দৰ্শক দুবাৰকৈ থিয় হৈ কালামৰ হৰ্ষধ্বনি কৰিলে। পঁচিছ মিনিট শেষ হওঁ হওঁ— অথচ তেওঁৰ ভাষণ বন্ধ হোৱাৰ কোনো লক্ষণেই নাই। পাৱাৰ পইণ্ট স্লাইড্‌বোৰ আহি আছিল। মই ঘামিবলৈ ধৰিলোঁ।

নিৰ্ধাৰিত সময় ইতিমধ্যে পাৰ হৈ গ'ল। আধা ঘণ্টা, পঁয়ত্ৰিছ-চল্লিছ মিনিট। মোৰ ফালে চোৱা সকলোৱে মোৰ অসহজ অৱস্থাটো ধৰিব পাৰিছিল। তেতিয়া কালামে কোৱা শুনিলোঁ, 'আপোনালোকৰ বাবে মই এটি কবিতা ৰচনা কৰি আনিছোঁ। কবিতাটো 'মাদাৰ আৰ্থ'ৰ পৰা ইউৰোপীয় সংসদলৈ। মই কবিতাটো আপোনালোকক পঢ়ি শুনামনে?'— নিৰ্জুভাৱে তেওঁ এইবুলি সুধিছিল। আটাইৰে সন্মতি লাভ কৰি তেওঁ কবিতাটো পাঠ কৰিবলৈ ধৰিলে ঃ

সুন্দৰ পৰিৱেশে নেতৃত্ব দিয়ে
সুন্দৰ মনক
সুন্দৰ মনে জন্ম দিয়ে
সতেজতা আৰু সৃষ্টিশীলতা।
ভূমি আৰু সমুদ্ৰৰ আৱিষ্কাৰকক সৃষ্টি কৰিছে
উদ্ভাৱনশীল মনক স্ৰজিছে
মহান বিজ্ঞানীসকলক স্ৰজিছে
সৰ্বত্ৰ স্ৰজিছে, কিয়?

বহু আৱিষ্কাৰৰ জন্ম দিছে
আৱিষ্কাৰ কৰিছে মহাদেশ আৰু অজান দেশ
অজান পথেদি সাহসেৰে আগুৱাই গৈছে
নতুন ৰাজপথ নিৰ্মাণ কৰিছে।

শ্ৰেষ্ঠৰ মনতেই নিকৃষ্টৰো জন্ম!
যুদ্ধ আৰু ঘৃণাৰ বীজ অংকুৰিত হৈছে
শ শ বছৰ ধৰি চলা যুদ্ধ-বিগ্ৰহ আৰু তেজ!

আমাৰ অগণিত দেৱশিশু
হেৰাই গৈছে ভূমি আৰু সমুদ্ৰৰ বুকুত

চকুপানীয়ে প্লাৱিত কৰিছে বহু ৰাষ্ট্ৰ
বহুজন নিমজ্জিত হৈছে দুখৰ মহাসমুদ্ৰত।

তাৰ পিছত
তাৰ পিছত উন্মেষণ হ'ল
ইউৰোপীয়ান ইউনিয়নৰ চিন্তা-চেতনাৰ

শপত ল'লে
'মানৱ জ্ঞান কদাপি নুঘূৰাবা
নিজৰ বিৰুদ্ধে হওক
অথবা আনৰ বিৰুদ্ধে হওক!

চিন্তা-ভাবনাত ঐক্যবদ্ধ হ'ল
ইউৰোপৰ শান্তি-সমৃদ্ধিৰ বাবে

কৰ্মপন্থাও নিৰ্গত হ'ল
এইদৰেই
ইউৰোপীয়ান ইউনিয়নৰ জন্ম হ'ল।

সেই আনন্দৰ সময়বোৰে
আমাৰ নক্ষত্ৰপুঞ্জৰ গ্ৰহৰ মানুহবোৰক
বিমোহিত কৰিলে!

হে ইউৰোপীয়ান ইউনিয়ন!
তোমালোকৰ মিছনবোৰ
আমি সেৱন কৰা বতাহৰ দৰে
সৰ্বত্ৰ বিয়পি যাওক!

তেওঁৰ ভাষণ শেষ। সদস্যবিলাক আকৌ থিয় হ'ল আৰু কাণ তাল মাৰি ধৰা হৰ্ষধ্বনি কৰিলে। বক্তৃতাটো শেষ হওতে মুঠ পঞ্চল্লিছ মিনিট লাগিছিল। কালামে ক'লে, 'ভগৱানে আপোনালোকৰ মংগল কৰক।' সেইবুলি কৈ তেওঁ নিজৰ আসনত বহিল। হতভম্ব হৈ আছিলো যদিও অৱশেষত ময়ো স্বস্তিৰ নিশ্বাস কাঢ়িলোঁ। এজন ভাৰতীয় হিচাপে তেওঁৰ বাবে গৌৰৱান্বিত হ'লোঁ।

ৰাষ্ট্ৰপতি পটাৰিং কালামক ধন্যবাদ দিবলৈ থিয় হ'ল। 'আমি কেতিয়াও এনেকুৱা ভাষণ শুনা নাছিলোঁ। ধন্যবাদ, ৰাষ্ট্ৰপতি ডাঙৰীয়া!'— এয়ে আছিল তেওঁৰ কথাৰ সাৰমৰ্ম।

তাৰ পিছত আহিল ভোজন পৰ্ব। সেই ভোজমেল কালামৰ সন্মানাৰ্থে আয়োজন কৰা হৈছিল। সম্পূৰ্ণ নিৰামিষ আহাৰ! কালামেই দিনটো লৈ গৈছিল।

পিছত, দিনৰ ভাগত মই কালামক এটা এটাকৈ সুধিলোঁ, 'ছাৰ! আপোনাৰ বাবে ধাৰ্য কৰা পঁচিছ মিনিট অতিক্ৰম কৰি যোৱাৰ কথা আপুনি কেনেকৈ ভাবিলে? মই বৰ চিন্তাত পৰিছিলোঁ।' তেওঁ প্ৰসন্নচিত্তে হাঁহি মাৰি ক'লে, 'মই কি কৰিলোঁ আপুনি জানে? আমাৰ পৰিচয় পৰ্বৰ মিটিঙত মই তেওঁলোকৰ প্ৰেছিডেণ্টক ক'লোঁ যে আপুনি মোক মাত্ৰ পঁচিছ মিনিট সময় দিছে। আনহাতে মই আপোনালোকৰ বাবে এটা কবিতা ৰচনা কৰি আনিছিলোঁ। কবিতাটোৰ বাবে সামান্য বেছি সময় লাগিব পাৰে।' তেওঁ ক'লে, 'ঠিক আছে, আগবাঢ়ক। আপুনি মোৰ সময়খিনিও লওক।'

এই ঘটনাটোৱে মোক আৰু এদিনৰ একে অৱস্থাৰ কথা সোঁৱৰাই দিলে। ২০০৫ চনত কালামে জোহান্সবাৰ্গত পান-আফ্ৰিকান সংসদৰ সভা এখনলৈ

গৈছিল। তাত অৱশ্যে এনে কোনো নিৰ্ধাৰিত ভাষণ দিয়াৰ কথা নাছিল। কিন্তু কালামে মোক ক'লে, 'আপুনি মোক মাত্ৰ সংসদৰ ভিতৰলৈ লৈ ব'লক। বাকী কথা মোৰ ওপৰত এৰি দিয়ক।' সত্য কথা। অধ্যক্ষ মহোদয়ে তেওঁক পান-আফ্ৰিকান সংসদত চিনাকি কৰাই দিলে। তাৰ পিছত তেওঁক সদনত ভাষণ দিবলৈ আহ্বান কৰিলে। কালামে নিজৰ ভাষণত ক'লে যে তেওঁ ভাৰতৰ সহায় আৰু নৈপুণ্যৰ জৰিয়তে পান-আফ্ৰিকান ই-নেটৱৰ্ক স্থাপন কৰাৰ পৰিকল্পনা হাতত লৈছে। তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতৰ দক্ষতাৰ নিদৰ্শন থকা সেই প্ৰকল্পটোৱে আফ্ৰিকা মহাদেশখনৰ সৰ্বমুঠ তেৱন্নখন দেশক দূৰ-শিক্ষা, দূৰ-চিকিৎসা আৰু ই-কানেক্টিভিটী প্ৰদান কৰিব বুলি তেওঁ দোহাৰিলে। কালামৰ এইটো আছিল পান-আফ্ৰিকান সংসদত নাতিদীৰ্ঘ, চিন্তাপ্ৰসূত বিবৃতি।

দক্ষিণ আফ্ৰিকাত কালামৰ কাৰ্যসূচী স্বাভাৱিকতে ঠাহ খোৱা আছিল। পান-আফ্ৰিকান সংসদত ভাষণ দিয়াৰ উপৰি তেওঁৰ কাৰ্যসূচীৰ আটাইতকৈ উল্লেখযোগ্য কথাটো হ'ল এক বিশেষ ৰে'লযোগে পীটাৰ্‌মেৰিট্‌জ্‌বাৰ্গ ভ্ৰমণ। এই ভ্ৰমণটোৱে গান্ধীজীৰ বিখ্যাত ভ্ৰমণটোৰ কথা সোঁৱৰাই দিয়ে।

বৰ্ণনাটো এনেকুৱা। ১৮৯৩ চনৰ ৭ জুনৰ দিনা ডাৰবান ষ্টেচনৰ পৰা যাত্ৰা। মহাত্মা গান্ধীয়ে এই ৰে'ল ভ্ৰমণৰ কথা উল্লেখ কৰি কৈছে যে সেই যাত্ৰাই তেওঁৰ জীৱনৰ গতি সলাই দিছে। তেওঁ সেইদিনা প্ৰিটৰীয়ালৈ যাবলৈ ৰে'ল এখনত উঠিল। তালৈ গৈ আদালতৰ মোকৰ্দমা এটাৰ সংক্ৰান্তত কিছুমান মানুহক লগ ধৰিব লাগে। প্ৰথম শ্ৰেণীৰ ছীট এটা তেওঁৰ বাবে সংৰক্ষণ কৰা হৈছিল। ৰাতি ন বজাত ৰে'লখন পীটাৰ্‌মেৰিট্‌জ্‌বাৰ্গ ষ্টেচন পালেহি। ডবাটোত উঠা শ্বেতাংগ যাত্ৰী এজনে কৃষ্ণাংগ লোক এজনক সেই ডবাটোত বহি থকা দেখি বিৰক্ত হ'ল। তাৰ পিছত তেওঁ দুজন বিষয়াক লৈ ঘূৰি আহিল। বিষয়াদুজনে গান্ধীজীক ভেন কম্পাৰ্টমেন্টলৈ যাবলৈ আদেশ দিলে। এজন কনিষ্টবলক মতাই আনিলে। কনিষ্টবলজনে গান্ধীজীৰ হাতত ধৰি ডবাটোৰ পৰা ঢকিয়াই বাহিৰ কৰি দিলে। তেওঁৰ বস্তু-বাহানিবোৰো উলিয়াই দিলে। তেওঁ নুঠাকৈয়ে ৰে'ল চলি গ'ল। গান্ধীজীয়ে সেই ৰাতিটো প্ৰতীক্ষালয়তে কটালে। ঠাণ্ডাকালি আছিল— হাড়-কঁপোৱা জাৰ। ওভাৰকোটটো টোপোলাৰ ভিতৰতে আছিল। সেইটো য'তে আছিল তাতেই এৰি আহিছে। ৰে'ল কৰ্তৃপক্ষই তাৰ দায়িত্ব লৈছে। পুনৰ অপমানিত হোৱাৰ ভয়ত গান্ধীজীয়ে ওভাৰকোটটো নুখুজিলে। তেওঁ এবাৰ ভাৰতলৈ ঘূৰি যোৱাৰ কথাও গুণা-গঁথা কৰিছিল। কিন্তু তেনেকুৱা কৰাটো কাপুৰুষালিহে হ'ব। তেওঁ প্ৰতিজ্ঞা কৰিলে— তেওঁ তাতে থাকিয়েই বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে সংগ্ৰাম

চলাব। গান্ধীজীয়ে মনত পেলালে— 'আচলতে সেই দিনটোৰ পৰাই মোৰ অহিংস আন্দোলন আৰম্ভ হ'ল।'

পীটাৰ্‌মেৰিট্‌জ্‌বার্গ ৰে'ল ষ্টেচনৰ প্ৰতীক্ষা কৰা ঠাইত চাৰিখন ফলক আছে। প্লেটফৰ্মৰ ঠিক কোনখিনি ঠাইত গান্ধীজীক জোৰকৈ বাহিৰ কৰি দিছিল জনা নাযায়। সি যি কি নহওক, গান্ধীজীয়ে ভ্ৰমণ কৰা ৰে'লখনৰ দৈৰ্ঘ্যটো অনুমান কৰি আৰু ৰে'লখন ঠিক যিখিনি ঠাইত আহি ৰ'লহেঁতেন সেই ঠাইখিনি বা তাৰ ওচৰৰ ঠাইখিনিকে বাছি লৈ গ্ৰেণাইটৰ স্তম্ভ এটা নিৰ্মাণ কৰা হৈছিল। সেই ষ্টেচনটোৱে বহু মানুহক আকৰ্ষণ কৰে। ঠাইডোখৰ তীৰ্থস্থানৰ দৰে হৈ পৰিছে। কালামো তেনে এজন তীৰ্থযাত্ৰী হ'ল।

নেলছন মাণ্ডেলাক নিজ বাসগৃহত কালামে লগ কৰাটো আন এটা স্মৰণীয় ঘটনা। মাণ্ডেলাৰ দেহৰ অৱস্থা সিমান ভাল নাছিল। তেওঁৰ সাক্ষাৎ প্ৰাৰ্থীসকল য'ত বৈ আছিল তালৈকে কালামেহে তেওঁক খোজ কঢ়াই লৈ আহিছিল। গ্ৰন্থখনত সন্নিৱিষ্ট ফটোখনৰ পৰা সেইটো স্পষ্ট। কালাম ৰাষ্ট্ৰপতি হৈ থকা সময়খিনিৰ ভিতৰৰ এইটোও অন্যতম মূল্যৱান মুহূৰ্ত। কিয়নো মাণ্ডেলায়ো একে মূল্যবোধ আৰু আদৰ্শৰ হকে থিয় দিছে আৰু ওৰেটো জীৱন তাকেই খামুচি ধৰি আছে। তেওঁলোক দুজনৰ মিলনৰ সময়ত উপস্থিত থাকিবলৈ পাই মই নিজকে সৌভাগ্যৱান বুলি গণ্য কৰিছোঁ।

২৬

ভাৰতবৰ্ষৰ মুখ্য ন্যায়াধীশৰ শপতগ্ৰহণ অনুষ্ঠান। মাননীয় শ্ৰীযুক্ত ন্যায়াধীশ ওৱাই এছ সভৰৱালে শপত ল'ব। অনুষ্ঠানটো দৰবাৰ হলত পতা হৈছিল। পাঁচ শতাধিক লোকেৰে দৰবাৰ হলটো ভৰি পৰিছিল। নতুনকৈ হ'বলগীয়া ভাৰতবৰ্ষৰ মুখ্য ন্যায়াধীশজনে দৰ্শক আৰু ৰাষ্ট্ৰপতিৰ মঞ্চৰ মাজত চকী এখনত অকলে বহি আছিল। এনেতে টোপধ্বনি হ'ল। ৰাষ্ট্ৰীয় সংগীত গাই কাৰ্যক্ৰমৰ আৰম্ভণি কৰাৰ পিছত ৰাষ্ট্ৰপতিৰ সচিব হিচাপে তেখেতৰ নাম ঘোষণা কৰাটো মোৰেই পাল।

আমন্ত্ৰিত অতিথিসকল আহি পাইছিল। ন্যায়াধীশ সভৰৱালক বিশেষ চকী এখনত বহুওৱা হৈছিল। মোৰ সতীৰ্থসকল আৰু মই ৰাষ্ট্ৰপতিৰ আগমনৰ ইংগিত বহন কৰা টোপধ্বনিৰ বাবে অপেক্ষা কৰি আছিলোঁ। তেতিয়াও কেইমিনিটমান বাকী আছিল। মই মাননীয় ন্যায়াধীশগৰাকীৰ ওচৰলৈ গৈ তেওঁক অভিনন্দন জনালোঁ। মই অভিনন্দন জনোৱা বাবে তেওঁ মোক ধন্যবাদ দি ক'লে যে ফাৰুকে হেনো ইতিমধ্যে তেওঁক মোৰ কথা কৈছে। বৰ্তমানে চৌদি আৰৱস্থ ভাৰতীয় ৰাষ্ট্ৰদূত এম ও এইচ ফাৰুক আৰু ন্যায়াধীশ সভৰৱাল দুয়ো বন্ধু। ফাৰুক আগতে পণ্ডিচেৰী (বৰ্তমান পুডুচেৰী)ৰ মুখ্যমন্ত্ৰী আছিল আৰু মই তেওঁৰ অধীনত সেই চৰকাৰৰ মুখ্য সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলোঁ। ন্যায়াধীশ সভৰৱালে মোৰ ফালে চাই সুধিলে, 'বাৰু, ৰাষ্ট্ৰপতিৰ লগত কাম কৰি কেনে লাগিছে?'

মই ক'লোঁ, 'মহান ব্যক্তি, ছাৰ! কাৰণ মই তেওঁক 'no' বুলিও ক'ব পাৰোঁ।'

ন্যায়াধীশ সভৰৱালে অবিশ্বাসৰ ভংগীত মোৰ ফালে চালে। তেওঁ মোৰ পৰা আৰু কিবা শুনিব বিচাৰিছিল। 'ছাৰ! আজিকালি সকলোতে কেৱল ইয়েছ্ ছাৰ' (হয় হুজুৰ!)ৰ বাদে আন একো নাই! সৌভাগ্যক্ৰমে আমি ইয়াত এজন কৰ্তা পাইছোঁ যিজন ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি আৰু তেওঁ কোৱা কথাৰ ক্ষেত্ৰতো 'no' (নএগ্ৰাৰ্থক উত্তৰ) ক'লে মানি লয় বা স্বীকাৰ কৰে। মাত্ৰ মই যুক্তিসন্মতভাৱে, ন্যায়সংগতভাৱে 'কিয়' ক'ব লাগিব। এয়াই তেওঁৰ গাত থকা বিজ্ঞানীজন। মই

কোৱা 'no' বোৰৰ বাবে তেওঁক যথেষ্ট যুক্তি বা যথাৰ্থতা আগবঢ়াওঁ। তেওঁৰ এযুৰি ধৈৰ্যশীল কাণ আছে আৰু আছে এটা তীক্ষ্ণ মগজু— তেওঁ কেতিয়াও ফিতাহি নামাৰে।

টোপধ্বনি হ'ল। অনুষ্ঠানৰ পৰৱৰ্তী কাৰ্যসূচীবোৰ অনুষ্ঠিত হ'ল। তাৰ পিছত চাহপৰ্ব। অনুষ্ঠান শেষ হোৱাত মই মোৰ কোঠালৈ গ'লোঁ। কোঠাত বহি লৈ আমাৰ কথা-বাৰ্তাবোৰ পাগুলিয়াবলৈ ধৰিলোঁ। কথাবোৰ ৰোমন্থন কৰি থাকোঁতে কেইদিনমানৰ আগতে ঘটি যোৱা ঘটনা এটা মনত পৰিল।

যিবোৰ কথাই কালামক বিব্ৰত কৰিছিল বা বিমোৰত পেলাইছিল অথবা আমি আগবঢ়োৱা পৰামৰ্শবোৰ পূৰ্বৰ ন্যায়িক দৃষ্টান্তৰে মজবুত কৰিব লাগে বুলি যদি তেওঁ ভাবে তেতিয়া তেওঁ আইনৰ পণ্ডিত বা বিশেষজ্ঞসকলৰ লগত পৰামৰ্শ কৰে।

তেওঁৰ কাৰ্যকালৰ ভিতৰত মৃত্যুদণ্ডৰ হুকুম হোৱা বহু লোকে ক্ষমা বিচাৰি কৰা অজস্ৰ আবেদন আহিছিল। সেইবিলাক লোকৰ আপীলসমূহ উচ্চতম ন্যায়ালয়ে আগতে খাৰিজ কৰিছিল। তাতে আকৌ তেওঁৰ পূৰ্বৱৰ্তী ৰাষ্ট্ৰপতিজনাই ব্যৱস্থা নোলোৱাকৈ পেলাই থৈ যোৱা আবেদনবিলাকেও ইয়াৰ সংখ্যা বঢ়াইছিল। কালামে সদায় এটা কথা মানি চলিছিল। যেহেতু তেওঁ জীৱন দান দিব নোৱাৰে সেইবাবে তেওঁ কাৰো জীৱন নিঃশেষ কৰাৰ আজ্ঞা দিয়াৰো পক্ষপাতী নহয়। মই সততে তেওঁৰ এই দৃষ্টিভংগীৰ ঘোৰ বিৰোধিতা কৰিছিলোঁ। মই তেওঁক উদাহৰণ এটা দি সুধিছিলোঁ যে এটা পৰিয়ালৰ চাৰিৰ পৰা ছয় বছৰীয়া শিশুকে ধৰি মুঠ সোতৰজন মানুহৰ নৃশংস হত্যাকাণ্ড সংঘটিত কৰা লোক এজনক তেওঁ কিদৰে ক্ষমাদান কৰিব! তেওঁ প্ৰায়ে কৈছিল যে তেনে লোকক শাস্তি দিয়াৰ বাবে ওপৰত ভগৱান আছে। আমি যিবোৰ মানুহক অপৰাধী বুলি কওঁ তেওঁলোকক সংশোধন কৰিব লাগে যাতে তেওঁলোক 'সৎ মানৱ জীৱ' হ'ব পাৰে। আমাৰ যুক্তি-তৰ্ক কোনো ক্ষেত্ৰতে নৰজে। তেওঁ নিজেও উত্তৰাধিকাৰ এৰি গৈছে— সিদ্ধান্ত নোলোৱাকৈ থকা বুজনসংখ্যক ক্ষমাৰ আবেদন তেওঁৰ উত্তৰাধিকাৰীলৈ এৰি থৈ গৈছে।

ইতিমধ্যে তেওঁ মৃত্যুদণ্ডৰ বিষয়টোক লৈ দেশৰ আইন বিশেষজ্ঞসকলৰ সৈতে আলোচনা কৰিছিল। আনকি ভাৰতৰ প্ৰাক্তন মুখ্য ন্যায়াধীশসকলৰ লগতো বিষয়টো আলোচনা কৰিছিল। তেনেকুৱা কথা এটা মোৰ মনত আছে। এদিনাখন কালামে তেনে এজন বিখ্যাত আইনজ্ঞ ব্যক্তিৰ লগত মৃত্যুদণ্ডৰ সপক্ষে আৰু বিপক্ষে আলোচনা কৰি আছিল। মোক মাতিবলগীয়া

হ'ব পাৰে বুলি কৈছিল। সেইবাবে মই কাষৰ কোঠাটোতে আছিলোঁ। তেওঁলোকৰ আলোচনাৰ পোন্ধৰ মিনিট পিছতে ঘণ্টাটো বাজি উঠিল। এ ডি চি জনে আহি মোক ক'লেহি, 'ছাৰ, আপোনাক মাতিছে।'

মই ভিতৰলৈ গ'লোঁ। ৰাষ্ট্ৰপতি আৰু তেওঁৰ অভ্যাগত ব্যক্তিজন এখন ছোফাত বহি আছে। মই তেওঁলোকৰ বিপৰীত ফালে বহিলোঁ। অভ্যাগত লোকজনে ক'লে, 'মিঃ নায়াৰ, আমি মৃত্যুদণ্ডৰ বিষয়ে কথা পাতি আছিলোঁ। মহামহিম ৰাষ্ট্ৰপতি ডাঙৰীয়াৰ ইয়াৰ ওপৰত স্পষ্ট ধাৰণা আছে। সেইটো আপুনি জানে। মই তেখেতৰ সৈতে একমত। আপুনি কি কয়?'

মই ৰাষ্ট্ৰপতি চাহাবৰ ফালে চালোঁ। মই কি ক'ম কালামে জানিছিল। তেওঁ মৃদু হাঁহি এটা মাৰিলে। তেতিয়া মই সুধিলোঁ, 'মই ক'মনে ছাৰ?' তেওঁ মূৰ জোকাৰি সন্মতি জনালে। মই সন্মানপূৰ্বকভাৱে ক'লোঁ, কিন্তু সম্পূৰ্ণ তেওঁলোকৰ বিৰুদ্ধে। সেই আইনজ্ঞজন হতভম্ব হ'ল। আলোচনা সিমানতে শেষ হ'ল। মই অভ্যাগতজনক বাহিৰলৈ লৈ গ'লোঁ।

তেওঁৰ গাড়ীখন নৰ্থ ক'ৰ্টলৈ আহিল আৰু দুৱাৰখন খোল খালে।

তেওঁ মোৰ ফালে চাই ক'লে, 'ভাৰতবৰ্ষৰ মহামান্য ৰাষ্ট্ৰপতিজনৰ লগত আপুনি এইদৰে কথা পাতে?'

মই ক'লোঁ, 'হয় ছাৰ! এয়া তেওঁৰ শক্তি আৰু সেয়া মোৰো বল-শক্তি।'

তেওঁ গাড়ীত বহাৰ লগে লগে গাড়ীখন সবেগে গুচি গ'লগৈ।

এৰা, আমোলা এজনৰ বাবেও বাক্‌স্বাধীনতা থাকিব পাৰে!

২৭

কালাম সত্তৰ বছৰ বয়সত ৰাষ্ট্ৰপতি হৈছিল। কিন্তু বছৰবোৰ যেন তেওঁৰ প্ৰতি অলপ নৰম আছিল। তেওঁৰ অদম্য শক্তি, দৃঢ় সংকল্প আৰু উদ্দেশ্যৰ ঐকান্তিকতাই তেওঁৰ গাত ডেকাশক্তি বা যৌৱনৰ প্ৰাণচাঞ্চল্য এনেদৰে সঞ্চাৰিত কৰিছিল যে তেওঁতকৈ বয়সত বহুত সৰুবিলাকেও ফেৰ মাৰিব নোৱাৰিব।

এবাৰ কেৰালা ভ্ৰমণলৈ যাওঁতে তেওঁৰ পূৰ্বনিৰ্ধাৰিত কাৰ্যসূচীবোৰৰ কথা মোৰ মনত আছে। তিনি নম্বৰ কাৰ্যসূচীটো শেষ হৈছে মাত্ৰ। এনেতে ৰাজ্যপালে মোক মাতি নি ক'লে, 'মিঃ নায়াৰ! মই ঘৰলৈ যাওঁগে। এই মানুহজনৰ খোজৰ লগত মই খোজ মিলাব নোৱাৰিছোঁ।' কালামে সেইদিনা পোন্ধৰটাৰো অধিকসংখ্যক কাৰ্যসূচীলৈ যাব লাগিব। আৰু তেওঁ সেই আটাইকেইটা কাৰ্যসূচী সামৰিও লৈছিল। আকৌ পিছদিনা তাতোকৈ বেছি কাৰ্যসূচীৰ বাবেও নিজক সাজু কৰিছিল।

ৰাষ্ট্ৰপতি হিচাপে তেওঁ বহু ক্ষেত্ৰত প্ৰথম হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। তেওঁ ছিয়াচেন ভ্ৰমণ কৰিছে। ছিয়াচেন পৃথিৱীৰ ভিতৰতে উচ্চতম যুদ্ধক্ষেত্ৰ— বৰ বিপদসংকুল বৰফাবৃত অঞ্চল। তাৰ তাপমাত্ৰা শূন্য ডিগ্ৰীৰ বহু তললৈ নামে। উচ্চতাৰ বাবে তাত শ্বাস-প্ৰশ্বাস লোৱাও কষ্টকৰ। বিশাখাপট্টনমত INS *Sindhurakshak* S63ত উঠা তেওঁৰ ডুবনাৱৰ দুঃসাহসিক অভিযান আৰু শব্দতকৈও দ্ৰুতগামী SU-30 বিমানত মৰা উৰণ— এইবোৰ তেওঁৰ কেইটামান উদাহৰণ। মই মোৰ অফিচত বহি টেলিভিছনৰ পৰ্দাত তেওঁ সেই উৰণটোৰ বাবে সাজু হৈ থকা চাই বৰ ভয় খাইছিলোঁ। দৰকাৰ নাছিল হয়, তথাপি যিহেতু তেওঁৰ আগবয়সৰ আকাংক্ষা আছিল বিমানচালক হোৱা, সম্ভৱ সেইবাবেই তেনেকুৱা কৰিছিল।

সেই উৰণটো হৈছিল ২০০৬ চনৰ ৮ জুনৰ দিনা। চল্লিছ মিনিটৰ সেই খেওটোত বিমানখন ৭.৫ কিলোমিটাৰ উচ্চতালৈ উঠিছিল আৰু অতিশাব্দিক গতিবেগত উৰিছিল। কালামে অনুমান পোন্ধৰ মিনিটমান সময় ধৰি বিমানখন

চলাইছিল। তেওঁ যেতিয়া পুণেৰ ওচৰৰ লোহেগাঁও এয়াৰ ফ'ৰ্চ ষ্টেচনত বিমানৰ পৰা নামি আহিছিল তেতিয়া তেওঁ যুঁজাৰু বিমান চলোৱাৰ দীৰ্ঘদিনীয়া হাবিয়াস এটা পূৰণ হোৱা বুলি মনৰ আনন্দ প্ৰকাশ কৰিছিল। তেওঁ কৈছিল, 'মই সুখী। আজি মোৰ শৈশৱৰ স্বপ্ন পূৰণ হ'ল।' উৰণৰ আগতে তেওঁক খেপটোৰ সকলো খুঁতি-নাটি আৰু কক্‌পিটৰ ভিতৰৰ বিভিন্ন ছুইচ্ কেনেকৈ চালু কৰিব লাগিব তাক শিকাই-বুজাই দিয়া হৈছিল। খেওটোত সামান্য বাগি আৰু শূন্যৰ-পৰা-শূন্যলৈ আৰু শূন্যৰ-পৰা-ভূমিলৈ কৃত্ৰিম আঘাত অন্তৰ্ভুক্ত আছিল।

২০০৪ চনৰ ২ এপ্ৰিলৰ দিনা কালামে ছিয়াচেন গ্লেচিয়াৰলৈ এটা প্ৰসিদ্ধ ভ্ৰমণ কৰিছিল। সেইটোও বৰ ব্যস্ততাপূৰ্ণ কাৰ্যসূচী আছিল। ১৮,০০০ ফুট উচ্চতাত অৱস্থিত পাদদেশৰ শিবিৰ পাই তেওঁ সেনা জোৱান আৰু বিষয়াসকলক সম্বোধি ভাষণ দিছিল। সৈন্যসকলে দেশৰক্ষাৰ বাবে প্ৰশংসনীয় কাম কৰি থকা বুলি তেওঁ ভূয়সী প্ৰশংসা কৰিলে। গ্লেচিয়াৰৰ দুৰ্বল পৰিৱেশৰ প্ৰতি ভাবুকিৰ বিষয়েও তেওঁ সাৱধান কৰি দিছিল। স্পষ্ট কথা ক'বলৈ হ'লে তেওঁ ইমান উচ্চতালৈ উঠি গৈছে সেইটোহে উল্লেখযোগ্য। কিয়নো ঘনত্ব কমোৱা বায়ুৰ সৈতে মানুহে নিজক অভ্যস্ত কৰিব লাগে।

ৰাষ্ট্ৰপতিজন সশস্ত্ৰ সৈন্য বাহিনীৰ সৰ্বাধিনায়ক (ছুপ্ৰীম কমাণ্ডাৰ)। তেওঁ তেতিয়া পৰিৱেশৰ প্ৰত্যক্ষ জ্ঞান কিছুমান লাভ কৰিছিল যিটো তেতিয়া যথোপযুক্ত আছিল।

* * *

ভাৰতৰ ৰাষ্ট্ৰপতি হিচাপেও এ পি জে আব্দুল কালামে বহু ক্ষেত্ৰত প্ৰথম হোৱাৰ কৃতিত্ব লাভ কৰিছিল। তেওঁৰ দেশীয় ভ্ৰমণ ১৬৩টা আৰু বিদেশ ভ্ৰমণ সাতটা। সংখ্যাতকৈও বেছি আছিল তেওঁৰ ভ্ৰমণবিলাকৰ বিস্ময়কৰ প্ৰগাঢ়তা অথবা তীব্ৰতা।

তেওঁ যে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ ভ্ৰমণ কৰিছিল সেয়াই তাৰ প্ৰমাণ। দুৰ্ভাগ্যৱশতঃ উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন বিভাগ (DONER– Department of Development of North-Eastern Region) আৰু অন্যান্য প্ৰচেষ্টা বা উদ্যোগ হাতত লোৱাৰ পিছতো সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল অৱহেলিত হৈয়েই আছে। দিল্লীৰ কোনো বিষয়াই তাত নিযুক্তি ল'ব নিবিচাৰে। তেওঁ দিল্লীৰ

ওচৰে-পাঁজৰে ঘূৰি থাকিব। মই প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিবৰ পদত মহাআৰামেৰে কাম কৰি আছিলোঁ। তেতিয়াই মোক অৰুণাচল প্ৰদেশ চৰকাৰৰ মুখ্য সচিব হিচাপে পদস্থাপন দিছিল। মই তালৈ গ'লোঁ। মই তাত যোগদান কৰাৰ বাবে সেই সময়ত চাকৰিত থকা আটায়ে মোক মূৰ্খ বুলি উপলুঙা কৰিছিল। তেওঁবিলাকৰ নিচিনা জ্ঞান বা বোধ মোৰ নাথাকিব পাৰে। কিন্তু তেনেকুৱা গুৰুত্বপূৰ্ণ পদস্থাপনৰ ক্ষেত্ৰত 'no' বুলি কৈ যাবলৈ অস্বীকাৰ কৰা মূৰ্খ মই নহওঁ।

যেতিয়াই পাৰে উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰিবলৈ মই সদায় কালামক পৰামৰ্শ দিছিলোঁ। সেই মতে তেওঁ কেইবাবাৰো ভ্ৰমণ কৰিছিল। তেওঁ ভিতৰুৱা আৰু গ্ৰামাঞ্চললৈ গৈ তাত কি উন্নয়নমূলক কাম হাতত লোৱা হৈছে তাক নিজ চকুৰে প্ৰত্যক্ষ কৰাৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ ৰাজধানী আৰু ৰাজভৱনবোৰতে নিজক আবদ্ধ কৰি ৰাখিব নিবিচাৰিছিল। তাৰ মানুহৰ বাবে এয়া সচৰাচৰ 'অত্যন্ত দৰকাৰী মানুহে' (VIP) কৰা ভ্ৰমণৰ ইতি।

২৮

এই অধ্যায়টোত কেৱল 'অফিচ্ অব্ প্ৰফিট্ বিল'ৰ কথা আলোচনা কৰা হৈছে। এই সমগ্ৰ ঘটনাৰাজি অপ্ৰয়োজনীয় বুলি বহুতে মন্তব্য কৰিছে। তেওঁলোকৰ ভাবনা তেওঁলোকৰ থাকক, মোৰ নিজৰ চিন্তা-ভাবনা আছে।

লাভজনক পদ অধিকাৰ কৰি থকা বাবে সাংসদ জয়া বচ্চনৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ ভিত্তিত তেওঁৰ অৰ্হতা খাৰিজ কৰি এক ৰায় দিয়া হৈছিল। তাৰ পিছত সংবিধানৰ ১০২নং ধাৰা অনুসৰি বিৰুদ্ধ অৰ্হতাৰ সূত্ৰপাত হোৱাৰ লগে লগে জলবৰ্ত্ম খোল খাই গ'ল। তাৰ লগে লগেই সংসদৰ পদাধিকাৰী সদস্যৰ বিৰুদ্ধে অভিযোগৰ উজান উঠিল। সংবিধানৰ ১০৩ নং ধাৰাৰ বিধান অনুসৰি ৰাষ্ট্ৰপতিয়ে সেইবোৰ ভাৰতবৰ্ষৰ নিৰ্বাচন আয়োগৰ মতামতৰ বাবে প্ৰেৰণ কৰিলে। তেওঁ নিৰ্বাচন আয়োগৰ মতামত অনুসৰি কাম কৰিবলৈ বাধ্য। এইক্ষেত্ৰত তেওঁ নিজাকৈ সিদ্ধান্ত ল'ব নোৱাৰে।

সৰ্বোচ্চ সংসদে অৱস্থাটোৰ গুৰুত্ব উপলব্ধি কৰিলে। প্ৰায় অৰ্ধ শতাধিক সাংসদৰ বিৰুদ্ধে উত্থাপিত অৰ্হতা খাৰিজ কৰাৰ অভিযোগবোৰ আইনতঃ অসিদ্ধ কৰাৰ বাবে সংসদে এখন আইন বিধিবদ্ধ কৰিলে। এই আইনখনৰ আগৰ তাৰিখৰ পৰা কাৰ্যকৰিতা বা প্ৰভাৱ থাকিব। আইনখন বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক দেশখনৰ সংসদত এক হুলস্থূলীয়া পৰিৱেশত ততাতৈয়াকৈ বিধিবদ্ধ কৰা হৈছে আৰু ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে প্ৰেৰণ কৰা হৈছে বুলি বহুতে উদ্বিগ্নতা প্ৰকাশ কৰিছে। সংসদৰ কাৰ্যক্ৰমত ভুল-শুদ্ধৰ মন্তব্য দিয়াৰ বাবে মই যোগ্য নহওঁ।

সংবিধানত ৰাষ্ট্ৰপতিৰ স্থিতিৰ কথা অতি স্পষ্টভাৱে উল্লেখ কৰা হৈছে। ১১১নং ধাৰাই তেওঁক তিনিটা বিকল্প দিছে ঃ সন্মতি দিয়ক, সন্মতি নিদিয়াকৈ ৰাখক অথবা বিলখন পুনৰ বিবেচনা কৰাৰ বাবে টোকা এটা দি দুই সদনলৈ ঘূৰাই পঠিয়াওক। পিছৰ দুটা কেৱল 'non-money' বিলৰ ক্ষেত্ৰতহে প্ৰযোজ্য। উক্ত ধাৰাই ৰাষ্ট্ৰপতিক তেনে ক্ষমতা প্ৰদান কৰিছে— আনহাতে বিলখন পুনৰ বিবেচনা কৰাৰ পিছত সংশোধন কৰি বা নকৰিয়েই ৰাষ্ট্ৰপতিৰ আগত পুনৰ দাখিল কৰাৰ অধিকাৰো সংসদৰ ওপৰত ন্যস্ত

হৈছে। তেনেকুৱা হ'লে তেওঁ সন্মতি বন্ধ কৰি নাৰাখিব। সেই ধাৰাটোৰ বাক্যাংশই ইয়াকে কৈছে যে সেইটো পলম হোৱাৰ আগতে কৰিব লাগিব।

সেই অধিকাৰ খটুৱাই ৰাষ্ট্ৰপতিয়ে সংসদলৈ এটা টোকা প্ৰেৰণ কৰাৰ কথা ভাবিলে। ৰাষ্ট্ৰপতি এজনে এই সাংবিধানিক অধিকাৰ খটুৱাবলৈ যোৱা আৰু তাকো নিৰ্ভুলভাৱে খটুওৱা এয়েই প্ৰথম দৃষ্টান্ত। তেওঁ যে এজন 'ৰাবাৰ ষ্টাম্প' ৰাষ্ট্ৰপতি নহয় তাক দেখুৱাই দিছিল। টোকাটো আছিল এনেকুৱা ঃ

১. ২০০৬ চনৰ Parliament (Prevention of Disqualification) Amendment Bill খন সংসদৰ উভয় সদনে পাছ কৰি সংবিধানৰ ১১১নং ধাৰাৰ চৰ্ত অনুযায়ী মোৰ সন্মতি লাভৰ বাবে প্ৰেৰণ কৰিছে। উক্ত বিলখন মই ২৫.০৫.২০০৬ তাৰিখে পাইছোঁ।

২. মোৰ সতীৰ্থ সাংসদসকলৰ পৰিপক্ব প্ৰজ্ঞা আৰু দূৰদৰ্শিতাৰ প্ৰতি মোৰ অশেষ শ্ৰদ্ধা আৰু মহামান্য সংসদৰ প্ৰতি যথোচিত সম্ভ্ৰম আছে। প্ৰস্তাৱিত বিলখন সংসদে পুনৰ বিবেচনা কৰিব বুলি আশা কৰিলোঁ।
   (ক) সংবিধানৰ ১০২ নং ধাৰাত 'অফিচ অব্ প্ৰফিট্' বিষয় সন্দৰ্ভত গৃহীত ব্যাখ্যা বা টীকাৰ প্ৰসংগ আৰু
   (খ) তাৰ অন্তৰ্নিহিত সাংবিধানিক নীতি।

৩. পুনৰ বিবেচনা কৰোঁতে অন্যান্য বিষয়ৰ লগতে নিম্নোক্ত কথাখিনিও বিশেষভাৱে বিচাৰ কৰিব ঃ
   (ক) সাৰ্বজনীন আৰু সম্পূৰ্ণ সংজ্ঞাৰ বিকাশ ন্যায়সংগত, যথোচিত আৰু যুক্তিসংগত আৰু সকলো ৰাজ্য আৰু কেন্দ্ৰশাসিত অঞ্চলসমূহত স্পষ্ট আৰু স্বচ্ছভাৱে প্ৰয়োগ কৰিব পৰা যাব।
   (খ) অফিচৰ নামবোৰ বাদ দিয়াৰ বাবে অন্তৰ্ভুক্তিৰ তাৎপৰ্য যি পদাধিকাৰৰ বাবে সদস্য এজন অৰ্হতাহীন বুলি অভিযোগ কৰা হয় আৰু সেই সংক্ৰান্তত অৰ্হতাহীন কৰাৰ বাবে দাখিল কৰা আবেদনবোৰ ইতিমধ্যে ক্ষমতাৱান কৰ্তৃপক্ষৰ বিবেচনাধীন হৈ আছে।
   (গ) আগৰ পৰা কাৰ্যকৰী হোৱাকৈ সংশোধনৰ প্ৰযোজ্যতাৰ ক্ষেত্ৰত আইনৰ যুক্তিযুক্ততা/কাৰ্যকাৰিতা আৰু সমীচীনতা।

৪. সেইবাবে, সংবিধানৰ ১১১ নং ধাৰাৰ ব্যৱস্থা অনুসৰি উক্ত নিৰ্দেশসহ বিলখন উভয় সদনৰ পুনৰ বিবেচনাৰ্থে ঘূৰাই দিয়া হ'ল।

স্বাক্ষৰ/এ পি জে আব্দুল কালাম
৩০ মে'/২০০৬

সংবিধান বিশেষজ্ঞসকলে এই কথাটো দেশবাসীৰ আগত প্ৰভূত পৰিমাণে চৰ্চা কৰিছে। সংবিধানৰ জ্ঞান থকা কিছুমানে বিষয়টো স্পষ্ট নকৰাকৈ থকাটোকে পচন্দ কৰিছিল। আনহাতে এনে কিছুমান লোক আছে যিয়ে খুব ভালকৈ নাজানে— অথচ দেশ, দেশৰ সাংসদ আৰু ৰাষ্ট্ৰপতিয়ে কি কৰিব লাগে সেই বিষয়ে বাকবিতণ্ডা আৰু দাৰ্শনিকৰ দৰে বিচাৰ কৰিব খোজে, যেনেকৈ সকলো ক্ষেত্ৰতে কৰা হয়।

ৰাষ্ট্ৰপতিৰ নিজৰ এটা ওৱেব্ ছাইট্ আছে। তাৰ জৰিয়তে তেওঁ প্ৰায় সকলো ক্ষেত্ৰতে নিজৰ কাজ-কৰ্মৰ কথা বৰ্ণাই ডেকাসকলৰ উপৰি আনলৈকো সংবাদ দিয়ে। সেইটো সহজে ঢুকি পাব্ পাৰি। মানুহে প্ৰশ্ন সুধিব পাৰে। প্ৰশ্ন সুধিলে, ৰাষ্ট্ৰপতিয়ে চৌবিছ ঘণ্টাৰ ভিতৰতে তাৰ উত্তৰ দিয়ে। মানুহৰ বাবে ওৱেব্ ছাইট্‌টো বাহকনলীৰ দৰে হৈ পৰিল— তাৰ জৰিয়তে মানুহে অবাঞ্ছিত উপদেশ আৰু পৰামৰ্শও আগবঢ়ায়। বিলখনৰ প্ৰতি সন্মতি নিদিয়াকৈ থকা, নামঞ্জুৰ কৰা, পেলাই থৈ দিয়া, সংসদ বৰ্খাস্ত কৰা অথবা বিলখন সন্মতি প্ৰদান কৰাতকৈ ইস্তফা দিয়াটোৱেই ভাল— মানুহবোৰে এনে পৰামৰ্শ দিছিল।

সংসদে বিলখন পুনৰ বিবেচনা কৰিছিল। তাৰ পিছত উপযুক্ত বুলি ভাবিয়েই সংশোধন নকৰাকৈ পুনৰ পাছ কৰিলে। অৱশ্যে ৰাষ্ট্ৰপতিৰ প্ৰতি সন্মান জনাই বিষয়টো সংসদীয় কমিটিলৈ প্ৰেৰণ কৰিলে যাতে সেই সম্পৰ্কীয় নীতি-নিয়ম উলিয়াব পাৰে। দুয়োক্ষেত্ৰত তেনেকুৱা কৰাটো সম্পূৰ্ণ সাংবিধানিক। ইতিমধ্যে বিলখন পুনৰ বিবেচনা আৰু পুনৰ পাছ কৰা হ'ল। সেইদৰে পুনৰ পাছ হোৱা বিলখন ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে আহিল ২০০৬ চনৰ ১ আগষ্টৰ দিনা। ভাৰতীয় সংবিধানৰ ১১১নং ধাৰাই ন্যস্ত কৰা ক্ষমতা অনুযায়ী তেওঁ বিলখনত সন্মতি প্ৰদান কৰি একে ধাৰাৰ অধীনত সাংবিধানিক দায়িত্ব পালন কৰিবলৈ বাধ্য।

কিন্তু তাকে নকৰি তেওঁ বিলখন বহু দিনলৈ নিজৰ হাতত ৰাখি থ'লে। এৰা, মোৰ বিনম্ৰ বিচাৰ মতে বহুদিন ধৰি পেলাই থৈছিল। মই মৌখিকভাৱে কোৱাৰ উপৰি লিখিতভাৱেও তেওঁৰ দায়িত্ব সম্পৰ্কে সোঁৱৰাই দিছিলোঁ। তেওঁ বিবেকৰ দ্বাৰা চালিত হৈ কাম কৰা বুলি মোক কৈছিল। মই ক'লোঁ— সংবিধানেই ৰাষ্ট্ৰপতিজনৰ বিবেক। সংসদেও সংবিধানৰ কথা আখৰে আখৰে মানিছে, সাংবিধানিক নীতি-নিয়ম উলংঘা কৰা নাই। সেইটো এটা পৃথক বিষয়।

ন্যায়পালিকাৰো ন্যায়িক দৃষ্টিভংগী থাকিব পাৰে। সেইটোও ভিন্ন বিষয়। সি যিয়েই নহওক কিয়, ৰাষ্ট্ৰপতিয়ে সাংবিধানিক দায়িত্ব পালন কৰিবই লাগিব। সেইটোহে আচল কথা।

অৱশেষত সংবিধান বিবেকৰ উৰ্দ্ধলৈ গ'ল। ১৮ আগষ্টৰ দিনাখন, দ্বিতীয়বাৰ পোৱাৰ পৰা সোতৰ দিনৰ পিছত, ৰাষ্ট্ৰপতিয়ে বিলখনত স্বাক্ষৰ প্ৰদান কৰিলে। তেওঁৰ এনে বিলম্বৰ কথাটো মই আজি পৰ্যন্ত হজম কৰিব পৰা নাই। কালামে সেইটো ভুল কৰিছিল বুলি ক'লে মোৰ কিবা দোষ হ'ব নে? তেওঁ বিলম্ব কৰাৰ যি কাৰণেই নাথাকক লাগিলে, তেওঁ এই বিতৰ্কটো এৰাই চলিব পাৰিলেহেঁতেন!

২৯

আফজল গুৰুৰ 'ক্ষমা বিচৰা দৰখাস্ত' (mercy petition) খন ৰাষ্ট্ৰপতি কালামে ইচ্ছাকৃতভাৱে পেলাই ৰখা বুলি ইতিমধ্যে বহু লেখালেখি হৈছিল। আচৰিত কথা যে স্বাৰ্থজড়িত মহল আৰু ভু-নৰখা স্তম্ভকাৰসকলৰ স্বাৰ্থতেই এনে এটা ধাৰণা বৰ্তাই ৰখা হৈছিল।

আচল কথাটো এনেকুৱা ঃ

মহম্মদ আফজল ওৰফে আফজল গুৰু ২০০১ চনৰ ডিচেম্বৰ মাহত সংসদ ভৱন আক্ৰমণ কৰা অপৰাধত দোষী সাব্যস্ত হৈছিল আৰু ২০০৪ চনত মহামান্য উচ্চতম ন্যায়ালয়ে তেওঁক মৃত্যুদণ্ডৰে দণ্ডিত কৰিছিল। সেই অনুসৰি ২০০৬ চনৰ ২০ অক্টোবৰৰ দিনাখন তেওঁক ফাঁচী দিয়াৰ কথা আছিল। কিন্তু সেই হুকুম স্থগিত হ'ল।

অভিযোগ অনুসৰি পাকিস্তানৰ বাহিৰত কাম-কাজ চলোৱা লস্কৰ-ই-তৈবা (LET) আৰু জইছ্-ই-মোহাম্মদ (JEM) নামে দুটা দলে যুটীয়াভাৱে এই আক্ৰমণ চলাইছিল। আক্ৰমণটোত এগৰাকী স্ত্ৰী কনিষ্টবলকে ধৰি নিৰাপত্তা বাহিনীৰ সাতজন জোৱানৰ মৃত্যু হৈছিল। আক্ৰমণকাৰী দলটোৰ পাঁচজনক তেতিয়াও সম্পূৰ্ণ চিনাক্ত কৰিব পৰা হোৱা নাছিল।

দোষী মানুহ এজনৰ ওপৰত মৃত্যুদণ্ডৰ হুকুম হ'লে আৰু সেই আজ্ঞা দেশৰ উচ্চতম ন্যায়ালয়ে সমৰ্থন কৰিলে সাধাৰণতে তেনে লোকক ৰাষ্ট্ৰপতিজনাই ক্ষমাদান নকৰিলে ফাঁচী দিয়া হয়। ৰাষ্ট্ৰপতিৰ ক্ষমাদানৰ বাবে দণ্ডিত হোৱা কাৰাবন্দীজনে নিজে অথবা তেওঁৰ আত্মীয়স্বজন বা তেওঁলোকৰ দ্বাৰা নিযুক্ত আইনী প্ৰতিনিধিৰ হতুৱাই ৰাষ্ট্ৰপতিলৈ দৰখাস্ত পঠিয়াব লাগে। দৰখাস্তখন ৰাষ্ট্ৰপতিজনাই গৃহ পৰিক্ৰমা মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিব। গৃহ মন্ত্ৰালয়ে চাই-চিতি যথোপযুক্ত অনুমোদনসহকাৰে পুনৰ ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰে। তেনেকুৱা ক্ষমাদান বিচৰা দৰখাস্তৰ ওপৰত ৰাষ্ট্ৰপতিজনাই নিজাকৈ কোনো সিদ্ধান্ত গ্ৰহণ নকৰে।

আফজল গুৰুৰ ক্ষমাৰ আবেদনখন ৰাষ্ট্ৰপতিয়ে ২০০৬ চনৰ ৩ অক্টোবৰৰ দিনা পাইছিল আৰু তেওঁ সেইদিনাখনেই সেইখন গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিছিল। ২০০৭ চনৰ ২৫ জুলাই— ৰাষ্ট্ৰপতি কালামৰ কাৰ্যকালৰ অন্তিম দিন। সেইদিনটো পৰ্যন্ত গৃহ দপ্তৰৰ পৰা ক্ষমাদানৰ আবেদনখনৰ সন্দৰ্ভত কোনো অনুমোদন অহা নাছিল। এই সংক্ৰান্তত গৃহ দপ্তৰৰ অনুমোদন অবিহনে ৰাষ্ট্ৰপতিজনাই নিজাকৈ একো কৰিব নোৱাৰে। এয়াই সময়ে সময়ে সংশোধিত হোৱা সংবিধানে তেওঁক দিয়া স্বতন্ত্ৰতাৰ নুমনা। তেন্তে তেওঁক কিয় নিন্দা বা সমালোচনা কৰা হয়? অনাহক বিতৰ্কৰ পৰা আঁতৰত থকা বাবেই ৰাষ্ট্ৰপতি ভৱনৰ পৰা সেই সন্দৰ্ভত কোনো প্ৰেছ বিজ্ঞপ্তি দিয়া হোৱা নাছিল। এই সন্দৰ্ভত ৰাষ্ট্ৰপতিয়ে নিজৰ ফালৰ পৰা কিবা কৰিব পৰাৰ ক্ষমতা সম্পৰ্কে কোনো দ্ব্যৰ্থকতা বা অস্পষ্টতা নাই।

৩০

ৰাষ্ট্ৰপতি হিচাপে কালাম চাহাবৰ কোনো ভণ্ডামি বা ফিতাহি নাছিল। আচলতে তেনেবোৰ গুণৰ তেওঁ সম্পূৰ্ণ অজ্ঞ আছিল।

এটা সাধাৰণ উদাহৰণ দিওঁ। চৰকাৰী কাম-কাজত ব্যৱহাৰ কৰাৰ বাবে ৰাষ্ট্ৰপতিজনৰ এখন ফটো থাকে। ফটোখনৰ এটা চুকত তেওঁৰ চহীটো। তেওঁৰ সেই ফটোখন চৰকাৰী কাৰ্যালয়, ভাৰতীয় দূতাবাস আৰু বিমানকোঠকে আদি কৰি বিভিন্ন গুৰুত্বপূৰ্ণ স্থানত সকলোৰে চকুত পৰাকৈ আঁৰি থোৱা হয়। কালাম ৰাষ্ট্ৰপতি হওঁতে তেওঁক এই কথাটো কোৱা হ'ল। তেওঁৰ প্ৰথম ওজৰ-আপত্তি নামঞ্জুৰ কৰা হ'ল আৰু নীলা ছাৰ্টৰ ঠাইত 'গলাবন্ধ' কোট আহিল। চৰকাৰী ফটোৰ বাবে তিনি-চাৰিটাৰ মাজৰ পৰা নিৰ্বাচন কৰিবলৈ দিয়া হ'ল। কালামে মোকেই এখন বাছি উলিয়াবলৈ ক'লে। ময়ো এখন বাছি দিলোঁ। সেই ফটোগ্ৰাফখনেই আপোনালোকে সৰ্বত্ৰ দেখিছে। অৰ্ধ হাঁহি আৰু 'not-yet-buttoned-up' জেকেট পিন্ধা সেই ফটোখন।

'কি যে লাজ লগা কথা!'— এজন অশ্বাৰোহী সৈন্যই এইবুলি মন্তব্য দিওঁতে মই তেওঁক কি হ'ল সুধিলো। 'সেই ফটোখনলৈ চাওকচোন! মানুহজন ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি! তেওঁৰ জেপত থাকিব লাগিছিল Mont Blanc অথবা Parker কলম এটা। অথচ আছে এটা সামান্য পাইলট মাৰ্কা বলপইণ্ট্ পেনহে।'

তেওঁৰ কথা শুনি মই হতভম্ব হ'লোঁ। অৱশ্যে মই উপলব্ধি কৰিলোঁ যে তেওঁক এই কথা কৈ লাভ নাই যে ভাৰতবৰ্ষখন Mont Blanc অথবা Parker-ৰ দ্বাৰা পৰিচালিত বা পৰিচিত নহয়। ষাঠী বছৰৰ আগতেই (এই ঘটনা ঘটাৰ সময়ত সঠিককৈ পঁচপন্ন বছৰ) আমি নিজক নেতৃত্ব দিবলৈ বা পথ নিৰ্দেশনা কৰিবলৈ শিকিছোঁহঁক।

কালামে এইবোৰৰ প্ৰতি সমূলি কৰ্ণপাত নকৰে। সম্ভৱ আজিও মন নকৰে। তেওঁৰ বাবে যি কোনো এটা কলম বা এডাল পেন্সিল তেওঁৰ এজন

লগৰীয়া বা সংগী। সেই সংগীজনে যাতে কামটো কৰে তেওঁ তাৰ প্ৰতিহে আগ্ৰহী বা মনোযোগী। তেওঁৰ লগত ওখখাপৰ মাৰ্কাৰ মূল্য নথকা তেনে বহু সংগী থাকে আৰু সেইবোৰে ভাল কাম কৰে— বোধকৰোঁ Mont Blanc অথবা Parker তকৈও বেছি ভাল কাম কৰে চাগৈ!

কালামে ধৰা-বন্ধা আদব-কায়দা বা প্ৰটোকলৰ সৌজন্য বা চাকচিক্যৰ প্ৰতি অকণো গুৰুত্ব নিদিছিল আৰু জাকজমকতাৰ প্ৰতিও তেনেই অমনোযোগী আছিল। নিজক পৰিচালিত কৰাৰ সময়ত সেইটো স্পষ্ট হৈ পৰে— সেইটো ৰাষ্ট্ৰপতি ভৱনতেই হওক অথবা বাহিৰতে হওক। আনকি বাহিৰৰ দেশবোৰ ভ্ৰমণ কৰিবলৈ যাওঁতেও সেই কথা ওলাই পৰে। ৰাষ্ট্ৰপতি ভৱনত থকা আমি তেওঁৰ কৰ্মচাৰীসকলে তাতোকৈও বহিঃপৰিক্ৰমা মন্ত্ৰালয়ৰ বিষয়াসকলে, ৰাষ্ট্ৰপতি মহোদয়ক বিশেষকৈ বিদেশ ভ্ৰমণৰ সময়ত প্ৰটোকলৰ কিছুমান অৱশ্য পালনীয় বিধান বা নীতি-নিয়ম মানিবলৈ সৈমান কৰাবলৈ যাওঁতে সঁচাকৈয়ে বৰ অসুবিধাত পৰিবলগীয়া হৈছিল।

তেওঁৰ বাস্তৱবাদী দৃষ্টি-ভংগী আৰু লৌকিকতা বা শিষ্টাচাৰ পালনৰ কথা ক'লেও সম্পূৰ্ণ অমনোযোগিতা দেখুওৱাৰ প্ৰকৃষ্ট উদাহৰণ এটা হ'ল তেওঁক 'Your Excellency' বুলি সম্বোধন কৰিলে তেওঁ অস্বস্তিত পৰা দেখা যায়। তেওঁ জানিছিল যে সমাৰোহ অনুষ্ঠান আদিত তেওঁক তেনেদৰে সম্বোধন কৰাটো এৰাব নোৱাৰে। কিন্তু চৰকাৰী অথবা অন্যান্য কাম-কাজত নিতৌ তেওঁৰ ওচৰলৈ অহা দৰ্শনাৰ্থীসকলক তেওঁ তেনে ধৰণৰ সন্মানসূচক সম্বোধন এৰাই চলিবলৈ কোৱা মই কেইবাবাৰো নিজ কাণে শুনিছিলোঁ। তথাপি মানুহে তেওঁৰ সেই অনুৰোধ মানি চলা নাছিল।

এই কথাটো উল্লেখ কৰাৰ এটা কাৰণ আছে। কালামৰ সচিব হিচাপে ৰাষ্ট্ৰপতি ভৱনলৈ যোৱাৰ আগতে মই বহুকেইজন ৰাজ্যপাল আৰু লেফ্‌টেনেণ্ট্ গবৰ্ণৰৰ তলত কাম কৰা বা তেওঁলোকৰ সৈতে কথা পতাৰ সুযোগ পাইছিলোঁ। তেওঁলোকক দেখা কৰিবলৈ যাওঁতে কোনো এজনেও মোক 'Your Excellency' বুলি সম্বোধন কৰিবলৈ জোৰ কৰা নাছিল। কিন্তু ৰাজভৱনৰ আৰু ৰাজনিবাসৰ বিষয়াবৰ্গৰ পৰা মই জানিব পাৰিছিলোঁ যে তেওঁলোকৰ বহুতে 'Your Excellency' বুলি মতা বা 'His Excellency' বুলি উল্লেখ কৰাৰ ওপৰত জোৰ দিছিল। এবাৰ মোৰ এটা বৰ বেয়া অভিজ্ঞতা হৈছিল। ৰাষ্ট্ৰপতি মহোদয়ে বিশেষ এখন ৰাজ্য ভ্ৰমণ কৰাৰ কথা। তেওঁৰ আগন্তুক ভ্ৰমণসূচীৰ চূড়ান্ত ৰূপ দিয়াৰ বাবে মই সেই ৰাজ্যৰ ৰাজভৱনলৈ গৈছিলোঁ। মই

সেই ৰাজভৱনতে আছিলোঁ। সন্ধিয়া সময়ত সেই প্ৰাসাদোপম অট্টালিকাৰ সন্মুখৰ বিস্তীৰ্ণ ভূ-খণ্ডত অলপ বিচৰণ কৰাৰ কথা ভাবিলোঁ। ফুৰিবলৈ ওলাইছোঁহে মাথোঁ— তেনেতে ৰাজভৱনৰ বিষয়া এজন আগুৱাই আহি যথেষ্ট সৌজন্যতাৰে মোক ক'লে, 'ছাৰ, এতিয়া যাব নালাগে। সৌৱা, Madam Governor য়ে তাত খোজ কাঢ়িবলৈ আহিছে।' মই হতভম্ব হ'লোঁ। মই জানো— ৰাজ্যপালজন অতিশয় ভদ্ৰ মানুহ। মাত্ৰ কেইঘণ্টামানৰ আগতে মই তেওঁক সাক্ষাৎ কৰি আহিছোঁ। সেই ৰাজ্যত যে আৰু এজন ৰাজ্যপাল আছে— সিও এগৰাকী ভদ্ৰ মহিলা, সেই কথা মই নাজানিছিলোঁ। সন্দেহ নিৰসন কৰাৰ বাবে মই বিষয়াজনক সেয়া 'Lady Governor' নো কোন তাকে সুধিলোঁ। মোৰ অজ্ঞতা দেখি বিষয়াজনে বৰ আমোদ পালে। আত্মসন্তুষ্টিৰ মনোভাবেৰে তেওঁ মোক বুজাই দিলে— সেয়া আন কোনো নহয়, 'Her Excellency'— ৰাজ্যপালৰ পত্নী মহোদয়াহে। মোক বিবুধিত পৰা দেখি তেওঁ মোক আঁতি-গুৰি মাৰি বুজাই দিলে যে His Excellency (ৰাজ্যপাল)য়ে তেওঁৰ 'Lady wife'ক যাতে সদায় Madam Excellency বুলি সম্বোধন কৰা হয় আৰু কেৱল 'Madam Governor' অথবা 'Her Excellency' বুলিহে উল্লেখ কৰা হয় তাৰ বাবে বিশেষভাৱে আদেশ জাৰি কৰিছে। এই কথাই মোক এখন ইউনিয়ন টেৰিটৰীৰ লেফ্‌টেনেণ্ট্ গভৰ্ণৰ এজনৰ কথা মনত পেলাই দিলে। সকলো সময়তে তেওঁক 'Your Excellency' বুলি সম্বোধন কৰাই নহয়, তেওঁলৈ পঠিওৱা আটাইবোৰ ফাইল 'H E LG' বুলি চিহ্নিত কৰিবই লাগিব বুলি লিখিত নিৰ্দেশ জাৰি কৰিছিল। এৰা, এজন লেফ্‌টেনেণ্ট জেনেৰেলে যদি তেওঁলৈ পঠিওৱা ফাইলবোৰত 'H E LG' বুলি মাৰ্কা মাৰি দিয়াত জোৰ দিব পাৰে তেন্তে কোনোবা এজনে আৰু এখোজ আগুৱাই গৈ 'Madam Governor' বুলি মিলাই ল'বও পাৰে। তেনে বোধ জন্মাৰ লগে লগে মই নিজৰ কোঠালৈ খোজ ল'লোঁ।

কালাম অকৃতদাৰ লোক। সেই গতিকে তেখেতৰ কাৰ্যকালত ৰাষ্ট্ৰপতি ভৱনত 'মেডাম প্ৰেছিডেণ্ট্' অথবা 'Her Excellency'ৰ বাবে কোনো স্থান নাই। বিধি-বিধান বা শিষ্টাচাৰৰ ফালৰ পৰা তেওঁ বন্ধনমুক্ত বুলি অনুভৱ কৰিছিল নিশ্চয়।

৩১

কালামৰ শিশুৰ দৰে সহজ-সৰল মনটোৰ কথা সকলোৱে জানে। তেওঁৰ সেই সৰলতা স্বাভাৱিক অকপট সৰলতা। সেই কথাৰ যথাৰ্থতা প্ৰমাণ কৰাৰ বাবে তলৰ উদাহৰণকেইটাই যথেষ্ট।

২০০২ চনৰ চেপ্তেম্বৰ মাহ। মোৰ মা দিল্লীলৈ আহি মোৰ লগতে আছিলহি। মা কালামতকৈ পূৰা দহ বছৰে ডাঙৰ।

বিভিন্ন উৎসৰ পৰা কালামৰ বিশাল ব্যক্তিত্বৰ কথা মাৰ কাণত পৰিছিল। কালামে সদায় বয়সস্থ লোকক সন্মান কৰে আৰু তেওঁৰ ফোঁপযহী বা ফিতাহি মৰা স্বভাৱ সমূলি নাই। তেওঁ সকলো জাকজমকতা পৰিহাৰ কৰি চলিছিল। এই কথাবোৰ শুনি মাৰ মনত কালামক এবাৰ লগ পোৱাৰ ইচ্ছা জন্মিল। এদিন মাই তেওঁৰ মনৰ ইচ্ছাৰ কথাটো মোক জনালে। পঁয়ত্ৰিছ বছৰৰো অধিক কাল জীৱনটোক আমোলাৰ দৃষ্টিভংগীৰে চাই মই আত্মৰক্ষাতে ব্যস্ত আছিলোঁ। মাৰ অনুভূতিখিনিক আঘাত কৰাৰ ইচ্ছা নাই। তথাপি মাক 'হ'ব' বুল চিধা-চিধি উত্তৰ নিদিলোঁ। মাক ক'লোঁ, 'মই চেষ্টা কৰি চাম বাৰু।' উত্তৰটো— 'I shall look into it'ৰ সমাৰ্থক। আউল লগা বিধৰ। মনত যথেষ্ট ভয়-শংকা লৈ মই চেষ্টাও কৰিছিলোঁ। ভয়-শংকা আছিল— কিয়নো মই ভাৰতবৰ্ষৰ মহামান্য ৰাষ্ট্ৰপতিজনৰ আগত সেই কথা উলিয়াব লাগিব।

'ছাৰ, মোৰ মা বৰ্তমান মোৰ লগত আছেহি। আপোনাৰ সুযোগ-সুবিধা অনুসৰি তেওঁ আপোনাক এবাৰ দেখা কৰিব খোজে। অনুগ্ৰহ কৰি আপুনি যদি দিন-বাৰ আৰু সময় দিয়ে মই আপোনাৰ প্ৰতি কৃতজ্ঞ হৈ থাকিম।'

'বাঃ বঢ়িয়া কথা! অহা দেওবাৰে, বাৰ বজাত?' কালামে ক'লে।

'ঠিক আছে, ছাৰ!' মই পিছুৱাই আহিলোঁ। দৌৰি যোৱাদি ঘৰলৈ গৈ মাক ক'লোঁ, 'মা! অহা দেওবাৰে দুপৰীয়া আমি ৰাষ্ট্ৰপতি মহোদয়ৰ ওচৰলৈ যাম।' মা যথেষ্ট উৎফুল্লিত আৰু সুখী হ'ল। মই বৰ সকাহ আৰু তৃপ্তি পালোঁ।

দেওবাৰটো আহি পালে। মোৰ পত্নীৰে সৈতে মাক লৈ মই ৰাষ্ট্ৰপতি ভৱনলৈ গ'লোঁ। নৰ্থ ক'ৰ্টত তিনিজন এ ডি চি আমাৰ বাবে অপেক্ষা কৰি আছিল। লিফ্‌টেৰে আমাক প্ৰথম মহলালৈ লৈ যোৱা হ'ল। লিফ্‌টৰ দৰ্জা খোল খোৱাৰ লগে লগে এ ডি চি কেইজনে মোক ক'লে, 'ছাৰ! আমাক তলত অপেক্ষা কৰিবলৈ কৈছে।' এ ডি চি কেইজন গ'লগৈ। তাৰ পিছত দেখোঁ কালামে মাক আদৰাৰ বাবে ৰৈ আছে। এটা শুধ ছাৰ্ট আৰু ৰাষ্ট্ৰপতিৰ অলংকাৰ বা ভূষণবৰ্জিত কাপোৰ এসাজ পিন্ধি থকা তেখেতে আমাক ঘাই ড্ৰয়িং ৰুমলৈ লৈ গ'ল। তেওঁ মোৰ মাৰ নিচেই কাষতে বহিল। মই সন্মানজনক দূৰত্ব বজাই ৰাখি বহিলোঁ। মোৰ পত্নী মোৰ বিপৰীতফালে। মোৰ মায়ে ইংৰাজী খুব ভালকৈয়ে ক'ব পাৰে যদিও তেওঁৰ কাণেৰে শুনাৰ সমস্যা হৈছে। ডাঙৰ বায়েকে সৰু ভায়েকক দিয়াৰ নিচিনাকৈয়ে মাই কালামক আশীৰ্বাদ দিলে। কালামেও মাৰ আশীৰ্বাদ আন্তৰিকতাৰে গ্ৰহণ কৰিলে।

সেই সাক্ষাৎ প্ৰায় পঁচিছ মিনিট সময় ধৰি চলিল। তাৰ পিছত মই ক'লোঁ, 'ছাৰ, আপোনাক বহুত ধন্যবাদ। আমি এতিয়া বিদায় লওঁ।' আমি আটাইকেউজন থিয় দিলোঁ। তেওঁ 'অকমান ৰ'ব' বুলি কৈ কাষৰ কোঠাটোলৈ গ'ল। ক্ষন্তেক পিছতে হাতত এখন ধুনীয়া শ্বাল লৈ তেওঁ উভতি আহিল। সেই শ্বালখন তেওঁ মাক উপহাৰ দিলে। মায়ে তেওঁক উপৰ্যুপৰি ধন্যবাদ যাচিলে। তেওঁক পুনৰ আশীৰ্বাদ দিলে। আমি তিনিও লিফ্‌ট্‌টোৰ ফালে আগবাঢ়িছিলোঁ। তেনেতে কালামে মোক সুধিলে, 'মিষ্টাৰ নায়াৰ! তেওঁক বিদায় দিবলৈ মই তললৈ নামি যাওঁ নেকি?' লগে লগে মোৰ অভ্যন্তৰৰ আমোলাজন সন্মুখলৈ আহিল। 'নালাগে ছাৰ! আমি যাম। আপুনি তললৈ নামি যাব নালাগে।' ঘণ্টা বাজিল। লিফ্‌ট্‌টো ওপৰলৈ আহিলত আমি ভিতৰত সোমাই পৰিলোঁ। দৰ্জা বন্ধ হোৱাত দেখোঁ কালামে লিফ্‌ট্‌ৰ বাহিৰত থিয় দি আছে। হাত জোৰ কৰি মাক নমস্কাৰ জনালে। ঘৰলৈ ঘূৰি যাওঁতে গাড়ীৰ ভিতৰত মায়ে মোক ক'লে, 'তেওঁৰ পৰা অজস্ৰ শিকিবলগীয়া কথা আছে। শিকিবা।'

* * *

এৰা, মই শিকিবলৈ চেষ্টা কৰিছোঁ কিন্তু কিমানদূৰ সফল হৈছোঁ নাজানো।

এবাৰ তেওঁ কিবা এটা কথা আলোচনা কৰাৰ বাবে ভাৰতবৰ্ষৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ, শ্ৰীযুক্ত ন্যায়াধীশ ভেংকটচালাইয়া দেৱক বাংগালোৰৰ পৰা মাতি পঠিয়ালে। তেওঁলোক দুয়োজন অধ্যয়ন কক্ষৰ একেখন ছোফাতে কিছুসময় ওচৰা-উচৰিকৈ বহিছিল। তেওঁলোকৰ আলোচনাৰ শেষত মোক ভিতৰলৈ মাতিলে। মই শ্ৰীযুক্ত ন্যায়াধীশ ভেংকটচালাইয়া মহোদয়ৰ সৈতে তেওঁৰ কোঠালৈ গ'লোঁ। দুয়ো অলপ সময় মনে মনে বহি থকাৰ পিছত তেওঁ ক'লে— 'শ্ৰীযুত নায়াৰ! মোৰ জীৱনৰ এইটো এটা দুৰ্লভ অভিজ্ঞতা! মই ড° কালামৰ নিচেই ওচৰতে বহিছিলোঁ। তেতিয়া মোৰ মনত এনে এটা অনুভৱ হৈছিল— যেন মনেৰে কেৱল উমান কৰিব পৰা অথবা এক বাঙ্ময় দেৱত্ব বা ঈশ্বৰত্বৰ অনুভূতি মোৰ হৃদয়ৰ গভীৰত অনুনাদিত হৈছিল। মই বিহ্বল হৈ পৰিছিলোঁ।— সঁচাই তেওঁ ভগবানৰ নিজৰ মানুহ!'

মোৰ নিজৰো কেইবাবাৰো তেনে ধৰণৰ কিবা অনুভৱ এটা হৈছিল। কিন্তু মই কাকো একো কোৱা নাছিলোঁ।

কালামে এবাৰ ফীল্ড্ মাৰ্শ্বাল মানেকশ্বক দেখা কৰিছিল। এইটো তেওঁৰ নিজা চিন্তা। ১৯৭১ চনত পাকিস্তানৰ সৈতে হোৱা যুদ্ধৰ নায়কজনৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল। সেইবাবে কালামে ২০০৭ চনৰ ফেব্ৰুৱাৰী মাহত উট্‌কেমুণ্ড্ উটি ভ্ৰমণলৈ যাওঁতে মানেকশ্বক দেখা কৰিব খুজিলে। কালামে এটা কথা তৎক্ষণাত উপলব্ধি কৰিছিল যে উপযুক্ত লোকক ডাঙৰ ডাঙৰ উপাধিৰে সজ্জিত কৰাটো এটা কথা, কিন্তু উচ্চ মৰ্যাদাসম্পন্ন পদ বা বাবৰ লগত সংগতি ৰাখি তেওঁলোকক অতিৰিক্ত বানচ আৰু সা-সুবিধা কিছুমান আগবঢ়োৱাটো অন্য এটা কথা। ঘূৰি আহিয়েই কালামে তেনেকুৱা অৰ্থপূৰ্ণ কিবা এটা কৰাৰ বাবে প্ৰক্ৰিয়াটো আৰম্ভ কৰি দিলে। তাৰেই ফলশ্ৰুতি হ'ল উচ্চ মৰ্যাদাসম্পন্ন পদলৈ উন্নীত হোৱা ব্যক্তিসকলক পদমৰ্যাদা অনুসাৰে বিভিন্ন লাভৰ টোপোলা আগবঢ়োৱা ব্যৱস্থাৰ প্ৰৱৰ্তন। বায়ুসেনা (air force) বিভাগৰ মাৰ্শ্বাল পদটো এটা উচ্চ মৰ্যাদাসম্পন্ন পদ আৰু ই সৈন্য বিভাগ (army)ৰ ফীল্ড মাৰ্শ্বালৰ সৈতে সমপৰ্যায়ৰ। মানেক্‌শ্ব আৰু অৰ্জুন সিং (ভাৰতীয় বায়ুসেনা বিভাগৰ প্ৰথম আৰু বৰ্তমানলৈকে একমাত্ৰ মাৰ্শ্বাল)— এই দুজন সেই লাভৰ হকদাৰ হ'ল। যিটো তাৰিখত তেওঁলোক সেই পদমৰ্যাদালৈ উন্নীত হৈছিল সেই তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ উক্ত লাভালাভ দিয়াৰ ওপৰত জোৰ দিয়া হৈছিল আৰু কালামে নিজৰ

প্ৰচেষ্টাত সেইটো নিশ্চিত কৰিলে।

তেওঁ নিজৰ উদ্যোগতেই লেখক-স্তম্ভকাৰ খুশৱন্ত সিঙকো সাক্ষাৎ কৰিছিল। দুয়োজন ব্যক্তিৰ ব্যক্তিত্বত বৈপৰীত্য বা বৈসাদৃশ্য আছে— সেইটো ঠিক। কিন্তু দুয়োজনৰ সাক্ষাতৰ সময়ত যি সৌহাৰ্দ্য বা প্ৰীতি আৰু স্বাচ্ছন্দ্যৰ ভাব ফুটি উঠিছিল তাৰ পৰা কালামে ভিন্নমুখী বা বিচিত্ৰ লোকৰ সৈতে কিমান সহজভাৱে মিলামিছা কৰিব পাৰে তাকে দেখুৱাই দিছে। ইয়াৰ মূলতে মানুহৰ প্ৰতি থকা কালামৰ আগ্ৰহ অথবা উৎকণ্ঠা। এই কথাটোৱেই, দেশে তেওঁক পুনৰ কিয় ৰাষ্ট্ৰপতি হিচাপে বিচাৰিছিল, তাক প্ৰতিপন্ন কৰে।

৩২

গ্ৰন্থখনৰ এইকেইটা সামৰণি অধ্যায় হ'ব পাৰে। কিন্তু কালামে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনাখনৰে পৰা ৰাষ্ট্ৰপতি প্ৰশাসনত নিতৌ নতুন অধ্যায় ৰচিত হৈয়েই আছে। সম্ভৱ তেওঁ সাংসদসকলক লৈ 'ব্ৰেক্‌ফাষ্ট মিটিং' কৰোঁতেই এই কাম আৰম্ভ হৈছিল। সেই সভাত তেওঁ গুৰুত্বপূৰ্ণ আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়বোৰ বিতংভাৱে আলোচনা কৰিছিল। কিছুমানে সেইবোৰ মিটিং ভাল পাইছিল আৰু তেওঁলোকৰ বাবে ফলপ্ৰদ হৈছিল। কিছুমানে বেয়াও পাইছিল। মই আনকি দুজন অংশগ্ৰহণকাৰীক (তাৰে এজন উচ্চ মৰ্যাদাসম্পন্ন পদত অধিস্থিত আৰু তেওঁৰ বদনামো হৈছিল) এইবুলি কোৱা-মেলা কৰা শুনিছিলোঁ যে শ্ৰেণীকোঠাৰ পৰিৱেশ বিৰাজ কৰা সেই ব্ৰেকফাষ্ট মিটিংবোৰ তামাচাৰ বাদে আন একো নহয়। তেওঁলোকৰ বাবে মিটিঙৰ শেষত পৰিৱেশন কৰা খাদ্যই আছিল একমাত্ৰ ৰুচিকৰ বস্তু।

কালাম আছিল এজন স্বভাৱজাত শিক্ষক। এদিনাখন সেইটো স্পষ্ট হৈছিল। সিদিনাখন তেওঁ ঘাইকৈ তৰুণ প্ৰজন্মৰ শ্ৰোতা-দৰ্শকসকলক সাধুতা, ধৰ্মপৰায়ণতা, ন্যায়পৰায়ণতা আৰু ঔচিত্যৰ শপত বাক্য পাঠ কৰাবলৈ সিদ্ধান্ত লৈছিল। মই তাতো আনকি মানুহক বিৰূপ মন্তব্য কৰা শুনিছিলোঁ। মাজে মাজে কবিতা অন্তৰ্ভুক্ত কৰা তেওঁৰ ভাষণবোৰ আছিল সৎকৰ্ম বা নৈতিক উৎকৰ্ষতাৰ গুণানুকীৰ্তন— যি মানুহক সৎ লোক হিচাপে গঢ় দিয়াত সহায়ক হ'ব পাৰে।

ৰাষ্ট্ৰপতিৰ কাৰ্যভাৰ লওঁতে কালামে এই কথা ভালকৈ জানিছিল যে তেওঁৰ কাৰ্যকাল পাঁচ বছৰৰ বাবেহে। তেওঁ এইটোও জানিছিল যে দ্বিতীয়বাৰ বা তৃতীয়বাৰ ৰাষ্ট্ৰপতি হোৱাৰ ক্ষেত্ৰত কোনো সাংবিধানিক বাধা-নিষেধ নাই। তৎসত্ত্বেও, তেওঁ পৰোক্ষভাৱে হ'লেও তাৰ বাবে কোনো চেষ্টা কৰা নাছিল। কিন্তু সময়ৰ সোঁতত তেওঁ মানুহৰ আশা-আকাংক্ষাৰ উজ্জ্বল প্ৰতীক আৰু তৰুণ প্ৰজন্মৰ বাবে আদৰ্শ আৰ্হি বা প্ৰেৰণা-পুৰুষ হৈ উঠিছিল। সেইবাবে দ্বিতীয়বাৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হোৱাৰ বাবে কেউফালৰ পৰা তেওঁৰ ওপৰত হেঁচা পৰিবলৈ ধৰিলে। তেওঁ কিন্তু তাত সন্মতি দিয়া নাছিল। ২০০৫ চনৰ কোনোবা এদিন কইম্বাটোৰত হোৱা এখন

জনসভাত ভাষণ দি তেওঁ শ্ৰোতা-দৰ্শকক এইবুলি কৈছিল যে তেওঁ মাত্ৰ ২০০৭ চনৰ জুলাই মাহ শেষ হোৱালৈকে বাট চাই আছে। তাৰ পিছতে তেওঁ চেন্নাইৰ আন্না বিশ্ববিদ্যালয়ত অধ্যাপনাৰ কামলৈ ঘূৰি যাব।

এই কথাটোত কিছুমান মানুহে স্বস্তিৰ নিশ্বাস পেলালে। তেওঁক দ্বিতীয় এটা কাৰ্যকাল দিব নালাগে বুলি তেওঁলোকে আগবঢ়োৱা যুক্তিক তেওঁৰ এই কথাই যেন সমৰ্থনহে কৰিলে। সি যি কি নহওক, ২০০৭ চনৰ জুলাইৰ পিছত তেওঁ কি কৰিব সেই সিদ্ধান্ত তেওঁ ইতিমধ্যে লৈছিল। তেওঁৰ যি জনপ্ৰিয়তা আছিল ৰাজনীতিবিদসকলেও সেই জনপ্ৰিয়তা অৰ্জন কৰাৰ সপোন দেখিছিল। এদিনাখন এজন মন্ত্ৰীয়ে মোলৈ ফোন কৰি কৈছিল, 'এইটো কি? এই মানুহজনে যি জনপ্ৰিয়তা লাভ কৰিছে সেইটো আমাৰ হাতলৈহে আহিব লাগিছিল। কিয়নো আমিহে নিৰ্বাচিত লোক।'

মই কালামক কৈছিলোঁ, 'ছাৰ! ভগৱানৰ দোহাই— মানুহৰ আশা-আকাংক্ষাৰ ওপৰত চেঁচা পানী নাঢালিব। আপুনি তেওঁলোকৰ ক্ষুধা বৃদ্ধি কৰিছে— তেওঁলোকৰ মনত আশাৰ সঞ্চাৰ কৰিছে। আপোনাৰ কথাত তেওঁলোকে নিজৰ ভৱিষ্যৎ, ভাৰতবৰ্ষৰ ভৱিষ্যৎ দেখিবলৈ পাইছে। আপুনি দায়িত্বৰ পৰা হাত সাৰিব নোৱাৰে।' ধৈৰ্য ধৰি তেওঁ মোৰ কথা শুনি আছিল। মই আকৌ ক'লোঁ, 'আৰু এটা কথা ছাৰ! যিবোৰ মানুহে আপোনাক দ্বিতীয়বাৰলৈ অহাটো বিচৰা নাই তেওঁলোকে আপোনাৰ এই বিবৃতিটো আপোনাৰেই বিৰুদ্ধে প্ৰয়োগ কৰিব। তেওঁলোকে ক'ব যে তেওঁলোকে আপোনাক যথেষ্ট সন্মান কৰে। আপুনি নিজে ভালপোৱা বা আপোনাৰ প্ৰথম পছন্দৰ বৃত্তি শিক্ষকতালৈ ঘূৰি যাওঁ বুলি আপুনি নিজে ইচ্ছা প্ৰকাশ কৰিছে। তেনেস্থলত আপোনাক আৰু এটা কাৰ্যকালৰ বাবে অনুৰোধ কৰিবলৈ যোৱা মানেই আপোনাৰ প্ৰতি অসন্মান কৰাহে হ'ব বুলি তেওঁলোকে ভাবে। তেওঁলোকে আপোনাৰ ইচ্ছাক যথেষ্ট মূল্য দিয়ে।'

হয়-নহয়, তেওঁ একোকে নক'লে।

২০০৬ চনৰ ডিচেম্বৰ মাহত ৰাজনীতিৰ এটা বিপন্ন প্ৰজাতিৰ ভিতৰৰ কেইজনমান বিচক্ষণ ৰাজনীতিজ্ঞই কালামক লগ ধৰি দ্বিতীয় কাৰ্যকালৰ বাবে মান্তি কৰাবলৈ চেষ্টা কৰিছিল। সেই সময়ত মই নাছিলোঁ। কিন্তু মই গম পাইছিলোঁ— তেওঁলোকে তেনেকৈ জোৰ কৰাত কালামে হেনো এইবুলি কৈছিল, 'আপোনালোক আটায়ে যদি বিচাৰে মই 'no' বুলি নকওঁ।'

তেওঁৰ কাৰ্যকাল অন্ত পৰাৰ দিন চমু চাপি অহাৰ লগে লগে মানুহে এছ এম এছ আৰু ই-মেইলযোগে নিজৰ মতামত ব্যক্ত কৰিবলৈ ধৰিলে। খবৰ

কাগজ আৰু দূৰদৰ্শনৰ চেনেলবিলাকে জৰীপ চলাবলৈ ধৰিলে। সেই অনুসৰি কালামৰ জনপ্ৰিয়তা ৮০ৰ পৰা ৯৫ শতাংশ পৰ্যন্ত হোৱাৰ বিপৰীতে অন্য বেছি ভাগ নেতাৰ শতাংশৰ হিচাব হয় এটা অংকবিশিষ্ট নতুবা কোনোমতে দুটা অংক ঢুকি পোৱা বিধৰ হ'লগৈ।

কোনোবা এজনে কৈছিল যে ভাৰতৰ ৰাষ্ট্ৰপতিজন এছ্ এম এছ্ অথবা ই-মেইলযোগে নিৰ্বাচিত নহয়। সঁচা কথা। কিন্তু সাধাৰণ মানুহৰ নিৰ্বাচন স্পষ্ট। তথাপি ৰাজনৈতিক ব্যক্তিসকলে নিজৰ পচন্দৰ মানুহ এজন বিচাৰি উলিয়াওতে সময় লৈছিল। কথাবিলাক অন্য ফালে ঢাল খোৱা যেন লাগিল। আমি ৰাষ্ট্ৰপতি ভৱনত থকাবিলাকে বিভিন্ন প্ৰশ্নৰ দ্বাৰা উত্তেজিত হ'ব নুখুজিলোঁ।

থাৰ্ড্ ফ্ৰণ্ট্ বোলা এটা ৰাজনৈতিক জোঁটে কালামৰ নামটো প্ৰস্তাৱ কৰাৰ লগে লগে কেউফালে হুলস্থূল লাগিল। তেওঁৰ উত্তৰ আছিল আগৰটোৱেই। তেওঁ প্ৰতিদ্বন্দ্বিতা কৰা অথবা প্ৰতিদ্বন্দ্বিতা কৰি হৰাৰ প্ৰশ্নই উঠিব নোৱাৰে। তেওঁ 'certainty' শব্দটো কৈছিল। বেছি নোকোৱাই ভাল। কাৰণ বহু কথা ইতিমধ্যে কোৱা হৈছে।

ভাৰতবৰ্ষই পোনপ্ৰথমবাৰৰ বাবে এগৰাকী নাৰীক ৰাষ্ট্ৰপতি হিচাপে লাভ কৰিলে। প্ৰাৰ্থিত্ব আগবঢ়োৱাৰে পৰা আৰম্ভ কৰি নিৰ্বাচনলৈকে এই সমস্ত প্ৰক্ৰিয়াটোত তেওঁ মৰ্যাদা অটুট ৰাখিছিল। তেওঁক আমি ধন্যবাদ আৰু শুভেচ্ছা জনাইছোঁ।

নতুন ৰাষ্ট্ৰপতিক আদৰা আৰু পুৰণিজনক বিদায় সম্ভাষণ জনোৱাটো এক মৰ্মস্পৰ্শী ঘটনা। তেনেকুৱা অনুষ্ঠানত যি মৰ্যাদা ৰক্ষা কৰা প্ৰয়োজন তাক সম্পূৰ্ণকৈ ৰক্ষা কৰা হৈছিল।

তথাপি কালামে যেতিয়া হাত জোকাৰি বিদায় জনাইছিল আৰু নতুনকৈ গৃহ প্ৰৱেশ কৰা ৰাষ্ট্ৰপতিজনাৰ সৈতে নিজৰ নতুন গৃহাভিমুখে আগবাঢ়িছিল তেতিয়া স্বাভাৱিকতে দুই-এজনৰ চকুত এটোপাল বা দুটোপাল অশ্ৰু বিৰিঙি উঠা যেন লাগিছিল।

৩৩

মই আগতে উল্লেখ কৰিছোঁ যে কালামে দেশৰ সৰ্বত্ৰ ব্যাপকভাৱে ভ্ৰমণ কৰিছিল। সেই ভ্ৰমণবোৰৰ মাজতে প্ৰায়ভাগ ৰাজ্যই তেওঁক বিধান পৰিষদত ভাষণ দিবলৈ মাতিছিল। তেওঁ সেইবোৰ নিমন্ত্ৰণ আনন্দেৰে গ্ৰহণ কৰিছিল। কিন্তু তেওঁৰ এটা ভাষণো গতানুগতিক বা বৈশিষ্ট্যহীন নাছিল। প্ৰতিখন ৰাজ্যৰ মূল সাধনক্ষমতা বা প্ৰাচুৰ্য কি, ৰাজ্যখনৰ কিমান উন্নতি হৈছে আৰু প্ৰতিখন ৰাজ্যই ভৱিষ্যতে কি লক্ষ্য লৈ আগবাঢ়িব— এইবোৰ সন্ধান কৰাৰ বাবে সমগ্ৰ ৰাষ্ট্ৰপতি ভৱনক তেওঁ তৎপৰ কৰি তুলিছিল। কালামে নিজেও গৱেষণাৰ জৰিয়তে সেই ভাষণবোৰ প্ৰস্তুত কৰি উলিয়াবলৈ দিনে-ৰাতি খাটিছিল। তেনেদৰে দেহে-কেহে খাটি তেওঁ প্ৰতিখন ৰাজ্যক অখণ্ডনীয় বা অকাট্য তথ্য (data)ৰে সমৃদ্ধ উন্নয়নমূলক মিছনৰ বিধান দিয়াৰ বাবে প্ৰচুৰ উপাদান গোটায়। আৰু সঁচাকৈয়ে, তেওঁৰ পৰামৰ্শসমূহে তেওঁৰ দৃষ্টিভংগীৰ ছাপ বহন কৰিছিল। কেৰালাৰ দৰে বহু ৰাজ্যত সেই মিছনসমূহত প্ৰতিফলিত হোৱা লক্ষ্য সাধনৰ বাবে কমিটি গঠিত হৈছিল। মানুহে কেৱল আশা কৰিছিল যে সিবোৰ প্ৰভূত পৰিমাণে লাভজনক হ'ব।

দেশৰ তৰুণসকলৰ ওপৰত কালামৰ যি অগাধ বিশ্বাস আৰু তেওঁলোকৰ লগত তেওঁৰ যি সৌহাৰ্দ্য সি ইতিমধ্যে সাধুকথাৰ দৰে হৈ পৰিছে। তেওঁ জানে যে তৰুণ সম্প্ৰদায়টোৱেই দেশৰ ভৱিষ্যৎ আৰু তেওঁলোকক সঠিকভাৱে গঢ় দিব পৰাটোৱেই দেশ প্ৰগতিৰ দিশত আগবঢ়াৰ ঘাই পথ। তৰুণসকলৰ লগত এঘণ্টা বা দুঘণ্টা নকটোৱাকৈ তেওঁৰ এটা দিনো অতিবাহিত নহৈছিল। শ শ তৰুণক সম্বোধি তেওঁ কৈছিল— কিদৰে দেশৰ ভৱিষ্যৎ একমাত্ৰ তৰুণসকলৰ সততা, উদ্দেশ্যধৰ্মিতা আৰু লক্ষ্য পূৰণৰ কৃচ্ছ্ৰসাধনাৰ ওপৰত নিৰ্ভৰশীল। তৰুণসকলৰ কল্পনাক তেওঁ কিদৰে উজ্জীৱিত বা প্ৰজ্জ্বলিত কৰে আৰু তেওঁলোকৰ দেহত বিদ্যুৎ সঞ্চাৰিত কৰি কেনেকৈ এক শক্তিশালী দল বা ফৌজ গঠন কৰে সি নিতান্তই অবিশ্বাস্য। তেওঁ যেতিয়াই যুৱ সম্প্ৰদায়ক লগ

পায় তেতিয়াই তেওঁলোকক কেইবাদফীয়া শপত বাক্য পাঠ কৰোৱাটো তেওঁ এটা লক্ষ্য কৰি লৈছিল। ডেকা শক্তিক উদ্বুদ্ধ কৰা আৰু তেওঁলোকৰ গাত উন্নত ভাৰতবৰ্ষৰ স্বপ্ন বা লক্ষ্য পূৰণৰ বাবে লগা প্ৰাণশক্তি সঞ্চাৰ কৰা— এয়াই তেওঁৰ একমাত্ৰ লক্ষ্য বা উদ্দেশ্য যেন লাগে।

উল্লেখযোগ্য যে কালামৰ সকলো কাম সাধাৰণভাৱে সম্পন্ন হৈছিল। কোনো দিনে তেওঁ আদেশ নিদিছিল, অথচ আমি আটাইবোৰ কাম নিৰ্দ্বিধাই সম্পাদন কৰিছিলোঁ। তাৰ ফলো পোৱা গৈছিল। কাম-কাজ সম্পাদন কৰাৰ বাবে আন ভাল পথ কি আছে?

ৰাষ্ট্ৰপতি ভৱনৰ বিভিন্ন ৰেহ-ৰূপ বা কাৰ্যকলাপক লৈ কালামে খুব গৰ্বিত অনুভৱ কৰিছিল। ৰাষ্ট্ৰপতি ভৱনৰ তেনে ৰেহ-ৰূপৰ বিষয়ে সমগ্ৰ পৃথিৱীয়ে জানক— কালামে সেইটো অন্তৰেৰে বিচাৰিছিল। সেই উদ্দেশ্য আগত ৰাখিয়েই আন বহু কামৰ উপৰি কেইখনমান মূল্যৱান গ্ৰন্থও প্ৰকাশ কৰা হৈছিল। যেনে— Mansion Nonpareil (অদ্বিতীয় প্ৰাসাদ), The Roses of Mughal Garden (মোগল গাৰ্ডেনৰ গোলাপ), Trees of Rashtrapati Bhavan (ৰাষ্ট্ৰপতি ভৱনৰ গছ-গছনি), আদি। এনেবোৰ কামৰ বাবে কৃতিত্ব দাবী কৰিব পাৰে দুজন লোকে। তেওঁলোক হ'ল— প্ৰশাসন বিভাগৰ সঞ্চালক সতীশ মাথুৰ আৰু কৃষি উদ্যান বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া ব্ৰহ্ম সিং। সতীশ মাথুৰ সাধাৰণ প্ৰশাসনৰ দোষ-ত্ৰুটি আঁতৰাই নতুনকৈ সজাই পৰাই লোৱা কামত ব্ৰতী হৈ আছিল (উল্লেখযোগ্যভাৱে সফলো হৈছে) যদিও তেওঁ Mansion Nonpareil প্ৰকাশ কৰাৰ বাবেও সময় পাইছিল। সেইদৰে ব্ৰহ্ম সিঙৰো একমাত্ৰ চিন্তা আছিল ৰং-ৰূপ-বৈচিত্ৰ্যৰ ফালৰ পৰা মোগল গাৰ্ডেনখনক অদ্বিতীয় কৰি তোলা যাতে সকলোৱে ইয়াৰ মনোমোহা ৰূপ চাই নয়ন সাৰ্থক কৰিব পাৰে।

৩৪

এই অধ্যায়টো নিলিখা হ'লে মই দোষী অনুভৱ কৰিলোহেঁতেন।

২০০৭ বৰ্ষ। জুলাই মাহ। আমি আটায়ে ওলাই আহিবলৈ সাজু হৈছোঁহঁক। মই ৰাষ্ট্ৰপতি চাহাবক এইবুলি কৈছিলোঁ যে তেখেতৰ কাৰ্যকাল অন্ত পৰিবৰ আগদিনাখন মই মোৰ চৰকাৰী বাসভৱনটো ত্যাগ কৰিম। সেইদিনাখনেই মই মোৰ কাৰ্যালয়ৰ পৰাও অব্যাহতি ল'ব লাগিব। কিন্তু ভগৱানৰ ইচ্ছা আছিল অন্য ধৰণৰ। জুলাই মাহৰ চৈধ্য তাৰিখে দুৰ্ঘটনাক্ৰমে মোৰ পত্নীৰ খাৰগাঁঠি এটা বেয়াকৈ ভাঙিল। তেওঁৰ ভৰিত এটা ডাঙৰ অস্ত্ৰোপচাৰ কৰিবলগীয়া হ'ল। সেই কাৰণে মই চৰকাৰী বাসভৱন ত্যাগ কৰাৰ সময় তিনি সপ্তাহ পিছুৱাই দিবলগীয়া হ'ল। মোৰ স্থলাভিষিক্ত বিষয়া ক্ৰিষ্টী ফাৰ্ণাণ্ডেজ আৰু তেওঁৰ পত্নী বৰ সহৃদয় লোক আছিল। তেওঁলোকে মোক 'চিন্তাৰ কাৰণ নাই— দৌৰাদৌৰি কৰিব নালাগে' বুলি ক'লে। তেওঁলোকৰ এনে সৌহাৰ্দ্যপূৰ্ণ ব্যৱহাৰৰ বাবে মই তেওঁলোকক ধন্যবাদ যাচিছোঁ।

আগষ্টৰ ১৯ তাৰিখে আমি সেই ঠাই এৰিলোঁ। ৰাষ্ট্ৰপতিৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ আগে আগে আমি এবাৰ কালামক দেখা কৰিব খুজিছিলোঁ। কিন্তু পত্নীৰ দুৰ্ঘটনাৰ বাবে আমি সেইটো কৰিব নোৱাৰিলোঁ। তথাপি এটা বিস্ময় আমাৰ বাবে ৰৈ আছিল।

২৪ জুলাইৰ দিনাখন কালাম নিজে আমাৰ ঘৰলৈ আহিল। মোৰ পত্নীক চাবৰ বাবে। সেই সময়ত মোৰ পত্নীৰ একেবাৰে লৰচৰ কৰিব নোৱাৰা অৱস্থা। পোন্ধৰ মিনিটতকৈও অধিক সময় কালাম আমাৰ লগত আছিল। নিজে সাংঘাতিক ব্যস্ততাপূৰ্ণ কাৰ্যসূচীৰ মাজত থকা সত্ত্বেও তেওঁ এনেকুৱা কাম এটা কৰিছিল।

আমি ইমানেই হতভম্ব আৰু বিচলিত হৈ পৰিছিলোঁ যে আমি তেওঁক আনকি 'ধন্যবাদ ছাৰ' বুলিও ক'ব নোৱাৰিলোঁ।

ধন্যবাদ, ছাৰ!

ছাৰ,

আপুনি যি উত্তৰাধিকাৰ এৰি থৈ গ'ল তাক বিলোপ কৰাটো কঠিন হ'ব। মানুহৰ স্মৃতিপটত আপুনি খোদিত হৈ থাকিব। আপোনাৰ ইতিবাচক প্ৰভাৱে মানুহক শীৰ্ষলৈ যোৱাৰ বাবে উদ্বুদ্ধ কৰিব, কাৰণ আপুনি তেওঁলোকৰ মনবোৰ প্ৰজ্জ্বলিত কৰিছে।

ব্যক্তিগতভাৱে, এই পাঁচটা বৰ্ষ মোৰ বাবে আছিল অভাৱনীয় বৰ্ষ। এই কালছোৱাৰ ভিতৰত মই আগতকৈ বহু বেছি কথা আৰু কাম নিৰীক্ষণ কৰিলোঁ, শিকিলোঁ আৰু সম্পন্ন কৰিলোঁ। আৰু, মই ভাবোঁ— মই এজন ভাল মানুহ, সৎ মানুহ হ'ব পাৰিছোঁ।

এই আটাইবোৰ কথাৰ বাবে আপোনাক ধন্যবাদ, ছাৰ!

২৫ জুলাই,
০০৭

□ □ □

পৰিশিষ্ট

পৰিশিষ্ট-১

ৰাষ্ট্ৰপতি হিচাপে ড° এ পি জে আব্দুল কালামৰ কাৰ্যকাল শেষ হোৱাৰ আগে আগে মই ৰাষ্ট্ৰপতি ভৱনৰ কৰ্মচাৰীসকললৈ এখন চিঠি লিখিছিলোঁ। চিঠিখনৰ সম্পাদিত ৰূপ এটা তলত দিয়া হ'ল। ধন্যবাদ জনাই লিখা চিঠি হ'লেও ই ২০০২ বৰ্ষৰ পৰা আৰম্ভ কৰি ২০০৭ বৰ্ষলৈ যিবোৰ ঘটনা ঘটিছিল সিবোৰৰ এটা সাৰাংশ আগবঢ়াব।

— গ্ৰন্থকাৰ

২০০৩ চনৰ ১৪ জুলাইৰ ৰাতিপুৱা। সময় ৮ বাজি ৪০ মিনিট গৈছে। ঠিক সেইখিনি সময়তে মোৰ কাৰ্যালয়ৰ RAX টো সশব্দে বাজি উঠিল। এয়া সিটো মূৰে আমাৰ ৰাষ্ট্ৰপতি মহোদয়ৰ মাত। 'মিঃ নায়াৰ! যোৱা নিশাটো মই একেবাৰে শুব নোৱাৰিলোঁ। কাৰণ মোৰ শোৱনি কোঠাটো উৰুখিছে ...।' মোৰ গাটো চেঁচা পৰি গ'ল। অইন এজন ৰাষ্ট্ৰপতি হোৱা হ'লে মোৰ দশা কি হ'লহেঁতেন! মোৰ হতবুদ্ধি হোৱা অৱস্থাটোৰ উমান পাই ৰাষ্ট্ৰপতিয়ে আকৌ ক'লে, (একমাত্ৰ তেওঁহে তেনেকৈ ক'ব পাৰে) 'মিঃ নায়াৰ! চিন্তা নকৰিব। মই জানো— আপুনি তুৰন্তে মোৰ শোৱনি কোঠাটো ঠিক কৰি দিব। মই মোৰ কথা ভবা নাই। কিন্তু ৰাষ্ট্ৰপতি ভৱনৰ চৌহদত থকা সেইবোৰ ঘৰৰ কথা ভাবিহে মই উদ্বিগ্ন হৈছোঁ য'ত হয়তো একমাত্ৰ এটা শোৱনি কোঠা আছে আৰু সেইটো উৰুখিলে সোমাবলৈ দ্বিতীয় এটা শোৱনি কোঠা নাই।' মই ততাতৈয়াকৈ ঠোঁটা-মোজা লগাই ক'লোঁ, 'মই অত্যন্ত দুঃখিত' ছাৰ! মই এতিয়াই কামত লাগি যাম।'

লগে লগে মই কেন্দ্ৰীয় গড়কাপ্তানি বিভাগৰ (CPWD)ৰ সহকৰ্মীসকলক মাতি আনি উৰুখা চিলিঙৰ কথা ক'লোঁ। তেনে এটা অপ্ৰত্যাশিত ঘটনা ঘটা বাবে তেওঁলোকেও মনত বৰ দুখ পালে। লগে লগে আমি নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত ক্ষিপ্ৰতাৰে আটাইবোৰ অসামৰিক ভৱনাদি চোৱা-চিতা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলোঁ। ৰাষ্ট্ৰপতি ভৱন আৰু ৰাষ্ট্ৰপতি ভৱনৰ চৌহদৰ ঘৰ-দুৱাৰবোৰ কেইবাদশক ধৰি চোৱা-চিতা বা মেৰামতি কৰা হোৱা নাই বুলি এতিয়া অনুতাপ কৰি লাভ নাই। মই মোৰ দলৰ সদস্যসকলক ধন্যবাদ দিবই লাগিব— কিয়নো

আমি হাতত লোৱা মেৰামতি বা চোৱা-চিতা কৰা কামটো খুব সুন্দৰভাৱে আৰু উচিত সময়ত সম্পন্ন হৈ উঠিছিল। ৰাষ্ট্ৰপতি ভৱনৰ গড়কাপ্তানি আৰু বিদ্যুৎ বিভাগৰ সহকৰ্মীসকলে সময়মতে কামটো সম্পন্ন কৰিবলৈ গৈ টোপনি খতি কৰা কথাটো মই লক্ষ্য নকৰাকৈ থকা নাই। ত্ৰুটি-বিচ্যুতি কিবা ঘটিলেও মোৰ কোনো এজন সহকৰ্মীয়ে মোক কোনো অজুহাত দেখুওৱা নাই— সেইবাবেও মই বৰ সুখী। প্ৰায় ত্ৰিছ বছৰৰ আগৰ কথা। পণ্ডিচেৰীৰ ঘটনা। তাৰ ৰাজভৱনটো উৰুখিছিল। তেতিয়া মই গড়কাপ্তানি বিভাগৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিলোঁ। মই এই কথাটো সেই বিভাগৰ জ্যেষ্ঠ অভিযন্তা এজনক জনাওঁতে তেওঁৰ পৰা এনে এটা উত্তৰহে পালোঁ, 'নহয় ছাৰ! বৰঘুণ দিলেহে উৰুখে।'

বন্ধুসকল! সময় পাৰ হৈ যোৱাৰ লগে লগে বেছিভাগ আবাসিক গৃহ (কোৱাৰ্টাৰ) মেৰামতি কৰিলেও লাভ নোহোৱা পৰ্যায়ৰ হৈছেহি— তথাপি কামটোৰ আৱশ্যকতাৰ কথা মনত ৰাখি সম্পূৰ্ণ মেৰামতিৰ কাম সম্পাদন কৰি আপোনালোকে যি দূৰদৃষ্টিৰ পৰিচয় দিলে তাৰ বাবে মোৰ ধন্যবাদ যথেষ্ট নহয়। এতিয়া সাজি উলিওৱা নতুন ঘৰবোৰ দেখাত মনোৰম আৰু থকাৰ উপযোগী হৈছে। এয়া আপোনালোকৰ পাৰদৰ্শিতা বা সক্ষমতাৰ প্ৰতি গভীৰ শ্ৰদ্ধা। অন্ততঃ এবাৰলৈ হ'লেও কেন্দ্ৰীয় গড়কাপ্তানি বিভাগটোক নতুনত্ব বা বৈশিষ্ট্যহীন আৰু নীৰস বা গতানুগতিক বুলি দোষী সাব্যস্ত কৰিব পৰা নাযাব।

পুৰণি বঙলা



নতুন বঙলা

আমাৰ অভিযন্তা আৰু অন্যান্যসকলে ২০০৩ চনৰ প্ৰথম ভাগতে, গাড়ী এখন পাৰ হৈ গ'লেই ভাঙি পৰোঁ পৰোঁ হোৱা ছাউথ আৰু নৰ্থ ক'ৰ্টৰ অত্যন্ত শোচনীয় অৱস্থাটো ধৰিব নোৱাৰিলে কি ঘটিলহেঁতেন তাকে ভাবি মই ভয়ত কঁপি উঠোঁ। সেই ছিদ্ৰ বা ঘুণবোৰ আঁতৰ কৰা কামটো এক বিশাল আয়তনৰ কাম আছিল। মই আমাৰ অভিযন্তাসকলক সুন্দৰ কাম কৰি দেখুওৱা বাবে নথৈ ধন্যবাদ যাচিলোঁ।

মেৰামতি কৰাৰ পিছৰ মনোমোহা অশোকা হল

যোৱা কেইবছৰমান ধৰি সমগ্ৰ ৰাষ্ট্ৰপতি ভৱন বিল্ডিংটোৰ ব্যাপক মেৰামতি আৰু চোৱা-চিতাৰ কাম চলি আছে। আগতে এই অট্টালিকাটো দেখিবলৈ কেনেকুৱা আছিল, আৰু এতিয়া কেনেকুৱা হৈছে সেইটো ফটোবিলাকে (কিছুমান ফটো এই পৰিশিষ্টত দিয়া হৈছে) প্ৰমাণ কৰিব। আনকি 'চাজ্জা' বিলাকো সম্পূৰ্ণ মেৰামতি কৰা হৈছে। মই নিশ্চিত যে আমাৰ পিছত যিসকল আহিব তেওঁবিলাকে এনে এখন মনোমোহা ঠাই দেখি আপোনালোকক ধন্যবাদ জনাব।

ৰাষ্ট্ৰপতি ভৱনৰ আমিবোৰ এক মহান ঐতিহ্যৰ উত্তৰাধিকাৰী। এই প্ৰাসাদোপম অট্টালিকাটোৰ সৰ্বত্ৰ অমূল্য পেইন্টিং, মূৰ্তি আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ খোদিত মূৰ্তি সিঁচৰতি হৈ আছে। মেৰামতি অবিহনে বা অমনোযোগিতাৰ বাবে সিবিলাকৰ কিবা ক্ষতি হ'লে তাক ক্ষমা কৰিব পৰা নাযাব। এইখিনিতে মই মোৰ দলৰ সদস্যসকলক কৃতজ্ঞতা জনাব লাগিব, কাৰণ তেওঁলোকে মোক অশোকা হলৰ নষ্ট হ'বলৈ ধৰা অমূল্য পেইন্টিংবিলাক আঙুলিয়াই দিছিল। তাৰ পিছত যেনিবা সেই পেইন্টিংবিলাকৰ আগৰ বৈভৱ বা ঐশ্বৰ্য ঘূৰাই অনাৰ বাবে ক্ষিপ্ৰ ব্যৱস্থা হাতত লোৱা হৈছিল।

মিউজিকেল ফাউণ্টেইন

ৰাষ্ট্ৰপতি ভৱনত উপলব্ধ বিভিন্ন সা-সুবিধাৰ ক্ষেত্ৰত এটা নতুন সংযোগ হ'ল-- ২০০৩ চনত স্থাপিত হোৱা শিশুৰ যাদুঘৰ (Children's Museum)। শিক্ষামূলক

আৰু আমোদ দিব পৰা এই যাদুঘৰটো অকল শিশুৰেই নহয়, প্ৰাপ্তবয়স্কসকলৰ বাবেও আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। অন্য গ্ৰহত তেওঁলোকৰ ওজন কিমান হ'ব সেইটো আৱিষ্কাৰ কৰি অথবা পৃথিৱী গ্ৰহত তেওঁলোকৰ যিমান ওজন অন্য গ্ৰহত তাতোকৈ বহুত কম ওজন দেখি তেওঁলোকে বৰ আমোদ পায়। সমাজৰ বিভিন্ন স্তৰৰ শিশুৱে এই যাদুঘৰটোলৈ যথেষ্টসংখ্যক প'ৰট্ৰেইট্ আৰু পেইণ্টিং দান কৰিছে।

ৰাষ্ট্ৰপতি ভৱনকে ধৰি ৰাষ্ট্ৰপতিৰ খাট-পামত মুঠ ৩২৯.৭৩ একৰ ভূমি আছে। তাৰ ভিতৰত অকল ৰাষ্ট্ৰপতি ভৱনটোৱেই ৫.৩২ একৰ মাটি দখল কৰি আছে। সন্মুখৰ আংগণত ১৮.৪৫ একৰ আৰু মোগল গাৰ্ডেনত ১০.৪৭ একৰ মাটি আছে। ৰাষ্ট্ৰপতি ভৱন আৰু ৰাষ্ট্ৰপতিৰ খাট-পামেৰে বিয়াগোম চৌহদটো সুন্দৰ ৰাস্তা-ঘাটৰ ব্যৱস্থাই সাঙুৰি লৈছে। আপোনালোকে ৰাস্তা-ঘাটবোৰ পুনৰ্নিৰ্মাণ কৰাৰ বাবে, পথচাৰীৰ বাবে বিশেষ পদপথ আৰু বাছ ৰোৱা ঘাটি নিৰ্মাণ কৰাৰ কথা কৈছে। এইটো বৰ সুখৰ কথা যে ৰাষ্ট্ৰপতি ভৱনৰ সেউজ-সতেজ চৌহদৰ অপৰূপ সৌন্দৰ্য বিঘ্নিত নকৰাকৈয়ে এইবোৰ কাম কৰিব পৰা যাব।

মোগল গাৰ্ডেনখনৰ বাবে ৰাষ্ট্ৰপতি ভৱন প্ৰখ্যাত। গাৰ্ডেনৰ সকলো কৰ্মচাৰী আৰু গড়কাপ্তানি বিভাগৰ ঐকান্তিক প্ৰচেষ্টাত নিতৌ গাৰ্ডেনৰ ৰং-ৰূপ আৰু বৈচিত্ৰ্য বৰ্ধিত হৈ আছে। নতুন হাৰ্বেল গাৰ্ডেন (বনৌষধিৰ বাগিচা), কেক্টাছ গাৰ্ডেন আৰু অন্ধসকলৰ বাবে যি গাৰ্ডেন নিৰ্মাণ কৰা হৈছে সেইবোৰ আপোনালোকৰ প্ৰচেষ্টাৰ উজ্জ্বল নিদৰ্শন। ২০০৬ চনত আৰম্ভ কৰা 'মিউজিকেল ফাউণ্টেইন'টোৱে দৰ্শনাৰ্থীসকলক গভীৰভাৱে আকৰ্ষিত কৰিছে। ৰাষ্ট্ৰপতিৰ খাট-পাম প্ৰচুৰ গছ-গছনিৰে ভৰ্তি। পাঁচ বছৰৰ আগতে চকুত পৰিছিল— তাৰে ভিতৰৰ কিছুমান গছ কিবা উপায়ে নষ্ট কৰি দিয়াৰ ফলত সেইবোৰ ফোঁপোলা হৈ গৈছিল। গছডাল বাগৰি পৰিলে সহজে উঠাই নি তাৰ কাঠবোৰ যাতে ব্যৱহাৰ কৰিব পাৰে সেই উদ্দেশ্যতে তেনে কৰা হৈছিল। তেনেকুৱা ভ্ৰষ্টাচাৰ সমূলি বন্ধ কৰা হ'ল। তদুপৰি ইতিমধ্যে ব্যাপক হাৰত সংঘটিত হোৱা গছ কটা বন্ধ কৰাৰ উদ্দেশ্যেৰে গছ পুলি ৰোৱা কাম হাতত লোৱা হৈছিল। তাৰ ফলাফল আজি সকলোৱে প্ৰত্যেক্ষ কৰিছে। এই কামৰ বাবে গাৰ্ডেনৰ কৰ্মচাৰীসকল প্ৰশংসাৰ যোগ্য।

ৰাষ্ট্ৰপতি ভৱন দৰ্শনাৰ্থীসকলৰ বাবে বায়-ডাইভাৰছিটী পাৰ্কখন অন্যতম আকৰ্ষণৰ কেন্দ্ৰ। অন্যান্য প্ৰাণীকুলৰ লগতে পছু, হাঁহ, শহাপছু, ময়ূৰ আদিয়েও এই পাৰ্কত বাস কৰে। পশু চিকিৎসা বিভাগৰ কৰ্মচাৰীসকলে এই প্ৰাণীবিলাকৰ চোৱা-চিতা কৰে।

ৰাষ্ট্ৰপতি ভৱনৰ চৌহদত বিভিন্ন প্ৰজাতিৰ পক্ষী আছে। সেই পক্ষীকুলৰ বিষয়ে জনসাধাৰণক জ্ঞান দিয়াৰ উদ্দেশ্যে এটা বিশেষ জৰীপ কৰাৰ পিছত এখন সংক্ষিপ্ত পুথিও যুগুত কৰা হয়।

এইটো পৰম গৌৰৱৰ কথা যে ৰাষ্ট্ৰপতি ভৱনৰ পুথিভঁৰালটো লাখ লাখ কিতাপেৰে ঠাহ খাই আছে। তাৰে কিছুমান বৰ পুৰণি আৰু মহামূল্যৱান কিতাপ। কিতাপবোৰ 'ডিজিটাইজ্' কৰাৰ প্ৰচেষ্টা এটা হাতত লোৱা হৈছিল। প্ৰক্ৰিয়াটো এতিয়াও চলি আছে। অতি সোনকালে কামটো শেষ হ'ব বুলি আমি নিশ্চিত।

খেলা-ধূলাৰ সা-সুবিধা বৃদ্ধি কৰাৰ উপৰি আধুনিক কৰা হৈছে। গল্ফ ক'ৰ্ছ, টেনিছ ক'ৰ্ট, নৱনিৰ্মিত স্কোৱাছ ক'ৰ্ট আদি আন্তৰ্জাতিক মানদণ্ডৰ। ফুটবল খেলা পথাৰ আদিয়ে খেল-ধেমালিৰ প্ৰতি থকা আপোনালোকৰ মনোযোগকে স্পষ্টভাৱে দেখুৱাইছে। অতি উন্নতমানৰ আহিলাপাতিৰে সুসজ্জিত স্বাস্থ্য কেন্দ্ৰ আৰু ফিটনেছ চেণ্টাৰো আছে। তাৰ বাসিন্দাসকলে সকলো সময়তে অভিজ্ঞ আৰু দক্ষ লোকৰ পৰা শিক্ষা ল'ব পাৰে। টেবুল টেনিছ আৰু বিলিয়াৰ্ডছ্ অন্যতম আকৰ্ষণ। সুপৰিচালিত ছুইমিং পুলেও খেলা-ধূলাৰ সা-সুবিধাকে প্ৰকট কৰিছে।

প্ৰতিদিনে ৰাষ্ট্ৰপতি ভৱনলৈ অজস্ৰ ই-মেইল আহে। পাৰ্কৰ টেঁকীপাত মেৰামতি কৰাৰে পৰা আৰম্ভ কৰি ৰাস্তা-ঘাট বহলোৱা আৰু নিৰ্মাণ কৰা, বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰা আৰু ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় গুৰুত্ব থকা কথা— সকলোতে মানুহে ৰাষ্ট্ৰপতিৰ হস্তক্ষেপ বিচাৰি আবেদন-নিবেদন কৰে। সেইবোৰ পোৱাটো এটা কথা আৰু প্ৰতিখনৰ ইতিবাচক উত্তৰ দিয়াটো অন্য এটা কথা। এই ই-মেইলবোৰৰ সহায়ত মানুহে জনোৱা অসুবিধাবোৰ দূৰ কৰাৰ ক্ষেত্ৰত আপোনালোকৰ প্ৰত্যেকে যি ধৰণৰ ব্যক্তিগত মনোযোগ দি আহিছে তাৰ বাবে আপোনালোকক ধন্যবাদ জনাইছোঁ। কোনো কথাই গৌণ বা অদৰকাৰী বুলি ভবা নহয়। এইবোৰ কাৰণতেই যে মানুহে ৰাষ্ট্ৰপতি ভৱনটোক 'জনতাৰ ভৱন' হিচাপে গণ্য কৰিবলৈ ধৰিছে তাত আচৰিত হ'বলগীয়া একো নাই। আপোনালোকৰ নিষ্ঠা আৰু ঐকান্তিক প্ৰচেষ্টাৰ অবিহনে

সেইটো সম্ভৱ নহ'লহেঁতেন। তাৰ বাবে আপোনালোকক মই সৰ্বান্তঃকৰণে ধন্যবাদ যাচিছোঁ। ভৱিষ্যতেও এই পৰম্পৰা অব্যাহত থাকিব বুলি আমাৰ সম্পূৰ্ণ বিশ্বাস আছে।

২০০২ চনৰ ২৫ জুলাইৰ দিনাখন কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা ৰাষ্ট্ৰপতি ভৱনৰ নিৰাপত্তাৰক্ষী বাহিনী আৰু ৰিচেপ্‌শ্যন্ (অভ্যৰ্থনা) ষ্টাফৰ মানুহখিনিয়ে অতিশয় নিষ্ঠাৰে দায়িত্ব পালন কৰা মই দেখিছোঁ। প্ৰায় প্ৰতিদিনে সমাজৰ বিভিন্ন স্তৰৰ অজস্ৰ মানুহ ৰাষ্ট্ৰপতি ভৱনলৈ আহি তেওঁক লগ কৰেহি। সেই লোকসকলক নিৰাপত্তাৰ দিশৰ পৰা চম্ভালা, তেওঁলোকক আমাৰ সন্মানীয় অতিথি হিচাপে চোৱা-চিতা কৰা, তেওঁলোকক সঠিকভাৱে বহুৱাই আপ্যায়ন কৰা, ৰাষ্ট্ৰপতিক লগ কৰাৰ পিছত তেওঁলোকক বিদায় দিয়া— এইবোৰৰ যে গধুৰ দায়িত্ব তাক দোহৰাৰ প্ৰয়োজন নাই। প্ৰতিজন দৰ্শনাৰ্থীয়ে প্ৰথম প্ৰথম অভ্যৰ্থনা কক্ষলৈকে যায়। মোৰ সহকৰ্মীসকলে সেই অভ্যৰ্থনা কক্ষটো সম্পূৰ্ণ মেৰামতি কৰাৰ পৰামৰ্শ আগবঢ়ালে। আচল কথা হ'ল— যিটো কক্ষ অভ্যৰ্থনা কক্ষ হিচাপে ব্যৱহাৰ কৰা হৈ আহিছে সেইটো ইমানেই সৰু যে তাত একেলগে মাত্ৰ পাঁচজন বা সাতজন লোকহে অলপ আহল-বহলকৈ বহিব পাৰে। মোৰ সহকৰ্মীসকলক মই ধন্যবাদ দিব লাগিব— কাৰণ তেওঁলোকে এনে এটুকুৰা ঠাই বিচাৰি উলিয়ালে য'ত এটা আহল-বহল, আটোমটোকাৰি আৰু উচ্চ কাৰিকৰী আহিলা-পাতিৰে সজ্জিত অভ্যৰ্থনা কক্ষ নিৰ্মাণ কৰা হ'ল। এতিয়া দৰ্শনাৰ্থীসকলে তাত বহি অন-লাইনত 'পাছ' (প্ৰৱেশ পত্ৰ) পাব পাৰে, ৰাষ্ট্ৰপতি ভৱনটো পাক মাৰিব পাৰে আৰু ইচ্ছা কৰিলে গৰম চাহ একাপো খাব পাৰে। তদুপৰি নববৰ্ষ, দীপান্বিতা আৰু অন্যান্য উৎসৱ-পাৰ্বণত ৰাষ্ট্ৰপতিক ওলগ জনাবলৈ আহি ৰাষ্ট্ৰপতি ভৱনৰ লনত পৰিয়াল-পৰিজন সমন্বিতে জমা হোৱা হাজাৰ হাজাৰ মানুহৰ প্ৰতিও এই নিৰাপত্তাৰক্ষী আৰু অভ্যৰ্থনা কক্ষৰ কৰ্মচাৰীয়ে প্ৰশংসনীয় সেৱা আগবঢ়াই আছে। ২০০৭ চনৰ ১ জানুৱাৰীৰ দিনাখন ছয় হাজাৰৰো অধিকসংখ্যক লোকে ৰাষ্ট্ৰপতিক লগ কৰি নৱবৰ্ষৰ ওলগ জনাইছিলহি। ৰাষ্ট্ৰপতিয়েও প্ৰতিজন মানুহক লগ কৰি ওলগ জনাইছিল আৰু সেইটো কৰিবলৈ তেওঁক প্ৰায় চাৰে চাৰি ঘণ্টা সময় লাগিছিল। একেদৰে দেশৰ বিভিন্ন ঠাইৰ পৰা ২৬৬৫ জনতকৈও অধিকসংখ্যক কৃষকে ৰাষ্ট্ৰপতিক দেখা কৰিবলৈ ৰাষ্ট্ৰপতি ভৱনলৈ আহিছিল। মোৰ স্পষ্ট মনত আছে যে কৃষকসকলৰ সেই সাক্ষাৎ আৰু কথা-বতৰা হোৱা সময়খিনি নিৰাপত্তাৰক্ষীসকলে খুব নিয়াৰিকৈ চলাই

নিছিল— ক'তো অকণো খুঁত নোহোৱাকৈ। গণতন্ত্ৰ দিৱসৰ দৰে উৎসৱবিলাকত ৰাষ্ট্ৰপতিয়ে আৰক্ষী, ডাক সেৱা, লেখক, খেলুৱৈ আদি বিশেষ বিশেষ দলৰ লোকক বেলেগে বেলেগে সাক্ষাৎ কৰে। এনেবোৰ ক্ষেত্ৰত আমাৰ অভ্যৰ্থনা আৰু নিৰাপত্তা বিভাগৰ ওপৰত অতিৰিক্ত দায়িত্ব আহি পৰে। ৰাষ্ট্ৰপতিয়ে দৰ্শনাৰ্থীসকলৰ প্ৰত্যেককে বিশেষভাৱে চকু দিবলৈ কয়— সেইবাবে তেওঁলোকৰ দায়িত্ব দুগুণে বাঢ়ি যায়। তেনে ক্ষেত্ৰত দৰকাৰ অনুযায়ী চিকিৎসা সেৱাও আগবঢ়োৱা হয়।

চিৰাচৰিত নিয়ম অনুযায়ী ৰাষ্ট্ৰপতিৰ অংগৰক্ষক বিভাগটোৰ বাবে পুঁজিৰ আবণ্টন দিয়ে সৈন্য বিভাগে। কেন্দ্ৰীয় গড়কাপ্টানি বিভাগৰ সহকৰ্মীসকলে ৰাষ্ট্ৰপতিৰ অংগৰক্ষক বিভাগটোৰ আৰ্থিক টনা-টনি হৈছে বুলি মোক জনাইছিল। লগে লগে যুটীয়া প্ৰচেষ্টা হাতত লোৱা হ'ল। প্ৰতিৰক্ষা বিভাগৰ পৰা নিয়মীয়া পুঁজিৰ আবণ্টন দিয়াত ৰাষ্ট্ৰপতিৰ অংগৰক্ষক বাহিনীটোৰ ব্যাপক উন্নতি হ'ল। এতিয়া অইন বিভাগৰ সমানে সমানে সুন্দৰকৈ চলি আছে। এইবোৰ সম্ভৱ হৈছে আপোনালোকৰ বাবেই।

মোৰ সহকৰ্মী, কৰ্মচাৰীবৃন্দ আৰু তেওঁলোকৰ পৰিয়ালৰ অভূতপূৰ্ব সঁহাৰিত আমি ১৫ আগষ্ট আৰু ২৬ জানুৱাৰী— এই দুটা দিনত পেইণ্টিং আৰু ভাস্কৰ্যৰ প্ৰদৰ্শনী পাতিবলৈ লৈছিলোঁ। তাৰ জৰিয়তে আমি উঠি অহা শিল্পীসকলক উৎসাহিত কৰিছোঁ। আপোনালোকৰ সহায়-সহযোগ আৰু সমৰ্থনৰ অবিহনে তেনেকুৱা অনুষ্ঠানবোৰৰ শুভাৰম্ভ কৰাৰ লগতে নিয়মীয়াকৈ আৰু সফলভাৱে পাতিব পৰাটো সম্ভৱ নহ'লহেঁতেন।

তলৰ মহলাৰ কিছু ঠাই বিশৃংখলভাৱে পৰি আছিল। পৰিত্যক্ত হৈ থকা ঠাইডোখৰ আপোনালোকৰ সাহায্যক্ৰমে যতনাই লৈ তাতে এটা ধুনীয়া 'ৰন্ধন যাদুঘৰ' (Kitchen museum) নিৰ্মাণ কৰি উলিওৱা হ'ল। ৰাষ্ট্ৰপতি ভৱনৰ ইও এটা উল্লেখযোগ্য কীৰ্তি। আপোনালোকৰ সহায়-সহযোগতেই আমি এটা পেইণ্টিং গেলাৰী নিৰ্মাণ কৰি উলিয়াবলৈ আগবাঢ়িছোঁ। ২০০৭ চনৰ ১৯ জুলাইৰ দিনাখন ৰাষ্ট্ৰপতি মহোদয়ৰ জৰিয়তে সেই গেলাৰীটো উদ্বোধন কৰা হ'ব।

প্ৰতি বছৰৰ প্ৰথম ভাগত মোগল গাৰ্ডেন দৰ্শকৰ বাবে মুকলি কৰি দিয়া হয়। গাৰ্ডেনৰ ভিতৰত যাতে কোনো ধৰণৰ অসুবিধা নহয় আৰু প্ৰতিজন দৰ্শনাৰ্থীৰ খা-খবৰ লোৱাৰ বাবে ৰাষ্ট্ৰপতিয়ে সকলোকে বিশেষভাৱে নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰপতিৰ নিৰ্দেশ অনুসৰি ঘূৰি ঘূৰি পহৰা

নতুন সভাকক্ষ

আগবঢ়ায় আৰু কোনো ধৰণৰ অপ্ৰীতিকৰ কাণ্ড যাতে নঘটে তাৰ প্ৰতি লক্ষ্য ৰাখে। দৰ্শনাৰ্থীসকলৰ সুবিধাৰ বাবে চিকিৎসা সেৱাৰ উপৰি খোৱাপানী যোগানৰ ব্যৱস্থাও থাকে। তাৰ বাবে মোৰ দলৰ সদস্য, বিশেষকৈ নিৰাপত্তা ৰক্ষী, অভ্যৰ্থনা বিভাগৰ কৰ্মচাৰী, চিকিৎসা সেৱা বিভাগৰ কৰ্মচাৰী আৰু যিসকলে গাৰ্ডেনৰ ভিতৰত বিৰামহীনভাৱে কৰ্তব্য কৰি থাকে তেওঁলোকক মই ধন্যবাদ জনাইছোঁ।

আপোনালোকৰ আগ্ৰহ অকল কাম-কাজ, খেল-ধেমালি আদিতে আবদ্ধ নহয়— কলা-সংস্কৃতিৰ ক্ষেত্ৰতো আপোনালোকৰ যথেষ্ট অনুৰাগ আছে। 'ইন্দ্ৰধনুষ'ৰ ছত্ৰছায়াত আৰ্ট থিয়েটাৰৰ উপৰি মোগল গাৰ্ডেনতো অনুষ্ঠিত কৰা সুন্দৰ সাংস্কৃতিক কাৰ্যসূচীসমূহে তাৰ সাক্ষ্য বহন কৰে। সুকুমাৰ কলাৰ বিখ্যাত আৰু সমাদৃত শিল্পীসকলৰ উপৰি নতুনকৈ উঠি অহা প্ৰতিভাকো সমানে সুযোগ প্ৰদান কৰা হৈছে। আপোনালোকৰ পৃষ্ঠপোষকতাতেই এইবোৰ সম্ভৱ হৈ উঠিছে। আপোনালোকৰ পৃষ্ঠপোষকতাৰ আৰু এটা অতুলনীয় নিদৰ্শন আছে। সেইটো হ'ল ৰাষ্ট্ৰপতি ভৱনৰ বাকীবোৰ কক্ষৰ আৰ্হি আদিৰ লগত সামঞ্জস্য ৰাখি নতুনকৈ নিৰ্মাণ কৰি উলিওৱা সভাকক্ষ য'ত তিনিশ মানুহ বহিব পৰাকৈ আসন ৰখা হৈছে। ধ্বনিবিজ্ঞান আদিৰ কাৰিকৰী উপযুক্ততা আৰু সৌন্দৰ্যৰ ওপৰত সূক্ষ্ম মনোযোগ দি অতি কম সময়ৰ ভিতৰতে এই নিৰ্মাণ কাৰ্যবোৰ সম্পন্ন কৰি তুলিছে। তাতো

আপোনালোকৰ কামৰ গুণগত মানদণ্ড পৰিলক্ষিত হৈছে।

আপোনালোকে দেখুওৱা অপৰিসীম উৎসাহ-উদ্‌গণিতেই ২০০৬ চনৰ নৱেম্বৰ-ডিচেম্বৰৰ ভিতৰত ৰাষ্ট্ৰপতিৰ 'ইষ্টেট'ৰ সকলো বাসিন্দাৰ মাজত খেলা-ধূলা আৰু সাংস্কৃতিক সমাৰোহ পতাটো সম্ভৱ হৈছিল। এই সমাৰোহ দুমাহতকৈও বেছি দিন ধৰি চলিছিল। বহুত ক্ৰীড়া অনুষ্ঠিত হৈছিল আৰু ৰাষ্ট্ৰপতিৰ ইষ্টেটৰ ভিতৰৰ সকলো বাসিন্দাই অভূতপূৰ্ব উৎসাহ-উদ্দীপনাৰে, পদমৰ্যাদানুক্ৰমৰ বাছ-বিচাৰ নকৰাকৈ অংশগ্ৰহণ কৰিছিল। ৰাষ্ট্ৰপতি ভৱনৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে এনেকুৱা উৎসৱৰ আয়োজন কৰা হৈছিল। এনে এটা সমাৰোহ সাফল্যমণ্ডিত কৰি তোলাৰ বাবে আপোনালোকক মই ধন্যবাদ জনাইছোঁ। ভাবি চাওকচোন! সমাৰোহৰ অন্তিম দিনাখন ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰায় চাৰি ঘণ্টা সময় ধৰি বিভিন্ন ক্ৰীড়ানুষ্ঠান উপভোগ কৰিছিল। সমাৰোহ সফল হোৱা কথাটো সেইটোৱেই ইংগিত দিছে। আমি নিশ্চিত যে প্ৰথম প্ৰচেষ্টাটোৰ সাফল্যই প্ৰতি বছৰে এনে সমাৰোহ পতাৰ পথ প্ৰশস্ত কৰিব আৰু আপোনালোক তাৰ হিতাধিকাৰী হ'ব।

বিগত পাঁচটা বছৰে ৰাষ্ট্ৰপতি ভৱনত এক ইলেক্‌ট্ৰনিক বিপ্লৱ প্ৰত্যক্ষ কৰা হৈছে। নিতৌ শ শ ই-মেইলযোগে দেশৰ প্ৰথম নাগৰিকজনৰ ওচৰ চপাটোৱেই সমগ্ৰ দেশখনৰ মানুহৰ জীৱনযাত্ৰা হৈ পৰিছিল। ই-গভাৰ্ণেন্সৰ সূচনাত বৃহৎ অগ্ৰগতি লাভ হয়। সৰ্বোপৰি, শ্ৰেষ্ঠ মানৰ মাল্টি মিডিয়া ষ্টুডিঅ' এটা ৰাষ্ট্ৰপতি ভৱনত বহুওৱা হ'ল। তাৰ পৰা ৰাষ্ট্ৰপতিগৰাকীয়ে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ বিদেশী শ্ৰোতা-দৰ্শকক সম্বোধি বক্তৃতা দিব পাৰিছে। ভাৰতবৰ্ষৰ প্ৰথমজন নাগৰিকৰ কাৰ্যালয়টো সুচাৰুৰূপে চলোৱাৰ বাবে উদ্দেশ্যধৰ্মী আত্মোৎসৰ্গৰ লক্ষ্যৰে আপোনালোকে যি অপৰিসীম সহযোগিতা আগবঢ়াইছে তাৰ বাবেই এইবোৰ সম্ভৱ হৈ উঠিছে।

মোৰ বিন্দুমাত্ৰ সন্দেহ নাই যে আপোনালোকৰ সহায়-সহযোগিতা আৰু নিপুণ পৰিচালনাত আগন্তুক দিনবোৰত আৰু বেছি উন্নতি হ'ব আৰু 'জনতাৰ ভৱন' বোলা ৰাষ্ট্ৰপতি ভৱনৰ যি খিতাব সি চিৰদিন-চিৰকাল লৈ বৰ্তি থাকিব।

পৰিশিষ্ট-২

আমেৰিকাৰ ৰাষ্ট্ৰপতি জৰ্জ বুশ্বে আমাৰ ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামলৈ লিখা চিঠি এখনৰ পূৰ্ণপাঠ তলত দিয়া হ'ল। এইখন হাতে লিখা চিঠি, টাইপ কৰা নহয়। ভ্ৰমণৰ পিছত ধন্যবাদ জনাই এনেকুৱা চিঠি দিয়াটো এটা পৰম্পৰা।

হোৱাইট হাউছ ৩/৩/০৬ ইং
ৱাশ্বিংটন

প্ৰিয় শ্ৰীযুক্ত ৰাষ্ট্ৰপতি মহোদয়!

লাৰা আৰু মই আপোনাৰ সংগ লাভ কৰি ধন্য মানিছোঁ। আপোনালোকে দিয়া ভোজনটো অতি উৎকৃষ্ট আছিল। শক্তিৰ ওপৰত আপোনাৰ বক্তব্যখিনিও বেছ মনোগ্ৰাহী হৈছিল। আপোনাৰ আতিথ্যৰ বাবে আপোনাক অশেষ ধন্যবাদ।

আপুনি এজন বিশাল অন্তৰৰ প্ৰাজ্ঞ ব্যক্তি। আপোনাৰ নেতৃত্ব আৰু ভাৰতৰ শিশুৰ শিক্ষাৰ বাবে আপুনি যি প্ৰচেষ্টা হাতত লৈছে তাৰ বাবে আমি আপোনাক প্ৰশংসা কৰিছোঁ।

আন্তৰিক শ্ৰদ্ধাৰে—

— **জৰ্জ বুশ্ব**

□ □ □